
# চিলাপথাৰ মহাবিদ্যালয় আলোচনী

২০১৫-১৬ বৰ্ষ



সম্পাদনা

কৃষ্ণ বৰগোহাঁই

## সম্পাদনা সমিতি



ড° লক্ষীনাথ গগৈ
প্ৰধান উপদেষ্টা



অনিল চন্দ্ৰ গগৈ
উপদেষ্টা



ড° দেৱী প্ৰসাদ গগৈ
উপদেষ্টা



ড° জয়ৰাম কো
শিক্ষক সদস্য



সুস্মিতা ফুকন
শিক্ষক সদস্যা



বাবু গগৈ
শিক্ষক সদস্য



ড° মৃদুলা দিহিঙ্গীয়া
শিক্ষক সদস্যা



প্ৰাঞ্জল দাস
তত্ত্বাৱধায়ক



কৃষ্ণ বৰগোহাঁই
সম্পাদক



কিৰণ বৰগোহাঁই
ছাত্ৰ সদস্য



নিহিত ফুকন
ছাত্ৰ সদস্য



মইনা চুতীয়া
ছাত্ৰ সদস্য



সংগীতা গড়
ছাত্ৰী সদস্যা



ছাত্ৰ একতা সভাৰ সদস্য-সদস্যা ঃ
বাওঁফালৰপৰা ক্ৰমে- সঞ্জয় গুপ্তা (সম্পাদক, শৰীৰ চৰ্চা বিভাগ), বিজু টায়ে (উপ-সভাপতি), মৃন্ময় দাস (সম্পাদক, ছাত্ৰ জিৰণি কোঠা), মধু শৰ্মা (সহকাৰী সাধাৰণ সম্পাদক), কৃষ্ণ বৰগোহাঁই (আলোচনী সম্পাদক), দীপংকৰ সোনোৱাল (তৰ্ক বিভাগৰ সম্পাদক), নিহিত ফুকন (গুৰু ক্ৰীড়া বিভাগৰ সম্পাদক), জ্যোতিষ টায়ে (সাহিত্য বিভাগৰ সম্পাদক), ৰুদ্ৰন টায়ে (সাধাৰণ সম্পাদক)।
ছবিত অনুপস্থিত ঃ ৰাহুল শ্বাহ (সাধাৰণ ক্ৰীড়া সম্পাদক), দেৱ চুতীয়া (সাংস্কৃতিক সম্পাদক), ৰাখী গগৈ (ছাত্ৰী জিৰণি কোঠাৰ সম্পাদক), ধনজ্যোতি গাইট (লঘু ক্ৰীড়া বিভাগৰ সম্পাদক)

## মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহৰ শ্ৰেষ্ঠসকল ২০১৫-১৬


পূজা দাস
শ্ৰেষ্ঠ গায়িকা


অমিম কুলি
শ্ৰেষ্ঠ [illegible]


খনিন্দ্ৰ গগৈ
শ্ৰেষ্ঠ খেলুৱৈ


আশিস ফুকন
শ্ৰেষ্ঠ [illegible]
[illegible]


তৰুণ বৰগোহাঁই
শ্ৰেষ্ঠ [illegible]
[illegible]


বিমলা ছেত্ৰী
[illegible]

## ২০১৫-১৬ বৰ্ষত চিলাপথাৰ মহাবিদ্যালয়ৰ স্নাতক শ্ৰেণীত প্ৰথম স্থান প্ৰাপ্তসকলৰ একাংশ


অমিম কুলি
অৰ্থনীতি বিজ্ঞান বিভাগ


প্ৰাঞ্জল বুঢ়াগোহাঁই
অসমীয়া বিভাগ


প্ৰীতম বিশ্বাস
ৰাজনীতি বিজ্ঞান বিভাগ


আকাশ টায়ে
দৰ্শন বিভাগ


সুস্মিতা দেব
ইংৰাজী বিভাগ


দিপেন্দ্ৰ ছেত্ৰী
ৰাজনীতি বিজ্ঞান বিভাগ


জ্যোতিকা কুলি
ইংৰাজী বিভাগ


দাস বিলা দেউৰি
দৰ্শন বিভাগ


ৰাম টায়ে
দৰ্শন বিভাগ


মিঠি দাস
ইংৰাজী বিভাগ


প্ৰণৱ বিশ্বাস
শিক্ষাতত্ত্ব বিভাগ


সৌমিত্ৰ দেব
ইংৰাজী বিভাগ


বিবেক শৰ্মা
শিক্ষাতত্ত্ব বিভাগ

২০১৫-১৬ বৰ্ষত উচ্চতৰ মাধ্যমিকত প্ৰথম স্থান প্ৰাপ্ত ছাত্ৰ-ছাত্ৰীৰ একাংশ


মৌচুমী শৰ্মা


মিনতি দাস


মীনা সিং


পিংকী দেব

## সাংস্কৃতিক যাত্ৰাত চিলাপথাৰ মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰী



# ছাঁ-পোহৰত চিলাপথাৰ মহাবিদ্যালয়



মহাবিদ্যালয়ৰ তোৰণ




প্ৰশাসনীয় ভৱন আৰু গ্ৰন্থাগাৰৰ একাংশ




নৱনিৰ্মিত আভ্যন্তৰীণ খেলাকক্ষ



মহাবিদ্যালয়ৰ ছাত্ৰী নিবাস



মহাবিদ্যালয়ৰ বিভাগ সমূহৰ একাংশ



মহাবিদ্যালয়ৰ IQAC ৰ কাৰ্যালয়



মহাবিদ্যালয়ৰ কেন্টিন



মহাবিদ্যালয়ৰ বিশুদ্ধ খোৱা পানীৰ ব্যৱস্থা



শ্বহীদ বেদী



প্ৰশাসনীয় ভৱনৰ ভিতৰ চৰাৰ দৃশ্য



গ্ৰন্থাগাৰৰ ভিতৰ চৰাত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰী



কম্পিউটাৰ অধ্যয়ন কেন্দ্ৰ

# চিলাপথাৰ মহাবিদ্যালয় আলোচনী

## চিলাপথাৰ, ধেমাজি

## ২০১৫-২০১৬ বৰ্ষ

সম্পাদক

কৃষ্ণ বৰগোহাঁই

# SILAPATHAR COLLEGE MAGAZINE

Annual Magazine of Students' Union, Silapather College, Dhemji,
Edited by - Krishna Borgohain, Printed at - *Sunprint*,
Dibrugarh University Market Complex, Dibrugarh-786004

**2015-2016 ACADEMIC SESSION**

*সম্পাদনা সমিতিঃ*

**মুখ্য উপদেষ্টা ঃ**
ড° লক্ষীনাথ পেগু
অধ্যক্ষ, চিলাপথাৰ মহাবিদ্যালয়

**উপদেষ্টা ঃ**
শ্ৰীযুত ললিত চন্দ্ৰ দলে
উপাধ্যক্ষ, চিলাপথাৰ মহাবিদ্যালয়
ড°বেবী মৰাং দলে
জ্যেষ্ঠ অধ্যাপক, চিলাপথাৰ মহাবিদ্যালয়

**তত্ত্বাৱধায়ক ঃ**
প্ৰাঞ্জল দাস
সহকাৰী অধ্যাপক

**শিক্ষক সদস্য/সদস্যা ঃ**
ড° জয়ৰাম ঝা, জ্যেষ্ঠ অধ্যাপক
তুলতুল ফুকন, মুৰব্বী অধ্যাপক
ৰাজু পেগু, সহকাৰী অধ্যাপক
ড° মূৰ্চ্ছনা গগৈ, সহকাৰী অধ্যাপক

**সম্পাদক ঃ**
কৃষ্ণ বৰগোহাঁই

**ছাত্ৰ সদস্য/সদস্যা ঃ**
কিৰণ বৰগোহাঁই
বিজিত ফুকন
মইনা চুতীয়া
সংগীতা বড়া

বেটুপাত ঃ বিশ্বজিৎ গগৈ
ৰঙীন পৃষ্ঠা সজ্জা ঃ বিশ্বজিৎ গগৈ, প্ৰাঞ্জল দাস
সামগ্ৰিক পৰিকল্পনা ঃ সম্পাদনা সমিতি
আৰ্হি নিৰীক্ষণ ঃ সম্পাদনা সমিতি
অংগসজ্জা ঃ ইন্দ্ৰজীত কোঁৱৰ, প্ৰাঞ্জল দাস
অলংকৰণ ঃ সম্পাদনা সমিতি
ডি.টি.পি. ঃ ভূপেন গগৈ
প্ৰকাশক ঃ চিলাপথাৰ মহাবিদ্যালয় ছাত্ৰ একতা সভা
মুদ্ৰণ ঃ চানপ্ৰিন্ট, ডিব্ৰুগড় বিশ্ববিদ্যালয় মাৰ্কেট কমপ্লেক্স-৭৮৬০০৪, দূৰভাষ-৯৪৩৫১৩০০৩৭

2015-2016



**Prof. A.K. Buragohain, Ph.D. (London), DIC**
*Vice-Chancellor*

**DIBRUGARH UNIVERSITY**
**DIBRUGARH - 786004**
**ASSAM, INDIA**
**Phone : 0373-2370239 (O)**
**Fax : 0373-2370323**
**E.mail : alak@dibru.ac.in**

## শুভেচ্ছা বাণী

প্ৰতি

**শ্ৰী কৃষ্ণ বৰগোহাঁই**
সম্পাদক, আলোচনী বিভাগ
চিলাপথাৰ মহাবিদ্যালয় ছাত্ৰ একতা সভা

**মৰমৰ কৃষ্ণ,**

চিলাপথাৰ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীৰ ২০১৫-২০১৬ বৰ্ষৰ সংখ্যাটি প্ৰকাশ কৰিবলৈ লোৱা বুলি জানিবলৈ পাই আনন্দিত হলোঁ। মই আশা কৰিছো উৎকৃষ্ট মানৰ লেখা প্ৰকাশৰ জৰিয়তে আলোচনীখনে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভাৰ বিকাশত অৰিহণা যোগোৱাৰ লগতে মহাবিদ্যালয়খনৰ নামো উজ্জ্বল হোৱাত সহায় কৰিব।

আলোচনীখন সুন্দৰ ৰূপত প্ৰকাশ হৈ ওলাওক, তাৰে বাবে মোৰ ফালৰপৰা শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

অলক কুমাৰ বুঢ়াগোহাঁই

# কৃতজ্ঞতা জনাইছোঁ

- মহাবিদ্যালয়ৰ অধ্যক্ষ তথা সম্পাদনা সমিতিৰ মুখ্য উপদেষ্টা ড° লক্ষীনাথ পেগু ছাৰলৈ—
- শুভেচ্ছা বাণীৰে আলোচনীখনৰ সৌষ্ঠভ বৃদ্ধিত সহায় কৰা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সন্মানীয় উপাচাৰ্য মহোদয় ড° অলক কুমাৰ বুঢ়াগোহাঁই ছাৰ—
- অসমীয়া ভাষা সাহিত্যক চিৰসেউজ কৰি তোলা মহীৰূহসকলৰ অন্যতম, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ ভূতপূৰ্ব লক্ষ্মীনাথ বেজবৰুৱা আসনৰ অধ্যাপক, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, প্ৰাক্তন সাংসদ, গৱেষক, সু-সাহিত্যিক ড° নগেন শইকীয়া ছাৰ—
- ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰেৰণাৰ অমল উৎস স্বৰূপ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিক্ষাতত্ব বিভাগৰ সহকাৰী অধ্যাপক প্ৰাঞ্জল বুঢ়াগোহাঁই ছাৰ—
- অসমৰ ইতিবাচক খবৰসমূহ প্ৰসাৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা 'কেৰিয়াৰ' সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলক সচেতন কৰিবলৈ আপ্ৰাণ চেষ্টা চলাই থকা গিৰিজানন্দ চৌধুৰী ইনষ্টিটিউট অৱ মেনেজমেন্ট এণ্ড টেকন'লজিৰ যান্ত্ৰিক অভিযান্ত্ৰিক বিভাগৰ অধ্যাপক ড° বুলজিৎ বুঢ়াগোহাঁই ছাৰ—
- বেটুপাতৰ শিল্পী বিশ্বজিৎ গগৈদা—
- আলোচনীখন প্ৰকাশত প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে সহায় আগবঢ়োৱা উপাধ্যক্ষ ললিত চন্দ্ৰ দলে ছাৰ, ড° বেবী মৰাং দলে বাইদেউ, ৰাজু পেগু ছাৰ, তুলতুল ফুকন বাইদেউ, ড° মূৰ্চ্ছনা বাইদেউ, বিদিশা বাইদেউ, ৰাহুল পেগু ছাৰ আৰু মহাবিদ্যালয়ৰ সন্মানীয় অন্যান্য শিক্ষাগুৰুসকল—
- আলোচনীখনৰ তত্বাৱধায়ক প্ৰাঞ্জল দাস ছাৰ—
- সম্পাদনা সমিতিৰ মাননীয় উপদেষ্টাবৃন্দ আৰু সমূহ সদস্য/সদস্যা—
- আলোচনীখনলৈ লেখনিৰে বৰঙণি আগবঢ়োৱা শ্ৰদ্ধেয় শিক্ষাগুৰু আৰু জ্যেষ্ঠ, কনিষ্ঠ সকলো ছাত্ৰ-ছাত্ৰী—
- মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সমূহ সদস্য/সদস্যা—
- আলোচনীখন প্ৰকাশত মোক বিশেষভাৱে সহযোগ কৰা ৰবীনদা, বিজিত, মইনা, পাৰ্থ, কিৰণ, পবিত্ৰ, প্ৰণৱ, সোণটি, সংগীতা, পল্লৱী, নিজৰা, বেবীলীনালৈ—
- আলোচনীখনৰ কাম-কাজৰ কথা সুধি উৎসাহিত কৰি থকা মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক সুনীল টাইড ছাৰ আৰু বিভিন্ন সময়ত সহযোগ আগবঢ়োৱা পবিত্ৰ কোঁৱৰদা—
- অক্ষৰ-বিন্যাস কৰি আলোচনীখনৰ কাম-কাজ খৰতকীয়াকৈ হোৱাত সহযোগ কৰা ভূপেনদালৈ—
- ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ মাৰ্কেট কমপ্লেক্সস্থিত 'চানপ্ৰিন্ট'ৰ সমূহ কৰ্মকৰ্তালৈ—
- চিলাপথাৰ মহাবিদ্যালয়ৰ পোহৰ প্ৰয়াসী প্ৰতিজন শিক্ষক, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱক—

উল্লিখিত সকলোলৈকে আন্তৰিক কৃতজ্ঞতা জনাইছোঁ।

কৃষ্ণ বৰগোহাঁই<br>
আলোচনী সম্পাদক<br>
চিলাপথাৰ মহাবিদ্যালয় ছাত্ৰ একতা সভা

# শ্ৰদ্ধাঞ্জলি



২৯ জানুৱাৰী ২০১৬ তাৰিখটো চিলাপথাৰ মহাবিদ্যালয়ৰ বাবে এটা দুৰ্ভাগ্যজনক দিন। কিয়নো সেই দিনটোতেই মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ সৰসী শিক্ষক প্ৰকাশ পাইটৰ ৰোগজনিত কাৰণত মৃত্যু হয়। তেওঁৰ মৃত্যু মহাবিদ্যালয়ৰ বাবে অপূৰণীয় ক্ষতি। তেওঁৰ মৃত্যুত চিলাপথাৰ মহাবিদ্যালয়ে গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ —



ভাৰতীয় পৰম্পৰাগত বনৌষধিৰ গৱেষক, সংৰক্ষক, প্ৰচাৰ আৰু প্ৰসাৰক ড° গুণাৰাম খনিকৰৰ মৃত্যু ৮ জানুৱাৰী ২০১৬ তাৰিখে হৈছিল। তেওঁৰ মৃত্যুত অসমবাসীয়ে এজন মানৱ সেৱকক হেৰুৱালে —



'মানুহ অনুকূলে'ৰ খ্যাত বিশিষ্ট কাব্য সমালোচক, সাহিত্য অকাডেমী বঁটাপ্ৰাপ্ত কবি হীৰেন্দ্ৰনাথ দত্তৰ ২০১৬ চনৰ ২০ ফেব্ৰুৱাৰীত মৃত্যু হৈছিল। তেখেতৰ মৃত্যু অসমৰ কাব্য পথাৰখনলৈ অভুতপূৰ্ব ক্ষতি —

২ জুলাই ২০১৬ তাৰিখটো মানৱ সমাজৰ বাবে চৰম লজ্জাজনক দিন হিচাপে পৰিগণিত হৈ থাকিব। উক্ত দিনটোতে বাংলাদেশত আইছিছ (ISIS) সন্ত্ৰাসবাদীৰ বৰ্বৰ আক্ৰমণত ২০ জনকৈ নিৰপৰাধি লোকে মৃত্যুক আঁকোৱালি ল'ব লগা হৈছিল। সন্ত্ৰসবাদীৰ পৈশাচিক আক্ৰমণত নিহতসকল —

বিশ্বৰ ভিন্ন প্ৰান্তত আমাৰ জ্ঞাতে অজ্ঞাতে সাম্প্ৰদায়িক বিভৎসতাৰ কবলত পৰি মৃত্যুবৰণ কৰা দুৰ্ভগীয়াসকল —

সকলোলৈকে চিলাপথাৰ মহাবিদ্যালয়ৰ তৰফৰপৰা গভীৰ শ্ৰদ্ধাঞ্জলি জনালোঁ।

- সম্পাদনা সমিতি
চিলাপথাৰ মহাবিদ্যালয় আলোচনী
২০১৫-১৬ বৰ্ষ

# উচৰ্গা

কোনো ধৰণৰ সাম্প্ৰদায়িকতাক প্ৰশ্ৰয় নিদি

প্ৰতি মুহূৰ্তত মানৱতাৰ কাৰণে কাম কৰি যোৱা

মানৱ কৰ্মীসকলৰ হাতত

এই সংখ্যাৰ আলোচনীখন উচৰ্গা কৰিলোঁ।



## অধ্যক্ষৰ কলম

শিক্ষা হৈছে এখন দেশৰ আৰ্থ-সামাজিক, সাংস্কৃতিক উন্নয়নৰ মূল চালিকা শক্তি। এই শক্তি সৎ কৰ্মত ব্যৱহাৰ কৰিব পাৰিলে নিশ্চয়কৈ সমাজ তথা দেশৰ উন্নয়ন ত্বৰতকীয়া হ'ব। সম্প্ৰতি বিশ্বায়নৰ প্ৰবল বতাহে দেশৰ সমাজ, সংস্কৃতি, অৰ্থনীতি, ৰাজনীতি সকলো ক্ষেত্ৰলৈ এক আমূল পৰিবৰ্তন আনিছে। শিক্ষাও ইয়াৰপৰা মুক্ত হ'ব পৰা নাই। সেয়ে চিলাপথাৰ মহাবিদ্যালয়ে সমসাময়িক প্ৰেক্ষাপটৰ লগত সামঞ্জস্য ৰাখি শিক্ষা ব্যৱস্থাটোক আধুনিক ৰূপত গঢ়ি তুলিবলৈ সৎপৰোনাস্তি চেষ্টা চলাই আহিছে। সম্প্ৰতি মহাবিদ্যালয়ত ডিজিটেল শ্ৰেণীকোঠা, অত্যাধুনিক গ্ৰন্থাগাৰ, শিক্ষাৰ্থীৰ বাবে বিনামূলীয়া ইণ্টাৰনেট সেৱা ইত্যাদিৰ সু-ব্যৱস্থা কৰা হৈছে। ছাত্ৰ-ছাত্ৰীৰ সু-স্বাস্থ্যৰ প্ৰতি লক্ষ্য ৰাখি মহাবিদ্যালয়ত এটি আটক-ধুনীয়া আভ্যন্তৰীণ খেলা ঘৰ নতুনকৈ সাজি উলিওৱা হৈছে। তদুপৰি, বহুমুখী শৰীৰচৰ্চা গৃহ নিৰ্মাণৰ কামো বৰ্তমান পূৰ্ণ গতিত হৈ আছে। মই আজি গৌৰৱেৰে কওঁ যে, আমাৰ মহাবিদ্যালয়ত হৈ থকা কামৰ স্বীকৃতি স্বৰূপে ৰাষ্ট্ৰীয় মূল্যায়ন আৰু প্ৰত্যায়ন পৰিষদ চমুকৈ নাক (NAAC) এ মহাবিদ্যালয়খনৰ দ্বিতীয় চক্ৰৰ মূল্যায়নত ২.৬২ চি.জি.পি.এ.(CGPA) গ্ৰেড পইণ্টসহ বি (B) গ্ৰেডেৰে মূল্যায়িত কৰিছে। এয়া মহাবিদ্যালয়ৰ বাবে যথেষ্ট আশাব্যঞ্জক।

অনাগত দিনত আমাৰ বহুতো কাম কৰিব লগা আছে। বহুতো কামৰ পৰিকল্পনা ইতিমধ্যে যুগুত কৰা হৈছে। আমাৰ সন্মুখত প্ৰত্যাহ্বানো নথকা নহয়। আমি মহাবিদ্যালয়ৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰী, বিষয়া-কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী, অভিভাৱক তথা স্থানীয় ৰাইজ একগোট হৈ সকলো প্ৰত্যাহ্বান নেওচি ভৱিষ্যতৰ দিনত কাম কৰি যাব লাগিব।

শেষত, চলিত ২০১৫-১৬ বৰ্ষৰ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখন সৰ্বাংগ-সুন্দৰ হৈ প্ৰকাশ হওক, তাৰ বাবে সমূহ কৰ্মকৰ্তালৈ শুভকামনা জনালোঁ।

[illegible]
অধ্যক্ষ, চিলাপথাৰ মহাবিদ্যালয়

## মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীসকল







মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকল : বাওঁফালৰপৰা ক্ৰমে মিনুলতা নেওৰ, ড° ঘূৰ্ণিলা গগৈ, অনিমা মেদে পেগু, প্ৰফুল্ল দাস, বাবু পেগু, শিৱনাথ পাইৎ, যোগেশ্বৰ গগৈ। থিয়-বাওঁফালৰপৰা বহি ক্ৰমে নৱ কুমাৰ পেগু, দিলীপ দত্ত, দীনেশ পেগু, ড° জয়ৰাম দাস, ড° দেবী ঘনাৰ মেদে, নবীন চন্দ্ৰ কামান, প্ৰেম প্ৰসাদ শৰ্মা। ছবিত অনুপস্থিত - ড° ঘনশ্যাম গগৈ, পুৰন্দৰ ফুকন, মেৰীনা পাছোৱাম, দীপাৰাম নেওৰ, গীতিমা ডেকা, নৰীনাম কুলি, ভিমেশ্বৰ মেদে, হৃষিকেশ মেদে, বিদিশা বুঢ়াগোহাঁই, ৰাহুল পেগু, দীপামণি পাইৎ, গৌতম শৰ্মা, নক্ষমণি পেগু।



কম্পিউটাৰ শিক্ষক বাওঁফালৰপৰা মুনীন দত্ত, মেৰীকা মেউৰী



গ্ৰন্থাগাৰিক সুনীল টাইড (মাজৰজন)ৰ সৈতে প্ৰমা পেগু (বাওঁফালে) আৰু ৰাজেন মহন্ত



মহাবিদ্যালয়ৰ কৰ্মচাৰীসকল, বাওঁফালৰপৰা থিয় হৈ ক্ৰমে- ৰাজেন মহন্ত, জয়ন্ত টায়ে, কাশীলাল মোপাৰী, বসন্তী মোলোৱাল, লম্বোদৰ মেদে, দীপা তাওৰাল, বাওঁফালৰপৰা বহি ক্ৰমে-পবিত্ৰ কোঁৱৰ, হিতেশ চন্দ্ৰ টায়ে, অঞ্জলী দত্ত, লক্ষীমা দুওৰা কুকুৰ, পবিত্ৰ প্ৰভা মেদে, শিৱোমণি মোচক(পাইৎ), শৰ্মীপ্ৰভা পেগু

# বৌদ্ধিক যাত্ৰাত চিলাপথাৰ মহাবিদ্যালয়ৰ গতি-প্ৰগতিৰ প্ৰচ্ছায়া


নৱাগত আদৰণি সভাৰ এটি মুহূৰ্ত


মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসৰ স্থিৰ চিত্ৰ


অভিভাৱকসকলৰ সৈতে মত বিনিময় অনুষ্ঠানৰ এটি মুহূৰ্ত


ছাত্ৰ আদালতত ছাত্ৰ-ছাত্ৰীৰ সৈতে মত বিনিময় অনুষ্ঠান


কেৰিয়াৰ দিৱসৰ এটি অনুষ্ঠানৰ স্থিৰচিত্ৰ



মহাবিদ্যালয়ত আয়োজিত শিক্ষক দিৱসৰ এটি মুহূৰ্ত



দুৰ্গতসকলৰ কাষত চিলাপথাৰ মহাবিদ্যালয়


মহাবিদ্যালয়ত আয়োজিত যোগ প্ৰশিক্ষণ দিৱসৰ আলোক চিত্ৰ


স্বচ্ছ ভাৰত গঠনৰ প্ৰচেষ্টাত চিলাপথাৰ মহাবিদ্যালয়



মহাবিদ্যালয়ত আয়োজিত স্বাস্থ্য শিবিৰৰ এটি মুহূৰ্ত


বিশ্ব অহিংসা দিৱসত গান্ধী মূৰ্তিত মাল্যাৰ্পণৰ দৃশ্য


মহাবিদ্যালয়ত আয়োজিত অনুষ্ঠিত কৰ্মশালা অনুষ্ঠানৰ দৃশ্য

# বৌদ্ধিক যাত্ৰাত চিলাপথাৰ মহাবিদ্যালয়ৰ গতি-প্ৰগতিৰ প্ৰচ্ছায়া


অসমীয়া বিভাগৰ দ্বাৰা 'শিখা' আলোচনী 'অনুশীলন' উন্মোচনৰ এটি মুহূৰ্ত


যান-বাহন আইন সম্পৰ্কীয় সজাগতা সভাৰ দৃশ্য


শিক্ষাতত্ত্ব বিভাগৰ উদ্যোগত আয়োজিত ৰাষ্ট্ৰীয় পৰ্যায়ৰ কৰ্মশালাত মঞ্চ মুহূৰ্তত সমল ব্যক্তিসকল


NAAC পিয়েৰ টীমক বিদায় দিছে মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু IQAC ৰ সমন্বয়ক


শৈক্ষিক ভ্ৰমণৰ প্ৰাক্কালত 'জয়-যাত্ৰা' দিয়েতে মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী


বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ আৰু বটা বিতৰণী সভাৰ এটি দৃশ্য


মহাবিদ্যালয়ত আয়োজিত ৰাষ্ট্ৰীয় যুৱ দিৱসৰ এটি মুহূৰ্ত


মহিলা অধ্যয়ন কেন্দ্ৰৰ উদ্যোগত আয়োজিত ৰাষ্ট্ৰীয় কন্যা শিশু দিৱসৰ এটি দৃশ্য


মহাবিদ্যালয়ত আয়োজিত আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱসৰ দৃশ্য


প্ৰশ্নকাকত প্ৰস্তুত আৰু মূল্যায়ন সম্পৰ্কীয় ৰাষ্ট্ৰীয় পৰ্যায়ৰ কৰ্মশালাত অংশ গ্ৰহণকাৰীসকলৰ একাংশ


এক সাংস্কৃতিক অনুষ্ঠানত মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকল



গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত হোৱা National Integration Camp ত অংশগ্ৰহণ কৰা মহাবিদ্যালয়ৰ NSS ৰ স্বেচ্ছাসেৱকসকল

# সূচীপত্ৰ

সম্পাদকীয়

## চিন্তা বিচিত্ৰা

❍ ছাত্ৰ-ছাত্ৰীৰ কেৰিয়াৰ গঠনত ছাত্ৰ সংগঠন, শিক্ষক আৰু অভিভাৱকৰ ভূমিকা
ড° বুলজিৎ বুঢ়াগোহাঁই//১৬

❍ ইতিবাচক শিক্ষা শিবিৰ– এক যাত্ৰা
প্ৰাঞ্জল বুঢ়াগোহাঁই * //২২

❍ অসমীয়া ভাষা সাহিত্যৰ বিকাশত অৰুণোদই আৰু মিছনেৰীসকলৰ অৱদান
দুলুমণি পেগু//২৮

❍ THE DOCTRINE OF IMITATION
Dr. Jai Ram Jha//৩১

❍ গ্ৰাম্য সমাজত কন্যা সন্তনৰ সমস্যা আৰু সম্ভাৱনীয়তা
ৰবীন কুলি//৩৫

❍ উচ্চ শিক্ষাৰ শিক্ষণ-শিকন প্ৰক্ৰিয়াত তথ্য প্ৰযুক্তিবিদ্যাৰ গুৰুত্ব
দিজিত ফুকন//৩৮

❍ অসমৰ সংবাদ মাধ্যম আৰু জনসাধাৰণৰ আকাংক্ষা
পল্লৱী কোঁৱৰ//৪০

❍ PRESENT EDUCATION SYSTEM AND ITS RELEVANT
Bina Kardong//৪২

❍ শংকৰ গুহ নিয়োগী আৰু শ্বহীদ হস্পিতাল
তুলতুল ফুকন//৪৩

❍ গ্ৰন্থাগাৰ সম্পৰ্কে যৎকিঞ্চিত
সুনীল টাইদ//৪৫

❍ MUDRA BANK
(MUDRA– Micro Units Developmennt Rifinary Agency)
Kamal Morang//৪৮

❍ ঘড়ীৰ সম্পৰ্কে কিছু কথা
কৃষ্ণ ছেত্ৰী//৫০

❍ STOP GLOBAL WARMING
Rumpa Debnath//৫১

❍ CORRUPTION IN THE INDIAN SOCIETY
Priyanka Prasad//৫২



## ভ্ৰমণ/ইতিহাস


❍ অসমৰ ঐতিহ্যমণ্ডিত মাজুলী সত্ৰ
মিতালী বৰুৱা//৫৩

❍ ইতিহাসৰ জলঙাইদি ধেমাজি
সাগৰিকা কোঁৱৰ//৫৫

❍ ফুলগুৰিৰ তিনিজন দেশভক্ত শ্বহীদ
বিনীতা দেৱী//৫৭

## সংস্কৃতি


- পৰিৱৰ্তিত সমাজ ব্যৱস্থাত অসমীয়া সংস্কৃতি
  মৰমী দিহিঙীয়া//৫৮
- মিছিং সমাজত প্ৰচলিত উৎসৱ আলি আয়েঃ লৃগাং
  জ্যোৎস্না কুলি//৫৯
- বৰ্তমানেও অসমীয়া সমাজত প্ৰচলিত কেইটামান লোবিশ্বাস আৰু জনসংস্কাৰ
  সোনমনি নাওহলীয়া//৬০
- বহাগ বিহু আৰু অসমীয়াৰ প্ৰাণৰ গামোচাখন
  নিজৰা গগৈ//৬১

## ব্যক্তি আৰু ব্যক্তিত্ব


- বৰ্তমান সমাজৰ প্ৰেক্ষাপটত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ দৰ্শনৰ প্ৰাসঙ্গিকতা
  নিউটন পেগু//৬৪
- নোবেল বঁটা বিজয়ী ড° অমৰ্ত্য সেন এক অৱলোকন
  কিৰণ বৰগোহাঁই//৬৬
- বিশ্ব বৰেণ্য মনিষী স্বামী বিবেকানন্দ
  পবিত্ৰ গগৈ//৬৭
- বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰ
  সেউলী দাস//৬৮


## সাক্ষাৎকাৰ


- জ্ঞানৰ সাধনা, মানুহ আৰু দেশৰ প্ৰতি নিৰ্মল প্ৰেমে ভৱিষ্যতৰ বাবে বাট দেখুৱাই গৈ থাকিব
  ড° নগেন শইকীয়া//৭২


## Ray of the Playground


- DURGA BORO : The Rising Sun
  Ashif Siddique//৭৭




## বোলছবি


- মন ফুলনিত '3 Idiots'ৰ গুঞ্জন
  মহেন্দ্ৰ পাচোৱান//৬২




## বিশেষ ৰচনা


- ভাল ছাত্ৰ হ'ব নোৱাৰিলোঁ
  ৰবীন কুলি//৬৯


## ৰস ৰচনা


- মিছ মনালিছা বিহুৱতী হ'ল
  প্ৰাঞ্জল বুঢ়াগোহাঁই//৭৬


## ক্ষেত্ৰভিত্তিক অধ্যয়ন


- অৰুণাচলৰ 'নাৰি'ত এদিন
  বিনীতা দেৱী//৭৮

## চুটি গল্প


- ইচ্ছা পত্ৰ — ৰবীন কুলি//৮০
- জীৱন নামৰ সাগৰ — সংগীতা বড়া//৮৩
- এক মধুৰতম ক্ষণ — কৃষ্ণ বৰগোহাঁই//৮৪
- সাফল্যৰ হাঁহি — সোন্‌তি বৰগোহাঁই//৮৬
- শান্তৰ সপোন — নিউটন পেগু//৮৭
- ABU-TUNTURUNG (Mising True Folk Story) — Bina Kardong//৮৯






## কবিতা


- কেঁচা মাটিৰ মানুহ — সোনমনি নাওহলীয়া//৯০
- শেৱালি — কমল মৰাং//৯০
- সপোন — মৰমী দিহিঙীয়া//৯১
- জীৱন পথৰ যাত্ৰী মই — বীণা ছেত্ৰী//৯১
- সুখ — প্ৰাঞ্জল বুঢ়াগোহাঁই//৯২
- I REMEMBER YOU GUEVARA — Gitima Deka//৯৩
- CORRUPTION — Kiran Upadhyaya//৯৩
- মোৰ মন আকাশৰ সখা — দুলুমনি পেগু//৯৪
- সন্ধানকাৰী — কৃষ্ণ বৰগোহাঁই//৯৪
- জাগ্ৰত মানৱ — নিকিতা ছেত্ৰী//৯৫
- সমাজ আৰু জীৱন — বিজয়া দেৱী//৯৫
- আমাৰ মহাবিদ্যালয় — জোৎস্না কুলি//৯৬
- ছাঁ-পোহৰৰ — ইন্দ্ৰজীত কোঁৱৰ//৯৬


## দৃষ্টিকোণ


- ম'বাইল ফোন আৰু মহাবিদ্যালয়ত ইয়াৰ ব্যৱহাৰ — মইনা চুতীয়া//৯৭
- অসম বন্ধ সংস্কৃতি, অপসংস্কৃতি নে ব্যাধি? — বেবী বৰুৱা//৯৯
- ব্ৰিকছৰ 'নিউ ডেভলপ্‌মেণ্ট বেংক' — দিপাংকৰ ভূএঁা//১০০


## শ্ৰদ্ধাৰ্ঘ


- এজন নবীন পাঠকৰ দৃষ্টিত হীৰেন্দ্ৰনাথ দত্তৰ এটা কবিতা — শোভামনি দত্ত//১০১


## ৰোমন্থন


- হোষ্টেলত বিশ্বজয়ৰ আনন্দ — প্ৰাঞ্জল দাস//১০৪


## পৰ্যালোচনা


- পকেটত আছেনে? ছাত্ৰ শক্তি ব্যৱহাৰ আৰু অপব্যৱহাৰ — শোভামনি দত্ত//১০৬




## প্ৰতিবেদন


- REPORT FROM VICE-PRESIDENT//১০৮
- REPORT FROM GENERAL SECRETARY//১০৯
- REPORT FROM GENERAL SPORT SECRETARY//১১০
- সাহিত্য বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন//১১১
- সমাজ সেৱা বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন//১১২
- ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন//১১৩
- গুৰু ক্ৰীড়া বিভাগৰ সম্পাদকৰ প্ৰতিবেদন//১১৪


## পৰিশিষ্ট


পৰিশিষ্ট ১১৫

# সম্পাদকীয়

## সুস্থ- সৰল সমাজ গঠনত শিক্ষা

এখন সুস্থ-সৰল সমাজ গঠনত শিক্ষা অপৰিহাৰ্য। শিক্ষাৰ অবিহনে মানৱ সমাজৰ উন্নতি অসম্ভৱ। এখন নিকা সমাজ গঢ়িবলৈ হ'লে আমাক জ্ঞানৰ প্ৰয়োজন। শিক্ষাৰ দ্বাৰাহে আমি আমাৰ জ্ঞান শক্তি বৃদ্ধি কৰিব পাৰো। এখন সমাজৰ উন্নতি সাধনৰ ক্ষেত্ৰত শিক্ষাৰ ভূমিকা নুই কৰিব নোৱাৰি। আমি জানো যে এখন সমাজৰ উন্নতি মানেই ইয়াৰ অন্তৰ্গত ব্যক্তিসকলৰ উন্নতি। ব্যক্তিৰ নৈতিক, আধ্যাত্মিক উন্নতি সম্ভৱ হ'লেহে এখন সুস্থ-সৰল সমাজৰ সৃষ্টি হ'ব। এই ক্ষেত্ৰত আমি প্ৰত্যেকেই দায়বদ্ধ হব লাগিব। বৰ্তমান সমাজখনৰ প্ৰত্যেকজন ব্যক্তিয়েই হৈ পৰিছে ব্যক্তিকেন্দ্ৰিক। নিজ স্বাৰ্থ সিদ্ধিৰ বাবে উঠি-পৰি লাগিছে। কিন্তু এখন ভাল সমাজ গঢ়িবলৈ হলে বা এখন সমাজৰ উন্নতি সাধন কৰিবলৈ হলে প্ৰত্যেকজন ব্যক্তিয়েই নিজ স্বাৰ্থ ত্যাগ কৰি সামাজিক স্বাৰ্থৰ হকে কাম কৰিব লাগিব। তেতিয়াহে এখন সমাজ বা দেশৰ উন্নতি আশা কৰিব পাৰি। এখন সমাজে উচ্চ স্থান পাবলৈ হলে সমাজখনৰ আভ্যন্তৰীণ শান্তি শৃংখলা বজাই ৰাখিব লাগিব। কিয়নো আমি জ্ঞাত যে শান্তিৰ অবিহনে প্ৰগতি সম্ভৱ নহয়। অৰ্থাৎ য'ত শান্তি নাই তাত উন্নতিও নাই।

ভাৰতবৰ্ষৰ নিচিনা এখন উন্নয়নশীল দেশ উন্নত নোহোৱাৰ এটা অন্যতম কাৰণ হ'ল অশান্তি। এইখন দেশত নিতৌ ন ন ঘটনাসমূহ ঘটি থাকে। হত্যা, লুণ্ঠন, ধৰ্ষণ, ডকাইত ইত্যাদিৰ নিচিনা ঘটনাসমূহ বৰ্তমান সমাজত দৈনিক কাৰ্যৰূপত পৰিগণিত হৈ পৰিছে। সেয়ে সমাজত উশৃংখলতাৰ পৰিমাণ বৃদ্ধি পাব ধৰিছে। এই উশৃংখলতা ৰোধ কৰাৰ ক্ষেত্ৰত সমাজৰ শিক্ষিত লোকসকলে বিশেষ দায়িত্ব বহন কৰিব লাগিব। অন্যথা এখন সমাজৰ উন্নতি আশা কৰিব নোৱাৰি।

এজন শিশুৰ শিক্ষা আৰম্ভ হয় নিজা ঘৰখনতেই। সেয়ে ঘৰখনক শিক্ষাৰ কঠিয়াতলি বুলি কোৱা হয়। শিক্ষা বুলি ক'লে কেৱল পাঠ্য-পুথি অধ্যয়ন কৰাটোকে নুবুজায়। এজন ব্যক্তিৰ আদৰ্শ গ্ৰহণ কৰাটোও এটা শিক্ষা। শিশুসকলে সৰুৰেপৰাই ঘৰখনৰ জ্যেষ্ঠসকলৰ আদৰ্শ গ্ৰহণ কৰাত সহজলভ্য হয়। ভাল আদৰ্শ পালেহে ভৱিষ্যতে ভাল আদৰ্শৱান ব্যক্তি হ'বগৈ পাৰে আৰু আদৰ্শৱান ব্যক্তিসকলৰ দ্বাৰাহে এখন শুদ্ধ সমাজ গঢ়িব পাৰি। সেয়ে এই ক্ষেত্ৰত পিতৃ-মাতৃসকলেও কিছু দায়িত্ব পালন কৰিব লাগিব।

জাতিৰ পিতা মহাত্মা গান্ধীয়ে কৈছিল "শিক্ষা হৈছে মানুহৰ শাৰীৰিক, মানসিক আৰু বৌদ্ধিক বিকাশৰ উপায়"। এজন ব্যক্তি শাৰীৰিক আৰু মানসিকভাৱে সৱল হলেহে এখন সুস্থ-সৰল সমাজ গঢ়াত ভূমিকা গ্ৰহণ কৰিব পাৰিব। মুঠৰ ওপৰত দেখা যায় যে সমাজৰ প্ৰতিটো স্তৰৰ ব্যক্তিৰ কাৰণে শিক্ষা অনিবাৰ্য। শিক্ষাৰ অবিহনে মানৱ সমাজ ব্ৰতী থাকিব নোৱাৰে। এখন সমাজৰ সৰ্বাংগীন উন্নতিৰ কাৰণে সমাজৰ প্ৰতিজন ব্যক্তিয়ে আগবাঢ়ি আহি সমাজৰ কাম হাতত তুলি লব লাগিব। বিশেষকৈ সমাজৰ উচ্চ শিক্ষিত লোকসকলে অশিক্ষিত ব্যক্তিসকলক সমাজৰ আনুষ্ঠানিক কাম কাজসমূহত ভাগ লবলৈ তথা শিক্ষা গ্ৰহণ কৰিবলৈ আহ্বান জনাব লাগিব। তেখেতসকলৰ নেতৃত্বত যুৱ প্ৰজন্মই সমাজৰ উন্নতিত আগবাঢ়ি আহি সমাজৰ কামত হাত দিব পাৰে। অৰ্থাৎ নৱ প্ৰজন্মৰ নৱ চিন্তাইও সমাজৰ উন্নতিত সহায় কৰিব পাৰে।

**আলোচনীখনৰ সম্পৰ্কে ঃ** চিলাপথাৰ মহাবিদ্যালয় আলোচনীখন চিলাপথাৰ মহাবিদ্যালয়ৰ সাহিত্যৰ দাপোণ স্বৰূপ। আলোচনীখনে মহাবিদ্যালয়খনৰ বৌদ্ধিক আৰু শৈক্ষিক দিশত বিশেষ অৰিহণা যোগাই আহিছে। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মনৰ মাজত নিহিত হৈ থকা সুপ্ত প্ৰতিভা বিকাশৰ উত্তম উৎস হৈছে আলোচনীখন। কিন্তু আমাৰ বাবে অতন্ত্য দুখৰ বিষয় এই যে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক লেখনি বিচাৰি বাৰে বাৰে জাননী জাৰি কৰাৰ পিছতো লিখনি নোপোৱাত প্ৰত্যেকৰেপৰা ব্যক্তিগতভাৱে লিখনি বিচাৰিব লগীয়া হৈছিল। যাৰ ফলত এই অভাজনে যথেষ্ট কষ্ট ভোগ কৰিবলগীয়াত পৰিছিলো।

কিন্তু এইবাৰ আমাৰ বাবে সামান্য হলেও এটা সুখবৰ বুলি ক'ব কাৰি যে এই সংখ্যাৰ আলোচনীখনত আমি কেৱল ছাত্ৰ-ছাত্ৰীৰ লেখনিসমূহক কেন্দ্ৰ কৰিহে প্ৰস্তুত কৰাৰ প্ৰয়াস কৰিছো। যি কি নহওক শেষত আলোচনীখনে মহাবিদ্যালয়ৰ ছাত্ৰ সমাজৰ সামান্য হলেও উপকাৰ সাধিব পাৰিছে বুলি জানিব পাৰিলে আমাৰ শ্ৰম সাৰ্থক হৈছে বুলি ভাৱিম।

**ক্ষমা প্ৰাৰ্থনা আৰু কৃতজ্ঞতা স্বীকাৰ ঃ** অতি কম সময়ৰ ভিতৰতে আলোচনীখন প্ৰস্তুত কৰি উলিয়াব লগীয়া হোৱাত অনিচ্ছাকৃতভাৱে যথেষ্ট ভুল-ভ্ৰান্তি ৰৈ যাব পাৰে। তাতে আকৌ এই অভাজনৰ অভিজ্ঞতাও একেবাৰে সীমিত। তাৰ বাবে মই মহাবিদ্যালয়ৰ সমূহ কৰ্তৃপক্ষ আৰু ছাত্ৰ-ছাত্ৰী তথা পাঠক সমাজৰ ওচৰত ক্ষমা বিছাৰিছোঁ।

চিলাপথাৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সভাপতি তথা মাননীয় অধ্যক্ষ মহোদয় ড° লক্ষীনাথ পেগু ছাৰলৈ কৃতজ্ঞতা যাচিলোঁ। আলোচনীখন প্ৰস্তুত কৰি উলিওৱাৰ ক্ষেত্ৰত আৰম্ভণিৰপৰা অন্তিম মুহূৰ্তলৈকে সু-দিহা-পৰামৰ্শ লগতে হাতে-কামে সহায়-সহযোগিতাৰ হাত আগবঢ়োৱা মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু তথা আলোচনীখনৰ তত্ত্বাৱধায়ক প্ৰাঞ্জল দাস ছাৰৰ লগতে ড° বেবী মৰাং দলে বাইদেউলৈ মোৰ আন্তৰিক শ্ৰদ্ধা তথা কৃতজ্ঞতা যাচিলোঁ।

আলোচনীখনৰ খা-খবৰ লৈ মোক উৎসাহ উদ্দীপনা যোগোৱা মোৰ সন্মানীয় শিক্ষাগুৰু ৰাজু পেগু ছাৰ, তুলতুল ফুকন বাইদেউ, বিদিশা বুঢ়াগোহাঁই বাইদেউ, গৌতম শৰ্মা ছাৰ, ৰাহুল ছাৰ, ড° মূৰ্চ্ছনা গগৈ বাইদেউ লগতে চিলাপথাৰ মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক সুনীল টাইদ ছাৰৰ লগতে মহাবিদ্যালয়ৰ প্ৰতিজন শুভাকাংক্ষীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

কৃষ্ণ বৰগোহাঁই
সম্পাদক।




# ছাত্ৰ-ছাত্ৰীৰ কেৰিয়াৰ গঠনত ছাত্ৰ সংগঠন, শিক্ষক আৰু অভিভাৱকৰ ভূমিকা

ড° বুলজিৎ বুঢ়াগোহাঁই

আমাৰ ৰাজ্যখনৰ শিক্ষানুষ্ঠানসমূহত বিভিন্ন বিষয়ৰ পাঠ্যক্ৰম পঢ়িবৰ বাবে সুবিধা আছে। কিন্তু, ৰাজ্যখনৰ বহুতো ছাত্ৰ-ছাত্ৰী তথা অভিভাৱকে নাজানে যে অসমৰ বিভিন্ন শিক্ষানুষ্ঠানসমূহত কি কি বিষয়ৰ পাঠ্যক্ৰম পঢ়িবলৈ সুবিধা আছে। উদাহৰণস্বৰূপে- ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান (আই আই টি) গুৱাহাটীত যে পদাৰ্থবিজ্ঞান, ৰসায়নবিজ্ঞান আৰু গণিত বিষয়ত স্নাতকোত্তৰ কৰিব পৰাৰ উপৰিও কলা বিভাগৰ সকলো বিষয়তে গৱেষণা কৰিব পৰা সুবিধা আছে সেই কথা বহুতে নাজানে। লগতে এটা কথা উল্লেখ কৰা ভাল হ'ব যে হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাবোৰত কৃতকাৰ্য হোৱা সকলোবোৰ ছাত্ৰ-ছাত্ৰীৰে নিজৰ পচন্দৰ পাঠ্যক্ৰম লৈ উচ্চ শিক্ষা লাভ কৰিবৰ বাবে পৰ্যাপ্ত সংখ্যক শিক্ষানুষ্ঠান আমাৰ ৰাজ্যখনত নাই। তদুপৰি, নতুন নতুন পাঠ্যক্ৰমৰ বহুতো বিষয় অসমৰ শিক্ষানুষ্ঠানসমূহত নাই। গতিকে, অসমৰ কিছুসংখ্যক ছাত্ৰ-ছাত্ৰী প্ৰত্যেক বছৰে অসমৰ বাহিৰৰ শিক্ষানুষ্ঠানত উচ্চ শিক্ষাৰ বাবে যাবলৈ বাধ্য হয়। কিন্তু, ৰাজ্যখনৰ বহুতো ছাত্ৰ-ছাত্ৰীয়ে নাজানে যেনে- হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পাছত কি কি পঢ়িব পাৰি, অসম তথা দেশ-বিদেশৰ বিভিন্ন শিক্ষানুষ্ঠানসমূহত কি কি বিষয়ৰ পাঠ্যক্ৰমৰ সুবিধা আছে, বিভিন্ন শিক্ষানুষ্ঠানসমূহত শিক্ষা লাভ কৰিবলৈ কি কি অৰ্হতা লাগে, প্ৰতিযোগিতমূলক পৰীক্ষাবোৰৰ বাবে কেনেদৰে পঢ়া-শুনা কৰিব লাগে, বিভিন্ন চাকৰিৰ কাৰণে কি কি অৰ্হতা লাগে, চাকৰিবোৰৰ বিজ্ঞাপনবোৰ ক'ত পোৱা যায়, বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষাবোৰৰ বিষয়ে কেনেকৈ গম পোৱা যাব, ইণ্টাৰনেটৰ জৰিয়তে কেনেকৈ শুদ্ধ তথ্য সংগ্ৰহ কৰিব পাৰি ইত্যাদি কথাবোৰ। কিন্তু ইয়াৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক দোষ দি লাভ নাই। যিহেতু এইবোৰ কথা আলোচনা কৰিবলৈ বিদ্যালয়/মহাবিদ্যালয়বোৰত সাধাৰণতে কোনো পিৰিয়দ ধাৰ্য কৰা নহয়। গতিকে ছাত্ৰ-ছাত্ৰীসকলে এই কথাবোৰ জনাৰ সুবিধা নাপায়। বিদ্যালয়/মহাবিদ্যালয় সপ্তাহৰ লগত সংগতি ৰাখি বিদ্যালয় তথা মহাবিদ্যালয়বোৰে কেৰিয়াৰ সম্পৰ্কীয় কৰ্মশালা আয়োজন কৰিলে ভাল হয়, তেতিয়া ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন কেৰিয়াৰ বিষয়ে ধাৰণা লাভ কৰিবলৈ সক্ষম হ'ব। বিদ্যালয়/মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীবোৰত কেৰিয়াৰ বিষয়ক লেখা প্ৰকাশ কৰিলে ছাত্ৰ-ছাত্ৰীসকল উপকৃত হ'ব। ছাত্ৰ-ছাত্ৰীসকলে কেৰিয়াৰ সম্পৰ্কীয় গ্ৰন্থ আৰু আলোচনী নিয়মীয়াকৈ পঢ়িলে নিজৰ কেৰিয়াৰ নিৰ্বাচনত সহায়ক হয়।

ইণ্টাৰনেটৰ জৰিয়তে কেৰিয়াৰ বিষয়ৰ সকলো তথ্য পাব পাৰি। কিন্তু আমাৰ ৰাজ্যখনৰ সকলো ছাত্ৰ-ছাত্ৰীয়ে ইণ্টাৰনেট ব্যৱহাৰ কৰাৰ সুবিধা পোৱা নাই আৰু ইণ্টাৰনেট ব্যৱহাৰ কৰা সুবিধা পোৱাসকলৰ বহুতে ইয়াৰ সু-প্ৰয়োগ কৰিবলৈ শিকা নাই। ইণ্টাৰনেট কেনেকৈ ব্যৱহাৰ কৰিব লাগে, ইণ্টাৰনেটৰ জৰিয়তে কেনেকৈ কেৰিয়াৰ বিষয়ৰ শুদ্ধ তথ্য পোৱা যাব ইত্যাদি বিষয়েও ছাত্ৰ-ছাত্ৰীসকলক শিক্ষা দিয়া প্ৰয়োজন আছে। ইণ্টাৰনেটত চাৰ্চ ইঞ্জিন (Search Engine)ৰ জৰিয়তে কেৰিয়াৰ বিষয়ৰ তথ্য পাব পাৰো। কিন্তু কেনেকৈ শুদ্ধ আৰু শেহতীয়া তথ্য পোৱা যাব সেই বিষয়ে

জানিব লাগিব। কোনো শিক্ষানুষ্ঠান, অনুষ্ঠান-প্ৰতিষ্ঠান, বিভাগ আদিৰ তথ্য জানিব বিচাৰিলে, সেই শিক্ষানুষ্ঠান, অনুষ্ঠান-প্ৰতিষ্ঠান, বিভাগবোৰৰ অফিচিয়েল ৱেবছাইটবোৰ চাব লাগিব। অফিচিয়েল ৱেবছাইটবোৰতহে শুদ্ধ আৰু শেহতীয়া তথ্য পোৱা যায়। যিবোৰ শিক্ষানুষ্ঠান, অনুষ্ঠান-প্ৰতিষ্ঠান, বিভাগৰ নিজস্ব ৱেবছাইট নাই সেইবোৰৰ বিষয়ে জানিবলৈ বেলেগ অফিচিয়েল ৱেবছাইটৰ অধীনত থকা তথ্য গ্ৰহণ কৰিব লাগিব। ইণ্টাৰনেটৰপৰা শুদ্ধ আৰু শেহতীয়া তথ্য পাবৰ বাবে ভালদৰে শিকা উচিত, নহ'লে শুদ্ধ তথ্য পোৱা নাযাব তথা অযথা সময় খৰছ হ'ব।

যিকোনো বিশ্ববিদ্যালয়/মহাবিদ্যালয়ত নামভৰ্তি কৰাৰ পূৰ্বে শিক্ষানুষ্ঠানবোৰৰ বৈধতা/ডিগ্ৰীৰ মৰ্যাদা/ব্যৱস্থা/স্বীকৃতিপ্ৰাপ্তিৰ মৰ্যাদা আদিৰ বিষয়ে জানি ল'ব লাগে। এই তথ্যবোৰৰ বিভিন্ন শিক্ষা বিষয়ক পৰিষদ/সংস্থা আদিৰ ৱেবছাইটৰপৰা লাভ কৰিব পাৰি। যেনে- মানৱ সম্পদ উন্নয়ন মন্ত্ৰণালয় (www.education.nic.in), বিশ্ববিদ্যালয় অনুদান আয়োগ (www.ugc.ac.in), ভাৰতীয় চিকিৎসা পৰিষদ (www.mclindia.org), ৰাষ্ট্ৰীয় মূল্যাঙ্কন আৰু প্ৰত্যায়ন পৰিষদ (www.naac.gov.in), নিখিল ভাৰত কাৰিকৰী শিক্ষা পৰিষদ (www.aicte-india.org), ভাৰতীয় বিশ্ববিদ্যালয় সংস্থা (www.aiuweb.org), দূৰ শিক্ষা পৰিষদ (www.dec.ac.in), ভাৰতীয় নাৰ্ছিং পৰিষদ (http://www.indiannursingcouncil.org), আৰ্কিটেকচাৰ পৰিষদ (http://www.coa.gov.in), ভাৰতীয় বাৰ পৰিষদ (www.barcouncilofindia.org) আদি। শিক্ষানুষ্ঠানসমূহ এই পৰিষদ বা সংস্থাবোৰৰ স্বীকৃতিপ্ৰাপ্ত হ'লেই নহ'ব। যি বিভাগত অধ্যয়ন কৰিব বিচাৰে, সেই বিভাগটিও স্বীকৃতিপ্ৰাপ্ত হ'ব লাগিব। তদুপৰি, মহাবিদ্যালয়/বিশ্ববিদ্যালয়বোৰৰ শিক্ষণ ব্যৱস্থাৰ বিষয়ে বিতংভাৱে জানি লোৱা উচিত, যেনে- পুথিভঁৰাল, ইণ্টাৰনেট আদিৰ সা-সুবিধা আছে নে নাই, কেম্পাচ ইণ্টাৰভিউ হয় নে নহয়, উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলে কেনেদৰে প্ৰতিষ্ঠিত হৈছে তাৰো এটা সাম্যক ধাৰণা লোৱা উচিত। সেইদৰে, থকাৰ সা-সুবিধা কেনে, পঢ়াৰ সুবিধা কেনেকুৱা সেই বিষয়েও জ্ঞান লোৱা উচিত।

বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষা তথা নিযুক্তিৰ বাবে আয়োজন কৰা সাক্ষাৎকাৰবোৰত সাধাৰণ জ্ঞানৰ কথা সোধে। এতিয়া কথা হ'ল সাধাৰণ জ্ঞান একে দিনাই গোটোৱা সম্ভৱ নহয়। ইয়াৰ কাৰণে দীঘলীয়া প্ৰস্তুতিৰ প্ৰয়োজন। সাধাৰণ জ্ঞান দুই প্ৰকাৰত ভাগ কৰিব পৰা যায়। পৰম্পৰাগত সাধাৰণ জ্ঞান (Traditional General Knowledge) আৰু সাম্প্ৰতিক ঘটনা প্ৰবাহ (Current Affairs)। পৰম্পৰাগত সাধাৰণ জ্ঞান আহৰণ কৰিবৰ কাৰণে বিদ্যালয়ৰ প্ৰথম শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈকে পঢ়া সকলো বিষয়ৰ পাঠ্য-পুথিৰ জ্ঞানবোৰ ভালদৰে আহৰণ কৰিব লাগিব। লগতে বিভিন্ন বিষয় যেনে- ভূগোল, বিজ্ঞান, ৰাজনীতি, সমাজবিজ্ঞান আদি বিষয়ৰ আনুষংগিক প্ৰসংগ পুথি অধ্যয়ন কৰিব লাগিব। সাম্প্ৰতিক ঘটনা প্ৰবাহৰ জ্ঞান আহৰণ কৰিবৰ বাবে দৈনিক বাতৰি কাকত তথা আলোচনী নিয়মীয়াকৈ পঢ়িব লাগিব। সেইদৰে নিয়মীয়াকৈ ৰেডিঅ'ৰ বাতৰি অনুষ্ঠান শুনিব আৰু টেলিভিছনৰ বাতৰি অনুষ্ঠানবোৰ চাব লাগিব। এইবোৰৰপৰা আহৰণ কৰা জ্ঞানবোৰ লিপিবদ্ধ কৰি ৰাখিব লাগে। ছাত্ৰ-ছাত্ৰীসকলে সাধাৰণ জ্ঞান আহৰণ কৰিবৰ বাবে 'ইণ্টাৰনেট' (Internet) ৰ সহায় লব পাৰে। এইখিনিতে উল্লেখ কৰা ভাল হ'ব যে, দৈনিক বাতৰি কাকত এখনৰ প্ৰথম পৃষ্ঠাৰ পৰা শেষৰ পৃষ্ঠালৈ জানিব লগীয়া বহুতো কথা থাকে। গতিকে, অভিভাৱক তথা শিক্ষকসকলে ছাত্ৰ-ছাত্ৰীসকলক এই কথাবোৰ ভালদৰে বুজাই দিলে ভাল হয়।

ৰাজ্যিক, ৰাষ্ট্ৰীয় তথা আন্তৰাষ্ট্ৰীয় পৰ্যায়ৰ বিভিন্ন বিষয়ৰ বৃত্তি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আৰু বিভাগে প্ৰদান কৰে। এই বৃত্তিবোৰৰ বিষয়ে বাতৰি কাকত, আলোচনী তথা সেই অনুষ্ঠান-প্ৰতিষ্ঠান বিভাগবোৰৰ নিজস্ব 'ৱেবছাইট'ৰ যোগেদি প্ৰচাৰ কৰে। গতিকে এই বৃত্তিবোৰৰ বিষয়ে সবিশেষ জানিবলৈ বাতৰি কাকত, আলোচনী, অনুষ্ঠান-প্ৰতিষ্ঠান তথা বিভাগবোৰৰ 'ৱেবছাইট'বোৰত নিয়মীয়াকৈ চকু ফুৰাব লাগিব। এইদৰে মাজে মাজে বিভিন্ন বৃত্তিপ্ৰাপ্তসকলৰ বিষয়ে তথা তেওঁলোকৰ সাক্ষাৎকাৰ আদি বাতৰি কাকত আৰু আলোচনীত প্ৰকাশ পায়। ইয়াৰ জৰিয়তেও এই বৃত্তিবোৰৰ বিষয়ে আভাস পাব পাৰি। লগতে এই বৃত্তি পোৱাসকলক ব্যক্তিগতভাৱে লগ কৰিলেও লাভৱান হ'ব।

ছাত্ৰ সংগঠনবোৰে মহকুমা, জিলা আৰু ৰাজ্যিক ভিত্তিত কেৰিয়াৰ সম্পৰ্কীয় কৰ্মশালা অনুষ্ঠিত কৰিব লাগে। কৰ্মশালাৰ জৰিয়তে ছাত্ৰ-ছাত্ৰী তথা অভিভাৱকসকলক বিভিন্ন বিষয়ৰ কেৰিয়াৰ সম্পৰ্কে আভাস দিয়া উচিত।

আমাৰ ৰাজ্যত হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত বিশেষ কৃতিত্ব অৰ্জন কৰা শিক্ষাৰ্থীক আনুষ্ঠানিকভাৱে অভিনন্দন জ্ঞাপন কৰাৰ লগতে বিভিন্ন উপহাৰ দিয়ে। কৃতিত্ব অৰ্জন কৰা শিক্ষাৰ্থীক অভিনন্দন জ্ঞাপন তথা উপহাৰ প্ৰদান কৰাটো এটা ভাল কথা। আমি ভাবো নিৰ্বাচিত গ্ৰন্থৰ টোপোলা এটিও উপহাৰ হিচাবে দিলে ভাল হয়। যিবোৰ গ্ৰন্থৰদ্বাৰা ছাত্ৰ-ছাত্ৰীসকলৰ মানসিক তথা বৌদ্ধিক বিকাশত সহায়ক হয়, লগতে সামাজিক দায়বদ্ধতাৰ কথাও মনলৈ আহে। এতিয়া কথা হ'ল পৰীক্ষাবোৰৰ ফলাফল ঘোষণা হোৱাৰ তিনি মাহ পাৰ হৈ যোৱাৰ পিছতো এনেকুৱা অনুষ্ঠান পাতি থকা দেখা যায়। আমি ভাবোঁ এনেকুৱা অনুষ্ঠান যদি সম্ভৱ পৰীক্ষাবোৰৰ ফলাফল ঘোষণা কৰাৰ এমাহৰ ভিতৰতে পাতি শেষ কৰিব লাগে আৰু তিনিটা পৰ্যায়ত তিনি দিন যেনে- মহকুমা, জিলা আৰু ৰাজ্যিক ভিত্তিত পাতিব লাগে। এই তিনিটা পৰ্যায়তে যিমান অনুষ্ঠান-প্ৰতিষ্ঠান/সংগঠনে অভিনন্দন জনাব বিচাৰে জনাব লাগে। ইয়াৰ ফলত টকা-পইচা, সময় আদি কম খৰছ হ'ব।

আনহাতেদি, পৰীক্ষাবোৰৰ ফলাফল ঘোষণা কৰাৰ লগে লগে কৃতিত্ব অৰ্জন কৰি উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলৰ খবৰ সংবাদ মাধ্যমত ভৰি থাকে, কিন্তু পৰৱৰ্তী সময়ত ছাত্ৰ-ছাত্ৰীসকল ক'লৈ

যায়, কি কৰে, তেওঁলোকে নিজ নিজ লক্ষ্যত উপনীত হৈছে নে, তেওঁলোকে পঢ়ি অহা বিদ্যালয়খন বা নিজৰ নিজৰ অঞ্চল তথা জন্মভূমিৰ প্ৰতি কিবা অৰিহণা যোগাইছেনে নাই, এইবোৰ কথা সাধাৰণতে গম পোৱা নাযায়। এই বিষয়বোৰ লৈ সংবাদ মাধ্যমৰ স্থানীয় সংবাদদাতাসকলে কৃতী ছাত-ছাত্ৰীসকলৰ বিষয়ে অঞ্চলভিত্তিক বা জিলাভিত্তিক প্ৰতিৱেদন প্ৰস্তুত কৰিলে ভাল হয়। তদুপৰি এই বিষয়ে ছাত্ৰ সংগঠন, স্বেচ্ছাসেৱী অনুষ্ঠান, চৰকাৰী অনুষ্ঠান, বে-চৰকাৰী অনুষ্ঠান আদিয়েও ক্ষেত্ৰভিত্তিক অধ্যয়ন কৰিব পাৰে।

বিভিন্ন ছাত্ৰ সংগঠন তথা দলবোৰে মাজে মাজে এটা দাবী উপস্থাপন কৰা দেখা যায় যে অসমত থকা সমূহ কেন্দ্ৰীয়-অৰ্দ্ধকেন্দ্ৰীয়, চৰকাৰী-বেচৰকাৰী আৰু ব্যক্তিগত খণ্ডৰ অনুষ্ঠান-প্ৰতিষ্ঠানত ১০০ শতাংশ থলুৱাভাৱে সংস্থাপন বাধ্যমূলক কৰিব লাগে। আমি ভাবো এনে ধৰণৰ দাবী উপস্থাপনৰ সলনি অসমত থকা সমূহ কেন্দ্ৰীয়-অৰ্দ্ধকেন্দ্ৰীয়, চৰকাৰী-বেচৰকাৰী আৰু ব্যক্তিগত খণ্ডৰ অনুষ্ঠান-প্ৰতিষ্ঠানবোৰৰ নিযুক্তিৰ ক্ষেত্ৰত সময়ে সময়ে অনুষ্ঠিত কৰা পৰীক্ষাসমূহত অসমৰ থলুৱা প্ৰাৰ্থীসকলৰ যাতে ১০০ শতাংশ উত্তীৰ্ণ হয় তাৰ বাবে বিভিন্ন ছাত্ৰ সংগঠন তথা দলবোৰে প্ৰশিক্ষণৰ ব্যৱস্থা কৰিলেহে ভাল হয়। যিহেতু এনেধৰণৰ ১০০ শতাংশ থলুৱা নিযুক্তিৰ দাবী যদি বেলেগ ৰাজ্যতো কাৰ্যকৰী হয় তেন্তে অসমৰ প্ৰাৰ্থীসকলেও বেলেগ ৰাজ্যতে নিযুক্তি নাপাব। তাৰ ফলত ডাঙৰ সমস্যাৰ সৃষ্টি হ'ব। যিহেতু অসমত বেলেগ ৰাজ্যৰ তুলনাত নিয়োগৰ সুবিধা কম আছে।

যিসকলে আমাৰ ৰাজ্যখনৰ বিভিন্ন অঞ্চলৰ বিদ্যালয়ৰপৰা উত্তীৰ্ণ হৈ বিভন্ন ক্ষেত্ৰত প্ৰতিষ্ঠা লাভ কৰি সমাজ জীৱনৰ বিভিন্ন ক্ষেত্ৰলৈ অৰিহণা যোগাইছে, সেইসকলক পঢ়ি অহা বিদ্যালয়খনিলৈ আমন্ত্ৰণ কৰি ছাত্ৰ-ছাত্ৰীৰ লগত অন্তৰংগ আলাপ আয়োজন কৰিলে ছাত্ৰ-ছাত্ৰীসকলৰ মানসিক তথা বৌদ্ধিক বিকাশত সহায় হোৱাৰ লগতে সামাজিক দায়বদ্ধতাৰ কথাও মনলৈ আহিব। আশা কৰিছোঁ, বিদ্যালয়বোৰৰ কৰ্তৃপক্ষই এনেধৰণৰ অন্তৰংগ আলাপ আয়োজন কৰিব।

সৰু কালৰেপৰা বহুতো ছাত্ৰ-ছাত্ৰীৰ কিছুমান অভ্যাস (hobby) থাকে। কিন্তু এই অভ্যাসবোৰ কিছুমান ছাত্ৰ-ছাত্ৰীয়ে নৱম/দশম শ্ৰেণী পালে পঢ়া-শুনা ক্ষতি হ'ব বুলি নিজে অথবা অভিভাৱকসকলৰ বাধাৰ বাবে এৰি দিবলৈ বাধ্য হয়। ছাত্ৰ-ছাত্ৰীসকলে পঢ়া-শুনাত প্ৰধান গুৰুত্ব দি নিজৰ নিজৰ হবিবোৰ চলাই নিয়া উচিত। কিয়নো অভ্যাসবোৰে ছাত্ৰ জীৱন, কৰ্ম জীৱন তথা অৱসৰ জীৱনত বিভিন্ন ধৰণে সহায় কৰিব পাৰে। কাৰোবাৰ বাবে হয়তো অভ্যাস গৈ এদিন কেৰিয়াৰও হ'ব পাৰে।

বিদ্যালয়ৰ শিক্ষকসকলে ছাত্ৰ-ছাত্ৰীসকলক ভালদৰে বুজাই দিয়া উচিত যে প্ৰথম শ্ৰেণীৰপৰা দশম শ্ৰেণীলৈকে পঢ়া সকলো বিষয়ৰ জ্ঞানখিনি ভালদৰে আহৰণ কৰিব লাগিব। কাৰণ অকল শ্ৰেণী পৰীক্ষাবোৰত উত্তীৰ্ণ হ'বলৈ পঢ়িলেই নহ'ব, পিছলৈ বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষা তথা জীৱন-যাপনৰ বিভিন্ন ক্ষেত্ৰত এই জ্ঞানবোৰ দৰকাৰ হৈ থাকিব। যদি সম্ভৱ হয় শিক্ষকসকলে ছাত্ৰ-ছাত্ৰীসকলক বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষাৰ সাধাৰণ জ্ঞানৰ আৰ্হি প্ৰশ্নবোৰ শ্ৰেণী কোঠাত দেখুৱাব লাগে। শিক্ষকসকলে ছাত্ৰ-ছাত্ৰীসকলক বিভিন্ন বিষয়ৰ কেৰিয়াৰৰ এটি আভাস দিব লাগে। তেতিয়া ছাত্ৰ-ছাত্ৰীসকলে জানিব পাৰিব যে অভিভাৱকসকলে কোৱাৰ দৰে চিকিৎসক অথবা অভিযন্তা হিচাবে কেৰিয়াৰ গঢ়াৰ বাহিৰেও কেৰিয়াৰ গঢ়িবলৈ বহুত বিষয় আছে আৰু সেইবোৰ কেৰিয়াৰও যে চিকিৎসক অথবা অভিযন্তা কেৰিয়াৰতকৈ কোনো গুণে কম গুৰুত্বপূৰ্ণ নহয়।

হাইস্কুল শিক্ষান্ত চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত ১। ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান বা আই. টি. আই.ৰ বিভিন্ন ট্ৰেডত ২। পলিটেকনিকৰ বিভিন্ন বিভাগত ৩। উচ্চতৰ মাধ্যমিকৰ বিভিন্ন শাখাত (কলা/বাণিজ্য/বিজ্ঞান) পঢ়িব পাৰে।

**ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান বা আই. টি. আই. ঃ** ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান বা আই. টি. আই.ৰ বিভিন্ন ট্ৰেডত পঢ়িবলৈ শিক্ষাগত অৰ্হতা বেলেগ বেলেগ হয়। হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ নোহোৱা সকলে এবছৰীয়া পাঠ্যক্ৰম কাটিং এণ্ড ছিউইং, প্লাম্বাৰ আৰু অট্ৰক্টৰ মেকানিক ট্ৰেডত অধ্যয়নৰ বাবে নামভৰ্তি কৰিব পাৰে। হাইস্কুল শিক্ষান্ত পৰীক্ষা উত্তীৰ্ণ হোৱা সকলে তলত উল্লেখ কৰা ট্ৰেডত অধ্যয়নৰ বাবে নামভৰ্তি কৰিব পাৰে।

**দুবছৰীয়া পাঠ্যক্ৰম ঃ** ড্ৰাফটমেন (চিভিল), ড্ৰাফটমেন (মেকানিক), ছাভেয়ৰ, ফিটাৰ, টাৰ্ণাৰ, মেকানিক ৰেডিঅ' এণ্ড টিভি, মেকানিক এয়াৰ কণ্ডিচনাৰ, ইনষ্ট্ৰুমেণ্ট মেকানিক, ইলেক্ট্ৰনিক মেকানিক, ইন্‌ফৰমেচন টেক্‌ন'লজি এণ্ড ইলেকট্ৰনিক ছিষ্টেম মেইনটেনেন্স, মেচিনিষ্ট, ইলেকট্ৰিচিয়ান, ৱায়াৰমেন মেকানিক, ইলেকট্ৰঅপ্লটৰ, লেবৰেটৰী এছিষ্টেণ্ট (কেমিকেল)।

**এবছৰীয়া পাঠ্যক্ৰম** ঃ ষ্টেনোগ্ৰাফী, ৱেল্ডাৰ, ডিজেল মেকানিক, এমব্ৰইডাৰী এণ্ড নিডল ৱৰ্ক, প্লাষ্টিক প্ৰচেছিং, ফটোগ্ৰাফী, লেডাৰ গুডছ মেকাৰ, ছেক্ৰেটেৰিয়েল প্ৰেকটিচ, হেয়াৰ এণ্ড স্কিন কেয়াৰ, ড্ৰে মেকিং, উইভিং এণ্ড উলেন ফেব্ৰিক ইত্যাদি।

দুবছৰীয়া পাঠ্যক্ৰম 'কম্পিউটাৰ অপাৰেচন প্ৰোগ্ৰাম এছিষ্টেণ্ট' টেকৰডত অধ্যয়নৰ বাবে উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগে। ইয়াৰ উপৰিও আই. টি. আই.বোৰত হ্ৰস্বম্যাদী পাঠ্যক্ৰম আছে। যেনে- ট্ৰেভেল এজেণ্ট এণ্ড টুৰ অপাৰেটৰৰ তিনিমহীয়া পাঠ্যক্ৰম, ফল-মূল আৰু শাক পাচলি সংৰক্ষণৰ তিনিমহীয়া পাঠ্যক্ৰম, ষ্টীল ফাৰ্ণিচাৰ মেকিঙৰ তিনিমহীয়া পাঠ্যক্ৰম, গ্ৰীল এণ্ড এলাইড প্ৰডাক্ট মেকিঙৰ তিনিমহীয়া পাঠ্যক্ৰম, কাৰ ছাৰ্ভিচিঙৰ ছয় সপ্তাহৰ পাঠ্যক্ৰম, ৰিফ্ৰিজাৰেটৰ এণ্ড এয়াৰ কণ্ডিচনাৰৰ ৰিপেয়াৰিঙৰ তিনিমহীয়া পাঠ্যক্ৰম, পাম্প ৰিপেয়াৰিঙৰ তিনিমহীয়া পাঠ্যক্ৰম আদি আছে। হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হ'লে নম্বৰ ভিত্তিত পোনপটীয়াকৈ নামভৰ্ত্তিৰ সুবিধা আছে আৰু

হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ নহ'লে এটি প্ৰৱেশ পৰীক্ষাৰ জৰিয়তে নামভৰ্তিৰ সুবিধা লাভ কৰে।

অসমত থকা ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান বা আই. টি. আই কেইখনৰ নাম হ'ল ঃ ১। আই. টি. আই. (কৰিমগঞ্জ), ২। আই. টি. আই. (কোকৰাঝাৰ), ৩। আই. টি. আই. (গড়গাঁও), ৪। আই. টি. আই. (গোৱালপাৰা), ৫। আই. টি. আই. (গুৱাহাটী), ৬। আই. টি. আই. (ডিব্ৰুগড়), ৭। আই. টি. আই. (তেজপুৰ), ৮। আই. টি. আই. (তিনিচুকীয়া), ৯। আই. টি. আই. (দক্ষিণ শালমৰা), ১০। আই. টি. আই. (নগাঁও), ১১। আই. টি. আই. (বঙাইগাঁও), ১২। আই. টি. আই. (বৰপেটা), ১৩। আই. টি. আই. (যোৰহাট), ১৪। আই. টি. আই. (শ্ৰীকোণা), ১৫। আই. টি. আই. (ধনশিৰি), ১৬। আই. টি. আই. (ধেমাজি), ১৭। আই. টি. আই. (নলবাৰী), ১৮। আই. টি. আই. (ভেৰগাঁও), ১৯। আই. টি. আই. (মৰিগাঁও), ২০। আই. টি. আই. (মাজুলী), ২১। আই. টি. আই. (ডিফু), ২২। আই. টি. আই. (হাফলং), ২৩। আই. টি. আই. উত্তৰ (লখিমপুৰ)।

মহিলাৰ বাবে সংৰক্ষিত আই. টি. আই. কেইখন হ'ল— ১। আই. টি. আই. (শিলচৰ), ২। আই. টি. আই. (গুৱাহাটী), ৩। আই. টি. আই. (তিনিচুকীয়া), ৪। আই. টি. আই. (মাজবাট)।

**পলিটেকনিক ঃ** পলিটেকনিকবোৰত তিনি বছৰীয়া ডিপ্লমা পাঠ্যক্ৰম প্ৰদান কৰা হয়। হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱাসকলে এটি প্ৰৱেশ পৰীক্ষাৰ জৰিয়তে নামভৰ্তিৰ সুবিধা আছে।

অসমত থকা পলিটেকনিক কেইখন হ'ল— ১। অসম ইঞ্জিনিয়াৰিং ইনষ্টিটিউট (গুৱাহাটী), ২। গাৰ্লছ পলিটেকনিক (গুৱাহাটী), ৩। বঙাইগাঁও পলিটেকনিক, ৪। শিলচৰ পলিটেকনিক, ৫। নগাঁও পলিটেকনিক, ৬। প্ৰিন্স অৱ ৱেলছ্ ইনষ্টিটিউট অব্ ইঞ্জিনিয়াৰিং এণ্ড টেকন'লজি (যোৰহাট), ৭। ডিব্ৰুগড় পলিটেকনিক, ৮। গাৰ্লছ পলিটেকনিক (গোলাঘাট), ৯। চেণ্ট্ৰেল ইনষ্টিটিউট অব্ টেকন'লজি (কোকৰাঝাৰ), ১০। অসম টেক্সটাইল ইনষ্টিটিউট (গুৱাহাটী)।

পলিটেকনিকবোৰত পঢ়াৰ সুবিধা থকা বিভিন্ন বিভাগবোৰ হ'ল ঃ চিভিল, মেকানিকেল, ইলেকট্ৰিকেল, ইলেকট্ৰনিক্স এণ্ড টেলিকমিউনিকেচনছ, অ'টোমোবাইল, কম্পিউটাৰ ইঞ্জিনিয়াৰিং, ইনষ্ট্ৰুমেনটেছন, টেক্সটাইল টেকন'লজি, এগ্ৰিকালছাৰ, আৰ্কিটেক্ট এছিষ্টেণ্ট ইত্যাদি।

**উচ্চতৰ মাধ্যমিক বা দ্বাদশ শ্ৰেণীৰ পিছত 'কলা শাখা' ঃ** উচ্চতৰ মাধ্যমিক বা দ্বাদশ শ্ৰেণীৰ কলা শাখাত উত্তীৰ্ণ হোৱাৰ পিছত কি কি পঢ়িব পাৰি? সাধাৰণ স্নাতক পাঠ্যক্ৰম, মেজৰসহ যেনে— সমাজশাস্ত্ৰ, অৰ্থনীতি, সাহিত্য (ইংৰাজী, অসমীয়া, হিন্দী, বঙালী ইত্যাদি), মনোবিজ্ঞান, ৰাজনীতি বিজ্ঞান, শিক্ষা, পৰ্যটন, পৰিবেশ কলা, নৃতত্ত্ব বিজ্ঞান, আইন ইত্যাদি স্নাতক পাঠ্যক্ৰম।

স্নাতক পাঠ্যক্ৰমত উত্তীৰ্ণ হোৱাৰ পিছৰ পাঠ্যক্ৰম হ'ল— স্নাতকোত্তৰ (এম. এ.) আৰু পি. এইচ. ডি.।

কলা শাখাত অধ্যয়ন কৰি মনোবৈজ্ঞানিক, সমাজবিজ্ঞানী, সমাজ কৰ্মী, বুৰঞ্জীবিদ, নৃতত্ত্ববিদ, লেখক, সাংবাদিক, অধিবক্তা, বিদ্যালয়/মহাবিদ্যালয়/বিশ্ববিদ্যালয়ৰ শিক্ষক হিচাবে কেৰিয়াৰ গঢ়িব পাৰে।

কলা শাখাৰ যিকোনো স্নাতক উত্তীৰ্ণ শিক্ষাৰ্থীয়ে অসম লোক সেৱা আয়োগ (এ.পি.এছ.চি.)ৰ পৰীক্ষা, কেন্দ্ৰীয় লোকসেৱা আয়োগ (ইউ.পি.এছ.চি.)ৰ পৰীক্ষা, বেংকিং খণ্ডৰ পৰীক্ষা আৰু অন্যান্য ইঞ্চিউৰেঞ্চৰ পৰীক্ষাত অৱতীৰ্ণ হ'ব পাৰে।

দ্বাদশ শ্ৰেণীৰ যিকোনো শাখাত উত্তীৰ্ণ শিক্ষাৰ্থীয়ে পাঁচ বছৰীয়া সংযুক্ত আইনৰ স্নাতক পাঠ্যক্ৰম আৰু হোটেল পৰিচালনা (হোটেল মেনেজমেণ্ট) পাঠ্যক্ৰম অধ্যয়ন কৰিব পাৰে।

দ্বাদশ শ্ৰেণীৰ যিকোনো শাখাত উত্তীৰ্ণ শিক্ষাৰ্থীয়ে পাঁচ বছৰীয়া সংযুক্ত ইংৰাজী/গণসংযোগ/বিদেশী ভাষাৰ স্নাতকোত্তৰ পাঠ্যক্ৰম অধ্যয়ন কৰিব পাৰে।

অবিবাহিত ভাৰতীয় নাগৰিকে ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা শিক্ষা প্ৰতিষ্ঠান (এন.ডি.এ.)ত নামভৰ্তি কৰিব পাৰে যদিহে ভাৰতীয় সেনাবাহিনীত যোগদানৰ ইচ্ছা থাকে। যিকোনো শাখাত দ্বাদশ শ্ৰেণীৰ উত্তীৰ্ণসকলে ইউ. পি. এছ. চি.ৰ অধীনত অনুষ্ঠিত এন.ডি.এ. পৰীক্ষাত বাছনি হৈ এই প্ৰতিৰক্ষা শিক্ষা প্ৰতিষ্ঠানত নামভৰ্তি কৰিব পাৰে।

যিকোনো শাখাত দ্বাদশ শ্ৰেণীৰ উত্তীৰ্ণসকলে ফাইন আৰ্টছ, দৃশ্য কলা (ভিজুৱেল আৰ্টছ), আভ্যন্তৰীণ সজ্জা (ইণ্টেৰিয়'ৰ ডিজাইন), প্ৰায়োগিক কলা (এপ্লাইড আৰ্ট), ফেশ্বন ডিজাইন, অলংকাৰ সজ্জা (জুৱেলাৰী ডিজাইন) ইত্যাদি পাঠ্যক্ৰম অধ্যয়ন কৰিব পাৰে।

যিসকল শিক্ষাৰ্থীৰ নৃত্য-গীত, নাটকৰ প্ৰতি আসক্তি আছে বা ইয়াক আনুষ্ঠানিক পাঠ্যক্ৰম হিচাপে ল'ব বিচাৰে, তেনে শিক্ষাৰ্থীয়ে পৰিৱেশ্য কলা স্নাতক পাঠ্যক্ৰম (বি.পি.এ.)ত নামভৰ্তি কৰিব পাৰে। দ্বাদশ শ্ৰেণীৰ যিকোনো শাখাত উত্তীৰ্ণ যিসকল শিক্ষাৰ্থীয়ে নিজকে এগৰাকী শাৰীৰিক শিক্ষাৰ শিক্ষক, ক্ৰীড়া প্ৰশিক্ষক অথবা ফিটনেছ ট্ৰেইনাৰ হিচাবে কেৰিয়াৰ গঢ়িব বিচাৰে, তেওঁলোকে 'শাৰীৰিক শিক্ষা' বিষয়ৰ স্নাতক পাঠ্যক্ৰম অধ্যয়ন কৰিব পাৰে।

**উচ্চতৰ মাধ্যমিক বা দ্বাদশ শ্ৰেণীৰ পিছত 'বাণিজ্য শাখা' ঃ** উচ্চতৰ মাধ্যমিক বা দ্বাদশ শ্ৰেণীৰ বাণিজ্য শাখাত উত্তীৰ্ণ হোৱাৰ পিছত পঢ়িব পৰা বিষয়সমূহ ঃ সাধাৰণ স্নাতক পাঠ্যক্ৰম, মেজৰসহ (যেনে— ইঞ্চিউৰেন্স, কম্পিউটাৰ, বৈদেশিক বাণিজ্য, বেংকিং আৰু ইঞ্চিউৰেন্স, একাউণ্টিং আৰু বিত্ত, ই-বাণিজ্য, অৰ্থনীতি আৰু একাউণ্টিং ইত্যাদি) স্নাতক পাঠ্যক্ৰম।

স্নাতক পাঠ্যক্ৰম উত্তীৰ্ণ হোৱাৰ পিছৰ পাঠ্যক্ৰম হ'ল— স্নাতকোত্তৰ (এম. কম.) আৰু পি.এইচ.ডি।

বাণিজ্য শাখাৰ যিকোনো স্নাতক উত্তীৰ্ণ শিক্ষাৰ্থীয়ে অসম লোকসেৱা আয়োগ (এ.পি.এছ.চি.)ৰ পৰীক্ষা, কেন্দ্ৰীয় লোকসেৱা আয়োগ (ইউ.পি.এছ.চি.)ৰ পৰীক্ষা, বেংকিং খণ্ডৰ পৰীক্ষা আৰু অন্যান্য ইঞ্চিউৰেন্সৰ পৰীক্ষাত অৱতীৰ্ণ হ'ব পাৰে।

চি.এ. (চাৰ্টাৰ্ড একাউণ্টেন্সি) ঃ ভাৰতীয় চাৰ্টাৰ্ড একাউন্টেণ্ট প্ৰতিষ্ঠানে চাৰ্টাৰ্ড একাউনণ্টেন্সিৰ শিক্ষা আগবঢ়ায়।

কষ্ট একাউনটেণ্ট ঃ 'ইনষ্টিটিউট অৱ কষ্ট্‌ এণ্ড ৱকছ্‌ একাউনটেণ্টছ অৱ ইণ্ডিয়া'ই এই পাঠ্যক্ৰম আগবঢ়ায়।

কোম্পানী ছেক্ৰেটাৰী ঃ 'ইনষ্টিটিউট অৱ কোম্পানী ছেক্ৰেটাৰিজ অৱ ইণ্ডিয়া'ই এই পাঠ্যক্ৰম আগবঢ়ায়।

**উচ্চতৰ মাধ্যমিক বা দ্বাদশ শ্ৰেণীৰ পিছত 'বিজ্ঞান শাখা'** ঃ উচ্চতৰ মাধ্যমিক বা দ্বাদশ শ্ৰেণীৰ বিজ্ঞান শাখাত উত্তীৰ্ণ হোৱাৰ পিছত পঢ়িব পৰা বিষয়সমূহ ঃ সাধাৰণ স্নাতক পাঠ্যক্ৰম, মেজৰসহ যেনে— পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান, গণিত, অৰ্থবিজ্ঞান, জীৱবিজ্ঞান, প্ৰাণীবিজ্ঞান, পৰিৱেশ বিজ্ঞান ইত্যাদি স্নাতক পাঠ্যক্ৰম। স্নাতক পাঠ্যক্ৰমত উত্তীৰ্ণ হোৱাৰ পিছৰ পাঠ্যক্ৰম হ'ল— স্নাতকোত্তৰৰ এম.এচ.ছি. আৰু পি.এইচ.ডি।

বিজ্ঞান শাখাৰ যিকোনো স্নাতক উত্তীৰ্ণ শিক্ষাৰ্থীয়ে অসম লোকসেৱা আয়োগ (ইউ.পি.এছ.চি.)ৰ পৰীক্ষা, বেংকিং খণ্ডৰ পৰীক্ষা আৰু অন্যান্য ইন্সিউৰেন্সৰ পৰীক্ষাত অৱতীৰ্ণ হ'ব পাৰে। ষ্টাফ চিলেকচন কমিছনৰ কম্বাইণ্ড গ্ৰেজুৱেট লেভেল পৰীক্ষাত অৱতীৰ্ণ হ'ব পাৰে।

উচ্চতৰ মাধ্যমিক বা দ্বাদশ শ্ৰেণীৰ বিজ্ঞান শাখাত উত্তীৰ্ণ হোৱাৰ পিচত বি.চি.এ., বি.বি.এ., বি.টেক./বি.ই., এম.বি.বি.এছ., বি.ডি.এছ., বি. ফাৰ্ম, বি.এছ.চি. নাৰ্ছিং, আয়ুৰ্বেদিক, হোমিঅ'পেথিক, পশু পালন আৰু পশু চিকিৎসা পাঠ্যক্ৰম, কৃষি, মীন, গাৰ্হস্থ্যবিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমত নামভৰ্তি কৰিব পাৰে। ইঞ্জিনীয়াৰিং কলেজবোৰত বি.টেক/বি.ই. পাঠ্যক্ৰম পঢ়াৰ সুবিধা থকা বিভিন্ন বিভাগবোৰ হ'ল ঃ কেমিকেল, চিভিল, মেকানিকেল, ইলেকট্ৰিকেল, ইলেকট্ৰনিক্স এণ্ড টেলিকমিউনিকেচন্‌ছ, এৰ'স্পেচ, কম্পিউটাৰ ইঞ্জিনীয়াৰিং, ইনষ্ট্ৰুমেনটেছ্যন, টেক্সটাইল টেকন'লজি, এগ্ৰিকালছাৰ, পেট্ৰলিয়াম আদি।

উচ্চতৰ মাধ্যমিক বা দ্বাদশ শ্ৰেণীৰ বিজ্ঞান শাখাত উত্তীৰ্ণ হোৱা সকলে পেৰামেডিকেলৰ বিভিন্ন বিভাগত (Medical Laboratory Technology, Medival Radiographic Technology, Cardiac Care Technology, Physiotherapy, ICU Technology, Physicians Assistance Course, Emergency & First Aid, O.T. Technology (O.T. + Anaesthesia + Endoscopy), Dialysis Technician Course) ডিপ্লমা শিক্ষা গ্ৰহণ কৰিব পাৰে। ইয়াৰ বাবে উচ্চতৰ মাধ্যমিক (বিজ্ঞান শাখা) চূড়ান্ত পৰীক্ষাত পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান আৰু জীৱ বিজ্ঞান বিষয়ত ৫০% নম্বৰ সৈতে উত্তীৰ্ণ হ'ব লাগে।

বেংক প্ৰবিজনাৰী অফিচাৰ (Bank Provisionary Officer) পদৰ বাবে যিকোনো স্বীকৃতিপ্ৰাপ্ত বিশ্ববিদ্যালয়ৰ পৰা যিকোনো শাখাত নিম্নতম শিক্ষাগত অৰ্হতা স্নাতকসকলে আৱেদন কৰিব পাৰে।

তদুপৰি, কেৰিয়াৰ বিষয়ৰ বিভিন্ন কথা যেনে— বিভিন্ন শিক্ষানুষ্ঠানসমূহত শিক্ষা লাভ কৰিবলৈ কি কি অৰ্হতা লাগে, ছাত্ৰ-ছাত্ৰীসকলে কেনেদৰে পঢ়া-শুনা কৰিব লাগে, বিভিন্ন চাকৰিৰ কাৰণে কি কি অৰ্হতা লাগে, চাকৰিবোৰৰ বিজ্ঞাপনবোৰ ক'ত পোৱা যাব, বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষাবোৰৰ বিষয়ে কেনেকৈ গম পোৱা যাব— এই তথ্যবোৰ ক'ৰপৰা সংগ্ৰহ কৰিব পাৰি, এনেধৰণৰ কথাবোৰৰ বিষয়ে যদি কোনো আগ্ৰহী ছাত্ৰ-ছাত্ৰী তথা অভিভাৱকসকলে জানিব বিচাৰে তেন্তে প্ৰত্যেক শনিবাৰে বিয়লি ৬ বজাৰপৰা ৯ বজাৰ ভিতৰত আমাৰ লগত ফোনত (০৯৪৩৫১-৮৮৬৩০) যোগাযোগ কৰিব পাৰে।

এইখিনিতে দুটা ৱেবছাইট আৰু এটা ব্ল'গ (Blog)ৰ বিষয়ে উল্লেখ কৰিব বিছাৰিছোঁ। এটা হ'ল কেৰিয়াৰ আনুষঙ্গিক ৱেবছাইট 'সমিধান (http://www.xomidhan.org)'। এই ৱেবছাইটৰ যোগেদি ছাত্ৰ-ছাত্ৰী তথা অভিভাৱকসকলে যিকোনো বিষয়ত কেৰিয়াৰ সম্পৰ্কীয় প্ৰশ্ন সুধিব পাৰে। এই ৱেবছাইটটোৰ জৰিয়তে বিনামূলীয়কৈ কেৰিয়াৰ সম্পৰ্কীয় প্ৰশ্নোত্তৰ লাভ কৰিব পাৰে। আনটি হ'ল 'চাকৰি (www.sakori.org)'। 'চাকৰি'ত বিভিন্ন ধৰণৰ চাকৰিৰ বিজ্ঞাপনবোৰ, যিবোৰ স্থানীয় সংবাদপত্ৰ, বিভিন্ন কোম্পানীৰ নিজস্ব ৱেবছাইট আৰু নিযুক্তি সম্পৰ্কীয় ৱেবছাইটবোৰত প্ৰকাশ হয়, সেইবোৰ একত্ৰিত কৰি উপলব্ধ কৰা হয়। ব্ল'গটিৰ ঠিকনা হ'ল— http://careerquips.in। ইয়াত বিভিন্ন চাকৰি তথা প্ৰতিযোগিতামূলক পৰীক্ষাৰ বিজ্ঞাপন, এই পৰীক্ষাবোৰৰ বাবে কেনেকৈ প্ৰস্তুতি চলাব লাগে তথা আৰ্হি প্ৰশ্নবোৰ উপলব্ধ কৰা হয়।

বৰ্তমান যুগত শিক্ষাগত অৰ্হতা তথা দক্ষতা থাকিলেও বিভিন্ন কাৰণত ৰাজ্যখনৰ বহুতো ছাত্ৰ-ছাত্ৰীয়ে কেতিয়াবা মনে বিচৰা বিভাগৰ বিভিন্ন বিষয়ত কেৰিয়াৰ গঢ়িবলৈ সক্ষম নহয়। গতিকে, ছাত্ৰ-ছাত্ৰীসকলে মাত্ৰ এটা বিষয়তে কেৰিয়াৰ গঢ়িম বুলি ভাবি থকাটো উচিত নহয়। কোনো বিভাগৰ দুই বা ততোধিক বিষয়ত কেৰিয়াৰ গঢ়া কথা ভাবিব লাগে যাতে এই ভাবি থকা বিভাগৰ যিকোনো এটা বিষয়ত কেৰিয়াৰ গঢ়িব পাৰে। লগতে উল্লেখ কৰা ভাল হ'ব যে, কোনো ব্যক্তিয়েই পচন্দৰ বিষয়ত অধ্যয়ন কৰা পিছতো কৰ্মক্ষেত্ৰত কেতিয়াও ১০০ শতাংশ সন্তুষ্ট হ'ব নোৱাৰে। কোনোবাই হয়তো দৰমহাক লৈ সন্তুষ্ট নহ'ব পাৰে, কোনোবাই হয়তো কৰ্মস্থলীক লৈ সন্তুষ্ট নহ'ব পাৰে, কোনোবাই হয়তো সহকৰ্মীক লৈ সন্তুষ্ট নহ'ব পাৰে ইত্যাদি। গতিকে যিকোনো বিভাগৰ যি বিষয়তে কেৰিয়াৰ গঢ়ক লাগিলে, তাতে মন-কাণ দি কাম কৰিলে ভাল হয়।

চাকৰিদ্বাৰা নিবনুৱা সমস্যা সমাধান কৰা কেতিয়াও সম্ভৱ নহয়। কিন্তু, চাকৰি বাহিৰেও সৰু-বৰ উদ্যোগ গঢ়ি তোলা বা ব্যৱসায়-বাণিজ্য কৰি নিজে জীৱিকা উপাৰ্জন কৰা লগতে আনকো নিয়োগৰ সুবিধা দিব পাৰি। এই বিষয়ে চৰকাৰী অনুষ্ঠান, বে-চৰকাৰী অনুষ্ঠান, স্বেচ্ছাসেৱী অনুষ্ঠান আৰু ছাত্ৰ সংগঠনবোৰে ছাত্ৰ-ছাত্ৰী তথা যুৱক-যুৱতীসকলক ৰাজ্যখনৰ সকলো অঞ্চলতে সজাগতা সভা আৰু কৰ্মশালা আয়োজন কৰি কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ বিভিন্ন আঁচনি আৰু সা-সুবিধাবোৰৰ বিষয়ে ভালদৰে বুজাই দিয়াৰ লগতে বিভিন্ন ধৰণৰ ঋণ আগবঢ়োৱা বিত্তীয় অনুষ্ঠানবোৰৰ বিষয়ে বিতংকৈ

জনাব লাগে। বাতৰি কাকত আৰু আলোচনীবোৰও সামাজিক দায়বদ্ধতাৰে সমাজ আৰু ৰাজহুৱা স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি 'স্ব-নিয়োজন'ৰ বিভিন্ন দিশ সামৰি নিয়মীয়াকৈ লেখা প্ৰকাশ কৰিলে ভাল হয়। চৰকাৰী চাকৰি অবিহনেও সৰু-বৰ উদ্যোগ গঢ়ি বা ব্যৱসায়-বাণিজ্য কৰিও সন্মানীয় জীৱন আৰু জীৱিকা নিৰ্বাহ যে কৰিব পাৰি সেই কথা উপলব্ধি কৰি কিছু সংখ্যক যুৱক-যুৱতীয়ে স্ব-নিয়োজনৰ পথ বাছি ল'লে নিবনুৱা সমস্যা অলপ হ'লেও কমিব বুলি আশা কৰিব পাৰি।

উদ্যোগী আৰু চাকৰিয়ালৰ মাজত থকা পাৰ্থক্যবোৰ হ'ল— উদ্যোগীসকলে নিজে জীৱিকা উপাৰ্জন কৰা লগতে আনকো নিয়োগৰ সুবিধা দিব পাৰে। চাকৰিয়ালৰ উপাৰ্জন সীমিত কিন্তু উদ্যোগীৰ নহয়। উদ্যোগীসকলে যিমানে যত্ন কৰে সিমানে উপাৰ্জন বৃদ্ধি হয়। চাকৰিয়ালসকলে সদায় সীমাৰ মাজত কাম কৰিব লাগে কিন্তু উদ্যোগীসকলৰ কোনো সীমা নাই। উদ্যোগীসকলে নতুন নতুন দিশৰ পিনে কাম সম্প্ৰসাৰিত কৰিব পাৰে। চাকৰিয়াল এজন কৰ্মচাৰী মাথোন, কিন্তু উদ্যোগী এজন মালিক। মালিকৰ পদমৰ্যাদা সদায় ওপৰত। উদ্যোগী এজনে নিজে অৱসৰ নল'লে আনে তেওঁক অৱসৰ দিব নোৱাৰে। কাৰণ, তেওঁ উদ্যোগৰ মালিক হয়, কৰ্মচাৰী নহয়। সাধাৰণতে চাকৰি কৰি সৎ উপায়েৰে ধনী হোৱা সম্ভৱ নহয়, কিন্তু সৎ উপায়েৰে উদ্যোগ গঢ়ি বা ব্যৱসায় কৰি ধনী হোৱা সম্ভৱ। চাকৰিয়ালসকলৰ দিনটোৰ বাবে নিৰ্দিষ্ট কৰ্ম সময় থাকে কিন্তু উদ্যোগীসকলৰ ক্ষেত্ৰত কৰ্মৰ কোনো নিৰ্দিষ্ট সময় সীমা নাথাকে। এতিয়া কথা হ'ল, ছাত্ৰ-ছাত্ৰী তথা শিক্ষিত যুৱক-যুৱতীয়ে চাকৰি কৰে নে উদ্যোগ কৰে সেই কথা ভাবিব, সেয়া সকলোৰে ব্যক্তিগত কথা।

**সংযোজন ঃ**

**বায়'ডাটা ঃ** কোনো কোনো চাকৰিৰ বাবে আৱেদনকাৰীৰপৰা এখন আৱেদন-পত্ৰ আৰু এখন সংক্ষিপ্ত জীৱনপঞ্জী অথবা এখন 'বায়'ডাটা' (Bio-data) বিচাৰে। এই বায়'ডাটাখনক চি.ভি. (C.V.- Curriculum Vitae) বা ৰিজিউম (Resume) বুলি কোৱা হয়। এখন আদৰ্শ 'বায়'ডাটাক তলত উল্লেখ কৰা ছয়টা ভাগত বিভক্ত কৰিব পাৰি।

**১। নিজৰ বিষয়ে বৰ্ণনা ঃ** এই ভাগটিত আৱেদনকাৰীৰ নাম, পিতৃ-মাতৃৰ নাম, অভিভাৱকৰ নাম, বৰ্ত্তমানৰ ঠিকনা, স্থায়ী ঠিকনা, ফোন নং, ই-মেইল ঠিকনা, জন্ম তাৰিখ, জাতীয়তা, বৈবাহিক মৰ্যদা আদি অন্তৰ্ভুক্ত কৰিব লাগে।

**২। শিক্ষাগত অৰ্হতাৰ বিৱৰণ ঃ** এই ভাগটিত আৱেদনকাৰীৰ প্ৰতিটো পৰীক্ষা/ডিগ্ৰী/ডিপ্লমা/ছাৰ্টিফিকেট আদি পাঠ্যক্ৰমৰ নাম, পাঠ্যক্ৰম পতা বিশ্ববিদ্যালয়/মহাবিদ্যালয়/পৰিষদ আদিৰ নাম, বিভিন্ন পৰীক্ষাত লাভ কৰা স্থান বা বিভাগ, বিভিন্ন পৰীক্ষাত লাভ নম্বৰ শতাংশ আৰু বিষয়বোৰৰ নাম উল্লেখ কৰিব লাগে। লগতে আৱেদনকাৰী কোনো কাৰিকৰী প্ৰশিক্ষণ থাকিলে তাৰ সবিশেষও এই ভাগটিতে উল্লেখ কৰিব লাগে।

**৩। অভিজ্ঞতা ঃ** এই ভাগটিত আৱেদনকাৰীৰ আগতে যদি কোনো চাকৰি কৰাৰ অভিজ্ঞতা থাকিলে তাৰ সবিশেষ উল্লেখ কৰিব লাগে।

**৪। ৰেফাৰেন্স ঃ** এই ভাগটিত আৱেদনকাৰীক ভালদৰে চিনি পোৱা অতি কমেও দুজন প্ৰতিষ্ঠিত ব্যক্তিৰ নাম উল্লেখ কৰিব লাগে যাতে নিয়োগকৰ্তাই আৱেদনকাৰীৰ সবিশেষ জানিবলৈ 'ৰেফাৰেন্স'ত উল্লেখ কৰা ব্যক্তিসকলৰ লগত দৰকাৰ হ'লে যোগাযোগ কৰিব পাৰে।

**৫। হবি ঃ** এই ভাগটিত আৱেদনকাৰীৰ যদি কিবা হবি থাকে তেন্তে উল্লেখ কৰিব লাগে।

**৬। প্ৰমাণ পত্ৰ ঃ** এই ভাগটিত 'বায়'ডাটা'(Bio-data), চি.ভি.(C.V.-Curriculum Vitea), ৰিজিউম(Resume)ত উল্লেখ কৰা সকলো তথ্য শুদ্ধ বুলি ঘোষণা কৰি তাৰিখৰ সৈতে স্বাক্ষৰ কৰিব লাগে। লগতে স্বাক্ষৰ কৰা ঠাইৰ নামো উল্লেখ কৰিব লাগে।

একোখন সুন্দৰ বায়'ডাটা বনোৱাৰ বাবে গুগোল (www.google.co.in)ত চাৰ্চ কৰি বহুতো নমুনা পাব পাৰি। এনেকৈ পোৱা নমুনাৰ আধাৰত বনোৱা বায়'ডাটাও জমা দিয়াৰ আগতে বিজ্ঞজনক একোবাৰ দেখুৱাই লোৱাটো ভাল। চাকৰিৰ বাবে নিৰ্বাচন কৰোতে প্ৰথম মনোভাৱ সৃষ্টি কৰিব পাৰে একোখন সুন্দৰ বায়'ডাটাই। সেয়ে সময় হাতত লৈ বায়'ডাটাখন তৈয়াৰ কৰিব লাগে। বানান, ব্যাকৰণ আদিৰ ক্ষেত্ৰতো সাৱধানতা অৱলম্বন কৰা উচিত।

**গ্ৰুপ ডিস্কাচন (Group Discussion) ঃ** গ্ৰুপ ডিস্কাচন (Group Discussion)ত কোনো এক বিষয়বস্তুৰ ওপৰত অংশগ্ৰহণকাৰীসকলে বক্তব্য ৰাখিব লাগে। গ্ৰুপ ডিস্কাচনৰ জৰিয়তে এগৰাকী প্ৰাৰ্থীৰ জ্ঞান, বিশ্লেষণ ক্ষমতা, শুনাৰ কৌশল, আচৰণ, সাধাৰণ সচেতনতা, নেতৃত্ব লক্ষণ, যোগাযোগ কৌশল, শাৰীৰিক ভাষাৰ মান, ব্যক্তিৰ চিন্তনৰ দিশ (ধনাত্মকক নে ঋণাত্মক) আদিৰ পৰীক্ষা লয়। কেইগৰাকীমান বিশেষজ্ঞই গ্ৰুপ ডিস্কাচনত উপস্থিত থাকি প্ৰাৰ্থীসকলৰ বিভিন্ন দিশ তন্ন-তন্নকৈ পৰ্যবেক্ষণ কৰে। এটা গ্ৰুপ ডিস্কাচনত সাধাৰণতে ৮ গৰাকী প্ৰাৰ্থী থাকে। ইয়াৰ সংখ্যা কম বা বেছিও হ'ব পাৰে। গ্ৰুপ ডিস্কাচনত অংশ গ্ৰহণকাৰী প্ৰাৰ্থীসকলে মন কৰিব লগা কথা হ'ল— সাময়িক ঘটনা প্ৰবাহৰ বিতং তথ্য সংগ্ৰহ কৰিব লাগে। পৰাপক্ষত আলোচনাত আগভাগ ল'ব পাৰিলে ভাল হয়। দলক নেতৃত্ব দিব পৰা মাসিকতা প্ৰদৰ্শন কৰিব পাৰিব লাগে। দলগতভাৱে কাম কৰাৰ মানসিকতা প্ৰদৰ্শন কৰিব পাৰিব লাগে। আন অংশগ্ৰহণকাৰীৰ বক্তব্যক যিমান পাৰি সিমান প্ৰশংসা কৰিব লাগে। গ্ৰুপ ডিস্কাচনৰ বিষয়বস্তুৰ বিষয়ে একো নাজানিলে আলোচনাত অংশগ্ৰহণ কৰাসকলৰ বক্তব্য ভালদৰে শুনিব লাগে আৰু সেই বক্তব্যবোৰৰ পৰা তথ্য আহৰণ কৰি নিজৰ মন্তব্য দিব লাগে। নিজৰ বক্তব্যত উদাহৰণ দিবলৈ চেষ্টা কৰিব লাগে। গ্ৰুপ ডিস্কাচনত অংশগ্ৰহণ কৰিবৰ বাবে মাৰ্জিত সাজ-পাৰ পৰিধান কৰিব লাগে।

❖❖❖

# ইতিবাচক শিক্ষা শিবিৰ– এক যাত্ৰা

**প্ৰাঞ্জল বুঢ়াগোহাঁই***

পাঠকক এই কথা মনত পেলাই দিয়াৰ দৰকাৰ নাই যে আমাৰ শিক্ষা ক্ষেত্ৰখন বৰ্তমানে কিছুমান ভয়ংকৰ সমস্যাৰে আক্ৰান্ত  হৈ পৰিছে। এই সমস্যাবোৰৰ হেঁচাত আটাইতকৈ বেছি বিপৰ্যস্ত হৈছে ছাত্ৰ-ছাত্ৰীসকল। যোৱা চাৰি-পাঁচবছৰত আমি এটা সৰু মনে মিলা দলে অসমৰ চুকে-কোণে বহু ছাত্ৰ-ছাত্ৰীক নিজৰ কাষত ৰাখি অধ্যয়ন কৰিছোঁ। মই নিজে এটাও বন্ধ দিন নষ্ট নকৰাকৈ অসমৰ ইমূৰৰ পৰা সিমূৰলৈ দৌৰি ফুৰিছোঁ ছাত্ৰ-ছাত্ৰী(বিশেষকৈ কৈশোৰ)ৰ লগত কথা পাতিবৰ বাবে, তেওঁলোকৰ শৈক্ষিক, আৱেগিক, মানসিক সমস্যাবোৰৰ বুজ ল'বৰ কাৰণে আৰু বহু বিনিদ্ৰ ৰজনী কটাইছোঁ; তেওঁলোকক এটা সমাধান দিবৰ কাৰণে। মোৰ ৰেকৰ্ড অনুসৰি যোৱা চাৰি পাঁচবছৰত মই কথা পতা, লগ পোৱা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা লাখৰ ঘৰ চুলেগৈ। এই দিনবোৰত মই তেওঁলোকৰ লগত কি কথা পতা নাই! কি সমস্যা দেখা নাই! মোৰ কাষত বহি বহু ল'ৰা-ছোৱালীয়ে শিক্ষাই তেওঁলোকৰ জীৱনলৈ আনি দিয়া দুৰ্যোগৰ কাহিনী মোক কৈছে। মোৰ কোলাতে শুই হতাশা, বিমৰ্ষত ভাঙি পৰা বহু ল'ৰা-ছোৱালীয়ে জীৱনৰ পৰা আঁতৰি যাব বিচৰা কাহিনী মোক কৈছে। মোৰ বুকুত মূৰ থৈ পুনৰ



জীৱনলৈ ঘূৰি আহিব বিচৰা আশাও মোক কৈছে। মোৰ হিচাপ অনুসৰি মই এশতকৈও বেছি ছাত্ৰ-ছাত্ৰী লগ পাইছোঁ, যিসকল আত্মহত্যাৰ প্ৰৱণতাৰ দ্বাৰা ভয়ংকৰভাৱে আক্ৰান্ত। এনেকুৱা এটা দিনো মোৰ পাৰ হৈ নাযায় যিদিনা মই মানসিক হতাশাত ভুগি হায়ৰাণ হোৱা কোনো ছাত্ৰ-ছাত্ৰীক অক্ষমভাৱে হ'লেও সান্ত্বনা দিবলৈ চেষ্টা কৰা নাই। শিক্ষাৰ সম্পৰ্কত মোৰ অধ্যয়নে প্ৰমাণ কৰা আটাইতকৈ ডাঙৰ সমস্যাটো হৈছে ছাত্ৰ-ছাত্ৰীৰ আৱেগিক আৰু মানসিক সমস্যা। শিক্ষাৰ লগত জড়িত বহু অন্তঃসাৰশূন্য কথাই তেওঁলোকক ইমান বেছি দিশহীন, আশাহীন কৰি তুলে যে ইয়েই ছাত্ৰ-ছাত্ৰীসকলৰ সকলো মানসিক আৰু আৱেগিক সমস্যাৰ প্ৰধান কাৰণ হৈ পৰিছে। আমি যিমানেই ভাৰ্চুৱেল পৃথিৱী, ডিজিটেল পৃথিৱীৰ কথা নকওঁ কিয় আমাৰ শিক্ষা এতিয়াও ইমান প্ৰাথমিক সমস্যাবোৰতেই ভাৰাক্ৰান্ত যে সেই সকলো ডাঙৰ কথা, ডাঙৰ ভাষণ আমাৰ নিজৰ বাবেই একোটাহঁত ডাঙৰ প্ৰহসন। কিন্তু কথাবোৰ ক'মনো কাক, পতিয়াব কোনে? সেইবাবেই বেছিভাগ কথা লিখা নহয়, কোৱাও নহয়। তাৰে দুই-চাৰিটা কথা লিখিবলৈ লৈছোঁ নিতান্তই 'নীড়' আলোচনীখনৰ প্ৰয়োজনৰ তাগিদাত।

মই সদায় এটা কথা দেখি মনত দুখ পাওঁ যে আমাৰ পৰম্পৰাগত শিক্ষা আৰু সুখেৰে, সুন্দৰকৈ জীয়াই থাকিবলৈ দৰকাৰ হোৱা শিক্ষা হাতত ধৰাধৰিকৈ নাযায়। আমাৰ পৰম্পৰাগত শিক্ষাত উন্নতি সাধিবলৈ আমি অনবৰতে জীৱনৰ লগত কম্প্ৰমাইজ কৰোঁ। আমাৰ ল'ৰা-ছোৱালীবিলাকৰ জীৱনবিলাক আমি এই শিক্ষা গ্ৰহণ আৰু প্ৰদানৰ নামত কিমান বিষময় আৰু বিৰক্তিকৰ কৰি তুলিছো সেয়া আপুনি কল্পনাৰে ভাবি নাপায়। যি শিক্ষাৰে আমি জীৱন গঢ়াৰ কথা কওঁ সেই শিক্ষাই যেতিয়া আমাক জীৱনৰ পৰা আঁতৰাই লৈ যোৱাৰে প্ৰধান কাৰণ হৈ পৰে, তাতকৈ ডাঙৰ কৌতুক পৃথিৱীত আন কিবা জানো থাকিব পাৰে? এনে প্ৰাথমিক স্পষ্টতা নোহোৱা শিক্ষা এটাৰ পাছত আমি শিক্ষিত অশিক্ষিত নিৰ্বিশেষে সকলোৱে যেতিয়া বিনা অসন্তোষে, বিনা প্ৰতিবাদে উন্মাদৰ দৰে দৌৰোঁ— এটা সভ্যতাৰ কাৰণে তাতকৈ ডাঙৰ দুৰ্ভাগ্য জানো আন কিবা লাগে? মই নিজে শিক্ষাবিদো নহওঁ, মনোবিজ্ঞানীও নহওঁ। কিন্তু দীৰ্ঘদিনৰ গভীৰ অভিজ্ঞতাৰ পৰা নিজৰ ওচৰত এটা কথাত অন্ততঃ স্পষ্ট যে মই ইয়াৰ সমৰ্থনত নাই। কিন্তু এয়াও স্পষ্ট যে ইয়াৰ বিকল্প এটা আগবঢ়াব পৰা শক্তি, মেধা, সামৰ্থ্যও আমাৰ নাই। অথচ আমি যোৱা চাৰিবছৰে কিছুমান পৰীক্ষামূলক শিক্ষাদান কৰি আছোঁ; যিবোৰৰ দ্বাৰা এটা কথা প্ৰমাণ কৰিবলৈ যত্ন কৰিছোঁ যে আমাৰ পৰম্পৰাগত শিক্ষাতো দুই-চাৰি সালসলনি কৰি কিছু কামৰ উপযোগী কৰিব পাৰি। অন্ততঃ জীৱনৰ প্ৰতি নিৰুদ্বেগ আৰু নিৰুৎসাহী নকৰাকৈ। তাৰমানে, আমি এনে এক প্ৰস্তাৱ আগবঢ়াইছোঁ— যি শিক্ষাত পৰম্পৰাগত কৌশলবোৰৰ লগতে সেইবোৰ কৌশল শিকোৱাৰো ব্যৱস্থা কৰা হওক; যিবোৰ ভাল, সুখী, ইতিবাচক জীৱন এটাৰ বাবে দৰকাৰী। যি শিক্ষাই অন্ততঃ শিক্ষাৰ নামত মানুহক জীৱনৰ পৰা আঁতৰাই নিনিব। আমাৰ শিবিৰবিলাকত আচলতে আমি এনেকুৱা কিছুমান কৌশলৰে অনুশীলন কৰোৱাওঁ যিবোৰে ছাত্ৰ-ছাত্ৰীসকলক জীৱনৰ অধিক কাষ চপাই আনিব। কিন্তু তাৰ বাবে যাতে আমি সংখ্যাজ্ঞান, ভাষাজ্ঞান আদিৰ দৰে পৰম্পৰাগত কৌশলবোৰৰ লগতো কম্প্ৰমাইজ কৰিব লগা নহয়। লগতে এই কথাও আমি নিশ্চিত কৰা উচিত যাতে ই পৰ্যাপ্তই বিজ্ঞানসন্মত আৰু প্ৰণালীবদ্ধও হয়। আমাৰ বাবে সুখৰ কথা যে জীৱনৰ বাবে দৰকাৰী এই ইতিবাচক বৈশিষ্ট্যবিলাক ভাষাজ্ঞান, সংখ্যাজ্ঞান আদিৰ দৰে কৌশলনিৰ্ভৰ আৰু শিকাব শিকিব পৰা যায় বুলি ইতিমধ্যে মনোবিজ্ঞানীসকলে প্ৰমাণ কৰি পেলালে। আমাৰ গৱেষণাতো এইবিলাক শিকাই আমি বাৰে বাৰে একেটা সিদ্ধান্ততেই উপনীত হৈছো যে সঁচাকৈয়ে এই কথাবোৰ প্ৰণালীবদ্ধভাৱে শিকাব-শিকিব পৰা যায় আৰু ইয়াৰ যোগেদি জীৱনলৈ এক প্ৰমাণযোগ্য আৰু পৰিমাপনযোগ্য পৰিৱৰ্তন আনিব পৰা যায়।

**শিবিৰৰ বিষয়ে**

আমি শিবিৰৰ নামটো দি লৈছো— **ইতিবাচক শিক্ষা শিবিৰ**। 'ইতিবাচক শিক্ষা' অভিধাটো আমি ধাৰ কৰিছোঁ ইতিবাচক মনোবিজ্ঞানৰ পিতৃ ছেলিগমেনৰ পৰা। অৱশ্যে তেওঁৰ ইতিবাচক শিক্ষাৰ ধাৰণাটো আমি কিছু বেলেগকৈ, নিজৰ ধৰণে গ্ৰহণ কৰিছোঁ। তদুপৰি আমি কেতিয়াবা এই শিবিৰটোক 'লিভিং স্পেছ' বুলিও কৈছোঁ। এই শিবিৰৰ মুখ্য উদ্দেশ্য থোৰতে তিনিটা। প্ৰথমতে, ই এক গৱেষণা। ওপৰৰ কথাখিনি পঢ়াৰ পাছত আপোনাক হয়তো বুজাই কোৱাৰ দৰকাৰ নাই ই কিহৰ গৱেষণা। হয়, আমি চাব খুজিছোঁ-সঁচাকৈ মানুহৰ জীৱনৰ ইতিবাচক কথাবিলাক, গুণবিলাক কৌশলনিৰ্ভৰ কৰি শিকাব পাৰিনে, যদি পাৰি কোনবিলাক কৌশলেৰে পাৰি আৰু যদি এইবিলাক শিকে তেওঁলোকৰ ব্যক্তিগত আৰু শৈক্ষিক জীৱনত এইবোৰে কেনেদৰে প্ৰভাৱ পেলায়? এই কাম আমি কিদৰে কৰিছোঁ সেই বিষয়ে পিছত অলপ বহলাই পাতিম। দ্বিতীয়তে, ই এক সেৱা। আমি পৰিকল্পনা কৰোঁ বছৰত অন্ততঃ এনেকুৱা দহটা দিন কটাওঁ যিকেইটা দিনত আমি কাৰো পৰা একো আশা নকৰো, কিন্তু সামৰ্থ্য অনুসৰি কিবা এটা দিবলৈ যত্ন কৰিম। এই দিনকেইটাত আমি নিজৰ জেপৰ টকাৰে, কাৰো সহায় নোলোৱাকৈ, আৰ্থিক, শাৰীৰিক সকলো কাম নিজে কৰি আনন্দ লভিবলৈ যত্ন কৰোঁ। ষাঠি, সত্তৰজন মানুহৰ কাৰণে আমি নিজে ৰান্ধো, ছাত্ৰ-ছাত্ৰীসকলক নিজে আব্দাৰ কৰি খুৱাওঁ, নৈমিত্তিক সকলো কাম আনৰ সেৱা নোলোৱাকৈ কৰিবলৈ যত্ন কৰোঁ। মোৰ সতীৰ্থসকলক মই এই কথাও কৈ যাওঁ যে 'ছাত্ৰ-ছাত্ৰীসকলৰ লগত কাম কৰোঁতে আমি স্থানীয় মানুহৰ পৰা আনতো আশা নকৰোৱেই, থেংকয়ুটোও আশা নকৰিম। যদি মই কিবা আশা কৰি এই কাম কৰিছোঁ (আনকি থেংকয়ুটোও) তেতিয়া সি আৰু সেৱা হৈ নাথাকে, সেয়া ব্যৱসায়হে হ'ব। আমি সেৱাহে কৰিম। বৰাবৰি নকৰিম।' মোৰ লগত যোৱা সকলোকে এই মানসিকতা ল'বৰ বাবে মই সাজু কৰোঁ। তৃতীয়তে, ই এক প্ৰশিক্ষণ। পেছাত মই এজন শিক্ষক-প্ৰশিক্ষক। সেয়েহে মোৰ লগত যোৱা ভাবী শিক্ষকসকলক মই বুজাবলৈ যত্ন কৰোঁ শিক্ষকতাৰ গভীৰতা কিমানলৈ যোৱা উচিত,

মই বুজাবলৈ যত্ন কৰোঁ পৰম্পৰাগত কৌশলবোৰৰ লগতে সুস্থ জীৱনৰ কৌশলবোৰ কিদৰে শিকাব পাৰি আৰু সেইবোৰে মানুহৰ জীৱনত কি সাংঘাতিক পৰিৱৰ্তন আনিব পাৰে।

**কি, কেনেকৈ শিকাওঁ**

পূৰ্বতে কৈছোঁৱেই যে আমি এই শিবিৰত সংখ্যাজ্ঞান, ভাষাজ্ঞান আদিৰ দৰে পৰম্পৰাগত কৌশলবোৰৰ লগতে ভাল, সুখী জীৱনৰ কৌশলবোৰো শিকাবলৈ যত্ন কৰা হয়। কিন্তু মাত্ৰ সাত কি আঠ দিনত বহু কৌশল আমি শিকাবৰ বাবে ল'ব নোৱাৰো। সেয়েহে প্ৰতিটো শিবিৰত কোনোবা এটা বিশেষ ইতিবাচক দিশৰ ওপৰতহে গুৰুত্ব দিয়া হয়। এইবাৰ আমি বাছি লৈছিলো সহায়, পৰোপকাৰিতা আৰু কৃতজ্ঞতা। ইয়াৰ আগৰ শিবিৰত আমি কৃতজ্ঞতা আৰু আশাবাদ শিকাবলৈ যত্ন কৰিছিলোঁ। মানুহৰ জীৱনৰ এই ইতিবাচক গুণবোৰ শিকাবৰ বাবে আমি অধ্যয়ন আৰু অভিজ্ঞতাৰ ভিত্তিত কিছুমান অনুশীলন বিকাশ কৰিছোঁ। উদাহৰণস্বৰূপে কৃতজ্ঞতা শিকাবৰ কাৰণে আমি কৃতজ্ঞতাৰ যাত্ৰা, কৃতজ্ঞতাৰ ডায়েৰি, কৃতজ্ঞতাৰ চিঠি আদি অনুশীলনবোৰ কৰোৱাওঁ। এই অনুশীলনবোৰে কিধৰণে কাম দিব পাৰে সেই বিষয়ে আমি আজিৰ লেখাটোত আলোচনা কৰিব নোৱাৰিম। 'নীড়'ৰ পাঠকসকলে মোৰ আগৰ লেখাবিলাকত এই বিষয়ে কিছুপঢ়িবলৈ পাইছেই।

আমাৰ শিবিৰবিলাকত আমি ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে একেলগে থাকি লওঁ। ২৪ ঘণ্টা সময়েই আমি তেওঁলোকক আমাৰ পৰ্যবেক্ষণত ৰাখোঁ আৰু তেওঁলোকৰ যতন লওঁ। সেই দিনকেইটাত তেওঁলোকৰ যতন লোৱাটোকেই আমাৰ একমাত্ৰ আৰু শেষ কথা হিচাপে গণ্য কৰোঁ। আমাৰ কাম আৰম্ভ হয় পুৱা ছয় বজাৰ পৰাই। ছয় বজাৰ আগত আটায়ে প্ৰাতঃকৃত্য কৰি গা-পা ধুই আজৰি হৈ আহে। পুৱা ৬ বজাত কিছু শাৰীৰিক অনুশীলন। তাৰ পাছতেই আৰম্ভ হয় এই ইতিবাচক অনুশীলনবোৰ। পুৱা ৯ বজালৈ এই অনুশীলনবোৰ চলে। ৯ বজাৰ পাছত চাহ-বিস্কুট খাই আমাৰ পাঠ্যপুথিৰ লগত জড়িত বিষয়বোৰৰ আলোচনা হয়। কিন্তু তাকে আমি কৰিবলৈ যত্ন কৰোঁ শ্ৰেণীকোঠাৰ সেই একঘেয় পৰিৱেশৰ পৰা আঁতৰায়। সেই ৰুটিন, সেই বাধ্যবাধকতা, সেই আঁকোৰগোজ, সেই হেঁচা, সেই ব্যৱধান আটাইবোৰ আমি পাৰ্যমানে আতঁৰাই পাঠদানবোৰ আনন্দময়, মুকলিমুৰা কৰিব বিচাৰোঁ। পিছবেলা কিছুমান আমোদজনক কিন্তু বিভিন্ন কৌশল বিকাশ কৰিব পৰা খেল খেলাওঁ। সন্ধ্যা ঠিক বেলি পৰোঁ পৰোঁ সময়ৰ পৰা কোনো গছৰ তলত মোৰ ব্যাখ্যামূলক, ডায়লগিক, কাহিনীপ্ৰধান এটা আলোচনা হয়। তাৰ মাজতে বাঁহী, কবিতা, গানৰ কামো চলে। ৭ বজাৰ পৰা খোৱা সময়লৈ প্ৰদীপ, যাদৰহঁতৰ নাটক, গান, নাচ আদিৰ কাম চলে। ৯ বজাত ভাত খাওঁ। খাই বৈ দিনটো হৈ যোৱা কামৰ, ভাল লগা, বেয়া লগাবোৰৰ পৰ্যালোচনা চলে। ল'ৰা-ছোৱালীবিলাকক বিছনালৈ পঠিয়াই তাৰ পাছত আমাৰ এটা আলোচনা। আমাৰ কথাৰ আদান-প্ৰদান, বিভিন্ন কাম, অধ্যয়ন, পৰ্যবেক্ষণ আদিত তেওঁলোকৰ কি সবলতা-দুৰ্বলতা, গুণ, সমস্যা ধৰা পৰিছে সেইবোৰৰ বিতং আলোচনা। তাৰ ভিত্তিত পিছদিনাৰ বাবে কৰ্ম আঁচনি প্ৰস্তুত কৰা হয়। বহলকৈ কথাখিনি এনেকুৱাই যদিও ইয়াৰ প্ৰতিটো কাম আমি উদ্দেশ্যপ্ৰণোদিত ভাৱে কৰোঁ। উদাহৰণস্বৰূপে খোৱাৰ কথাটোকেই ধৰা যাওক। খোৱা-বোৱা কৰা কামটো আমাৰ এক ডাঙৰ শৈক্ষিক কাৰ্যসূচী। আমি যিবোৰ ইতিবাচক গুণ শিকাব বিচাৰোঁ তাৰ লগত খোৱা-বোৱা কাৰ্যবোৰ জড়িত কৰি দিয়া হয়। অৰ্থাৎ আন কামবোৰৰ দৰে খোৱা-বোৱা কাৰ্যসূচীবোৰৰ মাজেৰেও আমি সেই গুণবোৰ অনুশীলন কৰিবলৈ সুবিধা কৰি দিওঁ। ৰন্ধা-বঢ়া সকলো কাম আমি নিজে কৰোঁ। নিজ হাতেৰে বাঢ়ি তেওঁলোকক খুৱাওঁ। খুওৱাৰ মাজেৰে আমাৰ মৰম, আব্দাৰ প্ৰকাশ কৰাৰ সুবিধা লওঁ। মই এটা কথা বুজি পাইছোঁ যে মানুহৰ জীৱনত প্ৰায়বোৰ গুণ আৰম্ভ হয় খোৱা পাতৰ পৰা। সৰুতে সেই নিজৰ পাতৰ খোৱা বস্তু অকণ ভাগ কৰা, আনক দিয়া, একেলগে খোৱা আদি অভ্যাসবোৰৰ পৰাই মৰম, সহায়, পৰোপকাৰিতা আদি গুণবোৰ বিকাশ হয়। ঠিক তেনেদৰে স্বাৰ্থপৰতা, আপোনপেটীয়া, মইবৰ আদি স্বভাৱবোৰো আৰম্ভ হয় খোৱাৰ পৰা। খোৱা পাততেই আমি আনক বুজিব পাৰোঁ, ভাগ-বতৰা শিকিব পাৰোঁ, ৰন্ধা-বঢ়া কৰাসকলৰ সহায়, বদান্যতা আদি অনুভৱ কৰি ধন্যবাদ জনাব পাৰোঁ, ৰন্ধা-বঢ়াৰ গুণ কৈ প্ৰশংসা কৰিব পাৰোঁ ইত্যাদি। আমাৰ আয়োজনবিলাকো এইবিলাক অনুশীলন কৰিবলৈ সুবিধা হোৱা ধৰণৰ কৰোঁ। কোনো অভিভাৱককে আমি নিজৰ ল'ৰা-ছোৱালীৰ বাবে বিশেষভাৱে খোৱা বস্তু আনিবলৈ অনুমতি নিদিওঁ। আনিলেও অকণমান হ'লেও যাতে ৪০ টা ল'ৰা-ছোৱালীয়ে ভগাই খাব পৰা হয় তেনেকৈ আনিবলৈ কওঁ। আমি অভাৱত থাকোঁ। আমাৰ খাদ্য কম হয়। বহা ঠাই কম হয় (যিটো আমি আয়োজন কৰোঁ)। যাৰ ফলত আমি আৰু তেওঁলোকেও কম বস্তুকে ভগাই খোৱাৰ, কম ঠাইতে মিলাই বহাৰ বা শোৱাৰ সুযোগ ল'ব পাৰোঁ। ঠিক সেইদৰে আমি নাটক, বক্তৃতা, কবিতা, গান, নাচ, কুইজ, খেল আদি সকলো পৰম্পৰাগত কামক আমাৰ উদ্দেশ্যৰ লগত জড়িত কৰি অধিক প্ৰণালীবদ্ধভাৱে কৰিবলৈ যত্ন কৰোঁ।

**ফলাফল কিদৰে পৰিমাপন কৰোঁ**

আপোনাৰ প্ৰশ্ন হ'ব পাৰে এইধৰণৰ কাৰ্যসূচীৰ ফলাফল সম্পৰ্কত আমি কিমান দূৰ নিশ্চিত? উত্তৰ হ'ল— এই কাৰ্যৰ ফলাফল আমি পুৰাপুৰি বিজ্ঞানসন্মতভাৱে পৰিমাপন কৰি নিশ্চিত হওঁ। আমি সাধাৰণতে তিনিধৰণেৰে তেওঁলোকৰ ওপৰত এই অনুশীলন আৰু কামবোৰৰ প্ৰভাৱ অধ্যয়ন কৰোঁ। প্ৰথমতে, বিজ্ঞানসন্মত টেষ্ট বা অভীক্ষাৰ দ্বাৰা। আমি এই গুণবিলাক বিকাশ কৰিবলৈ কৌশল ঠিক কৰি লোৱাৰ লগতে সেইবোৰ জোখ ল'বৰ বাবেও কিছুমান বিজ্ঞানসন্মত অভীক্ষা বিচাৰি উলিয়াইছো আৰু প্ৰয়োগ কৰিছোঁ। প্ৰথমদিনাই, আমাৰ কাম আৰম্ভ হোৱাৰ আগতেই আমি তেওঁলোকক এবাৰ পৰীক্ষা কৰোঁ। তাৰপাছত আমাৰ কৌশলবিলাক অনুশীলন কৰোৱাওঁ। শেষৰ দিনা আকৌ এবাৰ একেটা পৰীক্ষাকে পাতি সেই

নিৰ্দিষ্ট গুণটো কিমান বিকাশ হ'ল গাণিতিকভাৱে পৰিমাপন কৰি উলিয়াওঁ। দ্বিতীয়তে, আমি তেওঁলোকক ২৪ ঘণ্টাই আমাৰ পৰ্যবেক্ষণত ৰাখোঁ সেয়া কেতিয়াবা তেওঁলোকৰ লগত কামত অংশ লৈ কৰোঁ বা কেতিয়াবা তেওঁলোকে নজনাকৈ দূৰৰ পৰা কৰোঁ। তেওঁলোক অহাৰ দিনাৰ পৰা শেষদিনালৈকে আচৰণৰ কি সালসলনি হৈছে আমি তথ্য ৰাখোঁ। তাৰ বাবে আমি আমাৰ মাজতে দুজন-তিনিজনকৈ ছাত্ৰ-ছাত্ৰীসকলক ভাগ কৰি লওঁ। তৃতীয়তে, প্ৰয়োজন অনুসৰি কোনো কোনো ছাত্ৰ-ছাত্ৰীক আমি মটো হেৰ কৰোঁ। তেওঁৰ আৱেগিক, মানসিক জীৱনৰ বেছি ভিতৰলৈ সোমাই গৈ কাৰণবোৰ নিৰ্ণয় কৰি তাৰ বাবে দৰকাৰী অনুশীলন কৰোৱাবলৈ যত্ন কৰোঁ। এই তিনিওধৰণৰ জোখ-মাখৰ পৰা আমি এটা কথা আৱিষ্কাৰ কৰিছোঁ যে এই ইতিবাচক কৌশলবোৰৰ প্ৰভাৱ সঠিকভাৱে, পৰিমাপনযোগ্যভাৱে ইতিবাচক। আন কথাত এইবোৰৰ যোগেদি তেওঁলোকৰ আচৰণ আমি চকুত লগাকৈ সলাই পেলাব পাৰোঁ। আমাৰ সকলো শিবিৰতে এই কথা বাৰে বাৰে পতিয়নযোগ্যভাৱে প্ৰমাণিত হৈছে।

**এইবছৰৰ কথা**

কোনো একোখন ঠাইৰ ল'ৰা-ছোৱালীৰ লগত এশ শতাংশ জড়িত হৈ ৯-১০ দিন একেলগে কটালে সেই অঞ্চল, সেই মানুহবোৰৰ কথা কিমান জানিব পাৰি সেই কথা মই পাঠকক কোৱাৰ দৰকাৰ নাই। এইদৰে ভিতৰুৱা বিভিন্ন অঞ্চলত থাকি আমি নিজৰ ঠাইখন, নিজৰ ৰাজ্যখনৰে বহু কথা নতুনকৈ শিকা যেন লাগে। তেনে দুই-চাৰি কথা চমুকৈ হ'লেও নাপাতিলে মোৰ নিজৰে মনটো ভাল লাগি নাথাকিব। এইবছৰ আমি শিবিৰৰ বাবে বাছি লৈছিলোঁ— মাজুলীৰ ভকত চাপৰি, শিৱসাগৰৰ চ'ৰগুৱা আৰু উজনি শদিয়া। প্ৰথমে মাজুলীৰ পৰা আৰম্ভ কৰোঁ।

**ভকত চাপৰি**

৩১ ডিচেম্বৰ, ২০১৫ ৰ পৰা ৮ জানুৱাৰী, ২০১৬ লৈকে আমি মাজুলীৰ ভকত চাপৰিত আছিলোঁ। ৰঞ্জনে যোগাযোগ কৰিছিল আৰু কৈছিল এই ঠাইখিনি আমাৰ কামৰ বাবে উপযুক্ত হ'ব। ২০ খন গাঁৱৰ এটা বৃহৎ চাপৰি। ৩০০ টাতকৈও বেছি পৰিয়াল। সেই গোটেই ঠাইখিনি সামৰি মুঠ ৩৩ টা ল'ৰা-ছোৱালী আমাৰ লগত আছিল। অঞ্চলটোৰ শৈক্ষিক অৱস্থাৰ কথা ক'বলৈ মাত্ৰ এটা কথা ক'লেই যথেষ্ট হ'ব যে সেই বৃহৎ চাপৰিটোত এখন মাত্ৰ হাইস্কুল, তাকো অপ্ৰাদেশীকৃত, তাকো বিজ্ঞান-গণিত শিক্ষক অবিহনে। বিদ্যালয় এখনত থাকিব লগা ন্যূনতম সুবিধাখিনিও য'ত নাই। আমি সেইকেইদিন থাকিবৰ বাবে মাটি খান্দি এটা পায়খানা, কলৰ ঠুৰৰ এটা গা-ধোৱা ঘৰ সাজি লৈছিলোঁ। বাঁহৰ জলঙা বেৰ আছিল যদিও য'ৰ-ত'ৰ বাঁহৰ চছালিৰে দৰ্জা সাজি লৈছিলোঁ। বাৰিষা বানপানীয়ে ধুৱাই থাকে বাবে ধান খেতি নাই। খৰালিৰ মাহ, সৰিয়হ, কুঁহিয়াৰ খেতিত সৰহভাগ মানুহ ব্যস্ত। আমি কিনো কৰিছোঁ চাবলৈয়ো মানুহে ৰাতিহে আজৰি পায়। ল'ৰা-ছোৱালীৰ পঢ়া-শুনা বোলা কথাটোত দুই-এক অভিভাৱকৰ বাদে বাকীসকল তেনেই উদ্যমহীন। এই উদ্যমহীনতা, প্ৰাকৃতিক দুৰ্যোগৰ লগত অবিৰাম যুদ্ধ, লগতে এখন মুমূৰ্ষু ভেঞ্চাৰ স্কুলৰ (যেন অন্তিম) প্ৰচেষ্টাৰ মাজত সেইসকল ল'ৰা-ছোৱালীয়ে কি ফলাফল দেখুৱাব নক'লেও সকলোৱে বুজিব। তাৰ মাজতে দুই-এজন সক্ষম অভিভাৱকে আঁতৰৰ স্কুললৈ পঠিয়াই শিক্ষা দিবলৈ যত্ন কৰিছে। অন্ততঃ অকণমান আগৰণুৱা দুই এজন ছাত্ৰ-ছাত্ৰীৰ আঁতৰৰ আন স্কুললৈ যোৱাত ভকত চাপৰিৰ সেই স্কুলখন আকৌ স্থায়িত্বৰ এক গভীৰ সংকটত ভুগিব লগা হৈছে। সেই বিদ্যালয়খনৰ প্ৰধান শিক্ষক কোযেশ্বৰ চেকনীধৰা আৰু তেওঁৰ পৰিয়ালটোৱে স্কুলৰ পৰা আঁতৰি যাব খোজা ভাল ল'ৰা-ছোৱালীকেইটা ৰাখি স্কুলখন জীয়াই ৰাখিবলৈ কৰা সেই সংগ্ৰাম মাত্ৰ এসপ্তাহতে মই জল্‌জল্-পট্‌পট্‌কৈ দেখিছিলোঁ। প্ৰধান শিক্ষক চাৰৰ বাইদেৱে মই এদিন যাওঁতে মোক কৈছিল— 'ছাৰ আপুনি ক'বচোন এই ল'ৰা-ছোৱালীকেইটাক, আমাৰ স্কুলখন এৰি নাযাবলৈ। আপুনি ক'লে শুনিব। এনেকৈ গুচি গ'লে আমাৰ মনবোৰ ভাগি যায়। আমাৰ তেখেতে মনত বহুত দুখ পায়। বহুত কষ্টেৰে স্কুলখন জীয়াই ৰাখিছে ছাৰ। মোৰ ছোৱালীজনীয়ে কৈছে আপুনি হেনো আত্মজাহ দিব খোজা মানুহকো জীৱনলৈ ঘূৰাই আনিছে। আপুনি এই ল'ৰা-ছোৱালীকেইটা আমাৰ স্কুললৈ' ঘূৰাই আনিব পাৰিব ছাৰ।' কথাষাৰ কওঁতে তেওঁৰ চকু দুটা মই পানীৰে উপচি পৰা দেখিছিলোঁ। কথাবোৰ থোকাথুকি হৈ পৰিছিল। এক ভয়ংকৰ অসহায়তা আৰু দ্বন্দ্বত মই দগ্ধ হৈছিলোঁ। সিদ্ধান্ত ল'ব পৰা নাছিলোঁ। সেই সামৰ্থ্যবান ছাত্ৰ-ছাত্ৰীকেইজনক মই ভৱিষ্যতৰ স্বাৰ্থত কোনো ভাল স্কুললৈ যাবলৈ প্ৰেৰণা দিম নে স্কুলখন জীয়াই ৰখাৰ স্বাৰ্থত শিক্ষক অবিহনেই সেই স্কুলত থাকিবলৈ অনুৰোধ কৰিম? অসহায় হৈ মই তেওঁৰ কাষৰ পৰা পলায়ন কৰিছিলোঁ। কিন্তু স্কুলখনৰ প্ৰতি তেওঁ আৰু তেওঁৰ ছোৱালী কাকলিৰ দায়বদ্ধতা দেখি শ্ৰদ্ধা উপজিছিল।

সেই অনগ্ৰসৰতাৰ মাজতেই কিন্তু অলক্ষিতে মাণিক সোমাই থাকে। কৃষ্ণ তেনে এক মাণিক। খবৰ পালো আমাৰ শিবিৰতে থকা কৃষ্ণই বোলে মাজে মাজে কিবা কিবি বনায়। কৃষ্ণক ক'লো— 'ঐ বৈ তহঁতৰ ঘৰলৈ যাওঁ।' মই, প্ৰদীপ, কস্তুৰী আৰু ছাকিবা খোজকাঢ়ি ওলালো কৃষ্ণৰ ঘৰলৈ। সি বস্তুবোৰ এফালৰ পৰা দেখুৱাই গ'ল। পুৰণা মডেলৰ ডেক এটা পুৰণা মটৰ চাইকেলৰ বেটেৰী এটা ব্যৱহাৰ কৰি ম'বাইলৰ পৰা গান বজাব পৰা কৰি লৈছে। মন গ'লেই সি গান শুনে। পাতল টিন কাটি সৌৰশক্তিৰে চলাব পৰা সৰু দুখন ফেন বনাই লৈছে। গৰম দিনত স্কুলৰ পৰা আহি সেই ফেনকেইখন চলাই সি পৰি দিয়ে। মাকক তাঁতৰ মহুৰা বাতিবৰ বাবে এটা বৈদ্যুতিক যঁতৰ সাজি দিছে, যিটো সৌৰশক্তিৰে চলে। ব্লেড ব্যৱহাৰ কৰি চুলি কাটিব পৰাকৈ এটা সৰু বৈদ্যুতিক চুলি কটা যন্ত্ৰ সাজি ওচৰৰ সৰু ল'ৰা মাতি আনি সি চুলি কটা পৰীক্ষা-নিৰীক্ষাও সমাপ্ত কৰিলে। সেয়াই কৃষ্ণ। কিন্তু এই বস্তুবোৰৰ কথা কাকো ক'বও নোৱাৰে সি। কোনেনো বুজিব? বৰঞ্চ সকলোৱে তাক হাঁহেহে— এইটোৱে কি

বনাইছে বুলি। সি শিক্ষককো কোৱা নাই। আমাকো সি ক'লে— 'আমাৰ ছাৰসকলক কিন্তু নক'ব দেই। মই এনেই পঢ়াত বেয়া, তাতে পঢ়া-শুনা নকৰি এইবোৰ কি কৰি ফুৰ বুলি ছাৰসকলে গালি পাৰিব।' কৃষ্ণৰ বস্তুখিনি আমি শিবিৰলৈ লৈ আনিলোঁ। ৰাস্তাত ডাঙৰকৈ ডেকটো বজাই আনিলোঁ। শিবিৰতো গান শুনিবলৈ মন গ'লে কৃষ্ণৰ ডেকটোৰেই বাজে। কস্তুৰীয়ে বিদ্যুতৰ বিষয়ে পঢ়ুৱাবলৈ কৃষ্ণৰ বস্তুবোৰকে ব্যৱহাৰ কৰি তাৰে প্ৰসংগ ল'লে। তাক আজিলৈকে সঠিক পথ এটাত থিয় কৰাই দিব পৰা নাই। এই অক্ষমতাৰ অপৰাধবোধে এতিয়াও মোক দহি আছে। ভকত চাপৰিৰ এনে বহু কথা আছিল। কোযেশ্বৰ ছাৰৰ কথা, সত্যজিত নামৰ সেই দহ বছৰীয়া ল'ৰাটিৰ কথা, বন্দনা, প্ৰতিভাহঁতৰ কোমল মাতবোৰৰ কথা, নিজুৰ গানবোৰৰ, সিহঁতৰ কৰ্মোদ্যমৰ কথা, আমি গুচি আহিম বুলি দুদিন আগৰ পৰা গাত ধৰি কন্দাৰ কথা, সিন্ধুৰাম শইকীয়াৰ খেতিৰ কথা, শাক-পাচলি বিচাৰি ৰঞ্জনৰ লগত ভকত চাপৰি চলাথ কৰাৰ কথা ইত্যাদি। কিন্তু কষ্ট কৰি লোভ সামৰিছোঁ। ৮ তাৰিখে পুৱা ৬.৩০ বজাতে আমি সিহঁতৰ পৰা বিদায় লৈ আহিলোঁ।

**চ'ৰগুৱাৰ শিবিৰ**

৮ জানুৱাৰীত পুৱা মাজুলী এৰি আমি শিবিৰ পাতিলোঁহি শিৱসাগৰৰ চ'ৰগুৱাত। ভিন্ন মানুহ, এক ভিন্ন পৰিৱেশ। ভকত চাপৰিৰ বাচ্ছাবিলাকৰ চেহেৰাবোৰ চকুৰ পৰা আঁতৰি যোৱাই নাই, মৰম লগা মাতবোৰ কাণত বাজিয়েই আছে। তাৰ মাজতেই পালোঁহি ইহঁতক— লিপি, হেপী, মমী, ধ্ৰুৱ, ধনঞ্জয়, বিপ্লৱহঁতক। চ'ৰগুৱাত আমি বেছি দিন দিব নোৱাৰিলো। আমাৰ মানৱ সম্পদো আছিল তাকৰ। একেখিনি মানুহে বেছি কাম কৰিব লগা হৈছিল। তাৰ মাজেৰেই যেন আমি সফল হৈছিলোঁ। ১৪ তাৰিখে শিবিৰ এৰিবৰ দিনা লিপিয়ে মোলৈ লিখিছিল— 'ছাৰ মানুহৰ জীৱন যে এনেদৰে সলনি হ'ব পাৰে কল্পনাই কৰা নাছিলোঁ। এটা নতুন জীৱন মোক উপহাৰ দিয়াৰ বাবে ধন্যবাদ।' এই শিবিৰটোত আমি মূলতঃ কৃতজ্ঞতাৰ কামেই কৰিছিলোঁ। এই কৃতজ্ঞতাৰ অনুশীলনে তেওঁলোকৰ স্বভাৱ, আচৰণত পৰিৱৰ্তন ঘটোৱা আমি দেখিছিলোঁ। সেই সামৰণিৰ সন্ধ্যাটোত কেইবাটাও ল'ৰা-ছোৱালীয়ে কান্দি কান্দি মাক বাপেকক কৈছিল— 'মই ভাল হ'ম। মই বেলেগ হ'ম।' মাক-দেউতাকৰ আশীৰ্বাদবোৰ, বদান্যতাবোৰ সিহঁতে বুজি উঠিছিল আৰু সেইটো উপলব্ধি কৰি মই মাক-দেউতাকক কৈছিলো— 'ছয়টা দিন আপোনালোকৰ ল'ৰা-ছোৱালীকেইটা আপোনালোকৰপৰা আঁতৰত ৰাখি আজি মই আপোনালোকৰে বেছি ওচৰ চপাই দিছোঁ।'

**শদিয়াৰ শিবিৰ**

১৯ জানুৱাৰীৰ পৰা ২৮ জানুৱাৰীলৈ শদিয়াত শিবিৰ। এক অনন্য অভিজ্ঞতা। নিজৰ দেশখনকে আকৌ নতুনকৈ দেখিলোঁ। আমি কৰা শিবিৰবিলাকৰ ভিতৰত আটাইতকৈ বেছি ভিন্ন অভিজ্ঞতা। ক'ৰ পৰা আৰম্ভ কৰিম? কোনখিনি ক'ম? মই আগতেই কৈছোঁ যে আমি যিমানেই ভাৰ্চুৱেল ৱৰ্ল্ড, ডিজিটেল ইণ্ডিয়াৰ কথা নকওঁ, আমি ভাৰতৰ বহু মানুহ এতিয়াও জীৱনৰ আটাইতকৈ প্ৰাথমিক সমস্যাতেই ভাৰাক্ৰান্ত। আমি থকা ঠাইডোখৰৰ, আমাৰ বাচ্ছাখিনিয়ে পাই থকা পৰিৱেশৰ পৰাই আৰম্ভ কৰোঁ।

আমাৰ লগত যি ৩৯ টি ল'ৰা-ছোৱালী আছিল সিহঁতৰ বেছিভাগৰে পৰিয়ালবিলাক আছিল ভগ্নপ্ৰায়, অকাৰ্যক্ষম। তেনে পৰিয়ালৰ পঢ়াৰ পৰিৱেশ কিধৰণৰ হয় মই জানো কাৰোবাক বুজাই ক'ব লাগে। আপুনি বাৰু জানেনে যে কানি এতিয়াও, আজিৰ দিনতো আমাৰ অসমৰ এটা ডাঙৰ সমস্যা? মই নাজানিছিলোঁ, নাভাবিছিলোঁ। কিন্তু সিহঁতৰ জীৱনবোৰলে সোমাই আৱিষ্কাৰ কৰিছিলোঁ কিদৰে কানি নামৰ বৰবিহবিধে সিহঁতৰ পৰিয়াল, সিহঁতৰ জীৱন অন্ধকাৰ কৰি পেলাইছে। মদৰ কথা নক'লোৱেইবা। আমি পোৱা কেইবাটিও বাচ্ছাৰ পৰিয়াল দুখলগাকৈ দৰিদ্ৰ আৰু ভগ্ন কেৱল দেউতাকহঁতৰ কানিৰ নিচাৰ বাবে। মোক আহি সিহঁতে যেতিয়া সোধে— 'ছাৰ, কানি কেনেকৈ বন্ধ কৰিব পৰা যাব?' মই বাৰু কি ক'ম? এদিন মোক এগৰাকী ছোৱালীয়ে (নামটো নকওঁ) ক'লে— 'ছাৰ, আজি সকলো শুৱাৰ পাছত মই আপোনাৰ লগত অকলে কথা পাতিম।' মই সন্মতি দিলো। মই তাইৰ ওচৰত বহাত তাই মোৰ হাত দুখন টানকৈ ধৰি ল'লে। চকুকেইটা পানীৰে ভৰি পৰিল। তাই ক'লে— 'ছাৰ, মোৰ দেউতাক কানি এৰুৱাই দিব পাৰিব নেকি? নহ'লে মই জীয়াই থাকিবলৈ বৰ কষ্ট পাইছোঁ। আপুনি পাৰিব ছাৰ। আপুনি পাৰিব।' এক অসম্ভৱ অসহায়হীনতাত মই চিৎকাৰ কৰি উঠিছিলোঁ। সেই ছোৱালীজনী(নামটো নকওঁ) যাৰ মাকক দেউতাকে মদ খাই প্ৰায়ে ঘৰৰ পৰা বাহিৰ কৰি দিয়ে। তাইৰ পৰীক্ষাৰ সময়ত মাক নাই। ক'ত আছে তাই নাজানে। তাই মোক ক'লে— 'ছাৰ মই পৰীক্ষাত ফেইল কৰিলোঁ। ছাৰ, আপুনিয়েই কওকচোন মই কেনেকৈ পাছ কৰিম!' তাই মোক ক'লে— 'ছাৰ, আপুনি মোৰ দেউতাক এবাৰ লগ কৰি ক'বচোন, বুজাবচোন।' কিন্তু সেয়া জানো বুজাই সমাধান কৰিব পৰা সমস্যা? মই জানো পাৰিম? সেই নটা দিনত আচলতে এটা মুহূৰ্তৰ বাবেও মই ক'লৈকো ওলাই যোৱা নাই। যাবলৈ সময়ো পোৱা নাই। অথচ কেৱল তাইক সকাহ দিবলৈকে সিদ্ধাৰ্থক লগত লৈ মনে মনে সিহঁতৰ ঘৰ বিচাৰি গুছি গৈছিলোঁ। ঘৰত মাকক পাইছিলোঁ। গাঁৱত দেউতাকক বিচাৰিছিলোঁ। নাপালো। ক'ত বা থাকিল। ঘৰত কৈ থৈ আহিলোঁ। তেওঁক ক'বচোন মই লগ পাব খুজিছোঁ। নাহিল। বিচাৰিও নাপালোঁ। নাহো বুলিয়েই নাহিল চাগে'। শেষদিনালৈকে তেওঁক লগ কৰিব নোৱাৰিলোঁ। ছোৱালীজনীৰ ওচৰলে গ'লে মই অপৰাধবোধত মৰি যোৱা যেন পাওঁ।

কেইবাটাও বাচ্ছা নাইন-টেনত দুই-তিনিবছৰ ফেইল কৰি আছে। উদ্যম হেৰুৱাই পেলাইছে। আমাৰ সমস্যা, কেনেকৈ সিহঁতক স্কুলত ৰাখিব পাৰোঁ। পাছ কৰোৱাব পাৰোঁ। নোমলে আহি গাত ধৰি যেতিয়া কয়— 'ছাৰ, চিন্তা নকৰিব। এইবাৰ পাছ কৰিম নহয়।' আৰু বাকীবিলাকে কয়— 'হয় ছাৰ।' আনন্দত কান্দি দিবৰ মন যায়। ইমানবিলাক সমস্যাৰ মাজতো সিহঁতে সপোন দেখে। উদ্দীপে আহি

কয়— 'ছাৰ মই গণিতজ্ঞ হ'ব খোজো। আপুনি মোক সহায় কৰিবনে?' সিহঁতৰ প্ৰত্যেকটো সমস্যাৰ কথা মই পাতিছিলোঁ, মন দি শুনিছিলোঁ। আটাইবোৰতো ক'ব নোৱাৰো। আৰু আপুনিওনো শুনিবই বা কিয়? ভাল লাগে সিহঁতক আমি মৰম কৰিব পাৰিছিলোঁ চাগে'। শেষৰদিনা অনুষ্ঠানত যেতিয়া সকলো অভিভাৱক, শিক্ষক-শিক্ষয়িত্ৰীৰ সন্মুখত সিহঁতে কয়— 'মা-দেউতা তহঁতক ক'ব নোৱৰা বহু কথা ছাৰক কৈছোঁ, ক'ব পাৰিছোঁ। মনটো মুকলি লাগিছে, ভাল লাগিছে।' আত্মবিশ্বাস বাঢ়ি যায়। থাকক— সেই কাংকুৰ কথা, শিখাৰ কথা, হিলোমনিৰ কথা, জিগান্তিৰ কথা, বিকুৰ কথা, নোমলৰ কথা, নিকি, নিপাহতঁৰ কথা, ৩৯ টা ল'ৰা--ছোৱালীৰ কথা। প্ৰত্যেকৰে বেলেগ বেলেগ। লিখিলে উপন্যাস হ'ব। দুৰ্ভগীয়! ঔপন্যাসিক, লেখকো নহ'লো নহয়। সিহঁতক সেই সমস্যাৰ মাজত আকৌ এৰি থৈ আহিবলৈ আমি মৰাৰ সমান তাপ পাইছিলোঁ। মই মাক-দেউতাকবিলাকক হাত জোৰ কৰি কৈছিলোঁ— 'এই ৯ টা দিন আপোনালোকৰ পৰা আনি সিহঁতক আমাৰ ল'ৰা-ছোৱালী কৰি ৰাখিছিলোঁ। আজি আকৌ আপোনালোকক দি যাবলৈ লৈছোঁ। আমাৰ ল'ৰা-ছোৱালীকেইটাক এখন ভাল ঘৰ দিয়ক। প্লিজ।' মই ক'ব নোৱৰাকৈ কৈ পাইছিলোঁ— 'এই মোৰ ল'ৰা-ছোৱালীকেইটা আপোনালোকৰ হাতত থৈ যাবলৈ মোৰ ভয় লাগিছে।' এই কথাখিনি কওঁতে মই কান্দোন ৰাখিব নোৱাৰিছিলোঁ। কোনো কেম্পতে মোৰ এনেকৈ কন্দা মনত নপৰে।


**সামৰণি**

কোনো শৈক্ষিক সমস্যা পোনমূৰে শৈক্ষিক নহয়। তাৰ লগত জড়িত থাকে ঘৰৰ পৰিৱেশ, উদ্যম, সামাজিক পৰিৱেশ, আৱেগিক, মানসিক অৱস্থা ইত্যাদি। শৈক্ষিক সমস্যা সমাধানৰ বাবে আপুনি এইবোৰ কথাতো সোমাবই লাগিব। অন্যথা সেই সমস্যা তেনেকৈয়ে থাকিব। আমি গণিতত দুৰ্বল ছাত্ৰ বা ছাত্ৰী এজনক গণিতত ভাল কৰিবলৈ ওপৰা-উপৰিকৈ গণিত পঢ়ুওৱাত গুৰুত্ব নিদিওঁ। বৰঞ্চ তাৰ আশাবাদ বঢ়াই তোলো, জীৱনক লৈ সপোন দেখুৱাওঁ, জীৱনৰ প্ৰতি উদ্যম বঢ়াওঁ, মাক-দেউতাকৰ আশীৰ্বাদবোৰ উপলব্ধি কৰোৱাওঁ। আৰু এইবোৰে আওপকীয়াকৈ গণিত কি আৰু বহু শৈক্ষিক সমস্যা সমাধান কৰি পেলায়।

এই কামখিনি আগবঢ়াই নিব পাৰিছোঁ এটা কাৰণেই যে, মোৰ লগত বহু দিশত পাৰ্গত, নিস্বাৰ্থভাৱে, আন্তৰিকতাৰে কাম কৰিব পৰা এটা দল আছে। সেই ছয়-সাতবছৰ আগৰ পৰা পোৱা কিছুমান ছাত্ৰ-ছাত্ৰী মোৰ শিক্ষা-দৰ্শনৰ সমৰ্থনত মোৰ লগত একাত্ম হৈ আছে। তেওঁলোকৰ চাকৰি বা আন ব্যস্ততাৰ মাজতো সময় উলিয়াই, ছুটী লৈ মোক শিবিৰত সংগ দিয়ে। এইবছৰ মোৰ সতীৰ্থসকল আছিল— কৌস্তুভমণি নাথ, প্ৰদীপ বড়া, ৰণদ্বীপ বড়া, বেদান্ত গগৈ, যাদৱ মহন্ত, লেংদন সন্দিকৈ, চন্দনজ্যোতি চুতীয়া, ৰঞ্জন বৰা, ৰাজেন মণ্ডল, বিনয় মুণ্ডা, পংকজ সোণাৰি, বৈদ্য ব্ৰাইট বুঢ়াগোহাঁই, নিলাক্ষী সেনাপতি, চাকিবা আজিজ, নাজনীন বেগম বাইদেউ, কস্তুৰী হাজৰিকা, কল্যাণী কোঁৱৰ, পূৰ্বমঞ্জুৰী বুঢ়াগোহাঁই, মিতালী বৰঠাকুৰ, আকাংক্ষা বৰা, বৰষা মহন আদি। কোযেশ্বৰচেকনীধৰা ছাৰ, চ'ৰগুৱা হাইস্কুলৰ প্ৰধান শিক্ষক, শদিয়াৰ মোৰ ভাতৃপ্ৰতীম সিদ্ধাৰ্থ আদিয়ে আমাৰ লগত অভাৱনীয় কষ্ট কৰিলে। সেই ধাৰ শুজিবৰ আমাৰ সাধ্য নাই। আটাইকেইটা শিবিৰতে পোৱা মোৰ বাচ্ছাবিলাক, যিবিলাকৰ মৰম, আশ্বাস মোৰ জীৱনৰ আটাইতকৈ ডাঙৰ প্ৰাপ্তি; যাৰ বাবে মই জীয়াই থাকি ভাল পাইছোঁ, যাক লৈয়ে আমি সপোন দেখিছোঁ— সিহঁতক ধন্যবাদ দিলে তাকৰ হয়। আজিলৈ ইয়াতে সামৰিছোঁ।

## গ্ৰন্থ সংবাদ

২৮ জানুৱাৰী, ২০১৬ তাৰিখটো চিলাপথাৰ মহাবিদ্যালয়ৰ বাবে এটা শুভ বাৰ্তাবাহক দিন। উক্ত দিনটোতে মহাবিদ্যালয়ত অধ্যয়নৰত অৰ্থনীতি বিজ্ঞান বিভাগৰ ষষ্ঠ যান্মাসিকৰ ছাত্ৰ শ্ৰীমান ৰবিন কুলিয়ে খুব কম সময়তে আটোমটোকাৰিকৈ অভিনন্দনমূলক জীৱনী গ্ৰন্থ 'হাস্নাহানা' প্ৰকাশ কৰি উলিয়ায়। মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহৰ মুকলি ও বঁটা বিতৰণী সভাত গ্ৰন্থখন শুভ উন্মোচন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° লক্ষীনাথ পেগুদেৱে। তেওঁৰ এই জ্ঞানৰ যাত্ৰা দীৰ্ঘায়ু হওক, তাৰ বাবে মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীৰ সম্পাদনা সমিতিয়ে শুভকামনা জনালো।



# অসমীয়া ভাষা সাহিত্যৰ বিকাশত অৰুণোদই আৰু মিছনেৰীসকলৰ অৱদান

দুলুমণি পেগু

**০.০০ প্ৰস্তাৱনা ঃ**

অসমীয়া জাতীয় জীৱনৰ বুৰঞ্জীত ১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধি এটা অতি তাৎপৰ্যপূৰ্ণ ঘটনা। কাৰণ এই সন্ধিৰ পিছতেই অসম ৰাজ্যখন ইংৰাজৰ অধীনলৈ যায়। ইয়াৰ পিছতেই ১৮৩৬ চনত অসমৰ স্কুল আৰু আদালতৰপৰা অসমীয়া ভাষা বহিস্কাৰ হয় আৰু সেই ঠাই দখল কৰে বঙালী ভাষাই। ১৮৩৬ চনৰপৰা ১৮৭৩ চনলৈকে এই সাতত্ৰিশ বছৰ কাল অসমীয়া ভাষাৰ সলনি অসমত বঙালী ভাষাৰ প্ৰচলন আছিল। অৰ্থাৎ অসমীয়া সাহিত্যৰ বাবে এইছোৱা বন্ধ্যা সময়।

কিন্তু অসমীয়া সাহিত্যৰ বাবে ১৮৩৬ চনটো যিদৰে দুৰ্ভাগ্যৰ বছৰ, সেইদৰে আধুনিক অসমীয়া ভাষা সাহিত্যৰ বাবে অন্য দিশৰপৰা এইটো গুৰুত্বপূৰ্ণ বছৰো। কাৰণ ১৮৩৬ চনতে সুদূৰ আমেৰিকাৰপৰা খ্ৰীষ্টান মিছনেৰীসকলে খ্ৰীষ্টধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে অসমত প্ৰৱেশ কৰে। এই ধৰ্ম প্ৰচাৰকসকলে ১৮৪৬ চনত অৰুণোদই নামৰ প্ৰথম অসমীয়া সংবাদ পত্ৰৰ জন্ম দি অসমীয়া সাহিত্যলৈ এক গতিশীলতাৰ আমদানি ঘটালে। তেওঁলোকৰ প্ৰচেষ্টাৰ ফলতেই ১৮৭৩ চনত অসমীয়া ভাষাই অসমৰ স্কুল কাছাৰীত পুনৰ আত্মপ্ৰতিষ্ঠা লাভ কৰে।




**০.০১ অধ্যয়নৰ গুৰুত্ব ঃ**

অসমত অসমীয়া ভাষাৰ ন্যাৰ্য্য আত্ম প্ৰতিষ্ঠাৰ আঁৰত মিছনেৰীসকলৰ অৱদানেই সৰ্বাধিক। তেওঁলোকে সেই সময়ত অসমীয়া ভাষাক পুনৰ প্ৰতিষ্ঠাৰ বাবে কাৰ্যপন্থা হাতত নোলোৱা হ'লে অসমত অসমীয়া ভাষাৰ অস্তিত্ব যে একেবাৰেই লুইতৰ সোঁতত বিলীন হৈ গ'লহেঁতেন সি ধ্ৰুৱপ। এই মিছনেৰীসকলেই ব্যাকৰণ, অভিধান প্ৰণয়নেৰে অসমীয়া ভাষাৰ বৈজ্ঞানিক প্ৰতিষ্ঠাৰ হকেও চেষ্টা কৰিছিল। গতিকে অসমীয়া ভাষা সাহিত্যলৈ অভূতপূৰ্ব অৱদান আগবঢ়োৱা মিছনেৰীসকলৰ বিষয়ে অধ্যয়ন কৰাটো অতি গুৰুত্বপূৰ্ণ।

**০.০২ অধ্যয়নৰ লক্ষ্য আৰু উদ্দেশ্য ঃ**

মিছনেৰীসকলে লুপ্তপ্ৰায় অসমীয়া ভাষা আৰু সাহিত্যত জীপ দি অকাল মৃত্যুৰপৰা ৰক্ষা কৰিলে বুলি ক'লেও ভুল নহ'ব। তেওঁলোকে অসমত বঙলাৰ ঠাইত অসমীয়া ভাষা প্ৰৱৰ্ত্তনৰ হকে ইংৰাজ শাসকৰ লগত বহুতো যুঁজ দিব লগা হৈছিল। ভাষা প্ৰতিষ্ঠাৰ সমান্তৰালকৈ মিছনেৰীসকলে অসমীয়া সাহিত্যত নানা নতুন দিশৰ আমদানি কৰাতো ব্ৰতী হৈছিল। মিছনেৰীসকলে ঘাইকৈ 'অৰুণোদই' আলোচনীখনৰ যোগেদি বিশেষভাৱে বৰঙনি আগবঢ়াইছিল। আধুনিক অসমীয়া সাহিত্যত পৰৱৰ্তী সময়ত সৃষ্টি হোৱা কবিতা, চুটিগল্প, উপন্যাস আদি লিখাসমূহৰ দুৰ্বল ভেটি অৰুণোদইৰ কালৰ খ্ৰীষ্টান আৰু অনা-খ্ৰীষ্টান লেখকসকলৰ হাতত প্ৰতিষ্ঠিত হৈছিল। সেয়েহে অৰুণোদই আৰু মিছনেৰীসকলৰ অৱদানৰ বিষয়ে অধ্যয়ন কৰাটোৱেই আমাৰ লক্ষ্য আৰু উদ্দেশ্য।

**১.০ মূল বিষয়ৰ আলোচনা ঃ**

**১.১ মিছনেৰীসকলৰ অৱদান ঃ**

মিছনেৰীসকলে অসমীয়া ভাষা সাহিত্যলৈ আগবঢ়োৱা অৱদানসমূহ তলত আলোচনা কৰা হ'ল।

**ক) পঢ়াশালী প্ৰতিষ্ঠা ঃ** খ্ৰীষ্টান মিছনেৰীসকলে এটা কথা উপলব্ধি কৰিব পাৰিছিল যে যিকোনো এটা বিষয় উপলব্ধি কৰাবলৈ মাতৃভাষাটোৱেই তাৰ উপযুক্ত মাধ্যম। সেইবাবে খ্ৰীষ্টান মিছনেৰীসকলে অসমীয়া ভাষা শিক্ষাৰ ওপৰত সৰ্বাধিক গুৰুত্ব আৰোপ কৰিছিল। গতিকে তেওঁলোকে অসমৰ বিভিন্ন ঠাইত অসমীয়া ভাষাৰ পঢ়াশালী স্থাপনৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ড° ব্ৰন্সনে ১৮৪৩ চনত নগাঁৱত এখন পঢ়াশালী আৰু এখন অনাথ আশ্ৰম প্ৰতিষ্ঠা কৰিছিল। ইয়াৰ পিছৰপৰাই অসমৰ বিভিন্ন ঠাইত পঢ়াশালী প্ৰতিষ্ঠা হয়। কেৱল শিৱসাগৰতেই ছয়খনকৈ পঢ়াশালী স্থাপন হয়। এনেদৰে বিভিন্ন ঠাইত গঢ়ি উঠা পঢ়াশালীবোৰেই অসমত শিক্ষা প্ৰচাৰৰ এক আন্দোলনৰ সৃষ্টি কৰে। গতিকে আধুনিক অসমীয়া ভাষা সাহিত্যৰ বিকাশত মিছনেৰীসকলৰ প্ৰথম উল্লেখযোগ্য অৱদান হ'ল পঢ়াশালী স্থাপন।

**খ) পাঠ্যপুথি প্ৰণয়ন ঃ** অসমত অসমীয়া ভাষাৰ প্ৰচলনৰ বাবে পঢ়াশালী প্ৰতিষ্ঠা কৰাৰ পিছত তেওঁলোকৰ বাবে আৱশ্যক

হ'ল পাঠ্যপুথিৰ। গতিকে তেওঁলোকেই অসমীয়া ভাষাত পাঠ্যপুথি ৰচনা কৰিব লগা হ'ল। তেওঁলোকৰ সহযোগত প্ৰণয়ন হোৱা পাঠ্যপুথিবোৰ হ'ল— 'বাৰে মতৰা', 'প্ৰথম কিতাপ', 'সাধুকথা', 'প্ৰথম গণনা', 'দ্বিতীয় গণনা', 'পদাৰ্থ বিদ্যা' আদি। অসমীয়া ভাষা প্ৰচলনৰ ক্ষেত্ৰত এইখিনি পাঠ্যপুথিৰ ঐতিহাসিক মূল্য স্বীকাৰ কৰিবলগীয়া।

**গ) ছপাশাল প্ৰতিষ্ঠা ঃ** পঢ়াশালী স্থাপন আৰু পঢ়াশলীয়া পুথি ৰচনাৰ লগে লগে খ্ৰীষ্টান মিছনেৰীসকলে সন্মুখীন হোৱা এটা সমস্যা হ'ল ছপাশালৰ সমস্যা। কাৰণ তেতিয়ালৈকে অসমৰ ছপাশাল প্ৰতিষ্ঠা হোৱা নাছিল। ১৮৩১ চনত অলিভাৰ টি. কউৰে শদিয়াত আৰু পিছত ড° নথোন ব্ৰাউন আৰু কউৰৰ সহযোগত ১৮৩৬ চনত শিৱসাগৰত আন এটা ছপাকল প্ৰতিষ্ঠা হয়। ইয়াৰ ফলস্বৰূপে বিভিন্ন ধৰণৰ পঢ়াশলীয়া পুথি আৰু খ্ৰীষ্ট ধৰ্ম সম্পৰ্কীয় বিভিন্ন পুথি ৰচনা কৰা হয়। ফলস্বৰূপে অসমত এটা শৈক্ষিক পৰিৱেশ গঢ় লৈ উঠে।

**ঘ) অনুবাদ সাহিত্যৰ প্ৰকাশ ঃ** ছপাকল প্ৰতিষ্ঠা হোৱাৰ পাছতেই খ্ৰীষ্টান মিছনেৰীসকলে বিভিন্ন ধৰ্মীয় পুথিৰ অনুবাদ কৰিবলৈ আৰম্ভ কৰে। ড° নাথান ব্ৰাউনে 'নিউ টেষ্টমেণ্ট' খন ১৮৪৮ চনত 'ত্ৰাণকৰ্ত্তা প্ৰভূ যীশু খ্ৰীষ্টৰ নতুন নিয়ম' নাম দি পোন প্ৰথম অসমীয়ালৈ অনুবাদ কৰি প্ৰকাশ কৰে। ইয়াৰ আগতে ১৮১৩ চনত আত্মৰাম শৰ্মাই বাইবেলখন অসমীয়ালৈ অনুবাদ কৰিছিল। ড° ব্ৰাউনে যীশুখ্ৰীষ্টৰ স্তুতি গীত অসমীয়ালৈ অনুবাদ কৰে। আনহাতে এ. কে. গাৰ্ণীয়ে 'অল্ড টেষ্টামেণ্ট'খন অসমীয়ালৈ ভাঙনি কৰে। তদুপৰি এ. কে, গাৰ্ণীয়ে অনুবাদ কৰা এখন গ্ৰন্থ হ'ল 'পুৰণি নিয়ম'। তেখেতৰ অন্যান্য ৰচনাসমূহ হ'ল— 'ৰুথ আৰু জোচেফৰ কাহিনী' (১৮৮১), 'কানি বেহেৰুৱাৰ কথা' (১৮৭৮) আৰু 'কামিনী কান্তৰ চৰিত্ৰ' (১৮৭৭)। আনহাতে শ্ৰীমতী গাৰ্ণীয়েও 'ফুলমনি আৰু কৰুণা' নামৰ এখন গ্ৰন্থ আৰু ডান ৱান য়ানৰ 'যাত্ৰিকৰ যাত্ৰা' প্ৰকাশ হৈ ওলায়।

**ঙ) মৌলিক গ্ৰন্থ ঃ** খ্ৰীষ্টান মিছনেৰীসকলে অসমীয়া সাহিত্যলৈ আগবঢ়োৱা অন্য এটা অৱদান হ'ল বিভিন্ন মৌলিক গ্ৰন্থ আৰু ব্যাকৰণ ৰচনা। এইবিলাকৰ ভিতৰত এলিজা ব্ৰাউনৰ 'সাধুৰ পুথি', 'গণনা পুথি', নিধিলিবাই ফাৰৱেলৰ 'পদাৰ্থ সাৰ' (১৮৫৫) আদিয়েই প্ৰধান। আনহাতে ১৮৪৮ চনত ড° নাথান ব্ৰাউনে 'Grammatical Notices of the Assamese Language' নামৰ এখন ব্যাকৰণ প্ৰকাশ কৰে। তদুপৰি ড° মাইলছ ব্ৰন্সনে ১৮৬৭ চনত শিৱসাগৰ মিছনেৰী প্ৰেছৰপৰা চৈধ্য হাজাৰ (১৪,০০০) শব্দৰ এখন অভিধান প্ৰকাশ কৰে। অসমীয়া সাহিত্যলৈ খ্ৰীষ্টান মিছনেৰীসকলৰ এইয়া এক উল্লেখযোগ্য অৱদান।

**চ) শিশু সাহিত্যৰ ৰচনা ঃ** খ্ৰীষ্টান মিছনেৰীসকলে শিশু মনৰ উপযোগীকৈ বিভিন্ন গ্ৰন্থ ৰচনা কৰিছিল। এইবিলাকৰ ভিতৰত 'আফ্ৰিকাৰ কোঁৱৰ', 'যুদ্ধ নায়ক', 'ধাৰ্মিক ৰথ', 'বেজৰ কাহিনী', 'মাউৰী ছোৱালী', 'সাধুৰ কথা' আদিয়েই প্ৰধান। মিছনেৰীসকলৰ হাতত সৃষ্টি হোৱা এই সাহিত্যসমূহে শিশুসকলৰ মনত সাহিত্যৰ প্ৰতি অনুৰাগৰ জন্ম দিলে।

**ছ) বুৰঞ্জী পুথি ৰচনা ঃ** অসমীয়া মানুহৰ মাজত জাতীয় চেতনাবোধ জগাই তুলিবৰ বাবে খ্ৰীষ্টান মিছনেৰীসকলে অসমৰ পুৰণি বুৰঞ্জী উদ্ধাৰ কৰা কাম হাতত লৈছিল। ড° নাথান ব্ৰাউনে ১৮৪৪ চনত কাশীনাত তামুলী ফুকনৰ 'আসাম বুৰঞ্জী', ১৮৪৫ চনত বকুল কায়স্থৰ 'গণিতৰ পুথি' দুভাগ আৰু ১৮৫০ চনত 'চুতীয়াৰ বুৰঞ্জী' উদ্ধাৰ কৰি প্ৰকাশ কৰে। ১৮৬০ চনৰপৰা ১৮৮০ চনৰ ভিতৰত ড° নাথান ব্ৰাউনে চল্লিছখন পুৰণি পুথি সংগ্ৰহ কৰি প্ৰকাশ কৰে। প্ৰাচীন পুথি উদ্ধাৰ, সংগ্ৰহ আৰু প্ৰকাশে অসমীয়া মানুহৰ মনত জাতীয় চৈতন্য জগাই তোলে আৰু ইয়ে অসমীয়া ভাষা সাহিত্যৰ উন্নতিত অৰিহণা যোগায়।

**জ) অসমীয়া ভাষাৰ আত্ম প্ৰতিষ্ঠা ঃ** খ্ৰীষ্টান মিছনেৰীসকলে অসমীয়া ভাষা সাহিত্যৰ ক্ষেত্ৰত আগবঢ়োৱা অন্যতম অৱদান হ'ল অসমীয়া ভাষা পুনৰ প্ৰতিষ্ঠাত সহায় কৰা। ওপৰত উল্লেখ কৰি অহা হৈছে যে, ১৮৩৬ চনত বঙালী আৰু ইংৰাজসকলৰ ষড়যন্ত্ৰত অসমত অসমীয়া ভাষাৰ সলনি বঙালী ভাষাৰ প্ৰচলন হৈছিল। ইয়াৰ বিৰুদ্ধে প্ৰতিবাদ জনাই ব্ৰন্সন চাহাবে ইংৰাজলৈ এখন আৱেদন পত্ৰ পঠিয়ায়। ইয়াৰ পিছত ব্ৰন্সন চাহাব আৰু আনন্দৰাম ঢেকিয়াল ফুকন দুয়োজনে কৰা চেষ্টাৰ ফলত ১৮৩৫-৩৮ চনত সম্ৰাট মিলছে Report on the province of Assamese নামৰ এখন আৱেদন পত্ৰ যুগুত কৰি ইংৰাজ চৰকাৰৰ ওচৰত দাঙি ধৰে।

এওঁলোকৰ প্ৰচেষ্টাত ১৮৭৩ চনত ইংৰাজসকলে বাধ্য হৈ অসমৰ পঢ়াশালি আৰু আদালতত অসমীয়া ভাষা প্ৰচলনৰ বাবে এক চৰকাৰী আদেশ জাৰি কৰে। এইদৰে অসমীয়া ভাষাই পুনৰ আত্মপ্ৰতিষ্ঠা লাভ কৰাৰ ক্ষেত্ৰত এই আবেদন পত্ৰসমূহৰ ঐতিহাসিক মূল্য লেখত ল'বলগীয়া।

**ঝ) গদ্য সাহিত্য ঃ** আধুনিক অসমীয়া গদ্য-সাহিত্যৰ জন্ম আৰু বিকাশত খ্ৰীষ্টান মিছনেৰীসকলৰ অৱদান উল্লেখযোগ্য। খ্ৰীষ্টান মিছনেৰীসকলে অৰুণোদই কাকতত বিভিন্ন বিষয়ক প্ৰবন্ধ লিখিছিল। সেইবিলাক হ'ল 'গড়গাঁও নগৰৰ কথা', 'কাকতি ফৰিঙৰ কথা', 'অনেক দেশৰ সম্বাদ', 'অসমীয়া ভাষা', 'যাত্ৰা কৰাৰ কথা', 'কীৰ্ত্তন কৰাৰ কথা' আদিয়েই প্ৰধান।

গদ্য-সাহিত্যৰ উপৰিও খ্ৰীষ্টান মিছনেৰীসকলে কিছুমান কবিতাও ৰচনা কৰিছিল। এই ক্ষেত্ৰত নিধিলিবাই ফাৰৱেলৰ 'বিনয় বচন', 'নৰকৰ বিৱৰণ', 'সৰগৰ বিৱৰণ' আদিয়ে প্ৰধান। ফাৰৱেলৰ উপৰিও অন্যান্য কিছুমান কবিতাই অৰুণোদয়ত প্ৰকাশ লাভ কৰিছিল আৰু এইবিলাক কবিতাই অসমীয়া আধুনিক কবিতাৰ এটি ভেটি নিৰ্মাণত সহায় কৰিলে।

**ঞ) বিভিন্ন লেখকৰ সৃষ্টি ঃ** আধুনিক অসমীয়া সাহিত্যৰ গতি নিৰ্ণয়ৰ ক্ষেত্ৰত আলোচনীৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। অৰুণোদয়ে আধুনিক অসমীয়া সাহিত্য আৰু আলোচনীৰ প্ৰথম ভেটি স্থাপন কৰে। ১৮৪৬ চনৰ পৰা ১৮৮২ চনলৈকে অৰুণোদয়ে হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱাকে ধৰি এচাম অসমীয়া লেখকৰ সৃষ্টি কৰে। তদুপৰি

এই কাকতখনে দেশ-বিদেশৰ বাতৰি, বিজ্ঞান, বুৰঞ্জী, জ্যোতিষ, জীৱনী, কাহিনী, কবিতা আদি অসমীয়া সাহিত্যলৈ আমদানি কৰি আনে। এই কাকতখনৰ প্ৰেৰণাৰ ফলস্বৰূপেই অসমীয়া ভাষাত ১৮৭১ চনৰ পৰা ১৮৮৩ চনলৈকে 'আসাম বিলাসিনী' ১৮৭২-১৮৭৩ চনলৈকে 'আসাম দৰ্পন' কাকতৰ জন্ম হয় আনকি ১৮৮৯-১৯৪০ চনলৈকে এই কালছোৱাত জোনাকী কাকতৰ যোগেদি অসমীয়া সাহিত্যই এটা গুৰুত্বপূৰ্ণ যুগত উপনীত হয়গৈ। জোনাকীৰ খ্যাতি আৰু জনপ্ৰিয়তাৰ মূলতে অৰুণোদয়ৰ আৰ্হি আৰু অনুপ্ৰেৰণা স্বীকাৰ কৰিবলগীয়া। অৰুণোদয় প্ৰচেষ্টাতে আখৰ জোঁটনিলৈ পৰিৱৰ্ত্তন আহে, ভাষাৰ ঠাঁচে প্ৰকৃত ৰূপ পৰিগ্ৰহণ কৰে আৰু ভাৱৰ গতিয়েও ৰূপ সলনি কৰে। এই অৰুণোদয়ে অসমীয়া ভাষা আৰু সাহিত্যিক বিপদৰ পৰা ৰক্ষা কৰি অসমীয়া ভাষাক পুনৰ প্ৰতিষ্ঠা কৰে।

সামগ্ৰিকভাৱে ক'বলৈ গ'লে অৰুণোদয়ে ১) পুৰণি অসম বুৰঞ্জী আদি সংগ্ৰহ আৰু প্ৰকাশ কৰি ঐতিহ্যসম্পন্ন জাতিটোক নিজৰ সমৃদ্ধিশালী অতীতটোৰ লগত পৰিচয় কৰাই দিয়ে। ২) পাশ্চাত্য জগতৰ ধ্যান-ধাৰণাৰ সৈতে দৃষ্টি আকৰ্ষণ কৰাত সহায়ক ভূমিকা গ্ৰহণ কৰে। ৩) মাতৃভাষাৰ শক্তি সামৰ্থ্য আৰু সৌন্দৰ্য্যৰ বিষয়ে অসমীয়া লোকসকলক অৱগত কৰায়।

অৰুণোদইৰ পাততে অসমীয়া ভাষা-সাহিত্য আৰু জাতীয় চেতনাৰো অৰুণ উদয় হয়। অসমীয়া গদ্য আৰু পদ্যৰ ভেঁটিয়েও অৰুণোদইৰ পাততে গঢ় লয়। এই কাকতে দেউধাই অসম বুৰঞ্জী, কামৰূপৰ বুৰঞ্জী, গুণাভিৰাম বৰুৱা ৰচিত প্ৰথম অসমীয়া সামাজিক নাটক 'ৰাম-নৱমী' প্ৰকাশ হৈছিল। জন বণিয়াৰৰ Pilgrims Progressৰ অসমীয়া ভাঙনি জাত্ৰিকৰ যাত্ৰাৰ কিছু অংশ অৰুণোদয়তে প্ৰকাশ পাইছিল।

### ১.২ অসমীয়া ভাষা সাহিত্যলৈ অৰুণোদইৰ অৱদান ঃ

'অৰুণোদই' প্ৰথম অসমীয়া আলোচনী ও বাতৰি কাকত। মোৱামৰীয়া বিদ্ৰোহ, গৃহ কন্দল আৰু মানৰ আক্ৰমণত নিশকতীয়া হোৱা অসম ১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধি অনুসৰি ইংৰাজৰ হাতলৈ যায়। ইংৰাজে শাসনভাৰ লোৱাৰ পৰৱৰ্ত্তী সময়ত ১৮৩৬ চনত তেওঁলোকৰ সুবিধাৰ্থে অসমৰ আদালত আৰু পঢ়াশালিত অসমীয়া ভাষাৰ পৰিৱৰ্তে বঙলা ভাষা প্ৰৱৰ্ত্তন কৰে। এনে এক পৰিস্থিতিত ১৮৪৬ চনৰ জানুৱাৰী মাহত অৰুণোদয়ে প্ৰথমখন বাতৰি কাকত ও সাংবাদপত্ৰ হিচাপে আত্মপ্ৰকাশ কৰে। অসমত অৰুণদয়ৰ প্ৰকাশ ক্ষণ আলোচনীত সংবাদপত্ৰ হিচাপেই নহয় সমগ্ৰ অঞ্চলটোৰ সামাজিক, সাহিত্যিক ইতিহাসৰে এক উল্লেখযোগ্য আৰু তাৎপৰ্য্যপূৰ্ণ সংযোজন। মূলতঃ খ্ৰীষ্টান ধৰ্ম প্ৰচাৰৰ উদ্দেশ্য লৈয়ে অসমত অৰুণোদয়ে আত্মপ্ৰকাশ আৰু বিস্তাৰ লাভ কৰিছিল যদিও আধুনিক অসমীয়া ভাষা, সাহিত্য আৰু সমাজ পৰিৱৰ্ত্তনত অৰুণোদয়ৰ বৰঙণি কোনো মূল্যৰে জুখিব পৰা নহয়।

একেদৰে আলোচনী ও বাতৰি কাকত দুয়োটা উদ্দেশ্য সাধনৰ লগতে আধুনিক অসমীয়া ব্যাকৰণ অভিধান, নাটক, কবিতা, বিবিধ প্ৰৱন্ধ আৰু পঢ়াশলীয়া পুথি আদিৰ প্ৰকাশেৰে অৰুণোদয় আছিল আধুনিক অসমীয়া সাহিত্যৰ মেৰুদণ্ডস্বৰূপ। 'অৰুণোদয়'ৰ যোগেদিয়েই অসমীয়া আখৰ, অৰুণোদয়ে অসমীয়া ভাষা আৰু জাতীয় জীৱনৰ কেইবাটাও অপৰিহাৰ্য্য দিশত পথ-প্ৰদৰ্শকৰ ভূমিকা গ্ৰহণ কৰিছিল। সেই দিশসমূহ হৈছে—

ক) অসমত সাংবাদিকতাৰ আৰম্ভণি।
খ) অসমীয়া ভাষাৰ নতুন গদ্যশৈলীৰ আৰম্ভণি
গ) ভাষিক সচেতনতা
ঘ) ধৰ্ম নিৰপেক্ষ দৃষ্টিভংগীৰ প্ৰতিষ্ঠা
ঙ) অসমৰ বুৰঞ্জী আৰু সংস্কৃতি অধ্যয়নৰ আৰম্ভণি
চ) জ্ঞানৰ প্ৰসাৰ
ছ) বিজ্ঞানৰ বিষয়ে জনপ্ৰিয় কৰাৰ যত্ন
জ) নতুন সাহিত্যৰ বীজ ৰোপণ
ঝ) সামাজিক দায়িত্ব সম্পৰ্কে সজাগতা সৃষ্টি
ঞ) খ্ৰীষ্টান ধৰ্ম প্ৰচাৰ।

এই যুগৰ সাহিত্যৰাজি সাহিত্যিক গুণ বৈশিষ্ট্যৰে পৰিপূৰ্ণ নহ'লেও অসমীয়া ভাষাক ন্যাৰ্য প্ৰাপ্তিৰ ক্ষেত্ৰত যে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল সেই কথা আমি কেতিয়াও নুই কৰিব নোৱাৰো। অৰুণোদয়ৰ নেৰানেপেৰা প্ৰচেষ্টাৰ ফলশ্ৰুতিতে ১৮৭৩ চনত অসমৰ আদালত আৰু পঢ়াশালিত অসমীয়া ভাষাৰ পুনৰ প্ৰচলন হয়। 'অৰুণোদয়'ত প্ৰকাশিত কেতবোৰ প্ৰৱন্ধ আছিল এনেধৰণৰ— কাকতি ফৰিঙৰ কথা (১৮৪৬), কলিকতাৰপৰা গুৱাহাটীলৈ ভাপৰ নাও অহা যোৱাৰ কথা (১৮৪৭), শিৱসাগৰ গৱৰ্ণমেণ্ট স্কুলৰ ছাত্ৰবিলাকৰ বিদ্যাৰ মহলা (১৮৬১), গড়গাঁও নগৰৰ কথা (১৮৬১) আদি নগএগ দ্ৰোহী লোকৰ চৰিত্ৰ বৰ্ণন (১৮৬১)। সন্দেহ নাই যে, এই ধৰণৰ গদ্যৰাজিৰ প্ৰকাশে অসমীয়া গদ্য সাহিত্যৰ পৃষ্ঠভূমি নিৰ্মাণত প্ৰভূত বৰঙণি আগবঢ়াইছিল।

### ১.৩ উপসংহাৰ ঃ

খ্ৰীষ্টান মিছনেৰীসকলৰ যত্নতে অসমীয়া ভাষাই ইয়াৰ পূৰ্বৰ ৰূপৰ পৰিৱৰ্তন সাধন কৰি আধুনিক ৰূপ গ্ৰহণ কৰিলে। বুৰঞ্জীৰ ভাষা, ইংৰাজী বাক্য গাঁথনিৰ ঠাঁচ আৰু শিৱসাগৰীয়া কথিত ভাষাৰ ভিত্তিতে তেওঁলোকৰ যত্নত আধুনিক অসমীয়া ভাষাই পুনৰ গঢ় লয়। এই ভাষাৰ যোগেদিয়েই মিছনেৰীসকলে অৰুণোদয়ৰ যোগেদি অসমীয়া মানুহৰ বাবে বাহিৰৰ পৃথিৱীখনৰ দুৱাৰ খুলি দিলে। যথাৰ্থতেই আধুনিক অসমীয়া ভাষা আৰু আধুনিক জাতীয়তাবাদৰ প্ৰতিষ্ঠাত মিছনেৰীসকলে এক ঐতিহাসিক ভূমিকা পালন কৰিছিল। সামৰণিত ক'ব পাৰি যে, খ্ৰীষ্টান মিছনেৰীসকলৰ যত্নত সৃষ্টি হোৱা অৰুণোদই কাকতৰ যোগেদি আধুনিক অসমীয়া ভাষা সাহিত্যৰ প্ৰাণ প্ৰতিষ্ঠা হ'ল। তদুপৰি, ইয়াৰ যোগেদি অসমীয়া মানুহৰ মনত জন্ম হ'ল গভীৰ আত্ম প্ৰত্যয়, জাতীয় চেতনা আৰু ঐতিহ্য প্ৰীতি। এই তিনিওটা উপাদানে আধুনিক অসমীয়া সাহিত্যৰ বিকাশত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়ালে।

প্ৰাসংগিক গ্ৰন্থ ঃ

১। অসমীয়া সাহিত্যৰ বুৰঞ্জী ঃ —নাথ, দ্বীপেন
২। অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত ঃ —শৰ্মা, সত্যেন্দ্ৰনাথ

# THE DOCTRINE OF IMITATION

**Dr. Jai Ram Jha**

Imitation goes out of currency as a literary term, understandably because it runs counter to the new spirit of spontaneity and self-expression in the wake of romanticism. Only recently its respectability as a virile aesthetic concept has been revived by Francis Fergusson,[1] Kenneth Burke[2] and the members of the "Chicago School". Its currency up to the 18th century, eclipse in the 19th century, and revival in recent times, maybe interpreted as an indirect proof of the arch rejection of ideas related to romanticism or subjectivism or personality, as also the affirmation of faith in the concepts of the classical or the Universal or the Impersonal.

The term 'Imitation' derives from Latin 'imitatio' which is a translation of the Greek term 'mimesis': Plato seems to have inaugurated the critical viability of this term. There is, however, little in the history to show that the term "imitation" is developed as theory of poetry before him. Of course, one discerns veiled adumbrations of this theory in Gorgia's notion of tragedy as a "beneficent deception."[3] Democritus holds the view that imitation of nature accounts for the origin of arts in general, as singing, for example, originates in the imitation of birds.[4] Not withstanding these random comments the term secures, for the first time, critical sanction in Plato's *Republic*, Book 3 and 10.[5]

Plato views Imitation as the sole criterion of literary judgement. It is primarily identified with the dramatic mode, that is, with the direct impersonation of literary characters. It is here that Plato makes certain reservations, the main being that an indiscriminate imitation of morally unsound persons could degenerate into social aberrancies. He, therefore, prescribes that poetry, more so the drama, must not have any place in the professional education of the ideal ruler. Plato runs down Imitation not only in point of its adverse moral effects, but also in that of its peripheral instinct for or apprehension of truth or reality. However, Plato does not rule out the possibility of a "true" imitation which would inhere in the real nature and proportions of the object.

Plato's theories pertaining to the world and the 'image' have influenced criticism as well as poetry despite his inimical views-he dismisses poets as imitators at the second remove from truth. Modern 'Platonic' theories interpret art as imitating or somehow partaking of, at least by analogy, the transcendent world. Plato reserves this privilege for trained and morally sound philosophers.

However, Imitation as a theory central to criticism has been provided by Aristotle. His *Poetics* is not a polemical work either in its form or in its method; but in effect it constitutes an answer to Plato's doubts and objections. Aristotle conducts a dispassionate and scientific investigation into the nature of poetry with a view to restoring it to an honourable, if not supreme, place in the scheme of human endeavours. The core of Aristotle's achievement is a new theory of poetic structure, based on the new concept of "imitation" not as a copying of ordinary reality but as a generalized rendition of character and action.

Aristotle regards imitation as a basic human instinct. His innovative, contribution lies in the re-definition of 'mimesis'. Here the differential accent is placed on representation of universals rather than the counterfeiting of sensible reality. By "Universals" he does not mean either metaphysical relations or entity like Platonic Ideas but the enduring characteristic modes of human feeling, thought and action.

Aristotle traces the origin of poetry to two primordial instincts; first, the instinct to imitate, and the second, to delight in imitations made by others. The latter, the delight in imitations, occurs irrespective of the painful nature of things imitated. It is this latter

instinct that Aristotle identifies as a form of instinct to seek knowledge. It characterizes the beginning of all mental progress. The pleasure stems from the perception of the intended meaning of the artistic representation.

However, Aristotle's conception of art, including poetry, as imitation, in brief is this: what art imitates is "Characters and emotions and actions,[6] i.e., it (art) imitates the world of man's mind rather than the sensible world. Contrary to the general view, Aristotle holds that music is most imitative[7], in the sense it is most expressive; it most effectively stimulates in others emotions corresponding to those felt or imagined by the artist. This conclusion has a wide import since it is equally true of different arts with different means of their own. All the poetic arts "imitate" action, but drama evidently reproduces it much more completely.

The last exception is enforced by one of the most eminent generalization of Aristotle that "poetry is something more philosophic and of graver import than history, since its statements are of the nature, rather of universals, whereas those of history are singulars.[8]

Furthermore, "imitation" in Aristotle's scheme is a term specific to the arts, distinguishing poems from all other activities and products as a class of objects having their own criteria of value and reason for being. And by exploiting such distinctions systematically as the kinds of objects imitated, the media and manner of imitation and the variety of emotional effects on an audience, Aristotle implements his consideration of poetry qua-poetry. Herein he provides means for distinguishing among the poetic kinds-e.g., tragedy, comedy, epic-and for discriminating the particular parts, internal relations, power of giving pleasure, and standards of evaluation proper to each type of poem.

The discussion of "imitation" within the limits of Aristotle's '*Poetics*' will lead to furcation of poetry into its kinds-tragedy, comic and epic. And also to the classification of characters good or bad. It is worthwhile to note that this classification betrays Aristotle's affiliation with moralistic tendency in aesthetic criticism which is most assertive in Plato. Dryden puts the case forthrightly: "there is only one basic rule which is as certain as reason itself - that good poetry should be in accordance with nature, both as imitation, that poems have versimilitude, and as something made, i.e., poems should be in accord with the moral and aesthetic law and permanent human nature - else they cannot long please. They are, therefore, uncertain."[9] In every age we come across various interpretations of Aristotle's concept of Imitation. The enhanced importance of this concept in the Hellenistic and Roman periods does not bear witness to the deeper understanding of "imitation". Rather Aristotle's idea suffers a relative simplification; it is reduced to the idea of imitating the established classics, the great models of achievement in each genre.

Longinus, however, projects the loftier side of the doctrine. He exhorts in *Sublime* that imitation of great writers of the past need not and should not be merely a copying of arrangement and style but a passionate emulation of their spirit Dryden's plea is more lucid:

> "Those great men whom we propose to ourselves as patterns of our imitation, serve us as a torch, which lifted up before us, to illumine our passage and often elevate out thoughts as high as the conception we have of our author's genius."[10]

Here imitation shares its instinct with inspiration which is apparently its opposite. It does not, however, so much indicate the contradiction in interpretation as to suggest the complex comprehensiveness, the intricate coherence of Aristotle's concept.

Nevertheless, both in antiquity and in the Renaissance, "imitation" as emulation of models is taken to mean stylistic imitation. In this way it anticipates, and defends also, the New Criticism's formula of poetry as a linguistic construct. The Renaissance assumed all the three major concepts of imitation; first, a copying of sensuous reality, of Plato; second, a representation of the universal patterns of human behaviour and of an action embodying these, of Aristotle; and third, stylistic imitation of standard literary models, of the Hellenistic and rhetorical. However, a deviation here or a variant interpretation there renders each of them more complicated. The result is that the Platonic is superceded by Neoplatonic suggestion that artist can create in accordance with a true idea, the Aristotelian by the coarsening of Aristotle's "universals" into specific social forms or representations belonging to a specific place or time; and the rhetorical by its rather casual or accidental association with "enthusiasm". This inheritance makes an odd blend-it could have resulted in a complete chaos. However, the situation is saved partly by the chronological accident that the Poetics secures no foothold in Italy until well after the sixteenth century. And partly by the arch refusal of the inflexible

humanists to give up any of the sanctions of the ancient tradition.

However, before the first quarter of the sixteenth century, there is no evidence of interest in Aristotle's *Poetics*. And there is, therefore, no genuine interest in the concept of poetic imitation. Vida's *Art of Poetry* (1527) does not evince knowledge of this new trend. Its advocacy in favour of the imitation of Nature is motivated to inculcate the imitation of the ancient poets, above all Virgil. Daniello's *Poetics* (1536) makes a faltering distinction between poetry and history. In his commentary on the *Poetics* (1548) Robertelli grants that poet could invent things that transcend nature. Francastoro pieces out Aristotle's concept of imitation with the Platonic idea of beauty, identifying the latter with the universal. Scaliger (1561) recommends the imitation of Virgil because Virgil creates a second nature more beautiful than the first; and Boileau lends to the problem its definitive formulation in favour of neo-classical theory, i.e., the surest way to imitate is to imitate the classics.

However, the real challenge of Aristotle's concept of imitation eludes grasp. In this respect the earlier Renaissance is as incompetent as the latter. Neither makes an effective distinction between poetry and history on the one hand, and poetry and rhetoric on the other because it fails to seize and define any true "universal" as the object of poetic imitation.

The eighteenth century is, however, forthright and decisive in its acquiescence to imitation as the object and method of the fine arts in general, including poetry and painting. The doctrine that poetry and the general arts are imitations of the world, in a variety of systematic applications prospers through the Renaissance, through the seventeenth century and well into the eighteenth century. The declaration of Richard Hurd in 1751 is illuminating:

> ... all poetry to speak with Aristotle and the Greek critics (if for so plain a point authorities be thought wanting) is, properly, imitation... having all creation for its object. ("Discourse on Poetical Imitation".)

Lessing's classic *Laokoon* (1766) still discovers the "essence" of poetry and painting to be imitation, and derives the bounds of the subjects each art is competent to imitate from the differences in their media.

On the whole, the idea that a writer should learn everything he could from his predecessors dominates the critical proceedings of the eighteenth century. Pope, who composes some of the best imitations for example, Imitations of Horace gives a fairly representative view of the eighteenth century in An Essay on Criticism (1711):

> Those Rules of old discover'd, not desir'd,
> Are Nature still, but Nature Methodz'd;
> Nature, like liberty, is but retrain'd
> By the same Laws which first herself ordain'd...
> You then whose Judgment the right course wou'd steer,
> Know well each Ancient's proper character,
> His fable, subject, scope in ev'ry Page,
> Religion, Country, Genius of his Age:
> Without all these at once before your Eyes,
> Cavil you may, but never Criticize,
> Be Homer's Works your study, and Delight,
> Read them by Day, and meditate by Night,
> Thence from your Judgment thence your Maxims bring,
> And trace the Muses upward to the spring;
> Still with itself compar'd, his Text pursue;
> And let your comment be the Mountain Muse...

If the eighteenth century emphasises poetry to be an imitation of representation of nature... it does so because it considers that poetry must necessarily be 'true' or that it must accord in some sense to the nature it reflects. In neo-classic criticism the word "truth' is the aesthetic standard of standards; truth is regarded as 'beauty'. Even taste, no less than reason, is an organ for perceiving truth. John Dennis writes:

> That which we call Taste in
> Writing, is nothing but a fine
> Discernment of Truth. But as
> Truth must always be one
> and always the same to all
> who have Eyes to discern it;
> he who pleases one of a true
> Taste at first, is sure of
> Pleasing all the world at last.[11]

The pressure of the principle of imitation as usually interpreted by the post-Restoration critics, is toward conformity to the world known by the enlightened man. As a result, many critics face the problem of reconciling such traditional poetic elements as romantic magic, fairy tales etc., with the cardinal criteria of truth to nature. The eighteenth century attempts to explain that these materials are interesting in themselves. Coleridge comments that "To admire principle, is the only way to imitate without loss of originality."[12] Edmund Young's sneer at the meddling

ape, Imitation, strikes a characteristic note. However, Coleridge does not discredit the theory perse as Edmund young. He, on the other hand, goes to the root of the matter i.e., "truth". For it is truth that is the basic impulse of this theory as made out by the eighteenth century. The most decisive emphasis within Coleridgean scheme falls on the autonomy of the artist in respect of his choice. And even then, Coleridge seems to agree with Aristotle in point of the final result, i.e., the "universal": "We all know that art is the imitation of nature. And, doubtless, the truths which I hope to convey would be barren truism, if all men meant the same by the words "imitate" and "nature". First, to imitate. The impression on the wax is not an imitation, but a copy of the seal; the seal itself is an imitation. But, further, in order to form a philosophic conception, we must seek for the kind, as the heat in ice,... we must have reference to the degree... we understand that in all imitation two elements must exist, and not only co-exist, but must be perceived as co-existing. These two constituent elements are likeness and unlikeness, and in all genuine creations of art there must be a union of disparities. The artist may take his point of view where he pleases, provided the desired effect be perfectly produced-that there must be likeness in the difference, difference in the likeness, and a reconcilement of both in one. If there be likeness to nature without any check of difference, the result is disgusting why are such simulations of nature, as wax-work figures of men and women, so disagreeable? Because not finding the motion and the life which we expected, we are shocked by a falsehood, every circumstance of detail, which before induces us to be interested, making the distance from truth more palpable.

You set out with a supposed reality and are disappointed and disgusted with the deception; whilst, in respect of a work of genuine imitation, you begin with an acknowledged total difference, and then every touch of nature gives you the pleasure of an approximation to truth."[13] Coleridge does not approve of the personal or the subjective, nor does his plea for the autonomy of the artist go off the hinge; he, on the other hand, ties the poet down to the "essence" of creative pursuit which is the discovery of "universal" in the "individual".

The revival of "imitation" in present times has little to do with the classical or the neo-classical tradition. It, on the other hand, steps over intermediaries, goes straight to Aristotle, and contemplates "imitation" as a structural principle which has been prominent in any criticism (such as Aristotle's) whose focus is the work itself rather than "nature", the writer or the work itself. In respect of the problem of "universals", Coleridge's interpretation of imitation is as important as Aristotle's. In Aristotle, we identify the fecund seeds, in Coleridge we notice its foetus.

Aristotle's theory of "imitation" is the most ancient ancestor of Eliot's Impersonal Theory. Various interpretations of this theory which take in denotational and connotational ramifications, in the main, only confirm the identical emphasis of Aristotle. Taken together, it is obvious that this doctrine envisages the incidence of artist's impersonality in the very act of imitating. Artist, within the parameter of this doctrine, is of necessity impersonally disposed. What is nevertheless irreversible is the emergence of "the universal", explicit both in Aristotle's exposition and Coleridge's interpretation, as an aesthetic consequence of "imitation". And it is this that Eliot confirms in the modified explication of his Impersonal Theory embodied in his essay on Yeats. Eliot writes:

> There are two forms of Impersonality that which is natural to the mere skilful craftsman; and that which is more and more achieved by the maturing artist.... The second impersonality is that of the poet who, out of intense and personal experience, is able to express a general truth, retaining all the particularity of his experience, to make of it a general symbol...."[14]

The point is that in becoming more Irish not in subject-matter but in expression, ha (Yeats) became at the same time universal.

References


1. F. Furguson, The Idea of Theatre, (Great Britain, 1949).
2. K. Burke, "A 'Dramatic' view of 'I', in Accent, 12 (1952)
3. Quoted by G.F.E., Poetry and Poetics, Ibid., p. 378.
4. Ibid.
5. Ibid.
6. G.F.E., Poetry and Poetics, pp. 378-381.
7. M.H.A., Poetry and Poetics, pp. 639-648.
8. Ibid., p. 640.
9. H. Trowbridge; "The Place of Rules in Dryden's Criticism", Modern Philosophy (1946) p. 44
10. John Dryden, Essay of Dramatic Poesy.
11. John Dennis, Epistle Dedication to Liberty Asserted (1704), in Critical Works, 11, 392.
12. Quoted by G.F.E. Poetry and Poetics, p. 380
13. S.T. Coleridge, Biographia Literaria, Vol. II, (London, 1917)
14. T.S. Eliot, Selected Prose, (Penguin Books, 1953), p. 201



# গ্ৰাম্য সমাজত কন্যা সন্তানৰ সমস্যা আৰু সম্ভাৱনীয়তা

ৰবীন কুলি

**অৱতৰণিকা ঃ**

কি আচর্য! সভ্যতাৰ অন্তিম প্ৰান্তত উপনীত হোৱা বুলি দম্ভালি মৰা মানৱ জাতিৰ বাবে একবিংশ শতিকাটো এটা আলোচনাৰ তপত বিষয় হ'ল সভ্যতাৰ আঁৰৰ মূল শক্তি কন্যা, মা, আইতা অৰ্থাৎ স্ত্ৰী জাতি। এতিয়াও যেন বহুতে মনুৰ নীতিকে লজ্জাজনকভাৱে অনুসৰণ কৰিব খোজে। মনুৱে কৈছিল "নাৰীয়ে শিশুকালত পিতৃৰ, যৌৱনকালত স্বামীৰ আৰু বৃদ্ধকালত তেওঁৰ পুত্ৰৰ অধীন হৈ থাকিব লাগে। গতিকে তেওঁ কোনো ধৰণৰে স্বাধীনতা ভোগ কৰিবলৈ উপযুক্ত নহয়।" এতেকে যিমানেই সভ্য নহওঁক কিয়, প্ৰকৃতাৰ্থত সকলোৰে মাজত বৈজ্ঞানিক মানসিকতা গঢ় লৈ নুঠিলে ই নিঃসন্দেহে আলোচ্য বিষয় হৈ থাকিব। অৱশ্যে এৰি অহা দিনত যে ই আলোচ্য বিষয় নাছিল ঠিক তেনেও নহয়। কিন্তু অতি সম্প্ৰতি ইয়াৰ চৰ্চা তুলনামূলকভাৱে বহু বেছি আৰু ক্ৰমবৰ্দ্ধমান। এতেকে নিঃসন্দেহে ইয়াৰ প্ৰাসঙ্গিকতা তথা গুৰুত্বও ক্ৰমবৰ্দ্ধমান। অন্য অৰ্থত ই এয়াও প্ৰমাণ কৰে যে অতি সম্প্ৰতি আমি নাৰী জাতিৰ গুৰুত্ব গভীৰৰ পৰা গভীৰতম পৰ্যায়লৈ অনুভৱ কৰিবলৈ লেহেমীয়াকৈ হ'লেও আগবাঢ়িছো।

সি যি কি নহওক আমাৰ এই ক্ষুদ্ৰ আলোচনাটিত গ্ৰাম্য সমাজত কন্যা সন্তানৰ সমস্যা আৰু সম্ভাৱনাৰ এক চমু দৃষ্টান্তমূলক আলোচনাৰ মাজতে সীমাবদ্ধ ৰখা হ'ব। অৱশ্যে মূল আলোচ্য বিষয়লৈ যোৱাৰ আগতে গ্ৰাম্য সমাজ আৰু কন্যা সন্তান প্ৰত্যয়দ্বয়ৰ চমু পৰিচিতি লোৱা যাওক।

**গ্ৰাম্য সমাজ ঃ**

গ্ৰাম্য সমাজ, চহৰীয়া-নগৰীয়া সমাজ ইত্যাদি শব্দবোৰ পৰিষ্কাৰ নহয়। অৰ্থাৎ গ্ৰাম্য সমাজ ধাৰণাটো ভিন্ন সমাজ বিজ্ঞানীয়ে ভিন্ন ৰূপত সংজ্ঞাবদ্ধ কৰিব খোজে। এতেকে এনে আউল লগা বিষয়ৰ গণ্ডীৰ পৰা

বিৰত ৰাখিবলৈ আৰু আমাৰ আলোচনাৰ সুবিধা হোৱাকৈ 'গ্ৰাম্য সমাজ' অভিধাক নিম্নোক্ত বৈশিষ্ট্যৰ আৱৰ্তত ৰাখিব বিছৰা হৈছে—

- গ্ৰাম্য সমাজৰ মানুহ প্ৰধানতঃ প্ৰত্যক্ষ তথা পৰোক্ষভাৱে কৃষিৰ ওপৰত নিৰ্ভৰশীল।
- গ্ৰাম্য সমাজৰ বাসিন্দাসকল মূল্যবোধৰ প্ৰতি সদা সচেতন লগতে পৰম্পৰা আৰু ঐতিহ্যৰ প্ৰতি অধিক আনুগত্যশীল।
- অতি সম্প্ৰতিক কালতো গ্ৰাম্য সমাজ ব্যৱস্থাত জাতি ব্যৱস্থাৰ প্ৰচলন আছে।
- গ্ৰাম্য সমাজৰ বাসিন্দাসকল নগৰীয়া অঞ্চলৰ তুলনাত সিঁচৰিত হৈ বসবাস কৰে।
- গ্ৰাম্য সমাজৰ লোকসকল শ্ৰম অনুসৰি উৎপাদিত সামগ্ৰীৰ মূল্য বহুক্ষেত্ৰত লাভ নকৰে।

**কন্যা সন্তান ঃ**

সমাজ বিজ্ঞানীসকলে তথা সচৰাচৰ ১৫ বছৰৰ বয়সৰ তলৰ অৰ্থাৎ জন্মৰ পৰা পোন্ধৰ বছৰ বয়সলৈ এজনী স্ত্ৰীক বুজাবলৈ কন্যা সন্তান প্ৰত্যয়টো ব্যৱহাৰ কৰা হয়। কিন্তু অতি সম্প্ৰতি Un convention on the Rights of the child (UNCRC) শিশুৰ অধিকাৰ আইন অনুসৰি ওঁঠৰ (১৮) বছৰ বয়সলৈকে প্ৰতিজন ব্যক্তিকে শিশু হিচাপে ধৰা হয়। সেই ধাৰণাকে সাৰোগত কৰি আমাৰ এই আলোচনাটিত কন্যা সন্তান প্ৰত্যয়ৰে ১৮ বছৰ অনুৰ্দ্ধৰ সকলোবোৰ স্ত্ৰী জাতিক বুজোৱা হৈছে।

**গ্ৰাম্য সমাজত কন্যা সন্তানৰ সমস্যা ঃ**

সাধাৰণ অৰ্থত সমস্যা দুই ধৰণৰ। ব্যক্তিগত সমস্যা আৰু সামাজিক সমস্যা। অৱশ্যে ব্যক্তিগত সমস্যাই সামাজিক সমস্যাৰ ৰূপ লয়। যিহেতু ব্যক্তিৰ সমষ্টিয়েই সমাজ। সি যি কি নহওঁক দুই ধৰণৰ সমস্যাৰে নিজস্ব স্বৰূপ থাকে। সাধাৰণতে সামাজিক সমস্যা সমাজৰ লগতে প্ৰত্যক্ষ তথা অঙ্গাঙ্গীভাৱে জড়িত থাকে। বিশিষ্ট সমাজ বিজ্ঞানী Harton আৰু Lesis এ সামাজিক সমস্যা সম্পৰ্কে কৈছে— "Social problem is condition affecting a significant numbers of people in the ways considered undesirable, about which it is felt that something can be done through collective action" গ্ৰাম্য সমাজৰ কন্যা সন্তানৰ সমস্যা বৰ্ত্তমান ব্যক্তিগত সমস্যা হৈ থকা নাই। বৰং ই এক গোলকীয় সমস্যালৈ পৰ্যবেক্ষিত হৈছে বুলিলেও বঢ়াই কোৱা নহয়। গ্ৰাম্য সমাজৰ কন্যা সন্তান সকলৰ প্ৰস্তিতি অধ্যয়ন সূক্ষ্মাতিসূক্ষ্মভাৱে কৰিলে দেখা যায় তেওঁলোক যেন সমস্যাৰ কুটিল চক্ৰবেহুৰ আৱৰ্ত্তত আবদ্ধ হৈ আছে। এই চক্ৰবেহু যেন সহজতে ভেদ কৰিব নোৱাৰি অথচ ইয়াৰ পৰা ওলাই যোৱাৰ পথ আৰু দুৱাৰ দুয়ো চকুৰ আগত । কিন্তু যেন ওলাই যোৱাৰ সাহস নহয়। অৰ্থাৎ বন্দীত্বৰ যেন এক বৰ্ণনীয় কলা জীৱন। যুগৰ পাছত যুগ ধৰি ইয়াৰ প্ৰমাণ গ্ৰাম্য সমাজৰ কন্যা সন্তান এজনীয়ে ধল পুৱাতে বিচনা এৰি আকৌ নিশা বিচনালৈ যোৱা সময়খিনি সামান্য পৰ্যবেক্ষণ কৰিলেই স্পষ্ট ৰূপত পোৱা যায়। তদুপৰি বছৰৰ ঋতু-কালৰ ওপৰত দৃষ্টিপাত কৰিলে ই আৰু অধিক স্পষ্ট ৰূপত প্ৰকট হৈ উঠে আৰু বৰ্ত্তমানতো গ্ৰাম্য সমাজত ল'ৰা সন্তানৰ তুলনাত ছোৱালী সন্তানবোৰ শৈক্ষিক, সামাজিক, সাংস্কৃতিক আদি সকলো দিশত পিছ পৰি থকাতো তাৰ প্ৰমাণ। কিন্তু তেওঁলোকতো সেই কুটিল চক্ৰৰ পৰা ওলাই অহাটো কেৱল গুৰুত্বপূৰ্ণই নহয় অনস্বীকাৰ্যও। অৱশ্যে ইয়াৰ গুৰুত্বৰ বহল বিৱৰণ দিয়াৰ প্ৰয়োজনীয়তা নাই বুলিব পাৰি। সি যি কি নহওঁক আমাৰ এই আলোচনাত বহল পৰিসৰত গ্ৰাম্য সমাজৰ কন্যা সন্তানৰ সমস্যাক পাঁচটা ভাগত ভাগ কৰি কন্যা সন্তানৰ সমস্যাক আলোচনা কৰাৰ প্ৰয়াস কৰা হৈছে।

**(ক) অৱহেলামূলক আচৰণ ঃ**

ভূমিস্থ হোৱাৰ লগে লগে গ্ৰাম্য সমাজত কন্যা সন্তানসকল অৱহেলামূলক আচৰণৰ বলি হব লগা হয়। অমুকৰ সন্তানটো কি? মানে ল'ৰা নে ছোৱালী? ছোৱালী বা কন্যা সন্তান বোলাৰ লগে লগে শিশুটিৰ লগতে মাককো অৱহেলাৰ দৃষ্টিৰে চাবলৈ আৰম্ভ কৰে। অৱশ্যে দুখৰ কথা এয়ে যে, ওপৰত যিবোৰ বৈশিষ্ট্যক আধাৰ কৰি আমাৰ আলোচ্য বিষয়টিত গ্ৰাম্য সমাজ প্ৰত্যয়টো ব্যৱহাৰ কৰিছো সেইবোৰ অঞ্চলত অতি সম্প্ৰতিক সময়লৈকে ভ্ৰূণ চিনাক্তকৰণ ও হত্যাকৰণৰ দৰে লজ্জাজনক কু-কাৰ্য সংঘটিত হোৱা নাই। কিন্তু দুৰ্ভাগ্যজনক বিষয়টো হ'ল পৰিয়ালৰ অন্যান্য সদস্য সকলৰ লগতে পৰিস্থিতিৰ দাস হৈ নিজৰ কন্যা সন্তানৰ প্ৰতি স্বয়ং জন্মদাত্ৰী মাতৃও অবহেলাৰ মনোবৃত্তি ল'বলৈ বাধ্যত পৰে। এজনী মাতৃয়ে ল'ৰা সন্তানক পৰিচৰ্যা কৰিবলৈ যিমান সময় লাভ কৰে তাতকৈ বহু কম সময় কন্যা সন্তানৰ ক্ষেত্ৰত লাভ কৰে। এইদৰে বিভিন্ন ক্ষেত্ৰ যেনে পিন্ধণ-উৰণ, খেলা-ধূলা, শিক্ষা-সংস্কৃতি আদি দিশত ল'ৰা সন্তানৰ তুলনাত অৱহেলিত হৈ উঠে। লাউ যিমানেই ডাঙৰ নহওঁক পাতৰ তলত এনে ধাৰণাৰ বশৱৰ্তী হৈ কন্যা সন্তানক (যি অদূৰ ভৱিষ্যতৰ নাৰী) মনোবৈজ্ঞানিকভাৱে নিজকে অৱহেলিত বুলি ভাৱিলে বাধ্য কৰায়। লগে লগে তেওঁলোক শিক্ষা-সংস্কৃতি সকলো দিশতে পিছ-পৰি থাকে। যাৰ বাবে অতি সাম্প্ৰতিক কালতো বহুতো গ্ৰাম্য নাৰীয়ে লাজৰ উৰণিয়েই মেলিব নোৱাৰে।

**(খ) শাৰীৰিক নিৰ্যাতন ঃ**

গ্ৰাম্য সমাজৰ কন্যা সন্তানৰ এটি মৰ্মান্তিক সমস্যা হ'ল শাৰীৰিক নিৰ্যাতন বা অপশাসন। চাৰি কি পাঁচ বছৰ বয়স গৰকাৰ লগে লগে ধাইৰ কাম কৰিবলৈ আৰম্ভ কৰে। তাৰ পিছত উৰালত ধান বনা, ঘৰ-চোতাল সৰা, দূৰণিৰ পৰা দুই-তিনিটা কলহত পানী তোলা, কাঠ খৰি দূৰণিৰ বনৰ পৰা অনা, খেতি-বাতিত প্ৰত্যক্ষভাৱে সহায়ৰ হাত উজান দিয়া ইত্যাদি ইত্যাদি। তদুপৰি দুৰ্ভাগ্যজনকভাৱে অলপ ভুল হ'লেই মাৰ কিলৰ সহ্য কৰিব লগা হোৱা। চমু অৰ্থত বহু গ্ৰাম্য সমাজত এতিয়াও কন্যা সন্তানসকল দাসত্বৰ জীৱনতে বন্দী।

**(গ) মানসিক নিৰ্যাতন ঃ**

গ্ৰাম্য সমাজত কন্যা সন্তানসকলজন্মৰ পৰাই মানসিক নিৰ্যানিৰ বলি হ'ব লগাত পৰে। ল'ৰা সন্তানৰ প্ৰতিহে অতি সম্প্ৰতিক বহুতো গ্ৰাম্য সমাজে বহু বেছি প্ৰাধান্য দিয়ে। এতেকে একেবাৰে কনমানি অৱস্থাৰ পৰাই তেওঁলোক অৱহেলিত হৈ মাত্ৰাধিক নিৰ্যাতনৰ

বলি হ'ব লগাত পৰে। তেওঁলোক সৰুৰে পৰাই মানসিকভাৱে নিজকে এখন সীমাবদ্ধতাৰ পৃথিৱীত ৰাখে। ভাৱিবলৈ বাধ্যত পৰে সকলো ক্ষেত্ৰতে তেওঁলোক ল'ৰা সন্তনতকৈ অধিকাৰ বহু পৰিমাণে নিম্ন। চমু অৰ্থত গ্ৰাম্য সমাজত এতিয়াও বহু কন্যা সন্তান মানসিকভাৱে চিৰৰোগীয়া। চিৰৰোগীয়াৰ জানো সুখ-শান্তি, অধিকাৰ আদিৰ কিবা গুৰুত্ব থাকে?

**(ঘ) যৌন নিৰ্যাতন ঃ**

কেৱল বলপূৰ্বক শাৰীৰিক মিলনকে যৌন নিৰ্যাতন বুলিব নোৱাৰি। বৰং যৌন নিৰ্যাতনৰ পৰিসৰ ইয়াতকৈ বহু বহল। গ্ৰাম্য সমাজৰ কন্যা সন্তান সকল নগৰীয়া সমাজৰ কন্যা সন্তানতকৈ বহু বেছি এই নিৰ্যাতনৰ বলি হ'ব লগাত পৰে। ইয়াৰ আঁৰত আছে বহুতো অন্ধবিশ্বাস, অবৈজ্ঞানিক পৰম্পৰাগত ৰীতি-নীতি, অমূলক সামাজিক দ্বিধা-ভয় ইত্যাদি। গ্ৰাম্য সমাজৰ কন্যা সন্তানে কনী খাব নাপায়, মাছৰ মূৰ খাব নাপায়, আদিৰ পৰা আৰম্ভ কৰি এই নাপায়ৰ তালিকা যথেষ্ট দীঘল আৰু ঋতুস্বাৱৰ সময়ত মজিয়াত শোৱা, বহুতো বস্তু স্পৰ্শ-সেৱনৰ বিৰত থাকিব লগা হোৱা আদিও যৌন নিৰ্যাতন। তদুপৰি অসাধু ব্যক্তিৰ দ্বাৰা বলপূৰ্বক শাৰীৰিক মিলনৰ জৰিয়তে যৌন নিৰ্যাতনৰ বলি হোৱাৰ কথাইবা কি কওঁ? অৱশ্যে এই নিৰ্যাতন গ্ৰাম্য সমাজতকৈ চহৰীয়া সমাজতহে বেছিকৈ পয়োভৰ ঘটা দেখা গৈছে। অৱশ্যে গ্ৰাম্য সমাজত যৌন নিৰ্যাতন বুলিলে আটাইতকৈ ডাঙৰ নিৰ্যাতনটো হ'ল কোনো প্ৰেয়স-প্ৰেয়সীয়ে বয়স তথা পৰিস্থিতিৰ পাকচক্ৰত পৰি শাৰীৰিক মিলন হ'লেই তেওঁলোক বিবাহ পাশত আবদ্ধ হোৱাৰ বাহিৰে দ্বিতীয় কোনো বিকল্প নাথাকে। তেওঁলোকৰ বয়স যিমানেই হওঁক। কিন্তু দুৰ্ভাগ্যজনক কথাটো হ'ল চহৰীয়া সমাজত এইবোৰ একো সমস্যা হৈ থকা নাই। এচামে এইয়া মানসিক প্ৰয়োজন বুলিয়েই মত দিছে। অৱশ্যে নৈতিকভাৱে ই কেতিয়াও গ্ৰহণযোগ্য হ'ব নোৱাৰে।

**গ্ৰাম্য সমাজৰ কন্যা সন্তান, এক নতুন প্ৰত্যাহ্বান ঃ**

বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ যুগত, একবিংশ শতিকাত গ্ৰাম্য সমাজৰ কন্যা সন্তানৰ প্ৰতি সময়ে যেন ঘোষণা কৰিছে এক নতুন যুদ্ধ। শিক্ষা তথা সমাজ ব্যৱস্থাৰ প্ৰতি আস্থা হেৰুৱাই এচাম যুৱকে উপাৰ্জনকে লক্ষ্য কৰি উচ্চ প্ৰাথমিক অৱস্থাতে শিক্ষা সাং কৰি ঢাপলি মেলিছে বেঙ্গলুৰ, কেৰেলালৈ। যোগাযোগৰ নিমিত্তে লয় মোবাইল ফোন আৰু তাতে উপলব্ধ কুৎসিৎ ছবিবোৰ উপভোগ কৰি নিজৰ ক্ষেত্ৰত বাস্তৱ প্ৰয়োগ কৰিবলৈ অধৈৰ্য হৈ পৰে। লগে লগে নামি পৰে প্ৰেয়সীৰ সন্ধানত আৰু তাৰে বলি হৈ পৰিছে আধা পকা গ্ৰাম্য সমাজৰ কন্যা সন্তানসকল। এতিয়া ১২ ৰ পৰা ১৮ বছৰ বয়সৰ ছোৱালীৰ মাজত বিয়াৰ ঢুম উঠিছে। যৌন ক্ষুধা নিৰ্যাতনৰ বাবে, অপূৰ্ঠ জ্ঞানৰ বাবে প্ৰেম, বিবাহ হৈছে কিন্তু তেওঁলোকৰ সমাগত ভৱিষ্যৎ? তেওঁলোকৰ সন্তান!! চমু অৰ্থত ই কেনে এক সামাজিক প্ৰস্থিতিৰ জন্ম দিব পাৰে ই সহজে অনুমেয় অথচ গভীৰ চিন্তনীয়। ইয়ে হয়তো কন্যাৰূপী নাৰী সকলক বন্দীত্বৰ জীৱনৰ বয়স আৰু বহু বৃদ্ধি কৰিব।

**গ্ৰাম্য সমাজত কন্যা সন্তানৰ সম্ভাৱনীয়তা ঃ**

কন্যা সন্তান সকল সম্ভাৱনীয়তাৰ সাগৰ। বিশেষকৈ গ্ৰাম্য সমাজৰ কন্যা সন্তানসকল। গ্ৰাম্য সমাজৰ কন্যা সন্তানসকল কোন কোন দিশত অপাৰ্গত এনে এটা প্ৰশ্নৰ উত্তৰ জিজ্ঞাসা কৰিলেই তেওঁলোকৰ সম্ভাৱনীয় প্ৰশ্নৰ সুদোত্তৰ পোৱা যাব। গ্ৰাম্য সমাজৰ কন্যা সন্তানসকল আৰ্থিক, শাৰীৰিক, সামাজিক, বৌদ্ধিক সকলো দিশতে সম্ভাৱনীয়তাৰ গভীৰ সাগৰ। কিন্তু উপৰোক্ত সমস্যাৱলীৰ কুটিল চক্ৰৰ আৱৰ্তত থাকিব লগা হোৱা বাবে যুগে যুগে তেওঁলোকৰ সমস্ত সম্ভাৱণাৰূপী সম্পদ অপচয় হৈ আহিছে। এতেকে আজিৰ তাৰিখত শিক্ষিত সমাজে গ্ৰাম্য সমাজতো বৈজ্ঞানিক মানসিকতাৰ বীজ ৰূপণ কৰিব লাগিব। এই ক্ষেত্ৰত চৰকাৰ, বিভিন্ন দল, সংগঠন আদি চহৰতে আবদ্ধ নাথাকি গ্ৰাম্য সমাজলৈ আগবাঢ়ি যাব লাগিব। কাৰণ সততে কোৱা হয় গাঁৱতে দেশৰ আত্মা থাকে। দেশৰ প্ৰকৃত উন্নয়ন, সততা আনিবলৈ হ'লে গ্ৰাম্য সমাজত যে বৈজ্ঞানিক মানসিকতাৰ বৃক্ষ ৰূপণ কৰিব লাগিব তাত প্ৰশ্নবোধক নাই। অন্য অৰ্থত গ্ৰাম্য সমাজৰ কন্যা সন্তানসকলক সমস্যাৰ মেৰপাকৰপৰা উদ্ধাৰ কৰিব পাৰিলে দেশখন দুখোজ আগুৱাই যাব তাত সন্দেহৰ অৱকাশ নাই। অৱশ্যে সুখৰ কথা এই যে এনে জটিল সমস্যাৰ আৱৰ্তত থাকিও মাজে-সময়ে বহু কন্যা সন্তানে কেৱল নিজৰ অঞ্চলকে নহয় সমগ্ৰ বিশ্ববাসীকে চমকিত কৰে। ই সকলোৰে বাবে আদৰণীয় ও অনুকৰণীয়।

**সামৰণি ঃ**

জৱহৰলাল নেহৰুৱে কৈছিল— " জনসাধাৰণক জাগ্ৰত কৰিবলৈ হ'লে নাৰীসকল প্ৰথমে জাগ্ৰত হৈ ওলাই আহিব লাগিব। নাৰীয়ে পৰিয়ালক নেতৃত্ব দিয়াৰ লগে লগে গাঁও তথা সমগ্ৰ দেশবাসীকে নেতৃত্ব দিব লাগিব।" নাৰীৰ পূৰ্বৰূপ কন্যা। এতেকে এনে কৰিবলৈ হ'লে কন্যা সন্তানসকলক সমস্যাৰ কুটিল চক্ৰৰ পৰা উলিয়াই আনিব লাগিব। জন্মৰ প্ৰাক ক্ষণৰ পৰা গ্ৰাম্য সমাজৰ কন্যা সন্তানসকলেও ল'ৰা সন্তানৰ সৈতে সম অধিকাৰ, সম মৰ্যদা পাব লাগিব। তাৰ বাবে শিক্ষিত সমাজ, বৌদ্ধিক মহল, নাৰী সমাজ আটাইয়ে সদল বলে মাৰ বান্ধি থিয় হোৱাৰ সময় যেন বহু পলম হৈ গ'ল। তথাপি Latter is better than never ক'বৰ দৰে এই ক্ষেত্ৰতো আৰু অধিক দুখোজ আগবাঢ়িলে আৰু গ্ৰাম্য সমাজৰ কন্যা সন্তানসকলে অপশাসনৰ দাসত্বৰ পৰা মুক্তি পালেহে ধৰিত্ৰী দেৱীৰ কোলাত সভ্যতাৰ প্ৰকৃত বা বলিব।

Refference :


সামাজিক সমস্যা আৰু কল্যাণ ঃ ড° জ্যোতিপ্ৰসাদ শইকীয়া

আধুনিক সমাজতাত্বিক বিশ্লেষণ ঃ ড° জ্যোতিপ্ৰসাদ শইকীয়া

অনুভূতি ঃ মাহেকীয়া আলোচনী, আগষ্ট সংখ্যা ২০১৫

Status of woman in India ঃ Dr. Kasin Ahmed

বিভিন্ন বাতৰিকাকত, আলোচনী ইত্যাদি।

# উচ্চ শিক্ষাৰ শিক্ষণ-শিকন প্ৰক্ৰিয়াত তথ্য প্ৰযুক্তিবিদ্যাৰ গুৰুত্ব

দিজিত ফুকন




**আৰম্ভণি ঃ** উচ্চ শিক্ষাৰ শিক্ষণ আৰু শিকন প্ৰক্ৰিয়াত তথ্য প্ৰযুক্তিবিদ্যাই সাম্প্ৰতিক কালত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। এই বিষয়ে বিতংকৈ আলোচনা আগবঢ়োৱাৰ আগতে প্ৰযুক্তি বিদ্যাৰ বিষয়ে উল্লেখ কৰা হৈছে। প্ৰযুক্তিবিদ্যাৰ ইংৰাজী প্ৰতিশব্দ হৈছে Technology। এই Technology শব্দটো গ্ৰীক ভাষাৰ Technic আৰু logio এই দুটা শব্দৰপৰা উৎপত্তি হৈছে। Technic মানে কলা বা কৌশল আৰু logio মানে বিজ্ঞান বা অধ্যয়ন। গতিকে শব্দগত বা ব্যুৎপত্তিগত দিশৰ পৰা প্ৰযুক্তিবিদ্যা বুলি ক'লে বিভিন্ন কলা বা কৌশল সম্পৰ্কে বিজ্ঞানসন্মতভাৱে কৰা অধ্যয়নকে বুজা যায়। প্ৰযুক্তিবিদ্যা হৈছে এনে এক কৰ্ম আঁচনি যাৰ সহায়ত ব্যক্তিয়ে পৰিৱেশৰ লগত সহজে খাপ খাব পাৰে, পৰিবৰ্তনশীল পৰিবেশত নিজকে খাপ খুৱাবলৈ নতুন চিন্তা কৰিব পাৰে আৰু নিজৰ ব্যৱহাৰৰ বাবে পৰিৱেশ নিয়ন্ত্ৰণ কৰিব পাৰে।

**গুৰুত্ব/আৱশ্যকতা ঃ** কিছু বছৰ আগৰপৰাই উচ্চ শিক্ষাৰ শিক্ষণ আৰু শিকন প্ৰক্ৰিয়াত তথ্য প্ৰযুক্তিবিদ্যাই যথেষ্ট অগ্ৰাধিকাৰ লাভ কৰিবলৈ সক্ষম হৈছে। এই ব্যৱস্থাৰ যোগেদি শিক্ষাদান কৰোঁতাসকলৰ আৰু শিক্ষাগ্ৰহণ কৰোঁতাসকলৰ যথেষ্ট সুবিধা হয়। তথ্য প্ৰযুক্তিবিদ্যাই শিক্ষাদান আৰু শিক্ষাগ্ৰহণ প্ৰক্ৰিয়াক অধিক সফল কৰি তুলিছে। যেনে— শিক্ষাদানত ব্যৱহৃত বিভিন্ন কাৰিকৰী কৌশল আৰু উদ্ভাৱন তথা উন্নীতকৰণ প্ৰক্ৰিয়া যেনে- দূৰদৰ্শন, কম্পিউটাৰ, টেপৰেকৰ্ডাৰ, ইণ্টাৰনেট আদি ব্যৱহাৰৰদ্বাৰা ছাত্ৰ-ছাত্ৰীৰ মন আকৰ্ষিত কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীৰ মনেযোগ বৃদ্ধি পায়। তথ্য প্ৰযুক্তিবিদ্যাৰ বিভিন্ন মাধ্যম যেনে- কম্পিউটাৰ, ইণ্টাৰনেট আদিৰ সহায়ত অতি কম সময়ৰ ভিতৰতে প্ৰয়োজনীয় বা বাতৰি, জ্ঞান-অভিজ্ঞান আদি আদান প্ৰদানৰ যোগেদি আন্তঃৰাষ্ট্ৰীয় যোগাযোগ স্থাপন কৰি গোটেই বিশ্বখনকে এখন সৰু গাঁও সদৃশ কৰাত সহায় কৰিছে। ফলত শিক্ষক আৰু শিক্ষাৰ্থীসকলে শিক্ষাৰ ক্ষেত্ৰত দ্ৰুতগতিত উপকৃত হ'বলৈ সক্ষম হৈছে। তথ্য প্ৰযুক্তিবিদ্যা তথা ন ন কলা-কৌশল প্ৰয়োগ কৰি বৰ্তমান শিক্ষা ব্যৱস্থাত শিক্ষাদান আৰু শিক্ষা গ্ৰহণ প্ৰক্ৰিয়াক বিজ্ঞানভিত্তিক কৰি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। অৰ্থাৎ ই বিভিন্ন বিজ্ঞান তত্ত্ব উদ্‌ঘাটন কৰি শিক্ষাদান শিক্ষা গ্ৰহণৰ সময় আৰু প্ৰচেষ্টা মিতব্যয়ী কৰি তোলা আৰু শিক্ষাৰ প্ৰাপ্তি আৰু পৰিণতি উন্নত কৰি তোলাৰ জড়িয়তে শিক্ষাৰ সামগ্ৰিক দিশত বৈজ্ঞানিক ভিত্তি প্ৰদান কৰিছে।

তথ্য প্ৰযুক্তিবিদ্যাই শিক্ষাৰ উদ্দেশ্যসমূহ নিখুত আৰু নিৰ্দিষ্ট আচৰণ শব্দত চিনাক্ত কৰা আৰু বৰ্ণনা কৰাত সহায় কৰে। ই কেনেকৈ, কেনেধৰণৰ আৰু কোন স্তৰৰ কাৰ্য সম্পাদন কৰিব লাগে তাৰ পৰিষ্কাৰ ধাৰণা প্ৰদান কৰে। তথা প্ৰযুক্তিবিদ্যাই শিক্ষাৰ উদ্দেশ্যসমূহ চিনাক্ত কৰি ইয়াক সু-নিৰ্দিষ্টভাৱে প্ৰয়োগৰদ্বাৰা শিক্ষাৰ্থীৰ বাঞ্চিত আচৰণ প্ৰকাশ কৰাত সহায় কৰে। ইয়াৰ উপৰিও ই শিক্ষা পৰিচালনাৰ বাবেও উপযুক্ত শিক্ষাদান কৌশল ৰচনা তথা উদ্ভাৱন কৰা, শিক্ষকক অৰ্থযুক্ত, মানবিশিষ্ট আৰু যথোপযুক্ত শিক্ষাদান পদ্ধতি আৰু সেইসমূহৰ প্ৰয়োগ কৌশল নিৰ্বাচন কৰাত সহায় কৰে। এই প্ৰযুক্তিবিদ্যাই শিক্ষাদান শিক্ষা গ্ৰহণ প্ৰক্ৰিয়াৰ কাৰ্যদক্ষতা আৰু ফলপ্ৰসু উন্নয়নত সহায় কৰিছে। ই শিক্ষাৰ্থীক কম সময়ৰ ভিতৰত, কম খৰচত লক্ষ্যত উপনীত হোৱা আৰু শিক্ষাৰ্থীৰ সংখ্যা অনুপাতে শিক্ষকৰ সামৰ্থ্য আৰু গুণগত মান বৃদ্ধিত সহায় কৰিছে। এই প্ৰযুক্তিবিদ্যাই উচ্চ শিক্ষাৰ শিক্ষণ আৰু শিকন প্ৰক্ৰিয়াক শিক্ষাদান, শিক্ষাগ্ৰহণ সূত্ৰ আৰু লেখ অনুসৰি প্ৰণালীবদ্ধ আৰু পদ্ধতিগতভাৱে বিশ্লেষণ কৰি ইয়াৰ ফলপ্ৰসূতা বৃদ্ধিত সহায় কৰে আৰু তথ্যপ্ৰযুক্তিবিদ্যাই ইয়াৰ বিভিন্ন যান্ত্ৰিক বৌদ্ধিক আৰু পদ্ধতিগত পন্থা ব্যৱহাৰ কৰি শিক্ষাৰ গুণগত মান উন্নত কৰিছে। বৰ্তমান উচ্চ শিক্ষাৰশ্ৰেণীবিলাকত বিভিন্ন ঠাইৰপৰা বিভিন্ন ছাত্ৰ-ছাত্ৰীসকল আহি এটা শ্ৰেণীকোঠাত সমবেত হয়হি। এটা

শ্ৰেণীকোঠাত এজন শিক্ষকে তিনি-চাৰিশ ছাত্ৰ-ছাত্ৰীক চিঞৰি বুজাই থকাতো সম্ভৱ নহয়। এইক্ষেত্ৰত প্ৰযুক্তিবিদ্যাৰ সঁজুলি মাইক্ৰ'ফোন ব্যৱহাৰ কৰি শ্ৰেণীকোঠাত শিক্ষাদান কৰিলে শিক্ষকজনৰো কিছু সুবিধা হব আৰু সকলো ছাত্ৰ-ছাত্ৰীয়ে শুনাত আৰু বুজাত অসুবিধা নহব। যেতিয়া শব্দবিলাক স্পষ্টভাৱে শুনিব আৰু তেতিয়া সিহঁতৰ মনোযোগ বৃদ্ধি পাব। এনেবোৰ দিশতে প্ৰযুক্তিবিদ্যাৰ গুৰুত্ব আৰু প্ৰয়োজনীয়তা বৃদ্ধি পাইছে।

তথ্য প্ৰযুক্তিবিদ্যাই শিক্ষাৰ নিৰ্দ্ধাৰিত লক্ষ্যত উপনীত হ'বৰ বাবে আধুনিক গতিশীল তথা বিজ্ঞানসন্মত শিক্ষা ব্যৱস্থাত শিক্ষাদানৰ মাধ্যম, শ্ৰৱণ-দৰ্শন, সঁজুলি আৰু অন্যান্য শিক্ষণ সমগ্ৰীবোৰ উন্নত কৰি তোলাৰ লগতে শিক্ষাৰ্থীৰ মনোগ্ৰাহী হোৱাকৈ উপযুক্তভাৱে নিৰ্বাচন আৰু যথোচিতভাৱে প্ৰয়োগ কৰাত বিশেষ গুৰুত্ব আৰোপ কৰে। তদুপৰি ই কম্পিউটাৰ, ইণ্টাৰনেট, দূৰদৰ্শন, ৰেডিঅ' কেছেট, শৈক্ষিক উপগ্ৰহ, ডিজিটেল লাইব্ৰেৰী ইত্যাদিৰদ্বাৰা শিক্ষণ সামগ্ৰীৰ বিকাশ সাধনত সহায় কৰে। শৈক্ষিক প্ৰযুক্তিবিদ্যাই বৰ্তমানৰ যোগাযোগ প্ৰক্ৰিয়াৰ অধিক উন্নতিৰ বাবে গৱেষণাৰ পথ মুকলি কৰা, নতুন নতুন শিক্ষণ সামগ্ৰিক শিক্ষা ব্যৱস্থাত প্ৰয়োগ কৰা আদিৰ জড়িয়তে শিক্ষা ব্যৱস্থালৈ এক আমোল পৰিৱৰ্তন অনাৰ লগতে নতুন নতুন কলা কৌশলযুক্ত পৰিৱেশৰ মাজেদি শিক্ষাৰ্থীক গুণগত আৰু স্বাৱলম্বী শিক্ষা প্ৰদানত বিশেষ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। যাৰ বাবে ইয়াৰ গুৰুত্ব আৰু আৱশ্যকতা দিনক দিনে বৃদ্ধি পাই আহিছে।

তথ্য প্ৰযুক্তিবিদ্যাই বিভিন্ন বৈদ্যুতিন মাধ্যম আৰু গণ মাধ্যমসমূহৰ যোগেদি শিক্ষাৰ্থী তথা ব্যক্তিক জীৱনজোৰা আৰু অবিৰত শিক্ষা প্ৰদান কৰাত সহায় কৰে। এই ব্যৱস্থাই শিক্ষাৰ্থী তথা ব্যক্তিক নতুন নতুন জ্ঞান আৰু কৌশল লাভ কৰি নিজকে দক্ষ, উপযুক্ত, জ্ঞানী তথা কৌশলী হিচাপে গঢ়ি লোৱাৰ সুযোগ প্ৰদান কৰিছে। উদাহৰণস্বৰূপে সাম্প্ৰতিক সময়ত গণমাধ্যমৰ উৎস ৰেডিঅ'ৰ যোগে প্ৰচাৰিত 'বিদ্যাৰ্থী অনুষ্ঠান'ত নিতৌ ন ন জ্ঞান-বিজ্ঞানৰ কথা আলোচনা কৰাৰ যোগেদি প্ৰায় ছাত্ৰ-ছাত্ৰীৰে মগজুৰ বিকাশ সাধন হৈছে। তথ্য প্ৰযুক্তিবিদ্যাই শিক্ষাৰ্থী তথা ব্যক্তিক শিক্ষণীয় সঁজুলিসমূহ নিজ হাতে প্ৰয়োগ কৰি তথা নিজৰ ব্যক্তিগত ক্ৰিয়া প্ৰচেষ্টাৰে আৰু নিজ শক্তিৰ ক্ষমতাৰে শিক্ষা আহৰণত সহায় কৰে। তথ্য প্ৰযুক্তিবিদ্যাই শিক্ষাৰ্থীৰ ব্যক্তিগত বিভিন্নতা তথা পাৰ্থক্যৰ প্ৰতি লক্ষ্য ৰাখি শ্ৰেণীকোঠাত শিক্ষকে উপযুক্তভাৱে শিক্ষাদান কৰাত সহায় কৰে। অৰ্থাৎ ই শিক্ষাৰ্থীৰ যোগ্যতা, সামৰ্থ, আহৰণ ক্ষমতা, বুদ্ধি আদি বিভিন্ন দিশৰ প্ৰতি লক্ষ্য ৰাখি তেওঁলোকক ব্যক্তিগতভাৱে যথোপযুক্ত নিৰ্দেশনা প্ৰদান কৰাত সহায় কৰে। প্ৰযুক্তিবিদাৰ সহায়ত শিক্ষাৰ ক্ষেত্ৰত শিক্ষানুষ্ঠানসমূহে সন্মুখীন হোৱা বৰ্দ্ধিত জনসংখ্যাৰ সমস্যা বিজ্ঞানভিত্তিকভাৱে সমাধান কৰি শিক্ষাক গতিশীল আৰু অধিক ফলপ্ৰসূ কৰি তুলিব পাৰে। মুঠৰ ওপৰত উচ্চ-শিক্ষাৰ শিক্ষণ আৰু শিকন প্ৰক্ৰিয়াত তথ্য প্ৰযুক্তিবিদ্যাৰ গুৰুত্ব অপৰিসীম আৰু এই প্ৰক্ৰিয়াত ইয়াৰ অতি আৱশ্যকতা আছে।

শ্ৰেণীকক্ষৰ সফল সংযোগে শিক্ষণীয় বিষয়ৰ সকলো দিশৰ জ্ঞান আহৰণৰ প্ৰতি শিক্ষাৰ্থীৰ মনোযোগ আকৰ্ষিত কৰে আৰু তেওঁলোকক অভিৰুচিত কৰি তোলে। তথ্য-প্ৰযুক্তিবিদ্যাৰ ব্যৱহাৰত শিক্ষণীয় বিষয়বস্তুৰ প্ৰতি শিক্ষাৰ্থীৰ আগ্ৰহ বৃদ্ধি কৰে আৰু শিক্ষাৰ্থীৰ আচৰণ পৰিৱৰ্তন ঘটায় আৰু তেওঁলোকক সঠিক আৰু সাৰ্থক দিশেৰে গতি কৰাত সহায় কৰে। ইয়াৰ উপৰিও এই প্ৰক্ৰিয়াই শিক্ষক শিক্ষাৰ্থীৰ মাজত এক আন্তৰিক সহযোগিতা বজাই ৰখাত সহায় কৰে আৰু শিক্ষক আৰু শিক্ষাৰ্থীৰ মাজত এক মানৱীয় সম্পৰ্ক গঢ়ি তোলাত সহায় কৰে।

তথ্যপ্ৰযুক্তিবিদ্যাই শিক্ষাৰ্থীৰ শ্ৰৱণ-দৰ্শন উভয় ইন্দ্ৰিয়কে উজ্জীৱিত কৰি শিক্ষণীয় বিষয়বস্তু সম্বন্ধে সহজে প্ৰত্যয় বা ধাৰণা গঠনত সহায় কৰে। তদুপৰি প্ৰযুক্তিবিদ্যাই অতি তীক্ষ্ণ বুদ্ধিসম্পন্ন তথা প্ৰতিভাশালী ছাত্ৰ-ছাত্ৰীক তেওঁলোকৰ চাহিদা অনুসৰি জ্ঞান আহৰণ কৰাত বিশেষভাৱে সহায় কৰি আহিছে। দূৰদৰ্শনৰ যোগেদি শিক্ষাৰ্থীয়ে পৃথিৱীৰ আচৰিত বস্তু, বিভিন্ন প্ৰান্তত বসবাস কৰা লোকসকলৰ জীৱন ধাৰণৰ প্ৰণালী, সমাজ ব্যৱস্থা, সাংস্কৃতিক দিশ, অৰ্থনৈতিক দিশ, খাদ্যাভ্যাস, কৰ্মসংস্কৃতি ইত্যাদিৰ লগত চিনাকি হ'ব পাৰে। তথ্য প্ৰযুক্তিবিদ্যাই শিক্ষক আৰু শিক্ষাৰ্থীক শিক্ষণ-শিকন পদ্ধতি সম্পৰ্কীয় নতুন নতুন কলা কৌশল আয়ত্ব কৰাত সহায় কৰে। অৰ্থাৎ কৌশলগত শিক্ষা আহৰণৰ বাবে ই অতি উপকাৰী।

সামৰণি ঃ

বিজ্ঞান আৰু প্ৰযুক্তিবিদাৰ দ্ৰুত অগ্ৰগতি আৰু বিজ্ঞানসন্মত কাৰিকৰি কলা-কৌশল প্ৰয়োগৰ জৰিয়তে শিক্ষাৰ্থীৰ ৰুচি-অভিৰুচি অনুযায়ী শিক্ষাদান, শিক্ষক আৰু শিক্ষাৰ্থীৰ সান্নিধ্যলৈ চপাই অনা, কম সময়ৰ ভিতৰত ন ন খবৰ আৰু তথ্যৰ যোগান ধৰা, শিক্ষাদান আৰু বিষয়বস্তু উপস্থাপনত সন্মুখীন হোৱা সমস্যাসমূহ সমাধান কৰা, সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক সচেতনতা বৃদ্ধি কৰা ইত্যাদি দিশৰ বিকাশ সাধন কৰি শিক্ষা জগতখনক নৱ-নতুনত্ব সমন্বয়থলী হিচাপে গঢ়ি তুলিছে। শিক্ষা আৰু প্ৰযুক্তিবিদ্যা এই দুয়োটা বিষয়ৰ সংযোগ সাধন কৰি শিক্ষক-শিক্ষাৰ্থীৰ শিক্ষাদান, শিক্ষাগ্ৰহণ প্ৰক্ৰিয়াক বিজ্ঞানভিত্তিকভাৱে প্ৰণালীবদ্ধ কৰি তোলা বিষয়টোৱেই হৈছে তথ্য প্ৰযুক্তিবিদ্যা। তথ্যপ্ৰযুক্তিবিদ্যা বুলিলে উন্নত আৰু কাৰিকৰী সা-সৰঞ্জাম ব্যৱহাৰ কৰি লাভ কৰা এক প্ৰায়োগিক বিদ্যা, যি কাৰিকৰী কৌশল প্ৰয়োগ কৰি শিক্ষাদান শিক্ষাগ্ৰহণ প্ৰক্ৰিয়াক ভৱিষ্যৎ জীৱনৰ বাবে প্ৰস্তুত কৰি তোলা হয়। গতিকে শিক্ষণৰ বাবে ব্যৱহাৰ কৰা কাৰিকৰী সা-সৰঞ্জাম প্ৰণালীবদ্ধ আৰু বিজ্ঞানসন্মত তথা পদ্ধতিগত প্ৰায়োগিক কৌশলকে প্ৰযুক্তিবিদ্যা বোলা হয়। মুঠৰ ওপৰত উচ্চ শিক্ষাৰ শিক্ষণ-শিকন প্ৰক্ৰিয়াত প্ৰযুক্তিবিদ্যাই যথেষ্ট অৰিহণা যোগাইছে আৰু উচ্চ শিক্ষাৰ ক্ষেত্ৰত সমাদৰ লাভ কৰিছে।

<u>সহায়ক গ্ৰন্থ ঃ</u>

স্নাতক মহলাৰ, শৈক্ষিক প্ৰযুক্তিবিদ্যা —তৰুণ শইকীয়া আৰু ৰুণু বৰা শইকীয়া

❖❖❖

# অসমৰ সংবাদ মাধ্যম আৰু জনসাধাৰণৰ আকাংক্ষা

**পল্লৱী কোঁৱৰ**

**প্রস্তাৱনা ঃ** মানুহৰ জনাৰ আগ্ৰহ বা কৌতুহলৰ কোনো সীমা নাই। এই কৌতুহল এতিয়া একোটি নিৰ্দিষ্ট গাঁও অঞ্চলত সীমাবদ্ধ হৈ নাথাকি ধাৱিত হৈছে এখন ৰাজ্যলৈ আৰু ৰাজ্যৰ পৰা দেশ, দেশান্তৰ বিশ্বৰ বিভিন্ন প্ৰান্তলৈ। মানুহৰ এনে অন্তহীন কৌতুহলৰ ওপৰত ভিত্তি কৰিয়েই আবিৰ্ভাৱ হৈছে সংবাদ পত্ৰ বা অন্যান্য সংবাদ মাধ্যমৰ। সংবাদ মাধ্যমক সংজ্ঞাৱদ্ধ কৰিবলৈ গ'লে ক'ব লাগিব যে, যিবোৰ বিষয়ে সমাজৰ এক বৃহৎ সংখ্যক লোকক কৌতুহলী কৰি তোলে আৰু যিবোৰ বিষয়, কথা, ঘটনাই পূৰ্বতে কেতিয়াও তেওঁলোকৰ দৃষ্টি আকৰ্ষণ কৰা নাছিল, সেয়ে সংবাদ।

সংবাদ হৈছে কিছুমান ঘটনা চিন্তা ভাৱনা বা মতামত, যিবোৰৰ যোগেদি সমাজৰ একোটা বৃহৎ অংশ কিবা নহয় কিবা প্ৰকাৰে প্ৰভাৱিত হয়; যাৰ প্ৰতি সাধাৰণ পাঠক আগ্ৰহী হৈ উঠে আৰু যি বোৰ বিষয়ৰ প্ৰতি মানুহে নপঢ়া বা নেদেখা পৰ্যন্ত অজ্ঞ হৈ থাকে।

সাধাৰণ ভাৱে চাবলৈ গ'লে জীৱন সম্পৰ্কে আগ্ৰহ জন্মাব পৰা সৰু-বৰ সকলো ঘটনাই সংবাদ। সমাজৰ বৃহৎ অংশত এটা আকৰ্ষণ কৰিব পৰা কোনো ব্যক্তি, বস্তু বা বিষয়ৰ যিমান ধৰণৰ বহিঃপ্ৰকাশ সম্ভৱ, সেই আটাইবোৰেই সংবাদ।

**সংবাদ মাধ্যমৰ ভূমিকা ঃ** সম্প্ৰতি অসমৰ সংবাদ মাধ্যমৰ ভূমিকা অনেক। সেয়েহে ইয়াৰ গুৰুত্ব জনসাধাৰণৰ মাজত অনেক পৰিলক্ষিত হয়। যিহেতু সংবাদ মাধ্যমক গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ বুলিও কোৱা হয়। ৰাইজৰ সপক্ষে তথা সমাজৰ শান্তি শৃংখলা অটুত ৰখা স্বাৰ্থত বাস্তৱিকতে সামগ্ৰিক প্ৰেক্ষাপটৰ বাতৰি পৰিৱেশন কৰি প্ৰকৃত গণতান্ত্ৰিক পথৰ সম্ভেদ দিয়ে আৰু নিৰপেক্ষভাৱে গণতান্ত্ৰিক আদৰ্শৰ প্ৰতি ৰাইজক সচেতন কৰাই সংবাদ মাধ্যমৰ দায়িত্ব। অনস্বীকাৰ্য যে, গণতান্ত্ৰিক দেশ এখনৰ শাসন ব্যৱস্থাত সংবাদ মাধ্যমৰ গুৰুত্ব অপৰিসীম। যোগাযোগৰ শক্তিশালী মাধ্যম হিচাপে সংবাদ মাধ্যমসমূহ সদায় মুক্ত, নিৰপেক্ষ, স্পষ্ট আৰু সত্যৰ ওপৰত প্ৰতিষ্ঠিত হোৱাটো বাঞ্চনীয়। সংবাদ মাধ্যম হৈছে চৰকাৰ আৰু সাধাৰণ ৰাইজৰ মাজৰ যোগসূত্ৰস্বৰূপ।

**জনসাধাৰণৰ আকাংক্ষা ঃ** আশীৰ দশকৰ শেষৰপৰা অসমত সংবাদ পত্ৰৰ সংখ্যা বাঢ়িবলৈ ধৰে। এই মুহূৰ্তত অসমীয়া ভাষাত 'দৈনিক কাকতৰ সংখ্যা হ'ল দহখন। মন কৰিবলগীয়া যে, সৰু ৰাজ্য এখনত ইমান কাকতৰ প্ৰয়োজন আছেনে? ইফালে কাকতগোষ্ঠীসমূহে কাকত উলিয়াই আছে, এই ক্ষেত্ৰত অসমত কাকত পঢ়ুৱৈ সংখ্যা এক প্ৰকাৰ বাঢ়িছে বুলিও ক'ব পাৰি। এতেকে কাকতৰ সংখ্যা বৃদ্ধিয়ে পঢ়ুৱৈ সংখ্যাৰ বৃদ্ধিত সহায় কৰিছে, এই বিষয়ে বোধকৰো কোনো সন্দেহ নাই।

কাকতৰ সংখ্যা বৃদ্ধিয়ে অসমৰ নগৰে-চহৰে, গাঁৱে-ভূঞে অসংখ্য লোকক সংবাদ সেৱাৰ লগত আৰু সংবাদ পত্ৰৰ ব্যৱসায়ীৰ লগত জড়িত হোৱাৰে সুযোগ উলিয়াই




দিছে। স্থানীয় সংবাদদাতা, অভিকৰ্তা, হকাৰ আদি বৃত্তিয়ে অনেকৰ বাবে আত্ম সংস্থাপনৰ বাটো মোকলাই দিছে। সন্দেহ নাই সংবাদপত্ৰসমূহে ৰাজ্যখনৰ অতি ভিতৰুৱা ঠাইকো পাঠকৰ ওচৰলৈ লৈ আহিছে। ৰাজ্যখনৰ ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক বিভিন্ন সৰু-বৰ বিষয়, ঘটনা বা সমস্যা দাঙি ধৰিছে আৰু সমস্যাবোৰ সমাধানৰ কথা ভাবিবলৈ মানুহক মানসিকভাৱে বাধ্য কৰিছে। অসমৰ সংবাদ পত্ৰই এই ইতিবাচক দিশবোৰ নিশ্চয় বিবেচনাযোগ্য। কিন্তু অসমৰ জনসাধাৰণে সংবাদ পত্ৰসমূহৰপৰা বাঞ্ছা কৰা অনেক দিশ আছে যিবোৰ দিশ বা বিষয়ৰ কথা সংবাদ পত্ৰসমূহে বিবেচনা কৰিব লাগিব।

সংবাদ পত্ৰৰ ঘাই লক্ষ্য হ'ল সমাজ জীৱনত ঘটা ঘটনাসমূহৰ খবৰ দিয়া। এটা অবাঞ্চনীয়, অভাৱনীয় ঘটনা, দুৰ্নীতি বা তেনে কোনো বিষয়ৰ সংবাদ নিশ্চয় সাংবাদিকে সংগ্ৰহ কৰিব; কিন্তু তাৰ অৰ্থ এইটো নহয় যে ব্যক্তিগত ভালপোৱা-বেয়াপোৱাৰদ্বাৰা পৰিচালিত হৈ কাৰোবাৰ সপক্ষে বা বিপক্ষে সংবাদ পত্ৰ ব্যৱহাৰ কৰিব। কোনো বিষয়ৰ ক্ষুধাৰ সমালোচনা কৰাৰ অধিকাৰ সংবাদ পত্ৰ নিশ্চয় আছে, কিন্তু তেনে সমালোচনা সংবাদৰ মাজত থকাটো অবাঞ্চনীয়। তাৰ বাবে বেলেগ পৃষ্ঠা বা স্তম্ভ ব্যৱহাৰ কৰাৰ সুবিধা আছে। সকলো বিষয়কে নেতিবাচক দৃষ্টিভংগীৰে চোৱা এটা অত্যন্ত ক্ষতিকাৰক প্ৰৱণতা অসমীয়া সংবাদ মাধ্যমলৈ সোমাই অহা চকুত পৰিছে। বিশেষকৈ এই প্ৰৱণতা সাংবাদিক সকলে ৰোধ কৰিব নোৱাৰিলে স্বাস্থ্য হানি হ'বলৈ আন কোনো ৰোগৰ বাবে বাট চাবই নালাগে।

অসমীয়া সংবাদ পত্ৰৰ জগতত অন্য এক ৰোগ হিচাপে চিহ্নিত কৰিব পাৰি সহযোগী কাকতক আক্ৰমণ কৰাৰ প্ৰৱণতা। এনে প্ৰৱণতাই পৰিৱেশ প্ৰদূষণ কৰা দেখা যায়। তদুপৰি দেশ আৰু সমাজৰ জীৱনধাৰাক শুদ্ধ পথেৰে পৰিচালিত কৰাত থকা সাংবাদিকৰ মহান দায়িত্বৰ কথা আজিৰ বেছিভাগ সাংবাদিকেই বুজি পোৱা নাই বুলি সচেতন মহলত প্ৰকাশ। আনফালে একাংশ সংবাদ পত্ৰতে ভুল বাতৰি, অতিৰঞ্জিত বাতৰি, উদ্দেশ্য প্ৰণোদিত বাতৰি, ঠাহ খোৱা পৰিলক্ষিত হয়। একাংশ সাংবাদিকে আকৌ দেখুওৱা চূড়ান্ত দায়িত্বহীনতাই সাংবাদিকতাৰ দৰে পৱিত্ৰ বৃত্তিক কলুষিত কৰা দেখা গৈছে। দিনৰ পিছত দিন ধৰি অতিৰঞ্জিত মিছা আৰু কুৰুচিপূৰ্ণ সংবাদে আমাৰ সহনশীলতা সীমা অতিক্ৰম কৰিছে। এই ক্ষেত্ৰত চাবলৈ গ'লে একোটি পৰিশীলন পাঠ্যক্ৰমৰদ্বাৰা এচাম সাংবাদিকক পৰিশীলন কৰা উচিত নহ'লে অদূৰ ভৱিষ্যতে অৱস্থা ভয়াবহ হ'ব। নগেঁ গড়গাঁৱৰ বাতৰি দিয়া কাৰ্য্য, শান্ত পৰিৱেশৰ মাজত ফিৰিঙতি সিঁচিবলৈ কৰা প্ৰচেষ্টা নিশ্চিতভাৱে ক্ষমাৰ অযোগ্য। অসমৰ জনসাধাৰণে এনেধৰণৰ সংবাদৰপৰা পৰিত্ৰাণ বিচাৰে।

**উপসংহাৰঃ**

সংবাদ মাধ্যমত জড়িত ব্যক্তিসকল মাজতেই এক বৌদ্ধিক আন্দোলনৰ প্ৰয়োজন হৈছে। অসমত বৰ্ত্তমান সাংবাদিক আৰু সংবাদ পত্ৰৰ পৰিমাণ বৃদ্ধি পাইছে যদিও গুণগত মান বৃদ্ধি পোৱা নাই। প্ৰয়োজন হৈছে গুণগত মানৰ বিকাশহে, পৰিমাণ বৃদ্ধি নহয়। ৰাজ্যখনৰ সকলো স্তৰতে সোমাইপৰা অৱক্ষয় অন্ততঃ সংবাদ মাধ্যমৰপৰা আঁতৰ কৰা অতি প্ৰয়োজন। কিয়নো সংবাদ মাধ্যমৰ সুস্থ বিকাশৰ ওপৰতে দেশ বা ৰাজ্যখনৰ ভৱিষ্যতো বহু পৰিমাণে নিৰ্ভৰ কৰে। সংবাদ পত্ৰ আৰু সংবাদ সেৱাক ৰাইজে গভীৰ শ্ৰদ্ধাৰে আজিও চাই আছে। সেই শ্ৰদ্ধা অটুত ৰখাৰ দায়িত্ব সংবাদসেৱী সকলৰ। বাতৰি প্ৰেৰণ কৰি সমাজত আবেগৰ বতাহ গৰম কৰা (Sensation) সৃষ্টি কৰাই সংবাদসেৱীসকলৰ উদ্দেশ্য হ'ব নালাগে। অনাগত সমাজত অখণ্ড প্ৰভাৱ পেলাব পৰা একোটা বাতৰি প্ৰয়োজন সাপেক্ষে বৰ্জন কৰাই প্ৰয়োজন। সংবাদ পত্ৰসমূহে কঠোৰভাৱে আত্ম সমালোচনা কৰি নিজৰ পথ প্ৰশস্ত কৰিব পাৰিলেহে দেশ তথা ৰাজ্যত প্ৰভূত উপকাৰ সাধন কৰিব পাৰিব। জনসাধাৰণে তেনে সংবাদ পত্ৰৰ মাজত ভৱিষ্যতে পোহৰৰ উৎস বিচাৰি পোৱাৰ আকাংক্ষা থাকে।

সহায়ক গ্ৰন্থপঞ্জীঃ—

শইকীয়া, নগেন ঃ বিষয় ঃ সাংবাদিকতা
কলিতা, সংগীতা ৰাণী ঃসাংবাদিকতাৰ লক্ষ্মণৰেখা

❖❖❖

# PRESENT EDUCATION SYSTEM AND ITS RELEVANT

**Bina Kardong**

Education is the imparting and acquiring of knowledge through teaching and learning, especially at a school or similar institution. The earliest educational processes involved sharing information about gathering food and providing shelter, making weapons and other tools, learning language and acquiring the values, behaviour and religious sites or practices of a given culture. Before the invention of reading and writing people lived in an environment in which they struggled to survive against natural forces, animals and other humans. To survive, preliterate people developed skills that grew into cultural and educational patterns.

Education developed from the human struggle for survival and enlightenment. It may be formal or informal. Informal education refers to the general social process by which human beings acquire the knowledge and skills needed to function in their culture. Formal education refers to the process by which teachers instruct students in course of study within institutions.

Talking of the modern day education, one feels proud of saying yes I am an educated person. Formally or in-formally all of us are educated.

Education is equipping with knowledge. The overall development of mind, body and soul is the real education. Carter G. Woodson once said "For me, education means to inspire people to live more abundantly, to learn to begin with life as they find it and make it better".

Present day education is aided with a variety of technology, computers, projectors, internet and many more. Diverse knowledge is being spread among the people. Everything that can be simplified has been made simpler. Science has explored every aspect of life. There is much to learn and more to assimilate. Internet provides knowledge. There is no end to it. One can learn everything he wishes to. Every topic has developed into a subject.

Now we have good and learned teachers to impart us with knowledge of what they know. Every one is a master in his field. Presently our education is based on making us the best in our area of interest, to help as reach our goals and easily. Whatever we are getting educated day by day and what's good about is that it's an ever ending process. Rightly said by Aristotle, "Education is an ornament in prosperity and a refuge in adversity" is what everybody feels now.

Well, that was the positive side, but every story has two telling of all the virtue, our education system has developed into more schooling now. New trends are being developed which are for more a baloney that boon. Albert Einstein once said "Education is that which remains if one has forgotten everything one learned in school."


Firstly education is confined to schools and colleges. It has become a process of spoon feeding. "Spoon feeding in the long run teaches us nothing but the shape of the spoon" were the words of E.M. Forster.

Secondly, an art can only be learned from a workshop of those who are earning their bread from it. Modern education has spread more ignorance than knowledge. Most of the women even don't know, where the fabric they are wearing, came from. The word 'How' is missing, in our world which causes ignorance. Our schooling does not leave us with time to get educated. Mark Twain once said that "I have never let my schooling interfere with my education". Our normal routine has become to wake up early, brush up their minds with light reading go to school, then go to tuition and finally come home and do the homework.

Finally our education is producing machines out of pupil. They read books, they speak books and they do books. Discussing in class lead to complications, which remains as confusions for a life time it left untreated. Vladimi Nabokov, an U.S. critic, poet and novelist says "Discussion in class, which means letting twenty young blockheads and two cocky neurotics disuses something that neither their teacher not they know".

So, it's a matter of debate that our education system is fallacious or fair.

# শংকৰ গুহ নিয়োগী আৰু শ্বহীদ হস্পিতাল



**তুলতুল ফুকন**

চৰকাৰৰ পৃষ্ঠপোষকতাত ডাঙৰ ডাঙৰ অনুষ্ঠান প্ৰতিষ্ঠানৰ নিৰ্মাণ হৈছে। কেতিয়াবা পুঁজিপতিৰ বৃহৎ ধনৰ ব্যয়েৰেও নিৰ্মিত আৰু পৰিচালিত হৈছে বৃহৎ বৃহৎ অনুষ্ঠান। কিন্তু শ্ৰমিকৰদ্বাৰা নিৰ্মিত আৰু শ্ৰমিকৰদ্বাৰা পৰিচালিত অনুষ্ঠান বিৰল। তেনে এক ব্যতিক্ৰমী অনুষ্ঠান হ'ল শ্বহীদ হস্পিতাল। সমাজৰ তথাকথিত নিম্নশ্ৰেণী শ্ৰমিকৰ ধনেৰে আৰু কঠোৰ পৰিশ্ৰমেৰে নিৰ্মিত শ্ৰমিকৰ সংগ্ৰামী জীৱনৰ ফচল এই হস্পিতাল ছত্তিছগড়ৰ দূৰ্গ জিলাৰ দিল্লী ৰাজহৰা অঞ্চলত অৱস্থিত।

দিল্লী ৰাজহৰাৰ বৃহৎ অঞ্চলত লোৰ খনি আৰু ভিল্লাই ষ্টীল প্লেণ্টত কাম কৰা শ্ৰমিকসকলে তেওঁলোকৰ প্ৰাপ্য অধিকাৰৰপৰা বঞ্চিত হৈ আহিছিল। আনকি কঠোৰ পৰিশ্ৰম কৰা শ্ৰমিকসকল

সু-চিকিৎসাৰপৰাও বঞ্চিত হৈছিল। ভিল্লাইৰ যি চৰকাৰী হস্পিতাল আছিল তাত তেওঁলোক যথেষ্ট অৱহেলিত আছিল। নিম্নশ্ৰেণীৰ নাগৰিক হিচাবে তেওঁলোকক গণ্য কৰা হৈছিল। শ্ৰমিকৰ বাবে উন্নত চিকিৎসা পোৱাটো দূৰৈৰ কথা, চিকিৎসালয়ত ভাল ব্যৱহাৰ পোৱাটোও দূৰূহ আছিল। এবাৰ শ্ৰমিক সমাজৰ অগ্ৰণী নাৰী কুসুমাবাইৰ প্ৰসূতি ৰোগত মৃত্যু হয়। সেয়া সংঘটিত হৈছিল কেৱল চৰকাৰী চিকিৎসালয়ৰ কৰ্মচাৰীৰ অৱহেলাত। কুসুমাবাইৰ মৃত্যুৱে শ্ৰমিকৰ মাজত ক্ষোভৰ উদ্গীৰণ ঘটালে। অৱশেষত তেওঁলোকে মজদূৰৰ শ্ৰমেৰে, মজদূৰৰ ধনেৰে, মজদূৰৰ বাবে এক হস্পিতাল নিৰ্মাণ কৰাৰ সিদ্ধান্ত ললে। শ্ৰমিকৰ দৈনিক হাজিৰাৰ দানেৰে ১৯৮৩ চনত ১৫ খন বিচনাৰে এখন সৰু ডিচপেন্সৰী আৰম্ভ কৰে। যেতিয়া এই শ্ৰমিকসকলৰ কাষলৈ সহায়ৰ মনোভাৱেৰে ডাঃ শৈৱাল জানা, বিনায়ক সেন, আশীষ কুণ্ড আদি চিকিৎসক আহিল তেতিয়া শ্ৰমিকসকলৰ মনত দুগুণ উৎসাহ বাঢ়িল। যাৰ ফলত সৰু ডিচপেন্সৰীখন শ্ৰমিকৰ ব্যয়েৰেই ১৯৯২ চনত ৫০ খন বিচনাযুক্ত আৰু ২০০৬ চনত ১০০ খন বিচনাযুক্ত বৃহৎ হস্পিতাললৈ পৰিণত হ'ল। অপাৰেচন থিয়েটাৰকে আদি কৰি পেথ'লজী, প্ৰসূতিকক্ষ আদি সুলভ মূল্যত ঔষধ পাতিৰো ব্যৱস্থা হ'ল। এই হস্পিতালত ৰোগীৰ সকলোধৰণৰ শুশ্ৰূষা শ্ৰমিকসকলেই কৰিছিল।

শ্ৰমিকসকলৰ এই চিন্তা আৰু কৰ্মৰ আটাইতকৈ প্ৰেৰণাদায়ক ব্যক্তি আছিল শংকৰ গুহ নিয়োগী। তেওঁ আছিল বৃহৎ দিল্লী ৰাজহৰা অঞ্চলৰ শ্ৰমিকসকলৰ বুকুৰ আপোন। শ্ৰমিকৰ প্ৰতি কৰা শোষণ, প্ৰতাৰণা, প্ৰাপ্য অধিকাৰৰপৰা বঞ্চনাৰ প্ৰতিবাদত নিয়োগীয়ে ১৯৭৭ চনত লো খনিৰ শ্ৰমিকসকলক লৈ 'ছত্তিছগড় মাইন্স শ্ৰমিক সংঘ' গঢ়ি তুলিছিল। শ্ৰমিকৰ ওপৰত চলি থকা বৰ্বৰ শোষণৰ বিৰুদ্ধে এক সৰ্বাত্মক আন্দোলন গঢ়ি তুলিছিল। সমুখৰ প্ৰত্যাহ্বানৰ বাবে শ্ৰমিকসকলক সংগঠিত কৰিছিল। শ্ৰমিকসকলক ঠিকাভিত্তিক দৈনিক মাত্ৰ চাৰি টকা মজুৰিত খটুৱাই থকাৰ উপৰিও তেওঁলোকক শ্ৰমিক আইনৰ কোনো সা-সুবিধাও দিয়া নাছিল। অন্যহাতে শ্ৰমিকসকলক নিৰ্দ্ধাৰিত আঠ ঘণ্টাৰ পৰিৱৰ্তে দৈনিক বাৰ ঘণ্টাকৈ খটুওৱা হৈছিল। তদুপৰি মহিলা শ্ৰমিকসকলক নিশাৰ ভাগতো কাম কৰিবলৈ বাধ্য কৰোৱা হৈছিল। আনকি প্ৰসূতি সময়তো মহিলাসকলক কোনো ছুটী মঞ্জুৰ কৰা নহৈছিল আৰু অনুপস্থিতিৰ সময়ত তেওঁলোকৰ মঞ্জুৰি কৰ্তন কৰা হৈছিল। এনে শোষণৰ বিৰুদ্ধে নিয়োগীয়ে গঢ়ি তুলিছিল ছত্তিছগড় মহিলা মৰ্চা। অজ্ঞতা, নিৰক্ষৰতা আৰু বৈষম্যৰ বিৰুদ্ধে শ্ৰমিকসকলক নিয়োগীয়ে সচেতন কৰি তুলিছিল। মজদূৰসকলৰ বাবে কালসৰ্পস্বৰূপ সুৰা বৰ্জন আৰু সুৰা ব্যৱসায়ী, উদ্যোগপতি, শ্ৰমিকৰ ঠিকাদাৰ, দুৰ্নীতি পৰায়ণ বিষয়াৰ বিৰুদ্ধেও মুকলি প্ৰত্যাহ্বান ঘোষণা কৰিছিল। ফলত নিয়োগী এই সকলৰ বাবে ঘোৰ শত্ৰুৰূপে বিবেচিত হৈছিল। নিয়োগীয়ে শ্ৰমিকসকলৰ মনত আত্মমৰ্যদাবোধ গঢ়ি তোলাৰ লগতে তেওঁলোকৰ প্ৰাপ্য অধিকাৰৰ হকে যুঁজিবলৈ শিকাইছিল। প্ৰত্যেক শ্ৰমিকক আত্মমৰ্যদাৰ বাবে যি শিক্ষা আৰু জ্ঞানৰ প্ৰয়োজন তাৰ বাবেও এক জাগৰণৰ সৃষ্টি কৰিছিল। যাৰ ফলত সেই অঞ্চলত গঢ় লৈছিল ৬ খন বিদ্যালয়ে।

আকৌ ভিল্লাইৰ উদ্যোগত কাম কৰা নব্বৈ হাজাৰৰো অধিক শ্ৰমিকক প্ৰাপ্য অধিকাৰৰ বাবে যুঁজ দিবলৈ নিয়োগীয়ে প্ৰগতিশীল ইঞ্জিনিয়াৰিং শ্ৰমিক সংঘ গঠন কৰে। ফলত উদ্যোগ কৰ্তৃপক্ষই সাংগঠনিক কাম কাজত লিপ্ত হোৱাৰ অভিযোগত ৭০০ শ্ৰমিকক কামৰপৰা খেদাই দিয়ে। তেতিয়া শ্ৰমিকসকলে ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। কিন্তু শান্তিপূৰ্ণভাৱে ধৰ্মঘট কৰা শ্ৰমিকৰ ওপৰত প্ৰশাসনে লাঠীচালনা আৰু গুলীচালনা কৰে। ফলত এঘাৰজন শ্ৰমিক আৰু সংঘৰ লোকগীত গায়িকা অনুসূয়াবাইৰ মৃত্যু হয়। এনে উত্তপ্ত পৰিস্থিতিৰ সৃষ্টিৰ আঁৰত প্ৰশাসনে নিয়োগীক দোষী সাব্যস্ত কৰে আৰু আটক কৰি কাৰাগাৰলৈ প্ৰেৰণ কৰে। মৃত এই এঘাৰজন শ্ৰমিকৰ সোঁৱৰণত শ্ৰমিকসকলে তেওঁলোকৰদ্বাৰা নিৰ্মিত হস্পিতালখনৰ নাম ৰাখে শ্বহীদ হস্পিতাল।

পৰৱৰ্তী সময়ত শ্ৰমিকসকলৰ পাৰিশ্ৰমিক আৰু নানা সমস্যাৰ সন্দৰ্ভত নিয়োগীয়ে শ্ৰমিকসকলৰ সহযোগত আন্দোলনৰ কাৰ্যসূচী চলাই যায়। ১৯৯০ চনৰ ২ অক্টোবৰত প্ৰগতিশীল ইঞ্জিনিয়াৰিং শ্ৰমিক সংঘ, ছত্তিছগড় মাইন্স শ্ৰমিক সংঘ, ছত্তিছগড় চিমেণ্ট শ্ৰমিক সংঘ আৰু ছত্তিছগড় মিল মজদূৰ সংঘই একেলগ হৈ আন্দোলন আৰম্ভ কৰে। এই আন্দোলনেই শ্ৰমিক আন্দোলনসমূহৰ এক গুৰুত্বপুৰ্ণ ভূমিকা লৈছিল। এই আন্দোলনৰ দাবী আছিল- শ্ৰমিকৰ পাৰিশ্ৰমিক বৃদ্ধি, বাসস্থান সুবিধাজনক কৰা, ঠিকাদাৰৰপৰা সুৰক্ষিতভাৱে কাম কৰাৰ অধিকাৰ প্ৰদান কৰা আৰু কামৰ সঠিক সময় নিৰ্ধাৰণ আদি। এই আন্দোলনে মালিক, উদ্যোগ কৰ্তৃপক্ষ, ঠিকাদাৰ আৰু প্ৰশাসনৰ মাজত জোকাৰণি তুলিলে। তাৰ পিছতো শ্ৰমিকসকলে দুমাহ কাম বৰ্জন কৰিলে। শ্ৰমিকৰ এই স্বতঃস্ফুট বিদ্ৰোহত ন্যস্তস্বাৰ্থমহল আতংকিত হৈ পৰে। তেতিয়াই বহুসংখ্যক শ্ৰমিকক ১০৭ ধাৰা আৰু ১৫১ ধাৰাত আটক কৰে। অৱশেষত ১৯৯১ চনৰ ৪ ফেব্ৰুৱাৰীত পূৰ্বৰেপৰা চলি থকা পুৰণা গোচৰৰ ভিত্তিত শংকৰ গুহ নিয়োগীয়ে প্ৰশাসনৰ ওচৰত স্বইচ্ছাই ধৰা দিয়ে। কিন্তু ৩৫ দিনৰ পাছত কাৰাগাৰৰপৰা মুক্ত হৈ তেওঁ দিল্লীলৈ গৈ শ্ৰমিকসকলৰ দুৰৱস্থাৰ সন্দৰ্ভত ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী আৰু শ্ৰমমন্ত্ৰীক অৱগত কৰে। ১৮ চেপ্তেম্বৰত ভিল্লাইলৈ ঘুৰি আহে আৰু ২৮ চেপ্তেম্বৰত ভিল্লাইৰ হুডকো কলনিৰ তেওঁৰ নিজা ঘৰত নিচেই পুৱাতে খিৰিকীৰে ৬ টা গুলীৰে থকাসৰকা কৰি অচিনাকি দুৰ্বৃত্তই নিয়োগীক নৃশংসভাৱে হত্যা কৰে। নিয়োগীৰ হত্যাত চৰকাৰে কোনো ধৰণৰ ব্যৱস্থাই গ্ৰহণ নকৰিলে।

নিয়োগীক হত্যা কৰা হ'ল। এটা প্ৰতিবাদী কণ্ঠক ৰুদ্ধ কৰা হ'ল। কিন্তু নিয়োগীয়ে সৃষ্টি কৰি যোৱা হাজাৰ হাজাৰ প্ৰতিবাদী কণ্ঠৰ গতি তীব্ৰ হৈ পৰিল। নিয়োগীৰ আদৰ্শ আৰু উদ্দেশ্যক শ্ৰমিকসকলে অধিক শক্তিশালী কৰি তুলিলে। সমাজ ব্যৱস্থাৰ গুণগত পৰিৱৰ্তন বিচৰা নিয়োগীৰ আন্দোলনক শ্ৰমিকসকলে দুগুণ উৎসাহ তথা সাহসেৰে আগবঢ়াই লৈ গ'ল।

# গ্ৰন্থাগাৰ সম্পৰ্কে যৎকিঞ্চিত

সুনীল টাইদ

**পাতনি ঃ** গ্ৰন্থাগাৰ উৎপত্তি সম্পৰ্কে সঠিককৈ কোৱাটো জটিল হব। পুৰাতত্ত্ববিদ সকলৰ খনন কাৰ্য্য চলাই পোৱা সাক্ষৰ মতে১৩০০ৰ পৰা ১২০০ খৃষ্টপূৰ্বত ইজিপ্তৰ চহৰ সমূহত ২০,০০০ (বিছ হাজাৰ) অধিক মাটিৰে গঢ়া মেজ আকৃতিৰ পাত্ৰৰ সংগ্ৰহ পোৱা গৈছিল। আৰ্য্য সকলে শাসন কৰা সেই সময়ৰ ৰজা (Sennacherib) চেন্নাচেৰীব, (৭০৪ৰ পৰা ৬৮১ খ্ৰীষ্টপূৰ্ব) তাৰ পাছত তেওঁৰ নাতি ৰজা অসুৰ বনীপালৰ ৰাজধানী নিন্‌বীত খনন কাৰ্য চলাই জটিল ধৰণৰ লিখনি, নক্সা কৰা আদিৰ সংগ্ৰহ পোৱা গৈছিল। সেইবোৰৰ সংগ্ৰহকেই গ্ৰন্থাগাৰৰ উৎপত্তিৰ প্ৰথম পদক্ষেপ হিচাপে ঠাৱৰ কৰা হৈছে। পৌৰাণিক সংগ্ৰাহক গৃহ বা গ্ৰন্থাগাৰ সমূহত আজিৰ দৰে পাঠ্য-পুথিৰ সংগ্ৰহ নাছিল। জটিল ধৰণৰ তথ্যসূচক হাতে নক্সা কৰা পাত্ৰ, গছৰ বাকলিত আঁকা পুথি, শিলত খুদিত, তামৰ পাতত মুদ্ৰিত চিহ্ন ইত্যাদি সংগ্ৰহ কৰি ৰখা হৈছিল। কালক্ৰমত সেইবোৰৰ সংগ্ৰহ সংগ্ৰাহলয়বোৰত বৃদ্ধি পাব ধৰিলে। মানৱ সমাজৰ প্ৰগতি চিন্তা-চৰ্চা লিখা-পঢ়া মাধ্যমেৰে আগবাঢ়িব ধৰিলে। গৱেষণাই গ্ৰন্থাগাৰৰ প্ৰয়োজনীয়তা আৰু পুনৰ সংগ্ৰহ বৃদ্ধি কৰাত সহায়ক হ'ল। সময়ে সময়ে বিভিন্ন বিষয়ত গৱেষণা কৰিব ধৰিলে। ফলত পুনৰ তথ্যপাতিৰ প্ৰয়োজনীয়তা আহি পৰিল আৰু গৱেষণাত পোৱা জ্ঞানসমূহ বিভিন্ন প্ৰকাৰে সংৰক্ষণ কৰি ৰখা ব্যৱস্থা কৰা হ'ল। এটা সময়ত সেই তথ্যবোৰেই পুনৰ কোনো এটা গৱেষণাৰ বা জ্ঞান অনুসন্ধানত তথ্যপাতিৰ সমল হিচাপে ব্যৱহাৰ হবলৈ ধৰিলে। সেইদৰে জ্ঞান; তথ্য আৰু গৱেষণা এটা আনটোৰ পৰিপূৰক হিচাপে জ্ঞান বৃদ্ধিত সহায়ক হৈ আহিছে। সেয়েহে আজি গ্ৰন্থাগাৰৰ গুৰুত্ব আৰু দায়িত্ব বৃদ্ধি পাব ধৰিছে। যুগ পৰিৱৰ্ত্তন হোৱাৰ লগতে প্ৰয়োজনীয় কাৰিকৰী কৌশলৰো প্ৰগতি হব ধৰিছে আৰু গ্ৰন্থাগাৰৰ উদ্দেশ্য পূৰণত সহায়ক হব ধৰিছে। ইয়াৰে অংশস্বৰূপে Printed Book, Digital Book আজি আমি দেখিবলৈ পাইছো। পুৰণিকলিয়া সংগ্ৰহ আৰু সংৰক্ষণ কৌশলৰ পৰিৱৰ্তে উন্নত আৰু সহজ কাৰিকৰী কৌশল অবলম্বন কৰা দেখা পাইছো। উদাহৰণস্বৰূপে সংগ্ৰহ আৰু সংৰক্ষণৰ পৰিৱৰ্ত্তিত মাধ্যম Hard Dish, Memory Card, Microchip, Pen drive, CD Room, DVD Drive ইত্যাদি আমি বহল ব্যৱহাৰ দেখিবলৈ পাইছো। এনে ধৰণৰ উপকৰণৰ ক্ষমতাও বহু বেছি। উচ্চ ক্ষমতাসম্পন হাৰ্ড ডিচ



একোটাই সমগ্ৰ গ্ৰন্থাগাৰ এখনৰ সমুলি সংগ্ৰহ Storage কৰি ৰাখিব পাৰে। বৰ্তমান দিনত Digital বা Virtual Collection ইমানেই বহল ব্যৱহাৰ হব ধৰিছে যে, মানুহৰ হাতত কিতাপ পত্ৰ সলনি বৈদ্যুতিন যন্ত্ৰ লৈ ফুৰাও দেখা যায়। Collection বোৰ কোনো এটা Web pageত store কৰি ৰাখিব পাৰি। Webpage ত login কৰি নিজা Database টো বিচাৰি প্ৰয়োজনীয় তথ্য-পাতি বা জ্ঞানবোৰ আহৰণ কৰিব পাৰি। এনেধৰণৰ তথ্য-পাতি আহৰণ কৰিবলৈ কোনো এটা নিৰ্দিষ্ট ঠাই বা সময়ৰ সূচীৰ প্ৰয়োজনীয়তা নাথাকে। যিকোনো সময়তে যিকোনো ঠাইৰ পৰাই তথ্য-পাতি পাব পাৰি। সেয়েহে Digital বা Virtual Document বোৰে পঢ়ুৱৈ সমাজৰ সময় আৰু কষ্ট বহু পৰিমাণে লাঘব কৰিব পাৰিছে। আজিৰ ব্যস্ত সমাজত সেয়ে Digital Document ৰ যথেষ্ট প্ৰাসঙ্গিকতা বৃদ্ধি পাইছে।

**ভাৰতীয় গ্ৰন্থাগাৰৰ চমু আভাস ঃ** ১৮৩৬ চনত ভাৰতত কলকতা ৰাজহুৱা গ্ৰন্থাগাৰ নামে এখন গ্ৰন্থাগাৰ স্থাপন কৰা হৈছিল। অৱশ্যে সেইখন গ্ৰন্থাগাৰ ৰাজহুৱা গ্ৰন্থাগাৰ আছিল যদিও সকলো মানুহৰ বাবে মুকলি কৰা নাছিল। কিছুমান বিশেষ বিশেষ ব্যক্তি আৰু ৰাজকীয় পৰিয়ালৰ বাবেহে এইখন গ্ৰন্থাগাৰ মুকলি আছিল। পাছলৈ অৱশ্যে কিছুমান নমনীয়তা অনা হ'ল আৰু (৩০০) তিনিশ টকা সভ্য মাছুল নিৰিখ কৰি সভ্যভূক্ত পঢ়ুৱৈ সকলৰ বাবে মুকলি কৰি দিয়াৰ ব্যৱস্থা কৰা হ'ল। যদিও সেই সময়ৰ হিচাপত এই মাচুল আছিল যথেষ্ট ব্যয়বহুল। সাধাৰণ লোকৰ বাবে ই মুঠেও সহজ নাছিল। সেয়েহে সভ্য মাচুল তিনিটা কিস্তিত আদায় দিব পৰা ব্যৱস্থা কৰাও হ'ল। Governor General লৰ্ড মেকাল্‌ফে সেই সময়ত (৪,৬৭৫) চাৰি হাজাৰ ছয়শ পয়সত্তৰখন বিভিন্ন বিষয়ৰ কিতাপ পত্ৰ সংযোজন ঘটায় গ্ৰন্থাগাৰখন সমৃদ্ধ কৰি দিয়ে। ইয়াৰ পাছত ১৮৫০ চনৰ পৰৱৰ্তী সময়ত ভিন ভিন বিষয়ৰ বিভিন্ন ভাষাৰ পৃথিৱীৰ অন্যান্য দেশী-বিদেশী পাঠ্য-পুথিৰ সংগ্ৰহ বৃদ্ধি পাব ধৰিলে। ১৮৯১ চনত ভাৰতত Imperial Library নামেৰে অন্য এখন গ্ৰন্থাগাৰ স্থাপন কৰা হয়। Governor General লৰ্ড কাৰ্জনৰ দিনত পূৰ্বৰ কলকতা ৰাজহুৱা গ্ৰন্থাগাৰ আৰু Imperial Library দুখনক একেলগ কৰি দিয়ে। এই নব্য বৃহৎ গ্ৰন্থাগাৰৰ গ্ৰন্থাগাৰিক আছিল 'জন মেকুফাৰ্লেণ্ড'। সেই গ্ৰন্থাগাৰৰ ভাৰতীয় মূলৰ প্ৰথম গ্ৰন্থাগাৰিক আছিল 'হৰিনাথ দে'। প্ৰথম অৱস্থাত কলকতা ৰাজহুৱা লাইব্ৰেৰী তাৰ পাছত Imperial Library হ'ল আৰৌ ১৯৫৩ চনত National Library হিচাপে প্ৰতিষ্ঠা কৰা হ'ল। ভাৰতৰ National Library খনক 'মৌলানা আবুল কলাম আজাদে' উদ্বোধনী কৰি সকলো মানুহে পঢ়িব পৰাকৈ মুকলি কৰি দিয়ে। ভাৰতৰ National Library ৰ প্ৰথম গ্ৰন্থাগাৰীক আছিল B.S. Kesavan। পৰৱৰ্তী সময়ত গ্ৰন্থাগাৰৰ গুৰুত্ব আৰু মূল্য অনুভৱ কৰি ভাৰত চৰকাৰে National Library সমূহৰ পৰা State Library সমূহ, State Library সমূহৰ অধীনত District Library সমূহ আৰু ক্ৰমে Sub-divisional Block Library আৰু Rural Library বা Village Library সমূহ স্থাপন কৰা হ'ল। সেইদৰে শিক্ষা অনুষ্ঠান সমূহৰ বাবে বিশ্ববিদ্যালয় গ্ৰন্থাগাৰ, মহাবিদ্যালয় গ্ৰন্থাগাৰ, স্কুল গ্ৰন্থাগাৰ স্থাপন কৰা হ'ল। বিশেষ বিশেষ অনুষ্ঠানৰ বাবে যেনে- চিকিৎসা মহাবিদ্যালয় গ্ৰন্থাগাৰ। অন্ধ স্কুলৰ গ্ৰন্থাগাৰ, সামৰিক সেৱাৰ গ্ৰন্থাগাৰ উদ্যোগীক গ্ৰন্থাগাৰসমূহ ইত্যাদি স্থাপন কৰা হ'ল।

**গ্ৰন্থাগাৰৰ কিছু জানিবলগা গুৰুত্বপূৰ্ণ বিষয় ঃ** যি কোনো ধৰণৰ গ্ৰন্থাগাৰতেই নীৰৱতা বৰ্তাই ৰখাটো দৰকাৰ। সভ্য পঢ়ুৱৈসকলে জনা দৰকাৰ যে, তেওঁ বা তেখেত যি দৰে পঢ়া কোঠাত নীৰৱতা প্ৰয়োজন অনুভৱ কৰে, ঠিক তেনেদৰে অন্য পঢ়ুৱৈসকলেও সেই নীৰৱতা বিচাৰে। গতিকে প্ৰত্যেক সভ্যই পঢ়া কোঠাত নীৰৱতা অৱলম্বন কৰিব লাগে।

ভিন ভিন গ্ৰন্থাগাৰৰ নিয়মাৱলী কিছু পাৰ্থক্য দেখা যায়। সেয়ে পঢ়ুৱৈ সকলে নিৰ্দিষ্ট গ্ৰন্থাগাৰখনৰ নিয়মাৱলী জনাটো প্ৰয়োজন। কোনো এটা গ্ৰন্থাগাৰৰ প্ৰাথমিক নিয়মাৱলী সহজে জানিবলৈ গ্ৰন্থাগাৰখনৰ সেৱাত থকা গ্ৰন্থাগাৰীজনক লগ কৰিব লাগে।

ব্যৱহাৰৰ দিশৰ পৰা গ্ৰন্থাগাৰসমূহক দুটা ভাগত ভাগ কৰিব পাৰি। মুক্ত প্ৰৱেশ ব্যৱস্থাপনা গ্ৰন্থাগাৰ আৰু বন্ধ প্ৰৱেশ ব্যৱস্থাপনা গ্ৰন্থাগাৰ। মুক্ত প্ৰৱেশ ব্যৱস্থাপনা থকা গ্ৰন্থাগাৰ সমূহত সভ্য পঢ়ুৱৈসকলে নিজাববীয়কৈ কিতাপ পত্ৰ পঢ়াৰ নিমিত্তে বাছি আনিব পাৰে। আনহাতে বন্ধ প্ৰৱেশ ব্যৱস্থাপনা থকা গ্ৰন্থগাৰসমূহ সেই সুবিধা নাথাকে। বন্ধ প্ৰৱেশ ব্যৱস্থাপনা থকা গ্ৰন্থাগাৰসমূহৰ বেলিকাত সভ্য পঢ়ুৱৈসকলে কিতাপখনৰ বিৱৰণী যেনে- কিতাপখনৰ নাম, লেখকজনৰ নাম, প্ৰকাশক গোষ্ঠীটোৰ নাম জনা থাকিলে সেয়া লিপিবদ্ধ কৰি সেৱাত থকা কৰ্মচাৰীজনৰ হাতত দি বিছাৰিবলৈ অনুৰুধ জনাব লাগে। তেনে ক্ষেত্ৰত পঢ়ুৱৈ আৰু কৰ্মচাৰীজনৰ বহু সময় নষ্ট হোৱা দেখা যায়। সেয়েহে মুক্ত প্ৰৱেশ ব্যৱস্থাপনা থকা গ্ৰন্থাগাৰসমূহকে ব্যৱহাৰিক দিশৰপৰা উত্তম বুলি ক'ব পাৰি। মুক্ত ব্যৱস্থাপনা থকা গ্ৰন্থাগাৰসমূহে সুদূৰ প্ৰহাৰি পঢ়ুৱৈসকলক আকৰ্ষণ কৰিব পাৰে। Catalogue Cabin এনে এটা সঁজুলি যিয়ে পঢ়ুৱৈসকলক তেওঁলোকে বিছাৰি অহা কিতাপখন নিৰ্দিষ্ট গ্ৰন্থাগাৰখনত ক'ত, কোনখন আলমিৰাৰ, কোনখন খলপাত পোৱা যাব সেই বিষয়ে আভাস দিব পাৰে। কোনো এখন কিতাপ পোনে পোনে Stack Zoneত অজস্ৰ পাঠ্য-পুথিৰ মাজত বিছৰাৰ আগতে Catalogue Cabinত গৈ কিতাপখনৰ উপস্থিতি, স্থিতি আৰু স্থানৰ বিষয়ে জানি লব লাগে। অৱশ্যে বৰ্তমান দিনত গ্ৰন্থগাৰসমূহত অজস্ৰ কিতাপ-পত্ৰ বৃদ্ধি হোৱাৰ ফলত আধুনিক কাৰ্যদক্ষ বৈদ্যুতিক সঁজুলি OPAC মেচিন ব্যৱহাৰ কৰা দেখা যায়। OPAC মেচিনে কম সময়ৰ ভিতৰত নিৰ্দিষ্ট কিতাপখনৰ উপস্থিতি স্থান স্থিতিৰ বিষয়ে তথ্য যোগান দিব পাৰে, যি পঢ়ুৱৈ আৰু কৰ্মচাৰী দুয়ো পক্ষৰ সময় আৰু কষ্ট লাঘব কৰিব পাৰে। ইয়াৰ উপৰি আজিকালি Spain level, RFID Ditector, Scanner Racket ব্যৱহাৰে প্ৰগতি হোৱা গ্ৰন্থাগাৰখনক যথেষ্ট সহায় কৰিব পাৰে।

যিসকল কোনো এখন গ্ৰন্থাগাৰৰ সভ্য বা পঢ়ুৱৈ তেওঁলোকে দেখিবলৈ পাইছে যে, গ্ৰন্থাগাৰৰ পাঠ্য-পুথি সমূহত কিতাপখনৰ পিঠিৰ তলৰফালে এটা আয়তক্ষেত্ৰৰ কেতিয়াবা গোলকীয় নতুবা বৰ্গক্ষেত্ৰ

আকাৰৰ (প্ৰায়) বগা ৰঙৰ টিকট এটাত কিছুমান সংখ্যা আৰু চুটি শব্দ লিখা থাকে। সেইবোৰক Spain level বোলা হয়। এই ক্ৰম সংখ্যাবোৰ হ'ল বিষয় শ্ৰেণীকৰণৰ সংখ্যা বা Class number। Spain level ত Class number, Book number আৰু Accession numberবোৰ দি কিতাপখনৰ বিষয়ে সহজে জানিবলৈ কিতাপখনৰ পিঠিৰ তলৰফালে লগাই দিয়া হয়। পঢ়ুৱৈ সকলৰ Class number ৰ বিষয়ে কিছু আভাস থাকিলে যিকোনো গ্ৰন্থাগাৰতে তেওঁ বিচৰা পাঠ্য-পুথি আৱিস্কাৰ কৰাত সহায়ক হ'ব। গ্ৰন্থাগাৰ বিজ্ঞানত কেইবাটাও সূত্ৰ প্ৰয়োগ কৰি বিষয় শ্ৰেণীকৰণ বা Classification কৰা হয়। যেনে- UDC, Union Decemal Classification, C.C., S.R. Ranganathan ৰ Colon Classification DDC Melvil Deway ৰ Dewe Decimal Classification প্ৰধান। গ্ৰন্থাগাৰমূহৰ DDC ৰ বহল ব্যৱহাৰ হোৱা পৰিলক্ষিত হয়। DDC সূত্ৰৰ জৰিয়তে বিষয় শ্ৰেণীকৰণ বা Classification কৰিলে বিষয়সমূহ দুটা দিশত বহল আৰু গভীৰতাৰ ফালে আগবঢ়া দেখা যায়। উদাহৰণস্বৰূপে বুৰঞ্জী বিষয়টো এনেদৰে শ্ৰেণীবিভাজন কৰিব পাৰি—

এছিয়াৰ বুৰঞ্জী
ইউৰোপৰ বুৰঞ্জী
(প্ৰত্যেকৰে নিৰ্ধাৰিত Class Number আছে)
আফ্ৰিকাৰ বুৰঞ্জী ইত্যাদি

পুনৰ এছিয়াৰ বুৰঞ্জীক অন্য উপ-সংখ্যা (Sub Class Number) ৰে শ্ৰেণী বিভাজন কৰিব পাৰি—

ভাৰত বুৰঞ্জী
চীনৰ বুৰঞ্জী
(প্ৰত্যেকৰে নিৰ্ধাৰিত Sub Class Number থাকে)
জাপানৰ বুৰঞ্জী ইত্যাদি

ঠিক তেনেদৰে ভাৰত বুৰঞ্জৰপৰা ভাৰতৰ ৰাজ্যকেইখনৰ বুৰঞ্জীক পৃথক কৰিব পাৰি। যেনে—

ভাৰত বুৰঞ্জী— অসম বুৰঞ্জী
দিল্লীৰ বুৰঞ্জী
মধ্যপ্ৰদেশৰ বুৰঞ্জী ইত্যাদি।

এনেধৰণে কৰা শ্ৰেণীকৰণক গভীৰ দিশক অগ্ৰসৰ হোৱা বুলি ক্বব পাৰি। ইয়াৰ বিপৰীতে যদি আমি কোনো এটা বিষয় যেনে-ৰাজনীতি বিষয়ৰ লগত অৰ্থনীতি বিষয়টো সংযোজন কৰি নতুন বিষয় উদ্ভাৱন কৰো, তেনে ই বিষয় বহুলতা হোৱাকে বুজাব।

পুনৰ বিষয় ৰাজনীতি + অৰ্থনীতি আৰু অন্যান্য দুটা বা ততোধিক বিষয় সংযোজন কৰি বিষয় সমাজ জ্ঞান বুলি উদ্ভাৱন কৰো তেন্তে ই বিষয় বহুলতা হোৱাক আৰু বিষয় গভীৰতা কম হোৱাটো বুজাব। এনে ধৰণে DDC সূত্ৰৰ জৰিয়তে বিষয়সমূহৰ বহল আৰু গভীৰতা দুই দিশত অগ্ৰসৰ হোৱা দেখা যায়।

আন এক উদাহৰণৰ সহায়ত DDC ৰ Classification কৰা পক্ৰিয়াক দেখুৱাবলৈ চেষ্টা কৰা হৈছে। DDC এ এতিয়ালৈ পৃথিৱীত থকা জ্ঞানসমূহক মূলতঃ ১০ টা শ্ৰেণীত ভাগ কৰিছে। এই দহটা শ্ৰেণীকো আকৌ দহটা উপ-শ্ৰেণীত ভাগ কৰিছে। সেইসমূহকো আকৌ উপ-ভাগত ভাগ কৰিছে।

সময় বাগৰাৰ লগে লগে জ্ঞানৰ, তথ্য-পাতিৰ বিস্ফুৰণ ঘটিব ধৰিছে ফলত বিষয় শ্ৰেণীকৰণ বা Classification ৰ পক্ৰিয়াও যথেষ্ট জটিল হব ধৰিছে। সেয়েহে গ্ৰন্থাগাৰ সমূহৰ কৰ্মব্যস্ততাও বৃদ্ধি পাব ধৰিছে।

**পলকতে চিলাপথাৰ মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰঃ** চিলাপথাৰ মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰখন এখন সুন্দৰ আৰু আধুনিক গ্ৰন্থাগাৰ বুলি ক'ব পাৰো। চিলাপথাৰ মহাবিদ্যালয় গ্ৰন্থাগাৰখন মহাবিদ্যালয়খনৰ লগতেই ছাত্ৰ-ছাত্ৰীৰ লিখা-পঢ়া আৰু গৱেষণাৰ কামত সহায়ক হোৱাৰ উদ্দেশ্য আগত ৰাখি ১৯৭৯ চনতেই স্থাপন কৰা হয়। এইখন গ্ৰন্থগাৰত বিভিন্ন বিষয়ৰ কিতাপ-পত্ৰ সংখ্যাত ১৪,১০১খন সংৰক্ষণ হৈ আছে। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সহায়ক হোৱাকৈ মূল কিতাপ-পত্ৰ (Text Books) আৰু প্ৰসঙ্গ পুথি (Reference Books) ৰ সৈতে অন্যান্য বিষয়ৰ কিতাপ মুঠ উন্নৈশ (১৯) টা মূল ভাগত ভগাই সংগৃহীত হৈ আছে। প্ৰায় আশীজন পঢ়ুৱৈয়ে একে সময়তে যাৱতীয় সা-সুবিধাৰ সৈতে লিখা-পঢ়া কৰিব পৰা ঠাই (Reading Room) একোঠা আছে। আনফালে Current Journal Magzine অধ্যয়নৰ সুবিধা হোৱাকৈ ত্ৰিশ (৩০) খন Journal আৰু Magazine উপলব্ধ Journal Reading Section এটাও আছে। ইয়াৰ উপৰিও এটা অত্যাধুনিক Digital Document অধ্যয়নৰ বাবে Digital Study Centre এটাও আছে; য'ত আশী হাজাৰৰো (৮০,০০০) অধিক Digital Books তিনি হাজাৰৰো (৩,০০০) অধিক বিভিন্ন বিষয়ৰ Current Journal National আৰু International Standard ত উপলব্ধ। মহান ব্যক্তিৰ জীৱনী তথা আত্মজীৱনীৰ সংগ্ৰহ, Man Bookers বঁটা লাভ কৰা কিতাপৰ সংগ্ৰহ, বছৰবোৰৰ বিশেষ বিশেষ দিশত সন্মান অৰ্জন কৰা কিতাপৰ সংগ্ৰহসমূহ উল্লেখযোগ্য। ইয়াৰ উপৰিও Encyclopedia Britannica, বিভিন্ন বিষয় সমূহৰ Encyclopedia, Dictionary ৰ সংৰক্ষণসমূহ গ্ৰন্থাগাৰখনৰ মূল্যৱান সংৰক্ষণ। মানৱ অধিকাৰৰ ওপৰত লিখা কিতাপৰ সংৰক্ষণ, মহাত্মা গান্ধীৰ বিষয়ত লিখা কিতাপৰ সংগ্ৰহ, অসমৰ মহান মহান লেখকৰ লিখনি আৰু সংকলনৰ সংৰক্ষণেই এই গ্ৰন্থাগাৰখনক গাম্ভীৰ্যতা প্ৰদান কৰিছে। চলিত নিয়মীয়া তথ্য-পাতি অথবা বাৰ্তা যোগানত সহায়ক হোৱাকৈ অসমীয়া ভাষাৰ দুখনকৈ কাকত (আমাৰ অসম আৰু দৈনিক প্ৰতিদিন) আৰু ইংৰাজী ভাষাত (The Assam Tribune, The Telegraph, Eastern Chornicle) তিনিখনকৈ কাকত যোগান ধৰি আহিছে। ইয়াৰ উপৰিও নিয়োগৰ সংবাদ নিয়মীয়াকৈ যোগান ধৰাৰ উদ্দেশ্যে Internet ব্যৱস্থাৰ উপৰিও Employment News খন বহু বছৰ ধৰি যোগান ধৰি আহিছে। শেষত, চিলাপথাৰ মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰে অনাগত দিনত এখন তথ্যসমৃদ্ধ আৰু জ্ঞান উৎসৰ কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ উদ্দেশ্য আগত ৰাখি কাম কৰি যাব।

❖❖❖

# MUDRA BANK

## (MUDRA– Micro Units Developmennt Rifinary Agency)

**Kamal Morang**

MUDRA BANK on 8 April, 2015 with a corpus of Rs. 20,000 core and a credit guaranted corpus of Rs. 3,000 core. The Launch was the fulfillment of an announcement made earlier by the finance minister Arun Jaitle in his financial year 2015-16 Budget speech.

How can MUDRA BANK make a difference to the economy?

Most individuals especially those living on rural and inferior parts of India, have been excluded from the benefits of formal banking system. Therefore they never had access to insurance, credit, loans and other financial instruments to help them establish and grow their micro businesses. So most individuals depended on local money lenders for credit. The loan comes at high interest and often with unbearable conditions, which make these poor unsuspecting people fall in a debt.-trap for generations. When business fail, the borrowers become vulnerable to the lender's strong-arm tactics and other forms of humiliation proprietorship, which undertake trading manufacturing retail and other small scale activities. Compare this with the organized sector and larger companies that employ 1.25 core individuals. Clearly, the potential to harness and nurture these micro businesses is vast and the government recognizes this. Today this segment is unregulated and without financial support or cover from the organized financial banking system.

*** The Principal objectives of Mudra Bank are–**

1. Regulate the lender and the borrower of microfinance and bring stability to the microfinance system through regulation and inclusive participation.

2. Extend finance and credit support to micro-finance institution (MFI) and agencies that lend money to small business retailers, self-help groups and individuals.

3. Register all MFI's, and introduce a system of performance rating and accreditation for the first time. This will help cast mile borrowers of finance to evaluate and approach the MFI that meets their requirement best and whose part record most satisfactory. This will also introduce an element of competitiveness among the MFI. The ultimate beneficiary will be the borrower.

4. Provide structured guidelines for the borrowers to follow to avoid failure of business or take corrective steps in time. MUDRA will help in laying down guidelines or acceptable to recover money in cases of default.

5. Develop the standardized covenats that will form the backbone of the last mile business in future.

6. Offer a credit guarantee scheme for providing guarantees to loans being offered to micro business.

7. Introduce appropriate technologies to assist in the process of efficient lending borrowing and monitoring of distributed capital.

8. Build a suitable frame work under the Pradhan Mantri MUDRA yojana for developing an efficient last mile credit delivery system to small and micro businesses.

**Major Product Offering :** MUDRA bank has rightly classified the borrowers into three segments; the starters, the mid stage finance seekers and the next level growth seekers.

To address the three segments MUDRA Bank has launched three loan instruments:

1. SISHU : Covers loans up to Rs. 50,000/-

2. KISHOR : Covers comes above Rs. 50,000 and up to 5 lakh.

3. TARUN : Covers loans above Rs. 5 lakh and up to Rs. 10 lakh.

* Initially sector specific schemes will be confined to "Land transport, community social & personal services, and food product and textile product sectors" over a period of time new schemes will be launched to encompass more sectors.

Some of the offerings planned for the Future:

1. MUDRA Card

2. Portfolio Credit Guarantee.

3. Credit Enhancement.

Can MUDRA really be a game changer for India? Yes it can see the existing demographics. Majority of Indians are poor and live in rural and inferior parts of India most are excluded from getting facilities that would be termed very basic even by Indian standards.

Most people do not have access to farmland and in the absence of jobs are left to their own creativity to feed themselves and survive. They figure out ways to do odd jobs in exchange of money or barter their services. Most of these people belong to scheduled castes, scheduled tribes and other backward classes. It is to be noted that most of the micro enterprises retail or trading activity are initiated and controlled by women training or access to any form of banking support.

Now visualize this. If India could harness this free spirit of enterprise and offer some guidance, support training and immediate assistance, the potential to get and immediate jump is GDP is there for the asking Narendra Modi recognize this and was clear of the potential of this Low-hanging fruit.

If MUDRA can continue to retain focus on the underprivileged and extend its reach to the interiors it can well emerge as a bigger success story than what Gramin bank of Bangladesh ever was or will be.

There is an old saying that goes like this "Give a man a fish you feed him for a day teach him now to fish and he will never go hungry" MUDRA Bank is a step by the government that can be game changer in giving birth to a new set of entrepreneurs some of whom may scale heights not imagined today this is for better than giving subsidy which may seem welcoming at first but does little to help on individual strive for a better life MUDRA is the way to go.

The modalities of functioning of MUDRA Bank are in place and it has been decided that the funding activity will be carried out by microfinance institution. However the small business have to wait to get full information on MUDRA Bank and have a clarity on who all are eligible for coins and how to get the benefits of this scheme.

**Recent developments :**

Hasmukh Adhia, Union financial service secretary said that Mudra Bank will be first setup as a subsidiary of the small industries development bank of India and later will be converted to a full fledged bank through an act of parliament. Adhia made this announcement during a round table on financing of innovations which was attended by chief of bank and financial institution and also the President of India Although Adhia did not disclose the details about the set up of Mudra Bank he said that the Prime Minister will launch it soon.

MUDRA Bank has join hands with 19 state and regional level coordinators so as to each the small entrepreneurs who have limited branch presence and are cut off from the general banking system. The initiative taken by the government is expected to be helpful for the small and micro businesses. It is also expected that these businesses will generate 10 times more number of jobs which are normally generated by the big business firms/companies at present.

❖❖❖

# ঘড়ীৰ সম্পৰ্কে কিছু কথা

**কৃষ্ণ ছেত্ৰী**

দৈনন্দিন জীৱনত ঘড়ীৰ প্ৰয়োজনীয়তাৰ কথা কোনো মানুহেই অস্বীকাৰ কৰিব নোৱাৰে। অথচ আমি ঘড়ীৰ সম্পৰ্কে কিমান জানো? আমাৰ এই প্ৰৱন্ধত ঘড়ীৰ বিষয়ে কিছু কথা আলোকপাত কৰা হব। ঘড়ী বা সময় জোখা পদ্ধতি কোন সময়ৰ পৰা আৰম্ভ হৈছিল তাক সঠিককৈ ক'ব নোৱাৰি। মানৱজাতিয়ে পৃথিৱীত ভৰি দিয়াৰ কেইবাহাজাৰ বছৰৰ পাছতহে মানুহে সময়ৰ গুৰুত্ব উপলব্ধি কৰিবলৈ ল'লে আৰু তেতিয়াৰ পৰাই আৰম্ভ হ'ল সময় গননাৰ বাবে বিভিন্ন প্ৰকাৰৰ আহিলা উদ্ভাৱনৰ বাবে নানান পৰীক্ষা-নিৰীক্ষা।



আমাৰ সূৰ্য্যটোৱেই হয়তো মানুহৰ প্ৰথম ঘড়ী আছিল, যাৰ বাবে মানুহে দিন-ৰাতিৰ ধাৰণা কৰিব পাৰিছিল। তাৰ পাছত মানুহে এটা মূৰ্তি থিয়কৈ পুতি তাৰ চাৰিওফালে এডাল ঘূৰণীয়া ৰেখা টানি তাক কেইটামান ভাগত ভাগ কৰি লৈছিল। আকাশত সূৰ্যটোৰ স্থান সলনিৰ ফলত মূৰ্তিটোৰ ছাঁৰ দৈৰ্ঘ্যৰ পৰিবৰ্ত্তন ঘটিছিল। এই ছাঁক বাৰ ভাগত বিভক্ত কৰি প্ৰতিটো ভাগত ঘণ্টা হিচাপে ধৰিছিল। আজিৰ পৰা প্ৰায় ৩,৫০০ বছৰৰ আগেয়ে ইজিপ্তত একে সূৰ্যঘড়ী বা ছানডায়েল (Sundial) সজাৰ কথা জানিব পৰা যায়। ইয়াৰ পিছত মানুহে পাত্ৰত পানী ভৰাই বিভিন্ন পদ্ধতিৰে সময়ৰ জোখ লৈছিল। খ্ৰীষ্টপূৰ্ব ১৩৬০ মানত এনে পানী ঘড়ীৰ প্ৰচলন আছিল বুলি জনা যায়। পানী ঘড়ীৰ উদ্ভাৱনৰ প্ৰায় আঢ়ৈ হাজাৰ বছৰৰ পাছত উদ্ভাৱন হৈছিল বালি ঘড়ীৰ। ইয়াত এটা নলী ফুটোৱা পাত্ৰত বালি ভৰাই তলত এটা খালী পাত্ৰ ৰখা হৈছিল। ওপৰৰ পাত্ৰৰ পৰা বালি সৰি তলৰ পাত্ৰটো পূৰ হ'বলৈ লগা সময়ক ভাগ কৰি এই পদ্ধতিত সময়ৰ জোখ লোৱা হৈছিল।

চীনাসকলে আকৌ এডাল ৰচী পানীত তিয়াই লৈ সমান সমান দূৰত্বত কিছুমান গাঁথি দি লৈছিল আৰু ৰছীডালৰ মূৰত জুই লগাই দি এটা গাঁথিৰ পৰা আনটো গাঁথি পোৰালৈকে লগা সময়খিনিক সময়ৰ একক বুলি ধৰিছিল।

একাদশ শতিকাত চীনৰ ছু-ছেং নামৰ এজন পণ্ডিতে এটা বৃহৎ যান্ত্ৰিক ঘড়ী সাজি উলিয়াইছিল। এই ঘড়ীটো এনেভাৰে তৈয়াৰ কৰা হৈছিল যে ঘণ্টাত চাৰিবাৰলৈ অৰ্থাৎ প্ৰতি ১৫ মিনিটৰ মূৰে মূৰে ই একোটা শব্দ কৰে। এই ঘড়ীটো প্ৰায় ১০ মিটাৰ ওখ আছিল আৰু ই প্ৰায় ঠিক সময়েই দিছিল। প্ৰথম নিখুঁত ঘড়ী উদ্ভাৱন হয় ১৬ শতিকাত। বিজ্ঞানী গেলিলিঅ'ই আৱিস্কাৰ কৰা পেণ্ডুলামৰ দোলনকাল সম্পৰ্কীয় সূত্ৰৰ সহায়ত প্ৰথম পেণ্ডুলাম ঘড়ী তৈয়াৰ কৰে খ্ৰীষ্টীয়ান হাইজেনছে (Christian Huygens)।

১৪৪০ চন মানত ইটালীৰ স্থপতিবিদ ফিলিপো ব্ৰুনেলেছিয়ে (Filippo Brunellesehi) আজিকালিৰ নিচিনা মেইন স্প্ৰিং এডাল পকাই দিলে পাক খাই যোৱা আৰু পাছত ঘূৰি ঘূৰি পাক খুলি যোৱা এবিধ ঘড়ী নিৰ্মাণ কৰে। এনেকৈয়ে লাহে লাহে আগতকৈ পাতল আৰু জেপত লৈ ফুৰিব পৰা ঘড়ীৰ উদ্ভাৱন হ'ল। ১৭৫৭ চনত থমাছ মুজ নামৰ এজনে লিভাৰ ইছকেপমেণ্ট নামৰ কৌশল খটুৱাই প্ৰায় আজি কালিৰ দৰে যান্ত্ৰিক ঘড়ী সাজি উলিয়ায়। ১৭৬১ চনত ইংলেণ্ডৰ জন হেৰিছন নামৰ এজন লোকে ১৪ ছেঃ মিঃ বহল মেইন স্প্ৰিং ঘূৰা ঘড়ী নিৰ্মাণ কৰে। ১৯১৮ চনত আমেৰিকাৰ হেনেৰি এলিছ ৱাৰেলে প্ৰথম বৈদ্যুতিক ঘড়ী তৈয়াৰ কৰে। ইয়াৰ পাছত ১৯২৯ চনত আমেৰিকাৰ ৱাৰে এলডিন নামৰ এজন লোকে কেৱাৰ্টজ ক্ৰিষ্টোলেৰে এটা নিখুঁত ঘড়ী সাজে। ১৯৪৮ চনত পাৰমাণৱিক ঘড়ী উদ্ভাৱন হয়। এই ঘড়ীত ১০ লাখ বছৰৰ ব্যৱধানত মাত্ৰ ১ ছেকেণ্ডৰ ইফাল সিফাল হয়।

❖❖❖

# STOP GLOBAL WARMING



**Rumpa Debnath**

Here are six vital steps now we can reduce Global Warming. They are—

1. Change Light : Replace regular bulbs with compact fluorescent ling (CFL) bulbs. They consume less power than ordinary bulbs and have longer life time. Some companies have completely banned the usage of ordinary bulbs and force the common public to use CFL bulbs.
2. Drive less : By driving less we are not only saving but also helping in reducing global warming. For example car pooling. If we have colleagues who live in the same area than we can combine tripe.
3. Recycle more : Try to use the disposable products into some form. Just don't throw them away. We can recycle almost anything foreign paper, aluminium, fossil, cans newspaper etc.
4. Checks our Tyres : When we drive make sure our tyres are inflated property. If not, then obviously they will consume more fuel. Keep our engine properly tuned and drive less aggressively. Aggressive driving and frequent applying of breaks tampers the engine and can lower the mileage of our car.
5. Useless hot water : Buy energy saving geysers and dish washer for home. Avoid washing cloths in hot water. Wash them in cold or warm water. Avoid taking frequent shower and useless hot water. It will help in saving energy required to produce that energy.
6. Plant and trees : Planting trees can help much in reducing global warming than any other method. They not only give oxygen but also take in carbon dioxide during the process of photosynthesis which is the main source of global warming.

**Conclusion about Global Warming :**

We should always try our best to educate about global warming and teach about causes and effects of global warming to the younger generation and the students. We should always save energy that will be good for environment. Another thing by arranging program so, that we can send information to our friends, relatives and our neighbours.

❖❖❖

# CORRUPTION IN THE INDIAN SOCIETY

**Priyanka Prasad**

Corruption in India has become deep-rooted and is galloping unchecked and unminded. Very often, in our busy lives we hear the politician speaking about waging wars against corruption; fighting the evils of corruption, yet we have definitely known how this evil in our country is getting its roots deeper and deeper.

We know that in many cases of India are being registered against corruption. But how many of these cases are solved? We are therefore yet to discover many high level politicians, ministers and high dignitaries of Indian government of their illegal deeds.

Corruption in simple terms can be described as an act of bribery. Corruption is extended in the society in several forms.

A number of factors may be pointed out as the cause of corruption, the root cause of corruption can be stated as public dishonesty. The first cause of corruption in India is stated as selfishness of the high level officials who perform work not for welfare of common people but for their own benefits.

The cause which can be stated secondly is the scarcity of any commodity or situation. When things required are short in supply for the people like employment etc. then corruption starts.


The third and the main cause for corruption is the ignorance of the high status ministers or other officials about the political development of India. On the other hand, public has also encouraged corruption in many forms. They should know that initiative must be taken from the lower level.

We should know that corruption has actually degraded our society. It has retarded the economic development of India. It has diminished the moral character and destroyed unity of our country. It has made the life of the common people unpleasant and miserable.

If we analyze further there will be numerous and uncountable factor of the impact of corruption.

Now after reading this article the main question that arises is though corruption is prevailed in almost all advanced countries, why should we get perturbed about it only in India? The answer is that in the developed bribe is paid and taken in the high status society and common people are not engaged in it. Whereas in India we have to pay bribe even for a railway reservation, for getting a cinema ticket etc. In those countries bribes are paid only for illegal and unauthorized works. But in India they are paid for legal and authorized works too.

Corruption has thus poisoned our society and we must prevent it now. We should remember the saying "Little grains of sand make the mighty desert and little drops of water make the mighty ocean."



ইতিহাস/ভ্ৰমণ

# অসমৰ ঐতিহ্যমণ্ডিত মাজুলী সত্ৰ

মিতালী বৰুৱা



অসমীয়া সত্ৰ শব্দটো সংস্কৃতৰপৰা আহিছে। যাৰ অৰ্থ হৈছে দীৰ্ঘকালীন যজ্ঞ। সহজ অৰ্থত ক'ব পাৰি যে, যি স্থানত সদায় ধৰ্ম চৰ্চা হয় আৰু বৈষ্ণৱ সন্তসকলে বাস কৰি জীৱৰ মুক্তিৰ সন্ধান দিয়ে সেয়ে সত্ৰ। এই সত্ৰসমূহেই হৈছে অসমীয়া সমাজৰ প্ৰাণকেন্দ্ৰস্বৰূপ।

সত্ৰ শব্দটো এনেদৰে ভাঙিও ইয়াৰ অৰ্থ চাব পাৰি, স + ত্ৰ = সৎ বা ধাৰ্মিক লোকক ত্ৰাণ কৰা। য'ত বহু দান কৰা হয়, অলেখ প্ৰাণীয়ে তৃপ্তি প্ৰাপ্ত হয়, অসংখ্য ব্যক্তি কৰ্তা ৰূপত থাকে তাকে সত্ৰ বুলি কোৱা হয়। সত্ৰক উপলক্ষ কৰি ভাগৱত চৰ্চা কৰাৰ হেতুকে অসমীয়া বৈষ্ণৱসকলে নৈমিষাৰণ্যৰ আক্ষৰিক অৰ্থকেই গ্ৰহণ কৰি বৈষ্ণৱ ভক্তিৰ কেন্দ্ৰ আৰু ভক্ত সকলৰ সংযোগ স্থল অৰ্থত সত্ৰ শব্দক ব্যৱহাৰ কৰিছিল। 'শৰণ মালিকা' গ্ৰন্থত ভট্টদেৱে সৰ্বপ্ৰথমে সত্ৰৰ সংজ্ঞা আগবঢ়ায়— "যথাচৰন্তি সৰ্দ্ধমান কেৱলা ভগৱৎ প্ৰিয়াঃ।

নৱধা ভগৱদ্ভক্তিঃ প্ৰত্যহং সত্ৰবিদ্যতে।।

তৎ সত্ৰং উত্তমং ক্ষেত্ৰং বৈষ্ণৱ সুৰুবন্দিতম্।

তত্ৰস্থা বৈষ্ণৱাঃ সৰ্ব্বে হৰি নাম পৰায়ণাঃ।।

অৰ্থাৎ য'ত ভগৱানৰ একান্ত ভক্তগণে সৎ ধৰ্ম আচৰণ কৰে আৰু শ্ৰৱণ কীৰ্ত্তনাদি নৱ বিধ ভক্তিৰ চৰ্চা হয়, সেই পবিত্ৰ স্থানেই সত্ৰ।

কৃষ্ণ কথাৰ শ্ৰৱণ কীৰ্ত্তন কৰাই সত্ৰসমূহৰ প্ৰধান উদ্দেশ্য। এই উদ্দেশ্যৰে সত্ৰসমূহৰ কীৰ্ত্তন ঘৰ বা নামঘৰ স্থাপন কৰা হৈছিল। অৱশ্যে মহাপুৰুষ শংকৰদেৱে সত্ৰানুষ্ঠানৰ প্ৰতিষ্ঠা কৰিছিল যদিও পৰৱৰ্ত্তী পৰ্যায়ত তেওঁৰ আজ্ঞাপৰ ধৰ্ম প্ৰচাৰকে চাৰিটা সংহতিত সত্ৰসমূহ প্ৰতিষ্ঠা কৰে। ইয়াৰ ভিতৰত দামোদৰদেৱে 'ব্ৰহ্মসংহতি', পুৰোষোত্তম ঠাকুৰ আৰু চতুৰ্ভুজ ঠাকুৰে 'পুৰুষ সংহতি', ভৱানীপুৰীয়া গোপাল আতাই 'কাল সংহতি', বদুলা পদ্ম আতা আৰু মথুৰা দাস আতাই 'নিকা সংহতি'ৰ আৰ্হিত সত্ৰ প্ৰতিষ্ঠা কৰে। তথাপিও সকলো সত্ৰৰে মূল লক্ষ্য আৰু উদ্দেশ্য একেটাই।

পৃথিৱীৰ সৰ্ববৃহৎ নদী দ্বীপ হৈছে মাজুলী। অসমত অসংখ্য সত্ৰ থকা স্বত্বেও অসমীয়া সমাজত মাজুলীৰ সত্ৰসমূহে উচ্চ আসন দখল কৰিছে। সত্ৰীয়া সংস্কৃতিৰ প্ৰাণ কেন্দ্ৰই হৈছে মাজুলী। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱে প্ৰতিষ্ঠা কৰি থৈ যোৱা সত্ৰীয়া সংস্কৃতিৰে ভৰপুৰ মাজুলী। এই দুজনা গুৰুৰ ঐতিহ্যক অনুসৰণ কৰি তেখেত সকলৰ অনুৰাগীসকলে পৰৱৰ্তী সময়ত মাজুলীত ৫৫ খন সত্ৰ গঢ়ি তোলে। অৱশ্যে প্ৰাকৃতিক দুৰ্যোগ, গৰাখহনীয়া, বানৰ তাণ্ডৱ ইত্যাদিৰ কবলত পৰি মাজুলীৰ সত্ৰসমূহ ক্ৰমান্বয়ে হ্ৰাস পাই আহিছে। বৰ্তমান মাজুলীৰ সত্ৰসমূহ হৈছে— আউনী আটী সত্ৰ, ভোগপুৰ সত্ৰ, দক্ষিণপাট সত্ৰ, উত্তৰ কমলাবাৰী সত্ৰ, গড়মূৰ সত্ৰ, প্ৰাচীন চামগুৰি সত্ৰ, এলেঙিনৰসিংহ সত্ৰ, বিহিমপুৰ সত্ৰ, বৰ এলেঙি সত্ৰ, দিখৌমুখীয়া বৰ এলেঙি সত্ৰ, ঔৱা সত্ৰ, আদি বিহিমপুৰ সত্ৰ, এলেঙি টকৌবাৰী সত্ৰ, মধ্য মাজুলী কমলাবাৰী সত্ৰ, এলেঙি মদাৰ গুৰি সত্ৰ, চকলা সত্ৰ, আধাৰ মাহৰা সত্ৰ, মাজুলী বৰ এলেঙি সত্ৰ, বেলসিদ্ধিয়া সত্ৰ, দলনি চামগুৰি সত্ৰ, সাকোঁপাৰা সত্ৰ, অনন্ত কালশিলা সত্ৰ, আহঁতগুৰি বৰসত্ৰ, গড়মূৰ সৰু সত্ৰ, অনন্ত কালশিৰা সত্ৰ, সাৰজান ন সত্ৰ, দক্ষিণপাট গৃহাশ্ৰমী সত্ৰ, নতুন চকলা সত্ৰ, আদি এলেঙি সত্ৰ, সালুৱাম বৰ এলেঙি সত্ৰ, বৰপুৰীয়া সত্ৰ, পুনীয়া সত্ৰ।

এই সকলোবোৰ সত্ৰানুষ্ঠান মাজুলী তথা অসমৰে ঐতিহ্য। তথাপিও অসমীয়া সমাজত আগস্থান অধিকাৰ কৰা বিশেষ চাৰিখন সত্ৰ— আউনী আটী সত্ৰ, দক্ষিণপাট সত্ৰ, কমলাবাৰী সত্ৰ আৰু গড়মূৰ সত্ৰৰ এটি পৰিচয়সূচক আলোচনা যুগুত কৰা যাওক।

**শ্ৰী শ্ৰী আউনী আটী সত্ৰ ঃ**

আউনী আটী হৈছে ব্ৰহ্ম সংহতিৰ অন্তৰ্গত সত্ৰ। আউনী আটী নামৰ ব্যুৎপত্তিলৈ চালে দেখা যায় যে, আউনী শব্দাংশটোৱে আউনী পাণক বুজাইছে আৰু আটী মানে হ'ল ওখ ঠাই। ১৬৫৩ খ্ৰীঃৰ অক্টোবৰ মাহত স্বৰ্গদেউ জয়ধ্বজ সিংহই হিন্দু ধৰ্মৰ পৃষ্ঠপোষকতা কৰাৰ অংশস্বৰূপে গোবিন্দ ঠাকুৰ বৰুৱাক আজ্ঞা দি তামৰ ফলি কৰি, পাইকৰদ্বাৰা আউনী পাণৰ আটী এটা কাটি তাতে গোবিন্দ মূৰ্ত্তিৰ সৈতে এই সত্ৰ প্ৰতিষ্ঠা কৰে বাবে ইয়াৰ নাম আউনী আটী সত্ৰ বুলি কোৱা হয়।

গোবিন্দ মহাপ্ৰভুজনাই হৈছে ব্ৰহ্ম সংহতিৰ অন্তৰ্গত আউনী আটী সত্ৰৰ মূল উপাস্য দেৱতা। ৰাঙলী চ'ৰা, পুথিভঁৰাল, যাদুঘৰ, আলহী ঘৰ, সংস্কৃত টোল, ছপাশাল, মুকলি ৰংগ মঞ্চই হৈছে সত্ৰৰ একো একোটা অবিচ্ছেদ্য অংগ। সত্ৰাধিকাৰেই সত্ৰখনৰ মুৰব্বী। সত্ৰৰ সকলো কাম কাজ তেখেতৰ তত্বাৱধানতেই পৰিচালনা কৰা হয়। বৰ্তমানৰ সত্ৰাধিকাৰ ড° শ্ৰী শ্ৰী পীতাম্বৰ দেৱ গোস্বামী। বৰ্ত্তমান এই সত্ৰত প্ৰায় ৪০০ (চাৰি শ) ভকত আছে। সত্ৰৰ ভকতসকল থকা গৃহসমূহক 'বহা' বোলে।

সত্ৰত নিত্য চৈধ্য প্ৰসঙ্গ কৰা হয় আৰু কেতবোৰ নৈমিত্তিক

উৎসৱ পালন কৰা হয়— পাল নাম (কাতিমাহৰ ২৫ তাৰিখৰ পৰা পাঁচদিন পৰ্যন্ত পালন কৰা হয়), নিৰ্মালি লোৱা উৎসৱ বা অভিষেক উৎসৱ, কাতি বিহু, ৰাসোৎসৱ, গুৰু তিথি ইত্যাদি।

আউনী আটী সত্ৰত বহুতো ঐতিহাসিক সম্পদ আজিও সঞ্চয় কৰি ৰখা হৈছে— হাতীদাঁতৰ পাটি, ৰূপৰ বটা, বানকাঁহী, বানবাতি, তামৰ ফলি, ৰূপৰ ফুলাম বৰ শৰাই ইত্যাদি।

**শ্ৰী শ্ৰী দক্ষিণপাট সত্ৰ ঃ**

দক্ষিণপাট সত্ৰখন ৰজাঘৰীয়া সত্ৰ। জয়ধ্বজ সিংহ এই সত্ৰৰ প্ৰতিষ্ঠাপক। ১৫৮৪ চনত জয়ধ্বজ সিংহই শ্ৰী শ্ৰী বনমালীদেৱক আনি এই সত্ৰৰ প্ৰতিষ্ঠা কৰি শৰণ লয়।

দক্ষিণপাট নামটোৰ সন্দৰ্ভত বহুতে ভিন্ন মত আগবঢ়াইছে। তাৰে এটা হৈছে— মহাভাৰতত উল্লেখ আছে যে, অৰ্জুনৰ পুত্ৰ বভ্ৰুবাহনে এই সত্ৰৰ ওচৰতে ৰাজ্য পাতিছিল আৰু তেওঁৰ পুত্ৰ চন্দ্ৰহাসে দক্ষিণত পাট কৰাৰ বাবে দক্ষিণপাট নাম হয়।

দক্ষিণপাট সত্ৰৰ উপাস্য দেৱতা যাদৱ ৰায়ৰ উপৰিও বিগ্ৰহৰ দুয়োকাষে বৃন্দাবন, চন্দ্ৰ, বৈকুণ্ঠনাথ, ভুবন মোহন, বলোভদ্ৰ, কল্যাণ ৰায়, ব্ৰজনাথ, লক্ষ্মীনাথ, অচ্যুতানন্দ, মদন-গোপাল, বাসুদেৱ আৰু মাধৱ ৰায়ৰ পূজা কৰাৰ পৰম্পৰা আছে। এই সত্ৰৰ মূখ্য উৎসৱ সমূহ— ৰাসলীলা, ফল্গু উৎসৱ, জন্মাষ্টমী আদি।

এই সত্ৰৰ সাহিত্যিক অৱদান যথেষ্ট। সত্ৰৰ বৈষ্ণৱসকলে নাটক, কাব্য, গীত, বিভিন্ন ধৰ্মগ্ৰন্থ ৰচনা কৰি অসমীয়া সাহিত্যৰ বৰপেৰা ঐশ্বৰ্যশালী কৰি তুলিছে। সত্ৰৰ প্ৰতিষ্ঠাপক বনমালীদেৱে সত্ৰীয়া গীত-মাত, ঘোষাদি ৰচনা কৰাৰ উপৰিও ব্ৰজ্জাৱলী ভাষাত 'বৰনাট' ভাগ ৰচনা কৰে।

**শ্ৰী শ্ৰী কমলাবাৰী সত্ৰ ঃ**

মহাপুৰুষ মাধৱদেৱৰ প্ৰিয় শিষ্য বদুলা পদ্ম আতাই এই সত্ৰ প্ৰতিষ্ঠা কৰে। এওঁৰ প্ৰকৃত নাম 'কমলাকান্ত' আতা আছিল। এই সত্ৰৰ উৎপত্তি সম্পৰ্কেও বহু মত আছে। তাৰে এটা হ'ল বদুলা পদ্ম আতাৰ দহটি নামৰ ভিতৰত এটা নাম আছিল কমলাকান্ত। সেই নাম অনুসৰি সত্ৰখনৰ নাম কমলাবাৰী হয়।

কাল পৰিক্ৰমাত বদলা পদ্ম আতাৰ প্ৰতিষ্ঠিত কমলাবাৰী সত্ৰৰ পৰা পৃথক হৈ উত্তৰ দিশত প্ৰতিষ্ঠা হোৱাৰ বাবে উত্তৰ কমলাবাৰী সত্ৰ আৰু নতুনকৈ প্ৰতিষ্ঠা হোৱাৰ বাবে আনখনক নতুন কমলাবাৰী সত্ৰ বুলি কোৱা হয়। বৰ্তমান নতুন কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ শ্ৰী শ্ৰী নাৰায়ণ চন্দ্ৰ গোস্বামী আৰু উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ শ্ৰী শ্ৰী জনাৰ্দ্দন দেৱগোস্বামী।

দুয়োখন সত্ৰৰে অসমীয়া সাহিত্য-সংস্কৃতিৰ ভঁৰাললৈ অৱদান অলেখ। উত্তৰ কমলাবাৰী সত্ৰৰ প্ৰয়াত সত্ৰাধিকাৰ কমলাকান্ত দেৱগোস্বামী প্ৰভূৱে 'স্মৃতি পুস্তিকা' আৰু 'উত্তৰ কমলাবাৰী সত্ৰৰ ইতিবৃত্ত' ৰচনা কৰিছে। নতুন কমলাবাৰী সত্ৰৰ বৰ্তমানৰ সত্ৰাধিকাৰ শ্ৰী শ্ৰী নাৰায়ণ চন্দ্ৰ দেৱগোস্বামীয়ে ২০০৪ চনত অসম চৰকাৰৰ শংকৰদেৱ বঁটা আৰু ২০১০ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা সন্মানীয় ডি. লিট. সন্মানেৰে সন্মানীত হৈছে। তেখেতে 'সত্ৰীয়া সংস্কৃতিৰ স্বৰ্ণৰেখা', 'অসমত ভাওনা পৰম্পৰা', 'কীৰ্ত্তন ঘোষা' আৰু 'নামঘোষাৰ তত্ত্বাৰ্থ সমীক্ষা', 'শংকৰী সাহিত্য সমীক্ষা', 'সত্ৰীয়া নৃত্যৰ ব্যাকৰণ', 'ঊষা-অনিৰুদ্ধ' (নাটক) লিখি অসমীয়া সাহিত্যলৈ সাহিত্যিক অৱদান আগবঢ়াইছে।

কমলাবাৰী সত্ৰত সংৰক্ষিত ঐতিহাসিক মূল সম্পদ কেইপদ হ'ল— শ্ৰী শ্ৰী শংকৰদেৱ, শ্ৰী শ্ৰী মাধৱদেৱ আৰু বদলা পদ্ম আতাৰ ভোজনৰ বাতি, স্বৰ্গীয় দীননাথ বেজবৰুৱাই দিয়া তাম আৰু ৰূপ খটোৱা শৰাই (উচ্চতা ৮৯ ছেঃমিঃ, ব্যাস ৩১ ছেঃমিঃ), ৰূপৰ কলচি (উচ্চতা- ৫.২ ছেঃমিঃ, ব্যাস- ২.৫ ছেঃমিঃ), পিতলৰ টৌ ইত্যাদি।

নতুন কমলাবাৰী সত্ৰতো ঐতিহাসিক সম্পদ হিচাপে বহু সাঁচিপটীয়া পুথি সংৰক্ষণ আৰু সুৰক্ষিত হৈ আছে।

**শ্ৰী শ্ৰী গড়মূৰ সত্ৰ ঃ**

গড়মূৰ সত্ৰ ১৬৫৩-৬০ চনৰ ভিতৰত প্ৰতিষ্ঠা কৰা হৈছিল। এই সত্ৰৰ মাটি কালি ৬৬ বিঘা। বৰ্তমানলৈকে তেৰজন সত্ৰাধিকাৰে ধৰ্মগাদী ৰক্ষা কৰিছে আৰু শ্ৰী শ্ৰী হৰিদেৱ গোস্বামী চতুৰ্দশ সত্ৰাধিকাৰ। এই সত্ৰৰ সত্ৰাধিকাৰৰ বাহিৰে সকলোৱেই গৃহস্থী। এই সত্ৰৰ মূল উপাস্য দেৱতা বংশী গোপাল। গড়মূৰৰ বৰসত্ৰ আৰু সৰু সত্ৰ ৰূপত দুখন সত্ৰ আছে যদিও ইয়াত পৃথক আলোচনা কৰা নহয়। এই সত্ৰৰ বিষয়-ববীয়াসকল হ'ল— সত্ৰাধিকাৰ, বৰপূজাৰী, পালি পূজাৰী, নাম লগোৱা, বৰ গায়ন, বৰ বায়ন, বৰা, নামঘৰীয়া, দেউৰী, আমোক্তাৰ, ভৰালী ইত্যাদি।

সাহিত্যিক অৱদানৰ প্ৰতি লক্ষ্য কৰিলে গড়মূৰ সত্ৰ অতি চহকী। পীতাম্বৰ দেৱগোস্বামীয়ে সনাতন ধৰ্মৰ মুখপত্ৰ, ধৰ্মশিক্ষা, সমাজ ৰক্ষা. শৰণ-ভজন, প্ৰহ্লাদ চৰিত্ৰ, ৰাম-বনবাস, লৱ-কুশ, ভাগ্য পৰীক্ষা, শ্ৰী কৃষ্ণৰ ৰাসলীলা ইত্যাদিৰে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰিছে।

ঐতিহাসিক সম্পদ স্বৰূপে এই সত্ৰত পিতলৰ শৰাই, গোমুখ শংখ, কাঁহৰ ডবা, তামৰ শৰাই ইত্যাদি আৰু কাষ্ঠমূৰ্ত্তিৰ ভিতৰত গৰুড়, বৰাহ, মৎস্য, কূৰ্ম, নৃসিংহ, অনন্ত শৰ্য্যা আৰু হাতী দাঁতৰ সৰু-সুৰা দুই এপদ বস্তু এই সত্ৰত সংৰক্ষিত হৈ আছে।

সত্ৰসমূহ সমাজৰ এক অবিচ্ছেদ্য অংগ। আধুনিক সময়ৰ সমাজ ব্যৱস্থাৰ পৰা এই সত্ৰসমূহ বিচ্ছিন্ন হৈ পৰা যেন চকুতে পৰিছে যদিও কোনেও এই সত্ৰসমূহ সম্পূৰ্ণৰূপে এৰি চলিব নোৱাৰে। সত্ৰানুষ্ঠানসমূহ ৰাইজৰ অনুষ্ঠান। এই অনুষ্ঠানৰ জৰিয়তে সমাজৰ নৈতিক, আধ্যাত্মিক, বৌদ্ধিক উৎকৰ্ষ সাধনত সহায়ক হয়। সত্ৰানুষ্ঠানৰ লগত ব্যক্তি, সমাজ আন্তৰিকতাৰে জড়িত হৈ আছে আৰু সদায় জড়িত থাকি সমাজখন আৰু মানুহৰ মানসিকতা সুস্থিৰ কৰি ৰাখিব এয়াই আমাৰ কামনা।

সহায়ক গ্ৰন্থ ঃ

বৰুৱা, জয়ন্ত কুমাৰ কলিতা, অনন্ত

কাকতি, কেশৱ কলিতা, অনন্ত

❖❖❖

ইতিহাস

# ইতিহাসৰ জলঙাইদি ধেমাজি

সাগৰিকা কোঁৱৰ




মানৱ সভ্যতাৰ ক্ৰমবিকাশৰ লগে লগেই পৃথিৱীৰ প্ৰতটো জনবসতিপূৰ্ণ অঞ্চলেই ধাৰণ কৰি আহিছে একো একোটা সভ্যতাৰ ইতিহাস। এই সভ্যতাৰ উদ্ভৱ আৰু ক্ৰমবিকাশৰ অন্তৰালত নিবিড়ভাৱে জড়িত হৈ থাকে পৃথিৱীৰ ভৌগোলিক আৰু প্ৰাকৃতিক বাতাবৰণৰ সুস্থিৰতা। প্ৰকৃতিৰ সৈতে জীৱৰ আন্তঃসম্বন্ধ আৰু মানৱ প্ৰৱজনৰ ইতিহাসে পৃথিৱীৰ বিভিন্ন অঞ্চলৰ জীৱন আৰু জাগতিক নিমিত্তিকতাৰ প্ৰয়োজনত যুগৰ পাছত যুগ, প্ৰজন্মৰ পাছত প্ৰজন্ম ধৰি মানৱ সভ্যতাৰ ক্ৰমবিৱৰ্তনৰ প্ৰতিটো সাক্ষ্য ধাৰণ আৰু বহন কৰি কালৰ পাছত কাল ধৰি নীৰৱে ৰৈ থাকে একো একোটা উপত্যকা বা অঞ্চল। সেই ঐতিহ্যই ঠাই ডোখৰক এক পৃষ্ঠভূমি নিৰ্মাণ কৰি দিয়ে। এনে পৃষ্ঠভূমিৰ ভেঁটিতে এডোখৰ ঠাইৰ অধ্যয়নৰ বাট মুকলি হয়। এনে আঞ্চলিক অধ্যয়নৰ মূলতেই ঠাই ডোখৰৰ ভৌগোলিক, প্ৰাকৃতিক আৰু জনগোষ্ঠীৰ বিষয়ে জনাটো সম্ভৱ হৈ উঠিছে।

ঠিক তেনেদৰেই ভাৰতবৰ্ষৰ পূব প্ৰান্তৰৰ ব্ৰহ্মপুত্ৰ উপত্যকাত এদিন জীপ লৈ উঠিছিল ধেমাজিৰ প্ৰাচীন সভ্যতাই। ধেমাজি ব্ৰহ্মপুত্ৰ উপত্যকাৰ উত্তৰ অসমৰ এখন প্ৰান্তীয় জিলা। সোৱণশিৰিৰ পূব আৰু ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ সমতল অঞ্চলটোতে ধেমাজিৰ ভৌগোলিক অৱস্থিতি নিৰূপিত হৈছে।

**ধেমাজি নামৰ উৎপত্তি ঃ**

প্ৰথমটো মত অনুসৰি, 'ধেমাজি' জনগোষ্ঠীগত ভাষিক ৰূপ। বড়োসকলৰ পানী বুজোৱা শব্দ 'ডিমা' আৰু দেউৰী, চুতীয়া, মিচিংসকলৰ পানী বুজোৱা শব্দ 'চি' লগ লাগি 'ডিমাচি' হৈছে। সময়ত 'ডিমাচি'ৰপৰা দেমাচি, তাৰ পাছত ধেমাজি হলগৈ। ইংৰাজ কালৰ দুই এক নথিত 'দিমাজি' আৰু 'ধামাজি' এই ৰূপ দুটা পোৱা যায়।

দ্বিতীয়তে, ধেমাজি অঞ্চলটো দ জলাশয় অঞ্চল। এনেধৰণৰ দ জলাশয় অঞ্চলসমূহক মৰাণ মটকসকলে ধেমাজি বুলি কয়। সেইফালৰপৰাও অঞ্চলটোৰ নাম ধেমাজি হ'ব পাৰে।

তৃতীয়তে, ঢল নৈয়ে প্ৰাচীন কালৰেপৰা ধেমাজি অঞ্চলত উপদ্ৰপ কৰি আহিছে। ঢল নৈৰ লীলা ভূমি এই ঠাইখণ্ডক সেয়ে 'ঢলে ধেমালি কৰা' ঠাই বুলি জনা গৈছিল। কালক্ৰমত 'ঢল ধেমালি' শব্দটোৰ ঠাইত 'ঢল ধেমাজি' আৰু তাৰ পাছত ধেমাজি হয়গৈ।

অতীজতে সমগ্ৰ ধেমাজিতে বসবাস কৰা আদিম অধিবাসীসকল মূলতঃ মঙ্গোলীয় প্ৰজাতিৰ আছিল যদিও, তেওঁলোকে কেতিয়াৰপৰা বসতি আৰম্ভ কৰিছিল জনা নাযায়। সেয়ে হলেও পুৰাণ, যোগিনীতন্ত্ৰ আদি গ্ৰন্থই আনুসংগিকভাৱে ধেমাজিৰ বিষয়ে কিছু তথ্যৰ ইংগিত বহন কৰিছে। 'কালিকা পুৰাণ'ৰ মতে কৃষ্ণই পৃথিৱীৰ দেৱীৰ সৈতে নৰকক প্ৰাগজ্যোতিষপুৰত স্থাপন কৰিবলৈ আহোতে উক্ত অঞ্চলত ৰাজত্ব কৰি থকা কিৰাত ৰজা ঘটকাসুৰক নৰকে দিক্কৰবাসিনীক পূবলৈ খেদি ৰাজ্য মোকলায়। অৱশ্যে দুয়োখন গ্ৰন্থতে বৰ্ণিত দিক্কৰবাসিনীক দিক্রং নৈ হিচাপে মানি লৈ কিৰাত সকলৰ বিস্তাৰৰ সীমা স্বৰ্ণাদি বা সোৱণশিৰি পাৰ হৈ ব্যাপ্ত আছিল যেন বোধ হয়। আনহাতে নৰকপুত্ৰ ভগদত্তৰ কুৰুক্ষেত্ৰ যুদ্ধ যাত্ৰাত অন্তৰ্ভুক্ত কিৰাত সেনাসকল এই অঞ্চলৰে আছিল বুলি ধাৰণা কৰা হয়।

**মধ্যযুগৰ ধেমাজি ঃ**

মধ্যযুগৰ সময়ছোৱাত ধেমাজিৰ ভূ-খণ্ডত চুতীয়াসকলে ৰাজত্ব বিস্তাৰ কৰিছিল। বীৰপালৰ পিছৰজন চুতীয়া ৰজা ৰত্নধ্বজে ৰাজ্য বিস্তাৰ কৰোঁতে চুবুৰীয়া নীলগিৰি, ধৱলগিৰি, চন্দনগিৰি আদি পাহাৰীয়া এলেকাবোৰ জয় কৰিছিল। সেয়ে হ'লেও পাছলৈ উদ্ধাৰ হোৱা ফলিসমূহত ধেমাজিৰ নামনি অঞ্চলৰ গুৰুত্বহে দেখা পোৱা যায়। চুতীয়া ৰজা সত্যনাৰায়ণ, লক্ষ্মীনাৰায়ণ আদি ৰজাই ডুলিমেৰ, ধল নৈৰ পাৰত অৰ্থাৎ পশ্চিম ধেমাজি, ঢকুৱাখানা, মাছখোৱা, ঘিলামৰা আদি ঠাইত মাটি-বৃত্তি ব্ৰাহ্মণক প্ৰদান কৰিছিল।

১২২৮ খৃঃত স্বৰ্গদেউ চুকাফাই সৌমাৰত প্ৰৱেশ কৰে। ৰাজধানীৰ সন্ধানত নানা ঠাই জয় কৰি ব্ৰহ্মপুত্ৰৰ উত্তৰ দিশৰ হাবুঙত

পদাৰ্পণ কৰি তিনিবছৰ শাসনৰ পিছত অসহনীয় বানপানীৰ বাবে ১২৪৪ খৃষ্টাব্দত দিখৌয়েদি উজাই শিৱসাগৰলৈ যায়। ধেমাজিয়ে সেই প্ৰশাসনীয় অৱমাননাৰ বলি আজিও হৈ আছে। ইতিহাসে সোঁৱৰা দিনৰে পৰা ধেমাজি বানবিধ্বস্ত হৈ আহিছে।

কিন্তু আহোম শাসনৰ শেষৰফালে সংঘটিত মোৱামৰীয়া বিদ্ৰোহ আৰু ব্ৰহ্ম দেশৰ মানসকলে কৰা অসম আক্ৰমণৰ ভয়ংকৰ প্ৰভাৱ ধেমাজি অঞ্চলতো পৰে। ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰে বৰ্তমানৰ জোনাই তথা মুৰ্কংচেলেক, ধেমাজি-ঢকুৱাখানাৰ বিস্তৃত অঞ্চল অসমীয়া পঁজাৰে ভৰপুৰ হৈ আছিল। বিশেষকৈ ধেমাজি গোহাঁইগাঁও, বিলতীয়া, কাঁহিকুছি, ঘুগুহা, কাৰৈমোৰী, বৰবাম, যোৰকটা, ৰজাবাৰী আদি গাঁওসমূহ খেতি-পথাৰে সমৃদ্ধিশালী ৰূপত আছিল। কিন্তু ১৮১৯ চনৰ পৰা ১৮২৪ চনলৈ হোৱা মানৰ আক্ৰমণে উত্তৰ পাৰৰ অঞ্চলতো মৰিশালী সদৃশ কৰি তোলাৰ লগতে বহুতে মানৰ হাতৰ পৰা প্ৰাণ ৰক্ষাৰ্থে পলাই যায়। ফলত অৰুণাচলৰপৰা ব্ৰহ্মপুত্ৰ নদীলৈকে এই ভূ-খণ্ডটো অটব্য অৰণ্যত পৰিণত হয়।

**৫০ৰ ভূমিকম্পত ধেমাজি ঃ**

১৯৫০ চনৰ ১৫ আগষ্টৰ দিনা অসমত শতিকাটোৰ ভিতৰতে সৰ্বাধিক ভয়াবহ ভূমিকম্পটো হয়। ৮.৬ প্ৰাবল্যৰ এই ভূমিকম্পই উজনি অসমৰ বিস্তৰ ক্ষতি সাধন কৰাৰ লগতে অঞ্চলটোৰ ভৌগোলিক গাঁথনিৰো পৰিৱৰ্তন কৰে। ১৫ আগষ্টৰ সন্ধিয়া অহা ভূমিকম্পটোৱে সমগ্ৰ ধেমাজিক বিধ্বস্ত কৰি তোলে।

**বৰ্ত্তমানৰ ধেমাজি ঃ**

অসমৰ উত্তৰ প্ৰান্তীয় সীমান্তৱৰ্তী জিলা ধেমাজি এক ঠেক সমতলীয় ভূখণ্ডৰে আবৃত। প্ৰশাসনিক গাঁঠনি ফালৰ পৰা মহকুমা হিচাপে ধেমাজি আৰু জোনাই। ৰাজহ চক্ৰ হিচাপে ধেমাজি, চিচিবৰগাঁও, গোগামুখ, জোনাই। শিক্ষাখণ্ড হিচাপে মুৰ্কংচেলেক, ধেমাজি আৰু বৰদলনি। মৌজা হিচাপে জোনাই, চিচি বৰগাঁও, ধেমাজি, মাছখোৱা, বৰদলনি। উন্নয়ণ খণ্ড হিচাপে বৰদলনি, মাছখোৱা, ধেমাজি, চিচিবৰগাঁও, মুৰ্কংচেলেক।

পৰিসীমা দিশৰপৰা ৩২৩৭ বৰ্গ কিঃমি মাটি কালিৰে আবৃত ধেমাজি জিলাৰ উত্তৰে অৱস্থিত অৰুণাচল প্ৰদেশ। দক্ষিণে ব্ৰহ্মপুত্ৰ আৰু ঢকুৱাখনা মহকুমা। পূবে ব্ৰহ্মপুত্ৰ তথা ডিব্ৰুগড় আৰু পশ্চিমে সোৱণশিৰি তথা লক্ষীমপুৰ জিলা অৱস্থিত। আনহাতে জনসংখ্যা আৰু জনগাঁঠনি দিশত ধেমাজি জিলাৰে মুঠ জনসংখ্যা ৬,৮৬,১৩৩ (২০১১ৰ পিয়ল অনুসৰি)। ইয়াৰে ৩,৫১,২৪৯ গৰাকী পুৰুষ আৰু ৩,৩৪,৮৮৪ গৰাকী মহিলা। জনবসতিৰ ঘনত্ব প্ৰতিবৰ্গ কিঃ মিটাৰত ৩০২১২ জন।

প্ৰাৰম্ভণিতে বৰ্তমানৰ ধেমাজি অঞ্চল তেতিয়া ডিব্ৰুগড় জিলা সদৰ ঠাই লক্ষিমপুৰ জিলাৰ অন্তৰ্গত অংশ হিচাপে আছিল। ১৯৭১ চনত জোনাই আৰু ঢকুৱাখানাক ধৰি ধেমাজিক মহকুমা হিচাপে ঘোষণা কৰা হৈছিল। কিন্তু ১৯৮৯ চনত ধেমাজিক পূৰ্ণ জিলা হিচাপে ঘোষণা কৰা হয়। সেসই সময়ত অসম গণ পৰিষদৰ মূখ্যমন্ত্ৰী আছিল শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত। ১৯৮৯ চনত মহন্তই ধেমাজিক পূৰ্ণ জিলা ঘোষণা কৰে আৰু জোনাই মহকুমা হিচাপে ঘোষণা কৰে।

**ভূ-প্ৰকৃতি ঃ**

অৰ্থনৈতিক নিৰাপত্তাহীনতাৰ মূলতে ধেমাজিৰ বানপানী সমস্যাই প্ৰধানতঃ দায়ী। জিলাখনৰ অধিকাংশ অঞ্চলেই বছৰটোৰ তিনিমাহ কাল বানপানীৰ দ্বাৰা আক্ৰান্ত হয়। ব্ৰহ্মপুত্ৰ, জীয়াধল, গাইনদী, চিমেন, লালিনৈৰ পানীয়ে প্ৰায় কৃষি পথাৰ ঘৰ দুৱাৰ প্লাৱিত কৰি আহিছে। ভৌগোলিক বিৱৰ্ত্তন আৰু অবৈজ্ঞানিক নদী নিয়ন্ত্ৰণ ব্যৱস্থাই ধেমাজিৰ কৃষক সকলক অৰ্থনৈতিকভাৱে জুৰুলা কৰি আহিছে। সেই নদী সমূহৰ ভিতৰত ঘাইকৈ চিমেন নৈ, গাই নৈ, চিচি নৈ, কুমতীয়া নৈ, টঙানী নৈ, বুঢ়ীসুতী নৈ, জামজিং নৈ, কড়া নৈ, দিকাৰী নৈ অন্যতম।

ধেমাজি ঐতিহাসিক কীৰ্ত্তিচিহ্ন সমূহৰ ভিতৰত ধেমাজিৰ বিভিন্ন স্থানত সিঁচৰিত হৈ থকা ঐতিহাসিক স্থান আৰু কীৰ্ত্তি চিহ্ন সমূহে ঐতিহাসিক পৰ্য্যটন উদ্যোগৰ পোষকতা কৰাৰ পূৰ্ণ সম্ভাৱনা আছে। বিশেষকৈ ঘূগুহাদল, মনিপুৰি থান, গোহাঁই কমল আলি, বাসুদেৱ থান, হাৰ্হি দেৱালয়, চিচি দুৱাৰ, মালিনী থান, বাসুদেৱ মন্দিৰ, ৰুক্মিনী মন্দিৰ, বিভিন্ন সত্ৰ, আশ্ৰম আদিয়ে প্ৰধান ভূমিকা গ্ৰহণ কৰে।

ধেমাজি জিলাত বসবাস কৰা সৰহ সংখ্যক লোকেই মঙ্গোলীয় গোষ্ঠীৰ। বৃহত মঙ্গোলীয় মানৱ প্ৰজাতিৰ তিৰ্ব্বতবৰ্মী শাখাৰ পৰা উদ্ভৱ হোৱা। বড়োমূলীয় কোঁচ, চুতীয়া, সোনোৱাল কছাৰী, মিচিং, দেউৰী, তিৱা, লালুং আদি লোকে ধেমাজিত প্ৰাচীন কালৰে পৰাই বসবাস কৰি আহিছে। চীন-শ্যামী গোষ্ঠীৰ পৰা উদ্ভৱ হোৱা টাই আহোম আৰু টাই খামটি লোকে তাহানিৰ পৰাই ধেমাজিত বসবাস কৰি আহিছিল।

ভিন্ন থলুৱা জনগোষ্ঠীৰে ভৰা ধেমাজিলৈ পৰৱৰ্ত্তী সময়ত বাহিৰৰপৰা কেতবোৰ জনগোষ্ঠী যেনে মাৰোৱাৰী, বিহাৰী, বঙালী, নেপালী, মুছলীম ইত্যাদিৰ আগমন ঘটে। আন্তঃ ধেমাজিৰ থলুৱা জনজাতিসকলৰ খাদ্যৰ প্ৰাধান্যতা সমূলি একে যদিও ধৰ্মীয় ক্ষেত্ৰত কিছু ভিন্নতা পৰিলক্ষিত হয়। এই সকল জনজাতিৰ ভিতৰত মিচিং, দেউৰী, কৈৱৰ্ত্ত সকল ঘাইকৈ নৈপৰীয়া। অৱশ্যে সময়ৰ গতিত বাসস্থানৰ সালসলনি ঘটিব ধৰিছে। থলুৱা জনজাতি সকলৰ খাদ্য প্ৰধানতঃ ভাত, মাছ, মাংস আদি। প্ৰতিটো জাতি-জনজাতিৰ মাজত ঐক্যৰ কটকটীয়া বান্ধ দেখা যায়। অৱশ্যে ৰাজনৈতিক দিশত সময়ে সময়ে অৰ্থনৈতিকতাৰ কিছু প্ৰভাৱ পৰা দেখা যায়।

আন ঠাইৰপৰা অহা বিদেশী লোকসকলৰ ধৰ্মীয় আৰু খাদ্যৰ ভিন্নতা আছে। তেওঁলোকৰ পূজা পাৰ্ব্বন বেলেগ বেলেগ। খাদ্য হিচাপে তেওঁলোকে প্ৰায় ৰুটি আৰু ভাতো মাজে মাজে খায়। তাৰে ভিতৰত মাৰোৱাৰী সকল নিৰামিষভোজী। তেওঁলোকে মাছ-মাংস নাখায়। ইমানবোৰ বৈচিত্ৰতাৰ মাজতো বৃহত্তৰ ধেমাজি অঞ্চল অনৈক্যৰ মাজত ঐক্যৰ ডোলেৰে কটকটীয়া হৈ আছে।

সহায়ক গ্ৰন্থপঞ্জী ঃ


ধেমাজিৰ মাটি আৰু মানুহ ঃ চমুৱা, নৱ কুমাৰ।

ধেমাজিৰ বুৰঞ্জী ঃ চেতিয়া, উমেশ।


❖❖❖

ইতিহাস

# ফুলগুৰিৰ তিনিজন দেশভক্ত শ্বহীদ

বিনীতা দেৱী

আজিৰপৰা প্ৰায় ডেৰশ বছৰ আগৰ কথা। যি সময়ত গোটেই ভাৰতবৰ্ষত ইংৰাজে শাসন কৰিছিল। তেতিয়াৰ সেই ইংৰাজ শাসন ব্যৱস্থাটোক শাসন নোবোলাকৈ সন্ত্ৰাস বুলি ক'ব পাৰি। কাৰণ সেই সময়ত ইংৰাজসকলে সহজ-সৰল ভাৰতীয় লোক সকলৰ ওপৰত চলাইছিল কেৱল অত্যাচাৰ। ক'বলৈ গলে ইংৰাসকলে ভাৰতীয় সকলৰ ওপৰত অধিক অত্যাচাৰ কৰি ভাৰতীয়সকলক সকলো অধিকাৰৰপৰা বঞ্চিত কৰি অধিকাৰ খৰ্ব কৰিছিল। সকলো ক্ষেত্ৰতে আহি পৰিছিল কেৱল বৃটিছসকলৰ বাধা-নিষেধ। ইংৰাজ শাসন ব্যৱস্থাৰ পৰা সাধাৰণ জনগণ অতিকৈ অতিষ্ঠ হৈ পৰিছিল। ঠিক তেনে সময়তে ইংৰাজ চৰকাৰে মাটিৰ কৰ বৃদ্ধি কৰাৰ লগতে খেতিত নিষেধাজ্ঞা জাৰি কৰিছিল। যাৰ বাবে সাধাৰণ জনগণ জীয়াই থকাটো দুৰ্বিসহ হৈ পৰিছিল। সেই তেতিয়াই ১৮৬২ চনৰ ২৮ অক্টোবৰ তাৰিখে নগাঁৱৰ ওচৰৰ ফুলগুৰিহাট আৰু কলঙৰ মাজত থকা তিনিজোপা আঁহত গছৰ তলত সেই অঞ্চলৰ সকলো কৃষক ৰাইজ লগ হৈ এখন সভাৰ আহ্বান কৰে। সভাখন পতাৰ মূল লক্ষ্য আৰু উদ্দেশ্য আছিল চৰকাৰে জাৰি কৰা নতুন আইনৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰা। এই সভাখনত সকলো কৃষকে পৰম্পৰাগতভাৱে পাগুৰি মাৰি আৰু হাতত একো একেডালকৈ ডাঙৰ ডাঙৰ টাঙোন লৈ সভাস্থলীত উপস্থিত হৈছিল। সভাখনৰ কাৰ্য্যসূচী আৰম্ভ হোৱাৰ লগে লগে সভাস্থলীত উপস্থিত হৈছিল এদল চিপাহীসহ লেফটেনেণ্ট চিংগাৰ চাহাব। সভাত উপস্থিত হৈয়েই বৃটিছ লেফটেনেণ্ট চিংগাৰে উপস্থিত সকলো কৃষকক তেওঁলোকৰ পাগুৰি আৰু টাঙোন চিপাহীসকলৰ হাতত গতাই দিবলৈ আদেশ দিছিল। যিটো সেই ভুক্তভোগী কৃষকসকলৰ বাবে আছিল এক অক্ষমনীয় অপমানস্বৰূপ। সকলোৰে গুণা-গঁথা কৰাৰ সময়ত কৃষক সকলৰ মাজৰেই বাহু কৈৱৰ্ত্ত নামৰ এজন বাহুবলী যুৱকে লেফটেনেণ্ট চিংগাৰৰ মূৰত তেওঁৰ হাতৰ সেই ডাঙৰ টাঙোনেৰে বহুত জোৰকৈ প্ৰহাৰ কৰিছিল। মূৰত কোব লগাৰ লগে লগে চিংগাৰ চাহাব মাটিত বাগৰি পৰিল। বৃটিছ শাসনত অতীষ্ঠ হৈ পৰা কৃষক ৰাইজে চিংগাৰৰ মৃতদেহটো গুৰিয়াই, চোঁচৰাই, টানি, গছকি কলঙৰ সুতিত পেলাই দিছিল।

সেই সময়ত গৰজি উঠিছিল ইংৰাজ চিপাহীৰ হাতত থকা বন্দুক। চিংগাৰৰ হত্যাৰ প্ৰতিশোধস্বৰূপে চিপাহীসকলে চৌৱন্নজন কৃষকৰ হত্যা কৰে। কিন্তু ৫৪ জন কৃষকক হত্যা কৰাৰ পিছতো ইংৰাজ চিপাহীসকলে ক্ষান্ত হৈ নাথাকি গাঁৱে গাঁৱে চিংগাৰৰ প্ৰকৃত হত্যাকাৰীৰ অনুসন্ধান কৰি সন্ত্ৰাস সৃষ্টি কৰিছিল। গাঁৱৰ ডেকা-বুঢ়া সকলো মানুহে গাঁও এৰি অন্যান্য ঠাইলৈ পলাই যাবলগীয়া হৈছিল। ডেকা-বুঢ়া, জীয়ৰী-বোৱাৰী সকলো গাঁওবাসীৰেই চকু আৰু জিভাৰ পানী শুকাই অশান্তিৰ সৃষ্টি কৰিছিল। সকলো গাঁওবাসী আতংকত হতাশগ্ৰস্ত আৰু বেদনাসিক্ত হৈ পৰিছিল।

গাঁওবাসীৰ সেই কৰুণ হৃদয়বিদাৰক দুদৰ্শা সহ্য কৰিব নোৱাৰি গাঁওখনৰ তিনিজন দেশভক্ত বীৰ সাহসী যুৱক চাংবৰ, লক্ষণ আৰু ৰংবৰে নিজকে প্ৰকৃত হত্যাকাৰী বুলি পৰিচয় দি ইংৰাজ চিপাহীৰ আগত নিজে আত্মসমৰ্পণ কৰি গাঁওবাসীক অসহিষ্ণু অত্যাচাৰৰ পৰা ৰক্ষা কৰিছিল। ইংৰাজ চৰকাৰৰ বিচাৰত তেওলোকৰ শাস্তি হৈছিল ফাঁচী। নিজ জাতি, ধৰ্ম, দেশমাতৃৰ ৰক্ষাৰ বাবে এই তিনিওজন বীৰ যুৱকে হাঁহি হাঁহি ফাঁচী কাঠত ওলমি নিজ প্ৰাণৰ আহুতি দিছিল। স্ব-জাতি, স্ব-ধৰ্ম, আৰু স্ব-দেশ ৰক্ষাৰ নিমিত্তে হাঁহি হাঁহি নিজ প্ৰাণ উচৰ্গা কৰা তিনিওজন বীৰ শ্বহীদৰ আৰু চৌৱন্নজন কৃষকৰ হত্যাৰ কাহিনী 'ফুলগুৰি ধোঁৱা' নামেৰে অসম বুৰঞ্জীত আজিও সোণালী আখৰেৰে জিলিকি আছে। দেশমাতৃৰ ৰক্ষাৰ নিমিত্তে নিজ প্ৰাণ উচৰ্গা কৰি শ্বহীদ হোৱা এই তিনিওজন বীৰৰ আদৰ্শ আমাৰ বাবে কেৱল স্মৰণীয় নহয় অনুকৰণীয় আৰু প্ৰেৰণাযোগ্য। হে বীৰ শ্বহীদ তোমাক নতশিৰে প্ৰণামো।

❖❖❖

সংস্কৃতি

# পৰিৱৰ্তিত সমাজ ব্যৱস্থাত অসমীয়া সংস্কৃতি

মৰমী দিহিঙীয়া

সংস্কৃতি বোঁৱতী নৈৰ দৰে। নৈৰ ধৰ্মই সংস্কৃতিৰ ধৰ্ম। সৰু বৰ জান-জুৰি গোট খাই নৈ বৈ যায়। নৈত খহনীয়া হয়, পাৰত চাপৰি পৰে, গৰা খহে, কিন্তু নৈ বৈ থাকে নিৰবধি।নৈ, জান-জুৰিৰ দৰেই সৰু বৰ জাতিৰ সাংস্কৃতিক উপাদানেৰে এক জাতীয় সংস্কৃতিক গঢ় লৈ উঠে। সময়ৰ গতি আৰু সমন্বয়ৰ ধৰ্ম লৈ সংস্কৃতিয়ে যোগ-বিয়োগৰ চিৰাচৰিত ৰীতি মানি আগবাঢ়ি যায়। অসমীয়া সংস্কৃতিও এই নিয়মৰ ব্যতিক্ৰম নহয়। প্ৰাগ এতিহাসিক যুগত গঢ় লবলৈ আৰম্ভ কৰা সেই অনামী সংস্কৃতিয়ে বহুতো স্তৰ অতিক্ৰমী আধুনিক যুগত ভৰি দিছেহি। আহোম যুগত এই সংস্কৃতিয়ে অসমীয়া সংস্কৃতি নাম লয়। অসমীয়া সংস্কৃতিত স্বাভাৱিকতে সমন্বয়ৰ মাত্ৰা অধিক। ছশ বছৰীয়া আহোম ৰাজত্ব আৰু শংকৰদেৱৰ অতুলনীয় প্ৰতিভাই অসমীয়া সংস্কৃতিৰ যি ভেঁটি বান্ধিছিল, সি প্ৰায় তিনিশ বছৰ কাল কোবাল গতিৰে আগবাঢ়ি গৈছিল; কিন্তু মানৰ আক্ৰমণৰ লগে লগেই সেই সুঁতিত খহনীয়া হবলৈ ধৰিলে আৰু আজি খহনীয়া আৰু পাৰৰ চাপৰিয়ে আধুনিক অসমীয়া সংস্কৃতিক নতুন ৰূপত সজাই তুলিছে। আহোম শাসনে যেনেকৈ সেই যুগৰ অসমীয়া সংস্কৃতিক গঢ় দিয়াত বিপুল বৰঙণি যোগাইছিল, ইংৰাজ শাসনৰ পৰিণতি স্বৰূপেও অসমীয়া সংস্কৃতিত ক্ষিপ্ৰ গতিৰে যোগ-বিয়োগ সাধিত হৈছে। মোৱামৰীয়া বিদ্ৰোহ আৰু মানৰ আক্ৰমণৰ দীঘলীয়া সময়ছোৱাত অসমীয়া মানুহৰ সাংস্কৃতিক জীৱন স্থবিৰপ্ৰায় হৈ পৰিছিল। বৰ্ত্তমান পৰিবৰ্তিত সমাজ ব্যৱস্থাত অসমীয়া সংস্কৃতি পৰিবৰ্ত্তনৰ সংস্কৃতি।

অসমীয়া সংস্কৃতিৰ পৰিবৰ্তনৰ গতি খৰতকীয়া কৰাত কিছুমান কাৰকে সহায় কৰিছে। যেনে- আধুনিক শিক্ষা, নগৰমুখিতা, উদ্যোগমুখিতা আদি।

**পৰিবৰ্তিত সমাজ ব্যৱস্থাত অসমীয়া সংস্কৃতি ঃ**

আধুনিক শিক্ষাই কম-বেছি পৰিমাণে মানুহৰ মতি-গতিও সলনি কৰিলে। পিন্ধন-উৰণ, খাৱন-বোৱন আদিত নতুন ৰীতি-নীতি সোমাল। ইখনৰ পাছত সিখনকৈ নগৰ স্থাপন হ'ল। কৃত্ৰিম সামাজিকতা আৰু বিশ্ব-নাগৰিকতাৰ কস্মপলিটান আদৰ্শ সমানে আগবাঢ়ি গ'ল। আহোম যুগৰ জীৱন ধাৰণ পদ্ধতি গ্ৰাম্য আৰ্হিৰ আছিল; কিন্তু নতুন নগৰত আমোলাতান্ত্ৰিক গোন্ধভাৰ লৈ আমোলাপট্টি বহিল আৰু গ্ৰাম্য জীৱনৰ পৰা নগৰীয়া জীৱন বিচ্ছিন্ন হৈ পৰিল। লগে লগে প্ৰাচীন সাংস্কৃতিক সুঁতিৰ পৰা আঁতৰি আহিল। আজি অসমৰ সাধাৰণ নগৰীয়া সংস্কৃতি মূল প্ৰাচীন অসমীয়া সংস্কৃতিৰ পৰা বহু দূৰৈত। আজিকালি সাংস্কৃতিক বিপ্লৱৰ নামত প্ৰাচীন অসমীয়া সংস্কৃতিৰ সাময়িক অনুশীলন কৰি নগৰীয়া মানুহে অসমীয়া সংস্কৃতিৰ যি গঢ় দিছে বা প্ৰতিনিধিত্ব কৰিছে, সেয়া প্ৰকৃত ৰূপ নহয় জুমা বা ভেঙুচালিহে।

উদ্যোগমুখী নগৰবোৰৰ জীৱন, সংস্কৃতি আদি দ্ৰুত গতিৰে অনুকৰণ আৰু পৰিবৰ্ত্তনৰ পিনে ঢাল খাইছে। পৰিশ্ৰান্ত জীৱনৰ ক্ষণিক বিৰামে সাংস্কৃতিক অনুষ্ঠনবোৰ চুটি, খৰ আৰু সংমিশ্ৰিত কৰি পেলাইছে। উদ্যোগমুখী পুৰণি অসমীয়াৰ কুহিয়াৰশাল, তেলীশাল আদিয়ে মেলানি মাগিবলৈ ক্ষণ গনি আছে। লগে লগে গ্ৰাম্য সমাজত আঘাত হানিছে। আধুনিক অসমীয়া সংস্কৃতিৰ সাম্প্ৰতিক লক্ষণ হ'ল নগৰমুখী।

বিহু উৎসৱ অসমীয়া সংস্কৃৰি এটি অমূল্য সম্পদ। বিহু উৎসৱে অসমীয়াৰ জাতিয়ত্ব আৰু জাতীয় এতিহ্যৰ স্বাক্ষৰ বহন কৰিছে। বিহু সাধাৰণতে গাঁওমুখী, কৃষিমুখী উৎসৱ। কিন্তু আজিৰ সমাজত বিহু নগৰমুখী। বিহুৰ ভোজ-ভাত আৰু হুঁচৰি-বিহুনাচৰ বাহিৰে বাকী অনুষ্ঠান আৰু লোকাচাৰ নাইকিয়া হৈ আহিছে।

আজিৰ অসমীয়া সমাজত তাঁতশাল, ঢেকীৰ মূল্য নাইকিয়া হৈ আহি আছে। তাঁতশালৰ ঠাইত বজাৰত পোৱা বজৰুৱা কাপোৰ, জলপান, পিঠাৰ ঠাইত বজাৰৰ বিস্কুট, লুচি আদিৰে বিহু পাতিবলৈ লৈছে। মুঠতে পৰিবৰ্তিত সমাজত অসমীয়া সংস্কৃতিত বোৱন-কাটনে বিদায় স্তৰত ভৰি দিছেহি বুলি ক'লেও বঢ়াই কোৱা নহব।

পৰিবৰ্তিত সমাজত অসমীয়া সংস্কৃতিৰ বাহিৰ ভাগটো বাহিৰৰ সম্পদেৰে উপচি পৰিছে। খাৱন-বোৱন, পিন্ধন-উৰণ, খেল-ধেমালি, কেশবিন্যাস, প্ৰসাধন, সোধন-পোছন আদিত অসমীয়া সত্তা পাবলৈ নাই। বিয়াৰ আচবাজন, নিমন্ত্ৰণ অভ্যৰ্থনাত আগৰ আন্তৰিকতা আৰু সামাজিকতা নাই। হোমৰ গুৰিত মাথো পুৰণা ৰীতিটো জীয়াই আছে।

সমাজ, ধৰ্ম, শিক্ষা, সংগীত, সামাজিক বিধি-বিধান আদিতো নতুনৰ সোঁত বলিছে আৰু সেই সোঁতত কেৱল দিহিং, বুঢ়ালুইত, ধনশিৰি, সোঁৱনশিৰিৰ পানীয়েই অহা নাই। গংগা, যমুনা, শতদ্ৰু, বিপাশা, টাইগ্ৰীজ, মিচিচিপি আদিৰ পানীও মিহলি হৈছে আৰু এই সাংস্কৃতিক বৰনৈখনত আজি দিহিং, বুঢ়ালুইত, ধনশিৰি আৰু সোঁৱনশিৰিৰ পানীয়ে নিজৰ ৰং হেৰুৱাৰ উপক্ৰম হৈছে। আজিৰ তাৰিখত দিখৌৰ পানী দুতোলা গধূৰ নহয়, সোঁৱনশিৰিতো সোণৰ কণিকা পাবলৈ নাই। আজিৰ অসমীয়া সংস্কৃতিয়ে ভটিয়ালী গাইগুটীয়া সম্পদ আঁকোৱালি লৈছে।

এয়ে আধুনিক অসমীয়া বা পৰিবৰ্তিত সমাজত অসমীয়া সংস্কৃতিৰ স্বৰূপ।

❖❖❖

সংস্কৃতি

# মিছিং সমাজত প্ৰচলিত উৎসৱ
# আলি আয়েঃ লৃগাং

জ্যোৎস্না কুলি

আলি আয়েঃ লৃগাং মিচিং সমাজৰ আমোদজনক উৎসৱ। এই সমাজে দঃঞি (সূৰ্য্য) আৰু পঃল (চন্দ্ৰ)ক মাতৃ আৰু পিতৃস্বৰূপে জ্ঞান কৰে। পূৰ্বপুৰুষ হিচাপে আবুতানি, কাৰ্চিকাৰ্তাক আদিক বিশ্বাস কৰিও য়াৰি (বিজুলী) মুগলং (বজ্ৰ) অ্যচাৰ (বতাহ) আদিকো প্ৰকৃতিৰ একো একোটা বৃহৎ শক্তিৰূপে বিশ্বাস তথা জ্ঞান কৰি আহিছে।

মূলতঃ কৃষিভিত্তিৰ উৎসৱ আলি আয়েঃ লৃগাং ফাগুন মাহৰ প্ৰথম বুধবাৰে আয়োজন কৰা হয়। পূৰ্বতে এই উৎসৱ পালনৰ বাবে কোনো দিন নিৰ্ধাৰণ কৰা হোৱা নাছিল। ১৯৫৬ চনত মিচিংসকলৰ বৃহত্তম বানে কেবাং আৰ্থ-সামাজিক অনুষ্ঠানে আলি আয়েঃ লৃগাং উৎসৱ ফাগুনমাহৰ প্ৰথম বুধবাৰে পালন কৰাৰ প্ৰস্তাৱ আগবঢ়ায় আৰু তেতিয়াৰে পৰা আলি আয়েঃ লৃগাং উৎসৱটো প্ৰতি বছৰে ফাগুন মাহৰ প্ৰথম বুধবাৰটোত পাতিবলৈ স্বীকৃতি প্ৰদান কৰে। আলি আয়েঃ লৃগাং শব্দৰ অৰ্থ হৈছে— 'আলি' মানে মাটিৰ তলত হোৱা আলু বা ফল-মূল 'আয়েঃ' মানে গছৰ গুটি বা ফল আৰু 'লৃগাং' মানে সিঁচিবলৈ আৰম্ভ কৰা অৰ্থাৎ আলি আয়েঃ লৃগাং মানে হ'ল শস্য সিঁচাৰ প্ৰথম দিন। ইয়াৰ মূল কথাটো হ'ল পিতৃ পুৰুষৰ সহিতে পৃথিৱীৰ সমস্ত শক্তিক আৰাধনা কৰি কৃষি বা বীজ সিঁচা কাৰ্য আৰম্ভ কৰা।

আলি আয়েঃ লৃগাং দিনাখন পুৱাতে ঘৰৰ গৃহস্থ, ডেকা-গাভৰু আৰু বুঢ়া-বুঢ়ী আদি আহি ৰাইজৰ নামঘৰত উপস্থিত হয় আৰু লৃগাঙৰ বাবে প্ৰয়োজনীয় বস্তু যেনে- পৰঃ আপং (ছাই মত), পুৰা (তৰা পাতত বান্ধি সিজোৱাটো ভাত), আহুধানৰ বীজ, কপাহ, চাকি-তেল, পিঃৰ (মেগেলা গছ), মাটিমাহৰ আঞ্জা, পাতত দিয়া শুকান মাছ বা মাংস আদিক লৈ বীজ সিঁচাৰ কাম আৰম্ভ কৰে। গৃহৰক্ষক ডাঙৰীয়াই বীজখন সিঁচোতে পূৰ্বপুৰুষ সকলক সাক্ষী হিচাপে লৈ শস্য সিঁচাৰ শুভকাৰ্যত সফলতা লাভৰ মানসেৰে তলত দিয়াৰ দৰে আশীৰ্বাদ কামনা কৰে— দঞি (সূৰ্য) পলঃ (চন্দ্ৰ) কাৰ্চিকাৰ্তাক (গ্ৰহ নক্ষত্ৰ) পূৰ্বপুৰুষ ছেদি মেল, আৰাধ্য দেৱ-দেৱীক কামনা কৰে যে, আমাৰ আজি বীজ সিঁচাৰ প্ৰথম দিন। এই সিঁচি দিয়া শস্যবোৰক পোক-পতংগ, ঘাঁহ-বন, গৰু-ছাগলী, বানপানীৰ পৰা আপডাল কৰি বৃদ্ধি হ'বলৈ, বীজ অংকুৰিত হ'বলৈ যেন সহায় কৰে আৰু খাদ্য বস্তুৰ কোনো দিনে অভাৱ যাতে নহয়। তাৰ পাছত অতিথি আপ্যায়ন কাৰ্য আৰম্ভ হয়। খোৱা বোৱাৰ অন্তত নৃত্য-গীত কৰা হয়। বুঢ়া-বুঢ়ী, ডেকা-গাভৰু সকলোৱে ঘৰে-ঘৰে উলহ-মালহেৰে অংশ লোৱা এই



নৃত্যক গুমৰাগ (গুমৰাগ পাক্‌ছ মনাম) বোলা হয়। কাৰণ এই নৃত্যৰ সৈতে বজোৱা ঢোল (দুমদুম)ৰ চাপৰ পৰে—

(ক) গুমৰাগ গুমাৰাগ কেকনলক গুমৰাগ কেকনচচিন গুমৰাগ গুমৰাগ ৰাগ।

(খ) গুমৰাগ গুমৰাগ অগিন অগিন গুমৰাগ গুমৰাগ ৰাগ।

সেইকাৰণে এই বিহুক গুমৰাগ চঃমান বুলি কোৱা হয়। তাৰ পাছত ডেকা-গাভৰুৱে একেলগে লৃগাং ঐনিতম গায়। লগে লগে বৃঃদুগ (ঋতুগত) নিঃতম গীতৰ সুললিত সুৰে আকাশ বতাহ মুখৰিত কৰি তোলে। 'দুমদুম' (ঢোল) 'লুঃপি' (তাল), 'পেম্পা' (পেঁপা), 'গুংগা' (গগনা), 'লীঃনঃ শৰবাং (বৰকাহ) আৰু নিঃতমৰ সমলয় ধ্বনিত স্বৰ্গীয় আনন্দৰ বন্যা প্ৰবাহিত হয়। গৃহস্থৰ চোতালখনত 'দঃঞি' 'পঃল' (সূৰ্য-চন্দ্ৰ), 'ৰুঃনী- পুনী' (সৃষ্টিকৰ্তা), উপৰিপুৰুষ আদিক সাক্ষী কৰি ৰাইজে গৃহস্থক আশীৰ্বাদ দি গৃহস্থই দিয়া আপং, পুৰাং আদি খায়। এইদৰে বিহু মাৰি পোৱা ধন আৰু সা-সামগ্ৰীৰে গাঁৱৰ এঘৰত ৰাজহুৱা প্ৰীতিভোজৰ (দপান-তৃপান) আয়োজন কৰি লৃগাং দিনটো বিদায় দিয়া হয়।

পূৰ্বতে 'মিবু' (মিচিং সকলৰ পুৰোহিত) সকলেহে শস্য সিঁচাৰ নিয়ম পালন কৰিছিল যদিও পাছলৈ মিবুৰ অভাৱত গৃহস্থই এই ৰীতি পালন কৰিবলৈ ললে। সম্প্ৰতি পাঁচ দিনৰ পৰিৱৰ্তে এদিনীয়া বা দুদিনীয়াকৈ সামূহিকভাৱে এই উৎসৱৰ আয়োজন কৰা চকুত পৰিছে। পৰিৱৰ্তনে চুই গৈছে যদিও কৃষি বৰ্ষৰ আৰম্ভণিৰ সূচনা কৰা আলি আয়েঃ লৃগাং উৎসৱে মিচিং সমাজত গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আছে।

❖❖❖

সংস্কৃতি

# বৰ্তমানেও অসমীয়া সমাজত প্ৰচলিত কেইটামান লোকবিশ্বাস আৰু জনসংস্কাৰ

সোণমণি নাওহলীয়া

ইংৰাজী Folk belief আৰু Superstition শব্দ দুটাৰ প্ৰতিশব্দ হ'ল লোকবিশ্বাস আৰু জনসংস্কাৰ। অপাত দৃষ্টিত বিশ্বাস আৰু সংস্কাৰ অভিন্ন যেন লাগিলেও দুয়োটাৰ পাৰ্থক্যও নথকা বুলিব নোৱাৰি। কোনো জনসমষ্টিয়ে আচৰণ কৰা বিভিন্ন কৰ্মৰ সৈতে সম্পৰ্ক থকা ভিন্ন শুভাশুভবোধেই লোকবিশ্বাস। ইয়াৰ সৈতে ঐতিহ্যৰ সম্পৰ্ক নাই। আনহাতে জনসংস্কাৰ হ'ল সেইবোৰ আচাৰ আৰু ক্ৰিয়া-কলাপ, যিবোৰ পালনীয় কিম্বা বৰ্জনীয় বুলি সংহত জনসমষ্টিয়ে কেৱল বিশ্বাস কৰিয়ে ক্ষান্ত নাথাকে, ব্যৱহাৰিক জীৱনত যিবোৰ মানিও চলে।

অসমীয়া মানুহৰ মাজত প্ৰচলিত লোকবিশ্বাস আৰু জনসংস্কাৰসমূহ আজি বিজ্ঞান অগ্ৰগতিৰ কালত কিছু পৰিমাণে নিস্প্ৰভ হ'লেও লুপ্ত হোৱা নাই। বৰঞ্চ দুই এটা নতুন বিশ্বাসে গা কৰিহে উঠিছে।

বৰ্তমানেও অসমীয়া সমাজত প্ৰচলিত কেইটামান লোকবিশ্বাস আৰু জনসংস্কাৰ হ'ল— চুৰা মুখে পাণ চিঙিবলৈ যোৱাৰ অৰ্থই হ'ল পাণবাৰীৰ মৰণ মাতি অনা, মানুহৰ গাৰ ওপৰেদি চেৰাই যাব নাপায়, কালসন্ধ্যা আহাৰ বেয়া, ভাত খোৱা কাঁহীখন অসমান ঠাইত পাৰি ভোজন কৰিলে খাদ্য জীণ নাযায়, ৰাতি তিতা খোৱা নিষেধ, ভাত লাডু কৰি খাব নালাগে, ৰাতি ঘৰ সৰা জাবৰ-জোঁথৰ বাহিৰত পেলাব নালাগে, ধানে পাণে একেলগে দিব নাপায়, নতুন আলহীক প্ৰথম সাজ ভাতত টেঙা দিব নালাগে। ৰাতি বাঢ়নীটাৰী বাহিৰত এৰিব নাপায়, গুৰুজনাৰ সন্মুখত উচ্চ আসনত বহিব নাপায়, মূলা আৰু আমলখি একেলগে খোৱা মানে মৃত্যুৰ দোৱাৰ খুলি দিয়া, যাত্ৰাকালত পিছফালৰ পৰা মাতিব নালাগে, বাহী ফুল গোসাইলৈ আগবঢ়োৱা নিষেধ, যাত্ৰাকালত দৈ আৰু কণী নোখোৱাই ভাল ইত্যাদি ইত্যাদি।

বিবাহৰ ক্ষেত্ৰতো কিছুমান লোকবিশ্বাস আৰু জনসংস্কাৰ দেখা যায়। যেনে- স্বগোত্ৰ বিবাহ নিষেধ, দৰা কন্যা একে গণ হ'লে ভাল, দেৱগণ আৰু ৰাক্ষখগণৰ বিয়া হ'লে কাজিয়া পেচাল লাগে, জন্মবাৰত বিয়া নিষিদ্ধ, জ্যেষ্ঠ কন্যাৰ সৈতে জ্যেষ্ঠ ল'ৰাৰ বিবাহ নহয়, বিয়া দ্বিতীয় ৰাতিটো কালৰাত্ৰি, সেই ৰাতি দৰা কন্যাৰ দৰ্শন সহবাস নিষিদ্ধ, ল'ৰা-ছোৱালীৰ নাভি ওপৰত থাকিলে ওচৰতে বিয়া হয়, গাত পখিলা পৰা যুগ্ম জীৱনৰ আগলি বতৰা আদি।

তাৰোপৰি অসমীয়া সমাজত ভূত প্ৰেত সম্পৰ্কীয় বিশ্বাস অগণন। ভৰদুপৰীয়া শ্মশান, খাল, পুখুৰী অথবা আম-জামৰ তললৈ অকলে গ'লে ভূতে ধৰে। সৰুৱা গছ, যখিনীৰ বাঁহ, ঢেকীৰ ভিচাতো ভূত থাকে। লোহা আৰু জুই লগত থাকিলে ভূত পলায়। শুকান জলকীয়া, সৰিয়হ গোন্ধতো ভূত পলায়। সেইবাবে ৰাতি ক'ৰবালে গ'লে মানুহে লগত সৰিয়হ, জলকীয়া, লোহাৰ কটাৰী, আদি লগত লৈ যায়।

**জন্ম সম্পৰ্কীয় ঃ**

সন্তান ভূমিস্থ হোৱাৰ পিছৰেপৰা মাকৰ কাষত জুই একুৰা জ্বলাই ৰাখিলে ভূত প্ৰেত আহিব নোৱাৰে। ল'ৰা জন্ম হ'লে উৰুলি-জোকাৰ দিয়া আৰু ছোৱালী উপজিলে বেৰত বগৰী আৰু আন কাঁইটযুক্ত গছৰ সৰু ডাল বান্ধি থোৱা নিয়ম। সদ্যজাত শিশুক বাপেকে চাবলৈ নাপায়। চালে চালনী ফুটাৰে চাব লাগে। নৱজাতকক সৰিয়হৰ বালিচত শুৱালে মূৰটো গোলাকাৰ হোৱাৰ উপৰি ভূতেও লম্ভিব নোৱাৰে। নৱ জাতকক মাকে কোলাত লৈ ভাত খালে শিশুৰ স্বাস্থ্য ভাল হয়।

**অংগ প্ৰত্যংগ সম্পৰ্কীয় ঃ**

চকু লাল, হিয়া খাল সেই পুৰুষৰ লক্ষণ ভাল, কেকোঁৰা চুলি সুপুৰুষৰ লক্ষণ, মুৰত দুটা চকৰি থকা লোক খঙাল, হাতী কপলীয়াজন ভাগ্যৱান, নাক জোঙাজন বুদ্ধিমান, সৰু চকু লোকসকল চালাক, কেৰা চকুৱাজন ভাগ্যৱান, দীঘল মিহি চুলিৰ লোকসকল সুকুমাৰ কলাত পাৰ্গত, কাণৰ লটি নোহোৱা লোক অতি দুষ্ট, পিতল চকুৱা আৰু ছয় আঙুলীয়া লোক ভাগ্যৱান, তিৰোতাৰ খৰম যুৰীয়া ভৰি বেয়া, সাপ নেজীয়া চুলিৰ নাৰী কুলক্ষণী, যাত্ৰাৰ কালত যি নাৰীৰ তৰ্জনী; মধ্যমা আৰু অনামিকাই ভূমি নোচোৱে সেই নাৰীয়ে প্ৰথম স্বামী নাশ কৰি দ্বিতীয় স্বামী গ্ৰহণ কৰে। খোজ কাঢ়োতে ভূমি কঁপাই যোৱা নাৰী বিধবা হোৱাটো খাটাং। যি নাৰীৰ চৰণতল স্নিগ্ধ, মংগল, মৃদু আৰু সমান, উত্তপ্ত আৰু ৰঙচুৱা সেই নাৰী ভাগ্যশালিনী আৰু প্ৰচুৰ ঐশ্বৰ্যশালী ইত্যাদি।

❖❖❖

সংস্কৃতি



# বহাগ বিহু আৰু অসমীয়াৰ প্ৰাণৰ গামোচাখন

নিজৰা গগৈ

অসম বিভিন্ন জাতি জনগোষ্ঠী ভাষা-ভাষী লোকৰ বসতিস্থল। এনে বৈচিত্ৰতাৰ মাজতো অসমবাসী ঐক্যৰ ডোলেৰে বান্ধ খাই আছে। এই ক্ষেত্ৰত বহাগ বিহুৱে বিশেষ ভূমিকা গ্ৰহণ কৰা দেখা যায়। ভূপেন হাজৰিকাৰ ভাষাত— "বহাগ মাথো এটি ঋতু নহয়।" বিহু অসমীয়া জাতিৰ পৰম্পৰাগত উৎসৱ। এই বসন্ত মাহতে প্ৰকৃতিয়ে ঠন ধৰি উঠে। গছ, বন, লতিকাৰে পৰিপুষ্টিত অসমৰ জাতীয় জীৱনতো বসন্ত ঋতুৰ ৰঙে প্ৰভাৱান্বিত কৰে। ঋতুভেদে মানুহৰ মনৰো পৰিবৰ্তন হয়।

ভৌগোলিক আৰু প্ৰাকৃতিক পৰিবেশেও এটা জাতিৰ সংস্কৃতিৰ পৰিচয় বহন কৰে। অসম পৰ্বত, পাহাৰ, ভৈয়াম, নদ-নদী, গছ-বন, লতাৰে ভৰপূৰ চিৰসেউজীয়া দেশ। সেয়ে অসমৰ সংস্কৃতি মূলতঃ কৃষিকেন্দ্ৰিক। কৃষিক কেন্দ্ৰ কৰিয়েই অসমৰ সৰহ সংখ্যক উৎসৱ অনুষ্ঠানৰ পালন কৰা হয়। এই ক্ষেত্ৰত অসমৰ জাতীয় উৎসৱ বিহুও ব্যতিক্ৰম নহয়। বিহুৰ সৈতে অসমৰ মানুহৰ বহুতো বিশ্বাসো জড়িত হৈ আছে। অসমৰ মানুহে বিশ্বাস কৰিছিল যে পথাৰত কৰা আনন্দ উৎসৱসমূহৰ সৈতে সংগতি ৰাখি যি গীত-মাত বাদ্যৰ ব্যৱহাৰ কৰা হয়, সেই গীত-মাত বাদ্যৰ সুৰতেই পৃথিৱীৰ উৎপাদিকা শক্তি বাঢ়ি যায়। অসমৰ গছ-গছনিয়ে কুঁহিপাতৰ বসন পিন্ধে, কুঁহিপাতৰ মিচিকনিয়ে প্ৰতিজন মানুহৰ মনত নতুন নতুন চিন্তাৰ আগমন ঘটায়। অসমৰ প্ৰকৃতিয়ে এনে ৰূপ পৰিগ্ৰহণ কৰি জনসাধাৰণক আগতীয়াকৈ বিহুৰ ওলগ জনায়। যাৰ ফলশ্ৰুতিত বহাগ বিহুৱে অসমৰ মানুহৰ প্ৰাণত আনে নতুন শিহৰণ।

ফাগুন যোৱাৰ লগে লগে চ'ত আৰু বহাগ মাহত অসমৰ প্ৰকৃতি ন-সাজেৰে বিনন্দীয়া ৰূপত যৌৱনা হৈ উঠে। লঠঙা ডালৰ মুখত তিৰবিৰাই ন কুঁহিপাতে। আমে মলিয়ায়, কঠালে মুচি পেলায়। আকৌ দুই এজাক ৰিমঝিম বৰষুণে প্ৰকৃতিক অধিক চঞ্চলা কৰি তোলে। পাতৰ আঁৰত লাজুকি কুলিজনীয়ে মৌসনা সুললিত সুৰেৰে গীত গাই গছ-লতিকাকো শুনায়।

গছ, বন, বিৰিখ, লতিকা, পলাশ, মদাৰ, কুলি কেতেকী সকলোৱে নিজস্ব দৃষ্টিভংগীমাৰে আদৰিবলৈ সাজু হৈ উঠে মাকৰ ঘৰলৈ অহা বৰদৈচিলাক। বৰদৈচিলাক মাকৰ ঘৰলৈ আহোতে মূৰত জাপিটোৰ আৱশ্যকতা অনুভৱ কৰে। জাপি অসমৰ এক বিনন্দীয়া সংস্কৃতি। জাপি অসম আৰু অসমীয়াৰ গৌৰৱৰ পৰিচায়ক। জাপি সাধাৰণতে অসমৰ কৃষক সমাজৰ এক আৱশ্যকীয় সামগ্ৰী। জাপি সাধাৰণতে টকৌ গছৰ পাত আৰু বাঁহ-বেতেৰে তৈয়াৰ কৰা হয়। ই অসমৰ থলুৱা সম্পদ। বৰ্তমান জাপিয়ে বিশ্ব দৰবাৰতো স্থান পাবলৈ সক্ষম হৈছে। অসমীয়া লোকে বিহুগীতবোৰতো জাপিৰ কথা উল্লেখ কৰা দেখৰ যায়।

ডেকাসকলৰ মূৰত মথুৰা পাগত যি গামোচা আঁতি আঁতি বান্ধে, প্ৰতিখন গামোচাৰ আচলত জাপিৰ আৰ্হিৰে যি ফুলবচা হয়, সেয়া সঁচাই বাচকবনীয়া আৰু জাতীয় চেতনাৰ এক মূলমন্ত্ৰস্বৰূপ।

অসমীয়া জাতীয় জীৱনৰ সৈতে গামোচা ওতঃপ্ৰোতভাৱে জড়িত হৈ আছে। বহাগ বিহু যদি অসমীয় জাতীয় জীৱনৰ আয়ুসৰেখা, তেন্তে গামোচাখন প্ৰাণস্পন্দনস্বৰূপ। এই গামোচাখন অসমৰ ইতিহাস। বহাগৰ আগমনতেই গামোচাখনে আমাক সজাগ আৰু সচেতন কৰি তোলে। এই বিহুৱানখনৰ অবিহনে ৰঙালীৰ ৰং উকা লাগে। সৌন্দৰ্য্য ম্লান হয়। জাতীয় জীৱনৰ এই গামোচাৰ ব্যৱহাৰ অতি তাৎপৰ্যপূৰ্ণ। অসমৰ শিপিনীসকল এই গামোচাৰ বাবেই জগত বিখ্যাত। এই গামোচাতেই শিপিনীসকলে তেওঁলোকৰ হেঁপাহৰ সপোন ৰচে। এই গামোচাখন কত গাভৰুৰ মৰমৰ চিহ্ন। নিজ হাতেৰে বোৱা ভমকাফুলীয়া গামোচাখন মৰমৰ প্ৰেমিকজনক নিজ হাতে পিন্ধাবলৈ মনত যে কিমান হেঁপাহ? এই গামোচাখন বিহুত বিহুৱান হিচাপে ব্যৱহাৰ কৰা হয়। এইখনেই বহন কৰে সুখ, দুখ, হাঁহি, কান্দোন, প্ৰেম-প্ৰীতি, জাতীয় সজাগতাৰো চানেকী।

যি কি নহওঁক বিহুৰ মাজতে সোমাই আছে অসমীয়া জাতিৰ ঘাই শিপাডাল। ফাগুনৰ হাতত হাত ধৰি পলাশ, মদাৰ, শিমলুৰ ৰঙত ৰঙিয়াল হৈ অসমীয়াৰ মাজলৈ আহে বহাগ। অসমীয়া জাতিৰ প্ৰাণ, হিয়াৰ আমঠু এই বিহুটিক আমি সদায় সতেজ আৰু সজীৱভাৱে উজ্জীৱিত কৰি ৰাখিব লাগিব। কিয়নো কপৌফুল নহলে যেনেকৈ নাচনীৰ খোপা শুৱনী নহয়, বিহু উদ্‌যাপন নকৰিলে আমাৰ জাতি তথা জাতীয় চেতনা মৰহি যাব। যিহেতু বহাগ মাথো ঋতু নহয়। অসমীয়া জাতিৰ ই আয়ুস ৰেখা।

❖❖❖

বোলছবি

# মন ফুলনিত '3 Idiots'ৰ গুঞ্জন

**মহেন্দ্ৰ পাচোৱান**

3 Idiots নামটো নিশ্চিয়কৈ কাৰোবাক চিনাকি দিয়াৰ প্ৰয়োজনীয়তা নাই। কিন্তু ইয়াৰ গুৰুত্ব যেন আমি গুৰুতানুসৰি বুজি উঠা নাই। বেছি আপোন হোৱা বাবেই নেকি এই দোষ! সময় সুযোগ পালে ফিল্ম চোৱাৰ অলপকৈ অভ্যাস আছে। কিন্তু ফিল্ম বা বোলছবিৰ বিষয়ে লিখাৰ অভিজ্ঞতাও নাই আৰু লিখিব পাৰিম বুলিও নাভাবো। কিন্তু কিয় জানো বৰ্তমান সময়ৰ এজন জনপ্ৰিয় ঔপন্যাসিক চেতন ভগতৰ 'Five Points Someone'শীৰ্ষক উপন্যাসখনৰ আধাৰত ৰাজ-কুমাৰ হিৰাণীয়ে পৰিচালনা কৰা 3 Idiots ছবিখনৰ কথাই সদায় মনত দোলা দি থাকে। ক'বলৈ নাপালে যেন শান্তিয়ে নাপাম। সেয়েহে সুযোগতে মনৰ নাচনীক নচুৱাই চালো। নাচিব যে জানিবই তাত মোৰ নিজৰেই সন্দেহৰ উৰ্দ্ধত নহয়।

ফিল্মখনত সমষ্ট সংসাৰৰ কথা, জন-জীৱনৰ সমস্যাৰ কথা আছে যিবোৰ লিখি শেষ কৰা এই টোকাত মোৰ বাবে প্ৰায় অসম্ভৱ। সেয়েহে মই মাথো ফিল্মখনৰ মোৰ মন মগজু স্পৰ্শ কৰা দুটিমান গুৰুত্বপূৰ্ণ বুলি ভৰা কথাহে ক'ব বিচাৰিছোঁ। ইয়াত মোৰ নিজস্ব দৃষ্টিভংগী ফুটি উঠিব পাৰে; কিন্তু কাল্পনিক কথা নাই।

"সাফল্য অৰ্জনৰ বাবেহে নহয়, সক্ষম হ'বৰ বাবে পঢ়ো আহক" —ফিল্মখনৰ মূল কথা বা মূল ভাৱটো এইটোৱেই আৰু ফিল্মখনৰ মহত্বও এইখিনিতে নিহিত হৈ আছে। যাৰ বাবে দৰ্শকে ফিল্মখন বাৰে বাৰে উপভোগ কৰাৰ পাছতো আমনি লগাৰ বিপৰীতে আৰু চোৱাৰ ইচ্ছা বেছিকৈহে বাঢ়ে। কেৱল চাকৰিৰ বাবেই যে নহয় জ্ঞান অৰ্জনৰ বাবেহে শিক্ষা গ্ৰহণ কৰা উচিত। এই কথা সম্পূৰ্ণ নিচিন্ত ৰূপত বুজি উঠিবলৈ 3 Idiots বোলছবিখনক দৃটোন্তমূলকভাৱে ল'ব পাৰি। ফিল্মখনত এটি বিখ্যাত ইঞ্জিনীয়াৰিং কলেজৰ কথা কোৱা হৈছে য'ত বহু দূৰ দূৰণিৰ পৰা অহা ছাত্ৰ-ছাত্ৰীৰ লগতে ফিল্মখন মূল নায়ক আমিৰখানো পঢ়িবলৈ আাহে। ফিল্মখনত মূল নায়কজনে তেওঁৰ কলেজীয়া লগৰকেইজনক জ্ঞান সম্পৰ্কীয় কিছু কথা এনেদৰে কৈছে— জীৱনৰ আন এটি নাম সংগ্ৰাম। ই বহুতো সমস্যা তথা সংকট ৰূপত মানুহৰ জীৱনত দেখা দিয়ে। মানুহৰ জীৱনলৈ যেতিয়া কোনো সংকট আহে, তেতিয়া নিজৰ বুকুত নিজে হাত থৈ 'All is well All is well' বুলি প্ৰবোধ ল'ব লাগে। অৰ্থাৎ এতিয়ালৈকে সকলো ভালেই আছে বুলি মনক সান্তনা দিব লাগে। অৱশ্যে যদিও এনে কৰিলে সমস্যাটো সমাধান নহয় বা সংকটৰ পৰাও হাত সাৰিব নোৱাৰি কিন্তু ই সমস্যা সন্মুখীন হ'বলৈ মনোবল প্ৰদান যথাৰ্থতে কৰে। অন্যহাতে মানুহৰ জীৱনটো যেতিয়া 'Out of Control' অৰ্থাৎ নিয়ন্ত্ৰণহীন হোৱাৰ দৰে হয় তেতিয়াও সেই একেটা কথাকে বুকুত হাত ৰাখি আওৱাই যাব লাগে। তেতিয়াও সেই একেটা ফলাফল পোৱা যায়। তদুপৰি মানুহৰ মনক ফিল্মখনৰ যোগেদি এটি Idiots অৰ্থাৎ অজলা বুলি কৈছে, কাৰণ মনটো বহু কাৰণত কেতিয়াবা ভয়াতুৰ, কেতিয়াবা লাজকুৰীয়া হয়। সেয়ে মনক মৰমেৰে ফুচুলাই ৰাখিবলৈ যত্ন কৰিব লাগে। ইয়াৰ অৰ্থ এয়ে যে, সকলোতকৈ নিজক আৰু নিজৰ মনক বেছি ভাল পাবলৈ শিকিব লাগে। মানুহৰ ভৱিষ্যতৰ কথা মানুহে নিজে নাজানে তেনে সন্দৰ্ভত ফিল্মখনত এটি অৰ্থপূৰ্ণ গীতৰ জৰিয়তে বুজাইছে— কুকুৰাই কি জানে তাইৰ কণীটোৰপৰা কি অৱস্থা হ'ব, কণীটোৰপৰা এটি সুন্দৰ জীৱন পাব নে, কেৰাহিত ফ্ৰাই হ'ব। ফিল্মখনত এনেধৰণৰ জীৱন জিজ্ঞাসা সম্বন্ধীয় বহু কথাৰে ভৰপূৰ।

সকলো পিতৃ-মাতৃয়ে নিজৰ সন্তানৰ ভাল হোৱাটো কামনা কৰে। সেই কাৰণে তেওঁলোকৰ কিছুমানে শিশুটিৰ জন্ম হোৱাৰ আগেয়ে সন্তানটিক লৈ বহু সপোন পুহি ৰাখে। কিছুমান লোকে ভাৱে মোৰ সন্তান ডাঙৰ হৈ কলেজ, ইউনিভাৰচিটি পঢ়িব, ডাঙৰ মানুহ হ'ব, ইঞ্জিনীয়াৰ হ'ব ইত্যাদি। এনেকৈ নিজৰ সপোন পূৰাবলৈ যাওঁতে সন্তানটিৰ ভালপোৱা বেয়াপোৱা দিশবোৰৰ পৰা আঁতৰাই আনি পিতৃ-মাতৃৰদ্বাৰা নিৰ্বাচিত দিশেহে গতি কৰিবলৈ বাধ্য কৰায়। পিতৃ-মাতৃৰ এনেধৰণৰ আচৰণৰ ফলত সন্তানৰ শাৰীৰিক সুস্থতা, মানসিক বিকাশত হেঙাৰ স্বৰূপে দেখা দিয়ে। ফিল্মখনত প্ৰতিফলিত কৰাৰ দৰে শিশুটিৰ মন-মগজুত মানসিক হেঁচাত জীৱনৰ গতি থমকি ৰয়। জানি-অজানিতে কৰা পিতৃ-মাতৃৰ এনেবোৰ কাৰ্যই নিজৰ সন্তানটিৰ জীৱন ধ্বংসৰ গড়াহলৈ পঠিয়ায়।

শিশুৰ বিকাশৰ প্ৰথম পৰ্যায় হৈছে নিজৰ ঘৰখন আৰু পৰিয়ালটো। য'ত শিশুৰ মানসিক আৰু শাৰীৰিক উভয় দিশতে বিকাশ ঘটে। শিশুৱে প্ৰাথমিক বিদ্যালয়লৈ খোজ দিয়াৰ আগেয়ে প্ৰাথমিক জ্ঞানখিনি নিজৰ পৰিয়ালৰ সদস্য সকলৰ পৰা লাভ কৰে। যিবোৰক নৈতিক আচৰণ বুলি ক'ব পাৰি। শিশুৰ মানসিক বিকাশ তেওঁলোকৰ নিজৰ ভাল লগা দিশটোৰ ওপৰতহে নিৰ্ভৰ কৰিব; যিবোৰ দিশত শিশুৱে অতি আগ্ৰহেৰে ভালপোৱা কাৰ্যবোৰ কৰে।




শিশুৰ এনে কাৰ্য বিভিন্ন ধৰণৰ হ'ব পাৰে যথা— কিতাপ পঢ়া, গান গোৱা, নৃত্য, খেলা-ধূলা কৰা, ছবি আঁকা, কবিতা, গল্প লিখাৰ অভ্যাস আৰু অন্যান্য বিবিধ ধৰণৰ। শিশুটিয়ে যিটো দিশত আগ্ৰহী, পিতৃ-মাতৃ তথা অভিভাৱকে সেই দিশটো বাছি উলিয়াব জানিব লাগিব আৰু সেই দিশেৰে আগবাঢ়িবৰ বাবে শিশুটিক আৰু অধিক আগ্ৰহ, ইচ্ছা দেখুৱাব লাগিব। এনেবোৰ গুণৰ অধিকাৰীয়েই পিতৃ-মাতৃক সফল পিতৃ-মাতৃ হোৱাত সহায় কৰে বুলি বোলছবিখনৰপৰা জানিব পাৰি।

3 Idiots ফিল্মখনত সাম্প্ৰতিক সময়ৰ গতানুগতিক শিক্ষা ব্যৱস্থাৰ ক্ষেত্ৰত অসন্তুষ্ট হৈ আমিৰখানে এনেদৰে কয়— "আমাৰ কলেজবোৰত এনেধৰণৰ শিক্ষা ব্যৱস্থাৰ প্ৰচলন আছে, য'ত কোনো নতুনত্বৰ কথাই চিন্তা কৰা নহয়। য'ত কিবা এটা উদ্ভাৱনৰ কোনো চিন্তাই নাথাকে। কেৱল নম্বৰ (Marks)ৰ কথাহে কোৱা হয়। পাঠদানত কেৱল এইটো কথাই শিকোঁৱা হয় নিয়মীয়াকৈ পাঠ গ্ৰহণ কৰি পৰীক্ষাত অৱতীৰ্ণ হৈ Percentage কেনেকৈ গোটাব পাৰি। এইটো কথা ঠিক যে, পৰীক্ষাত ভাল নম্বৰ গোটাই ভাল চাকৰি পাব পাৰি কিন্তু চিন্তাৰ বিষয় এয়ে যে এনে শিক্ষা ব্যৱস্থাৰ দ্বাৰা প্ৰকৃত জ্ঞান অৰ্জন কৰিব নোৱাৰি। এনে শিক্ষাৰদ্বাৰা কোনো কাৰিকৰী কৌশল আয়ত্ব কৰিব নোৱাৰি আৰু শিক্ষাৰ মূল, উদ্দেশ্য এইটো নহয় যে, স্কুল, কলেজ পঢ়ি কেৱল এটা ভাল কেৰিয়াৰ গঢ়াটো। জ্ঞানৰ অন্বেষণ কৰি মানৱ জাতিৰ বাবে কিবা এটা নতুনত্ব উদ্ভাৱন কৰাটোৱেই বৰ্তমান যুগৰ শিক্ষাৰ মূল লক্ষ্য আৰু উদ্দেশ্য হোৱা যুগুত।

সাম্প্ৰতিক সময়ৰ শিক্ষা ব্যৱস্থাই ছাত্ৰ জীৱনত হেঙাৰ হৈ থিয় দিছে। যিবোৰক ছাত্ৰ-ছাত্ৰীৰ শিক্ষা জীৱনৰ একো একোটা ডাঙৰ সমস্যা বুলি কোৱা হয়। কাৰণ ছাত্ৰ-ছাত্ৰীয়ে স্বাধীনভাৱে নিজ ভালপোৱা দিশটোত আগবাঢ়ি যাব পৰাকৈ শিক্ষা ব্যৱস্থাত সুৰুঙা নাই। এনে কথাৰ সত্যতা প্ৰমাণ দিবৰ বাবে ফিল্মখনত জনপ্ৰিয় অভিনেতা আমিৰখানে নিজে পঢ়া ইঞ্জিনীয়াৰিং কলেজখনৰ কথা কৈছে। অৱশ্যে এনেধৰণৰ সজাগ আৰু সচেতন ছাত্ৰ-ছাত্ৰী ও নথকা নহয়, যিবোৰে শিক্ষা ব্যৱস্থাত থকা আসোঁৱাহবোৰ সহজতে তেওঁলোকৰ দৃষ্টিত ধৰা পৰে। কিন্তু দুখৰ বিষয় এই যে বেয়া দিশটোকে আঙুলিয়াই দিয়া জনক মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই হাতত ধৰি মহাবিদ্যালয়ৰ পৰা বহিষ্কাৰ কৰাৰ ভাবুকি আৰু ছাত্ৰজনক পৰম জ্ঞানী বুলি সকলোৰে আগত অপমান কৰা কাৰ্যও কলেজবোৰত নঘটা নহয়। এনে অপমানজনিত কাৰ্য্যই ছাত্ৰজনক লাজ আৰু মানসিক হেঁচাত ভোগায়। যাৰ ফলস্বৰূপে ছাত্ৰজন অধৈৰ্য হৈ আত্মহত্যাৰ দৰে বিপদজনক কাৰ্যও কৰিবলৈ কুণ্ঠাবোধ নকৰে। এনে আত্মহত্যাৰ প্ৰসংগতেই নায়ক গৰাকীয়ে কয়— এনেয়ে কিছুমান তথ্য অনুসৰি জানিব পাৰি আত্মহত্যাৰ দৰে কাৰ্যত আমাৰ ভাৰতবৰ্ষ প্ৰথম স্থান অধিকাৰ কৰি আছে। য'ত প্ৰতি ডেৰ ঘণ্টাত কোনো নহয় কোনো শিক্ষাৰ্থীয়ে আত্মহত্যা কৰে। এনে ঘটনা ছাত্ৰ জীৱনত সংঘটিত হোৱাৰ মূল কাৰণ হৈছে— সাম্প্ৰতিক সময়ৰ গতানুগতিক শিক্ষা ব্যৱস্থা। এনে সমস্যাবোৰৰ পৰা হাত সাৰিবলৈ ছাত্ৰৰ সমাজত এটাই মাত্ৰ উপায় হ'ল ছাত্ৰ সমাজে গতানুগতিক শিক্ষা ব্যৱস্থাৰ বিৰোধিতা কৰি ইয়াৰ ইয়াৰ পৰিৱৰ্ত্তন কৰাৰ পুৰুষাৰ্থ কৰি নিজে ভালপোৱা দিশত আগবাঢ়ি যোৱা।

3 Idiots ফিল্মখনত উল্লেখিত ইঞ্জিনীয়াৰিং কলেজখনত গতানুগতিক শিক্ষা ব্যৱস্থাৰ বিৰোধিতা কৰি মূল নায়ক আমিৰখানৰ লগতে আমিও এক সিদ্ধান্ত ল'ব পাৰোঁ এনে গতানুগতিক শিক্ষা ব্যৱস্থাই কেৱল কোনো এক কেৰিয়াৰ গঢ়াৰ বাবেহে যোগ্য। ই কোনো মানৰ সম্পদ গঢ়াৰ যোগ্য নহয়। এটা কথা স্পষ্ট যে এই শিক্ষাই ব্যৱস্থাৰদ্বাৰা কোনো জ্ঞান অন্বেষণ কৰিব নোৱাৰি আৰু য'ত জ্ঞান অন্বেষণ নহয় তাত নতুনত্ব উদ্ভাৱনৰ আশা কৰাটোও নিঃসন্দেহে নিৰৰ্থক। যদিও কোনোবা কাৰণত এনে শিক্ষা ব্যৱস্থাক এক সফল শিক্ষা ব্যৱস্থা বুলি ক'ব পাৰি, কিন্তু ই বৰ্তমান দ্ৰুত গতিত আগবঢ়া বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ সমাজখনত বৰ্তি থাকিব নোৱাৰা শিক্ষা ব্যৱস্থা। অৰ্থাৎ এনে শিক্ষা ব্যৱস্থাৰদ্বাৰা যি জ্ঞান পোৱা যায় সেই জ্ঞানেৰে বৰ্ত্তমান সময়ৰ পৰিস্থিতিৰ লগত কোনো প্ৰকাৰে সক্ষম হ'ব নোৱাৰে। সেয়েহে বোলছবিখনত আমিৰখানে কোনোবা মহাপুৰুষে কোৱা বুলি কথা এষাৰ কয়- "সফলতাৰ পিছে পিছে নদৌৰিবা, যি কোনো পৰিস্থিতিৰ সক্ষম হোৱাৰ বাবে যত্নবান হোৱা। সফলতা নিজেই তোমাৰ কাষ চাপিব।"

মুঠতে বোলছবিখন অভিনয়, চিত্ৰগ্ৰহণ, সংলাপ, সাহিত্যৰ চলচিত্ৰকৰণ আদি সকলো দিশৰ পৰা সাৰ্থক হৈছে সেই কথা ন দি ক'ব পাৰি।

❖❖❖

ব্যক্তিত্বৰ বৰ্ণালী

# বৰ্তমান সমাজৰ প্ৰেক্ষাপটত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ দৰ্শনৰ প্ৰাসঙ্গিকতা

নিউটন পেগু



"জয় গুৰু শংকৰ সৰ্ব্ব গুণাকৰ
যাকেৰি নাহিকে উপাম।
তোহাৰি চৰণক ৰেণু শতকোটি
বাৰেক কৰোহোঁ প্ৰণাম।।

যিসময়ত অসমৰ সূৰ্য্য চিৰদিনৰ কাৰণে মাৰ যাবলৈ আৰম্ভ কৰিছিল, যিসময়ত অসমখন অন্ধকাৰত ডুব যাবলৈ আৰম্ভ কৰিছিল, যিসময়ত সমাজ অন্ধবিশ্বাস, কু-সংস্কাৰ আদিৰে জৰ্জৰিত হ'বলৈ আৰম্ভ কৰিছিল, সেই সময়ত অসমৰ অন্ধকাৰ দূৰ কৰিবৰ কাৰণে; সমাজত চলি থকা অন্ধবিশ্বাস, কু-সংস্কাৰ আদি আঁতৰ কৰিবৰ কাৰণে, সমাজত শান্তি প্ৰতিষ্ঠা কৰিবৰ কাৰণে এজন মহাপুৰুষৰ আবিৰ্ভাৱ হৈছিল আমাৰ অসমভূমিত। যাক আমি জানো ধৰ্মগুৰু হিচাপে, যাক আমি জানো সাহিত্য গুৰু হিচাপে, যাক আমি জানো সমাজ সংস্কাৰক হিচাপে, সেই জনেই আছিল আমাৰ পৰমগুৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আছিল বহুমুখী প্ৰতিভাসম্পন্ন ব্যক্তি। তেওঁ অসমীয়া জাতিক ধৰ্ম, ক'লা-সংস্কৃতি, ভাষা, গীত-মাত, নৃত্য-নাট, বৰগীত, ভটিমা, কীৰ্তনঘৰ তথা নামঘৰ, সত্ৰ আদি সকলো অৱদানেৰে অসমখনক সমৃদ্ধ কৰি থৈ গ'ল। যাৰ ফলত আজি আমি জগতত হাঁহি-হাঁহি নিজকে অসমীয়া বুলি চিনাকি দিবলৈ সক্ষম হৈছো। তেওঁ গীতা, ভাগৱত, বেদ-উপনিষদ, মহাভাৰত, ৰামায়ণ আদিৰপৰা ৰস গোটাই আনি গীত-পদ-নাট ৰচনা কৰি সমাজত কৃষ্ণৰ অমৃতৰ নদী বোৱাই দিছিল। প্ৰত্যেকজন মানুহৰ অন্তৰত আধ্যাত্মিক মূল্যবোধ জাগ্ৰত হ'বলৈ দিছিল। যেনেদৰে 'কীৰ্তন ঘোষা' মহাপুৰুষজনাৰ সাহিত্যিক জীৱনৰ কীৰ্তিস্তম্ভস্বৰূপ তেনেদৰে সমাজৰ কাৰণেও ই কীৰ্তিস্তম্ভস্বৰূপ। 'কীৰ্তন ঘোষা' আমাৰ সমাজত জ্বলি থকা চাকিৰ নিচিনা চিৰদিন জ্বলি থাকিব।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ অসমত জন্ম হোৱাৰ কাৰণে অসমভূমি পবিত্ৰ হ'ল। শংকৰদেৱ অসমত জন্ম হোৱা বাবে অসমীয়া জাতি ভাগ্যবান বুলি ক'ব পাৰি। কাৰণ তেওঁৰে অসমত অধৰ্ম নাইকিয়া কৰি ধৰ্ম ৰাজ্য স্থাপন কৰিছিল, উচ্চ-নিম্নৰ ভাৱ আঁতৰাই সমাজত সমতা প্ৰতিষ্ঠা কৰিছিল, তেওঁ যেন স্বৰ্গৰ পৰা প্ৰেম অমৃতৰ নদী পৃথিৱীলৈ বোৱাই আনিছিল। তেওঁৰে সমাজত চলি থকা অন্ধবিশ্বাস, কু-সংস্কাৰবোৰক নাইকিয়া কৰিছিল।

শংকৰদেৱে সমাজত চলি থকা অন্ধবিশ্বাস, কু-সংস্কাৰবোৰক দেখি হিয়া ভাঙি কান্দি উঠিছিল। সেয়ে সমাজত চলি থকা অন্ধবিশ্বাস, কু-সংস্কাৰবোৰক আঁতৰাবৰ কাৰণে তেওঁ দৃঢ় সংকল্পবদ্ধ হৈ পৰিছিল। তেওঁ সমাজত শান্তি প্ৰতিষ্ঠা কৰিবৰ কাৰণে, অন্ধবিশ্বাস, কু-সংস্কাৰবোৰক আঁতৰ কৰিবৰ কাৰণে ধৰ্মৰ আশ্ৰয় লৈছিল। তেওঁ সকলো ধৰ্মক সমান ভাবি, সকলো ধৰ্মক হিয়াত স্থাপন কৰি নানা জাতিক মহাজাতি কৰি, বাৰ বৈষ্ণৱ এক কৰি নৱ বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰিছিল। তেওঁ ভালদৰে জানিছিল যে- ভগৱান কেৱল হিন্দুৰে নহয়, ভগৱান কেৱল খ্ৰীষ্টানৰে নহয়, ভগৱান কেৱল মুছলমানৰে নহয়, ভগৱান সকলোৰে। তেওঁ সকলোকে সমান দেখে।

শংকৰদেৱ জন্ম হোৱাৰ সময়ত অসমৰ মানুহে নানা দেৱ-দেৱীক উপাসনা কৰিছিল। মানুহে দেৱ-দেৱীক সন্তুষ্ট কৰিবৰ কাৰণে জন্তুক বলি দিয়াৰ উপৰিও মানুহকো বলি দিবলৈ কুণ্ঠাবোধ কৰা নাছিল। সমাজত ধৰ্মৰ নামত মানুহৰ মাজত গণ্ডগোলৰ সৃষ্টি হৈছিল। কোনটো ধৰ্ম, কোনটো অধৰ্ম প্ৰতিষ্ঠা কৰাটো টান হৈ পৰিছিল। সেই সময়তে অসমত আবিৰ্ভাৱ হৈছিল মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ। তেওঁৰে সমাজত প্ৰকৃত ধৰ্ম নিৰ্ণয় কৰিলে। প্ৰত্যেকজন মানুহৰ হৃদয়ত আধ্যাত্মিক মূল্যবোধ জাগ্ৰত হ'বলৈ দিলে। তেওঁ সমাজক এই কথাকে ক'বলৈ বিচাৰিছিল যে, ভগৱানে আমাৰ পৰা টকা পইচা, ধন-সম্পত্তি একো নিবিচাৰে। আমাৰপৰা ম'হ, ছাগলী, কুকুৰা, পাৰ আদি নিবিচাৰে। আমাৰ পৰা বিচাৰে মাথো পবিত্ৰ মন। যাৰ মন পবিত্ৰ, যিজনে সদায় ভগৱানক বিশ্বাস কৰে তেওঁৰ হৃদয়ত ভগৱান সদায় বিৰাজ কৰে। কিন্তু যাৰ মন অহংকাৰী, যিজনে ভগৱানক বিশ্বাস নকৰে, যিজনে নিজকে ভগৱান বুলি গণ্য কৰে তেওঁৰ লগত ভগৱান থাকিও বহুত দূৰত। গীতাই কৈছে, "সমান মই সকলো ভূত (মানুহ)ৰ বাবে, এই মোৰ অপ্ৰিয় আৰু প্ৰিয়ও নাই। যি ভজনা কৰে ভক্তিপূৰ্বক তেওঁলোক মোতে আছে আৰু ময়ো তেওঁলোকতে আছো।"

শংকৰদেৱৰ জীৱনৰ এটা উল্লেখযোগ্য ঘটনা হ'ল মাধৱদেৱৰ লগত মিলন বা সংযোগ। এই মিলনক 'মণিকাঞ্চন সংযোগ' বুলি কোৱা হয়। এই মিলন মানৱ ইতিহাসত সোণালী আখৰেৰে লিখা থাকিব। শংকৰ-মাধৱৰ মিলনৰ সময়ত দুয়োজনা গুৰুৰ মাজত তিনিদিন তিনিৰাতি তৰ্কযুদ্ধ হৈছিল। অৱশেষত মাধৱদেৱে শংকৰদেৱৰ ওচৰত হাৰ মানিব লগাত পৰে। মাধৱদেৱে শংকৰদেৱৰ মুখৰ পৰা ওলোৱা গীতা, ভাগৱতৰ বাণী শুনি মুগ্ধ হৈছিল আৰু শংকৰদেৱৰ চৰণত শৰণ লৈছিল। সেয়ে মাধৱদেৱে লিখিছে—

"লীলা গজমতি গমন বিলোকন
বাণী মেঘ গম্ভীৰ।
পাষণ্ড মৰ্দ্দন কলিকো কালে
যাকো সম
নাহি ধীৰ।।" (গুৰু ভটিমা)

মাখনী গোস্বামীৰ মতে, এই জনা মহান পুৰুষৰ আহ্বানতে পাহাৰ ভৈয়ামৰ লোকসকলৰ হৃদয়ত এক প্ৰৱল আলোড়ন উঠিল আৰু কৃষ্ণ ভক্তিৰ জয়ধ্বজাৰ তলত সমৱেত হ'ল। অসমীয়া গীত, বাদ্য, সুৰ, সাহিত্য, ভাওনা, নামকীৰ্ত্তন, ঘোষা, বৰগীত, নামঘৰ, খোল-মৃদংগ, তাল, দৌল যাত্ৰা, সমাজ, ধৰ্ম, বিচাৰ, নীতি, আইন, নৈতিক আন্দোলন, অহিংসা, ত্যাগ, ভোগ, বৈৰাগ্য, সমাধি, সকলো জীৱন খুলি খুলি খোৱা অন্ধবিশ্বাস, কু-সংস্কাৰ, ধৰ্মৰ নামত চলি থকা ব্যভিচাৰ, ভ্ৰষ্টাচাৰ, জাতিভেদ, অস্পৃশ্যতা ৰূপী বিষ-বৃক্ষক কৃষ্ণ ভকতি অস্ত্ৰ প্ৰয়োগ কৰি ব্যক্তি জীৱনৰ আৱৰ্জনা আঁতৰাই শান্তি-প্ৰেম, ঐক্য সংহতি আৰু প্ৰগতিৰ ভেটিত মানৱতাবাদৰ পতাকা উৰুৱাই সমগ্ৰ বিশ্বৰ আগত নিজৰ আদৰ্শ দেখুৱাই গ'ল।"

যিজনে সমাজত আন্ধাৰ খেদি পোহৰ বিলাইছিল, অধৰ্ম নাইকিয়া কৰি ধৰ্মৰাজ্য স্থাপন কৰিছিল, মানুহৰ মাজত বিভিন্নতা আঁতৰাই সমতা স্থাপন কৰিছিল সেইজনা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জীৱনৰ আদৰ্শ আৰু দৰ্শন বৰ্তমান সময়তো প্ৰাসঙ্গিকতা অপৰিসীম। যিজন মানুহে শংকৰদেৱৰ বিপক্ষে প্ৰতিধ্বনি দিয়ে সেইজন মানুহক মূৰ্খ বুলি ক'লেও বঢ়াই কোৱা নহ'ব। মানসিকভাৱে অস্বাস্থ্যকৰ মানুহেহে শংকৰদেৱৰ বিপক্ষে ধ্বনি দিয়ে। তেওঁ সমাজত শান্তিপ্ৰতিষ্ঠা কৰিবলৈ যাওঁতে যিবোৰ কাৰ্য প্ৰণালী হাতত লৈছিল তাত সকলো জনসমাজে চমক খাইছিল আৰু প্ৰশংসা কৰিছিল। সেয়ে ক'ব পাৰি শংকৰদেৱৰ প্ৰাসঙ্গিকতা অতীততো আছিল, বৰ্তমানতো আছে, ভৱিষ্যতেও থাকিব। তেওঁ সমাজৰ কাৰণে যি অৱদান দি গ'ল সেই অৱদানৰ কাৰণে তেওঁ সদায় আমাৰ মাজত পূজনীয় হৈ থাকিব। তেওঁৰ জীৱনৰ আদৰ্শ আৰু দৰ্শনৰ প্ৰাসঙ্গিকতা চিৰদিন জীয়াই থাকিব।

❖❖❖

ব্যক্তিত্বৰ বৰ্ণালী

# নোবেল বঁটা বিজয়ী ড° অৰ্মত্য সেন

## এক অৱলোকন

**কিৰণ বৰগোহাঁই**



ড° অমৰ্ত্য সেনৰ জন্ম হৈছিল ১৯৩৩ চনৰ ১ নৱেম্বৰ তাৰিখে কলিকতাৰ শান্তি নিকেতনত। তেওঁৰ দেউতাকৰ নাম আছিল ড° আশুতোষ সেন আৰু মাকৰ নাম আছিল অমিতা সেন। অমৰ্ত্য সেনৰ নামটো দিছিল তেওঁৰ ককাদেউতা ৰবীন্দ্ৰ নাথ ঠাকুৰদেৱে। শিশু কালতে তেওঁ স্বৰ্গীয় ৰবীন্দ্ৰনাথৰ সান্নিধ্য লাভ কৰিছিল। সৰু কালতেই অমৰ্ত্য সেন এজন বিদগ্ধ সংস্কৃত পণ্ডিত হোৱাৰ সপোন দেখিছিল। যেতিয়া তেওঁ হাই স্কুলত পঢ়িছিল তেতিয়া সেই ভাৱৰ পৰিবৰ্তন হৈ এজন গণিতজ্ঞ হোৱাৰো কথা চিন্তা কৰিছিল। পিছে দুবছৰ মানৰ পাছত গণিতজ্ঞ হোৱাৰ আশা বাদ দি এজন পদাৰ্থ বিজ্ঞানী হোৱাৰ মনস্থ কৰিলে। শেষত ১৯৪৩ চনত পশ্চিমবঙ্গত দুৰ্ভিক্ষই দেখা দিয়াত লাখ লাখ মানুহৰ মৃত্যু হৈছিল। সেই দৰিদ্ৰৰ তিক্ত অভিজ্ঞতাৰে অমৰ্ত্যৰ মন অৰ্থনীতিৰ ফালেহে ঢাল খাইছিল।

অমৰ্ত্য সেনে বাবে কলিকতাৰ প্ৰেচিডেন্সী কলেজত উচ্চ শিক্ষা গ্ৰহণ কৰে। পিছত কেম্ব্ৰিজৰ ত্ৰিনিটি কলেজৰ পৰা স্নাতক আৰু স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। পিছত কেম্ব্ৰিজৰ ত্ৰিনিটি কলেজৰ পৰাই ডক্টৰেট ডিগ্ৰীও লাভ কৰে। তাতে গৱেষণা কৰি থাকোতে এডাম স্মিথ প্ৰাইজ ৰেণবাচী বৃত্তি আৰু হিডেনচন বঁটা লাভ কৰে।

১৯৫৬ চনত ড° অমৰ্ত্য সেনে যাদৱপুৰ বিশ্ববিদ্যালয়ত অধ্যাপনা কৰে, ১৯৫৭ চনত কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ ত্ৰিনিটি কলেজ সমভাৰ সমজুৰা হিচাপে কাম কৰে। ১৯৬৩ চনত দিল্লী বিশ্ববিদ্যালয়ৰ অৰ্থনীতি বিভাগত অধ্যাপক হিচাপে, ১৯৭১ চনত বিশ্ববিখ্যাত লণ্ডনৰ লণ্ডন স্কুল অৱ ইকন'মিক্সত অধ্যাপনা আৰম্ভ কৰে। ১৯৭৭ চনত অক্সফৰ্ড বিশ্ববিদ্যালয় সভাৰ সমজুৰা হিচাবে দায়িত্ব গ্ৰহণ কৰে। ১৯৮০ চনত ড্ৰামণ্ড (Drummond) অধ্যাপক পদত নিযুক্ত হয়। ১৯৮৭ চনত হাৰ্ভাৰ্ড বিশ্ববিদ্যালয়ত লেমণ্ট অধ্যাপকৰ নিযুক্তি লাভ কৰে। ইয়াৰ পিছত অমৰ্ত্য সেনে ত্ৰিনিটি কলেজৰ মাষ্টাৰ হিচাবে স্বীকৃতি পায়।

ভাৰত তথা এছিয়াৰ ভিতৰতে অৰ্থনীতি বিজ্ঞানত প্ৰথম নোবেল বঁটা লাভ কৰা ব্যক্তি ড° অমৰ্ত্য সেন। দৰিদ্ৰ, দুৰ্ভিক্ষ আৰু ক্ষুধাৰ গৱেষক হিচাবে ১৯৯৮ চনত তেওঁ লাভ কৰে অৰ্থনীতি বিজ্ঞানত বিশ্বৰ বিৰল সন্মান নোবেল বঁটা।

দৰিদ্ৰৰ অন্তৰালত থকা অৰ্থনৈতিক কাৰণ বিশ্লেষণত আগবঢ়োৱা কল্যাণমূলক বিষয়বস্তু গৱেষণাৰ বাবে ৰয়েল চুইছ একাডেমী অৱ চায়েন্স ১৯৯৮ চনত তেওঁলৈ অৰ্থনীতি বিজ্ঞানৰ নোবেল বঁটা আগবঢ়ায়। ইয়াৰ উপৰি তেওঁ আন বহুতো আন্তৰ্জাতিক সন্মান লাভ কৰিছে। এইবোৰৰ ভিতৰত এডিনবাৰ্গ মডেল, কেটালনিয়া প্ৰাইজ আদি উল্লেখযোগ্য। তেওঁক ভাৰত চৰকাৰে ১৯৯৯ চনত 'ভাৰত ৰত্ন' সন্মানেৰে বিভূষিত কৰে।

অমৰ্ত্য সেনৰ প্ৰকাশিত গ্ৰন্থসমূহ হৈছে 'কালেক্টিভ চইচ এণ্ড চ'চিয়েল ৱেলফেয়াৰ', এমিক্স এণ্ড ইকন'মিক্স, অন ইকন'মিক ইন ইকুৱেলিটি, চইচ অৱ টেক্নিক্স, প্ৰভাতি এণ্ড ফেমাইন্ছ, ইণ্ডিয়ান ইকন'মিক ডেভলপমেণ্ট এণ্ড চচিয়েল অপৰচ্যুনিটি ইত্যাদি।

প্ৰায় ২৫ বছৰ কাল বিদেশত অতিবাহিত কৰিও ভাৰতৰ নাগৰিকত্ব ত্যাগ নকৰা অমৰ্ত্য সেনৰ মহানতাও ভাৰতবাসীৰ বাবে অতিশয় গৌৰৱৰ কাৰণ। তেওঁৰ কাৰ্যপ্ৰণালী, মেধা-শক্তি ভাৰতৰ লগতে বিশ্ববাসীৰ বাবেও প্ৰেৰণাৰ অমল উৎস।

(প্ৰবন্ধটো যুগুত কৰোঁতে ইন্টাৰনেটৰপৰা সহায় লোৱা হৈছে।)

❖❖❖

**ব্যক্তিত্বৰ বৰ্ণালী**



# বিশ্ব বৰেণ্য মনিষী স্বামী বিবেকানন্দ

**পবিত্ৰ গগৈ**

বিশ্বৰ এক ঐতিহ্যপূৰ্ণ দেশ ভাৰতবৰ্ষই এনে কিছুমান মহান ব্যক্তিক জন্ম দিয়াৰ সামৰ্থ অৰ্জন কৰিছে, যিসকলক লৈ আমি বিশ্বত গৌৰৱ কৰিব পাৰো। তেনে এগৰাকী অন্যতম ব্যক্তি স্বামী বিবেকানন্দ। স্বামী বিবেকানন্দৰ মহান আদৰ্শ আৰু প্ৰতিভাৰে কেৱল আমাৰ দেশকে আগবঢ়াই লৈ গৈছে তেনে নহয়, বিশ্ববাসীৰ সন্মুখতো তেওঁ বিৰল দৃষ্টান্ত ৰাখি থৈ গৈছে।

১৮৬৩ চনৰ ১২ জানুৱাৰী। সেইদিনা মকৰ সংক্ৰান্তি আছিল। তেতিয়াৰ কলিকতাত সেই সময়লৈ কুঁৱলী ভেদী সূৰ্য্য উদয় হোৱাই নাছিল। সেইসময়তে স্বামী বিবেকানন্দৰ জন্ম হয়। তেওঁৰ দেউতাক বিশ্বনাথ দত্তৰ কলিকতা উচ্চ ন্যায়ালয়ৰ এজন এটৰ্নী আছিল। বিৱেকানন্দৰ মাতৃৰ নাম আছিল ভুৱনেশ্বৰী দেৱী।তেওঁ শিৱ দেৱতাৰ ভক্ত আছিল। এটি পুত্ৰ সন্তানৰ বাবে বহু দিনৰ আগৰ পৰাই তেওঁ শিৱক অৰ্চনা কৰি আহিছিল। সেয়ে ভুৱনেশ্বৰীয়ে সন্তানটি শিৱৰ বৰ বুলিয়েই ললে আৰু তাৰ নাম ৰাখিলে বীৰেশ্বৰ।

সৰু অৱস্থাতে বীৰেশ্বৰ বৰ দুষ্ট আছিল। তেওঁ সৰুতে খেলি থাকি বৰ ভাল পাইছিল। তেওঁৰ লগৰীয়া আৰু ভাতৃ ভগ্নী সকলৰ উপৰি তেওঁৰ খেলাৰ লগ আহিল গৰু আৰু পোহনীয়া পশু-পক্ষীবোৰ। বীৰেশ্বৰৰ মাক ভুৱনেশ্বৰী দেৱীৰ স্মৰণ শক্তি বেছ উল্লেখযোগ্য আছিল। ৰামায়ণ আৰ মহাভাৰতৰ দীগল শ্লোকবোৰো তেওঁৰ মুখস্থ আছিল আৰু তেওঁ প্ৰায়ে সেইবোৰ সুৰ লগাই গাইছিল। মাক ভুৱনেশ্বৰীৰ ব্যক্তিত্বৰ প্ৰভাৱ বীৰেশ্বৰৰ ওপৰত আগৰ পৰাই পৰিছিল আৰু তেওঁৰ চৰিত্ৰৰ গঠন আৰু বিকাশত তাৰ যথেষ্ট ভুকি আছিল।

সৰু অৱস্থাত বীৰেশ্বৰ বহুত দুষ্ট আছিল যদিও তেতিয়াৰপৰাই ধ্যানত বহিছিল। এদিন তেওঁ সমুখত শিৱৰ এখন প্ৰতিচ্ছবি লৈ কেইজনমান বন্ধুৰ সৈতে ধ্যানত বহিছিল। সেই সময়ত তেওঁ শুনিবলৈ পাইছিল যে প্ৰাচীন কালত এনেকৈ ধ্যানত বহি থকাৰ সময়তে ঋষি-মুনিসকলৰ চুলি দাড়ি দীঘল হৈ আহিছিল আৰু শেষত মাটিত চুচৰি গৈছিল। গতিকে ধ্যান কৰাৰ মাজে মাজে চকু মেলি তেওঁৰো চুলি দীঘল হৈ গৈছে নেকি পৰীক্ষা কৰি আছিল। কিন্তু সেয়া নহয় বুলি নিশ্চিত হোৱাৰ পিছত তেওঁ নিবিড় মনে ধ্যান কৰিছিল আৰু সেই সময়ত পাৰ্থিৱ ঘটনাবোৰ পাহৰি গৈছিল।

১৮৭৯ চনতে প্ৰৱেশিকা পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হোৱাৰ পাছত বিবেকানন্দই কলেজত নামভৰ্তি কৰিলে। তেওঁ প্ৰথমে কলিকতাৰ প্ৰেচিডেন্সী কলেজখনত পঢ়িছিল আৰু এবছৰৰ পাছত ১৮৮০ চনত স্কটিছ জেনেৰেল মিছনেৰী বৰ্ডে প্ৰতিষ্ঠা কৰা জেনেৰেল এছেম্বলীজ ইনষ্টিটিউচনত ভৰ্তি হয়। পাছত এই কলেজখনকেই স্কটিছ চাৰ্চ কলেজ হিচাপে জনা গৈছিল। প্ৰাপ্তবয়স্ক হোৱাৰ পাছত বিবেকানন্দৰ মাজত এক পৰিবৰ্তন দেখা গ'ল। তেওঁৰ মানসিকতা কিছুমান গভীৰ চিন্তাৰে পৰিবেষ্টিত হৈ পৰিল। ইতিহাস আৰু সাহিত্যৰ কিছুমান ছিৰিয়াছ কিতাপ তেওঁ পঢ়িবলৈ ললে। খবৰ কাগজ নিয়মীয়াকৈ পঢ়ে আৰু পৰাপক্ষত ৰাজহুৱা সভা সমিতিলৈ যায়।

স্বামী বিবেকানন্দ ভাৰতৰ এনে এজন আধ্যাত্মিক তথা সামাজিক নেতা আছিল, যি প্ৰাচ্য-পাশ্চাত্যত সনাতন হিন্দু ধৰ্মৰ আদৰ্শৰ প্ৰচাৰ চলাইছিল আৰু বিশ্বত বেদান্ত দৰ্শনক এক উপযুক্ত স্থান দিবলৈ সক্ষম হৈছিল। বিবেকানন্দই ভাৰতীয় সমাজলৈ যথেষ্ট অৱদান আগবঢ়াই থৈ গৈছে। নিজকে সন্যাসী বুলি অভিহিত কৰিও তেও দেশৰ দৰিদ্ৰ জনগণৰ কল্যাণৰ বাবে কাম কৰি গৈছিল, দ্বিতীয়তে ৰামকৃষ্ণ মিছনৰ দৰে উৎসৰ্গিত অনুষ্ঠান প্ৰতিষ্ঠা কৰাত আগভাগ লৈছিল। তৃতীয়তে বিশ্ব ধৰ্ম সংসদত ভাষণ দিয়াটো ভাৰতীয় সমাজলৈ এক গুৰুত্বপূৰ্ণ অৱদান। তেওঁৰ বক্তব্যৰ মূল বিষয় আছিল ধৰ্মৰ বিশ্বজনীনতা। তেওঁ এই কথা বুজাব খুজিছিল যে, সকলো ধৰ্মমত দেখাত বেলেগ হলেও শেষ উদ্দেশ্য কিন্তু সকলোৰে একেই। মানে ভগব্যপ্ৰাপ্তি। বিশ্ব ধৰ্ম সংসদত বিবেকানন্দই বিভিন্ন সময়ত মুঠ বাৰবাৰ ভাষণ দিছিল। প্ৰতিবাৰেই তেওঁৰ ভাষণে শ্ৰোতাসকলৰ সমাদৰ লাভ কৰিছিল। শেষ আলোচনাত তেওঁ কৈছিল, যিদৰে এজন খ্ৰীষ্টান, হিন্দু বা বৌদ্ধ হোৱাৰ প্ৰয়োজন নাই, সেইদৰে এজন হিন্দু বা বৌদ্ধ লোক খ্ৰীষ্টান হোৱাৰ প্ৰয়োজন নাই। কিন্তু ইজনে সিজনৰ নিজস্ব ধাৰণাত মিলিত হোৱাৰ প্ৰয়োজন আছে। তেওঁ সেয়া হব আৰু লগতে নিজৰ বৈশিষ্ট্যও ধৰি ৰাখিব।

এইজনা মহান ব্যক্তিৰ আদৰ্শ আৰু প্ৰতিভাৰে নৱপ্ৰজন্মক যথেষ্ট উৎসাহ দিয়ে।এইজনা মহান পুৰুষ বিশ্ববৰেণ্য মানিষী ১৯০১ চনৰ ৪ জুলাইত পৰলোকপ্ৰাপ্তি ঘটে।


<u>সহায়ক গ্ৰন্থ ঃ</u>

বিশ্বৰ মহান ব্যক্তি স্বামী বিবেকানন্দ —অভিজিত শৰ্মা বৰুৱা।


❖❖❖

ব্যক্তিত্বৰ বৰ্ণালী

# বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰ

সেউলী দাস

ৰবীন্দ্ৰনাথ ঠাকুৰ— যিজনে স্বকীয় প্ৰতিভাৰে সমগ্ৰ বিশ্বৰ সৰ্বশ্ৰেষ্ঠ মনিষীসকলৰ মাজত নিজকে প্ৰতিষ্ঠা কৰিবলৈ সমৰ্থ হৈছিল। বহুমুখী প্ৰতিভাৰ অধিকাৰী এই ঋষিতুল্য পুৰুষজনৰ মৃত্যুঞ্জয়ী গৌৰৱ গাঁথী আজি বিশ্ব বিনন্দিত। তেওঁ আছিল একেধাৰে বাংলা সাহিত্যৰ দিক-দৰ্শক, কবি, উপন্যাসিক, গল্পকাৰ, গীতিকাৰ, সুৰকাৰ, নাট্যকাৰ আৰু দাৰ্শনিক। ১৮৬১ চনত ৰবীন্দ্ৰ নাথৰ কলকতাৰ জোৰাসাঁকোৰ নামৰ ঠাইত জন্ম হৈছিল। জোড়াসাঁকোৰ উনবিংশ শতিকাৰ সাহিত্যে সংস্কৃতিৰ পীঠস্থানস্বৰূপ আছিল। এনে এক সাংস্কৃতিক পৰিবেশত জন্মগ্ৰহণ কৰা ৰবীন্দ্ৰনাথৰ পিতৃৰ নাম আছিল দেৱেন্দ্ৰনাথ ঠাকুৰ।

ৰবীন্দ্ৰনাথে শৈশৱতে মাতৃক হেৰুৱাই পিতৃৰ অসীম স্নেহ আৰু ভাতৃসকলৰ আদৰ আপ্যায়নৰ মাজত ডাঙৰ দীঘল হৈছিল। মাতৃৰ অভাৱ বৰকৈ অনুভৱ কৰিব নোৱাৰিলেও শিশুৰ সকলোখিনি কাৰুণ্যই তেওঁৰ জীৱনলৈ আহিছিল। পৰিয়ালৰ উন্নত শিক্ষা-দীক্ষা, পৰিমাৰ্জিত সাংস্কৃতিক চেতনা আৰু দেৱেন্দ্ৰনাথ ঠাকুৰৰ গভীৰ ধৰ্ম বিশ্বাসে ৰবীন্দ্ৰনাথক প্ৰবলভাৱে প্ৰভাৱান্বিত কৰিছিল। তদুপৰি পিতৃৰ লগত নানা ঠাই ভ্ৰমণ কৰি তেওঁ প্ৰকৃতি আৰু ইয়াৰ সৌন্দৰ্যৰ প্ৰতি প্ৰৱলভাৱে আকৃষ্ট হৈছিল। যিয়ে পৰৱৰ্তী সময়ত ৰবীন্দ্ৰনাথৰ জীৱনত গভীৰভাৱে প্ৰভাৱ পেলাইছিল।

ৰবীন্দ্ৰ প্ৰথমতে অৰিয়েণ্টেল চেমিনাৰীত আৰু তাৰ পাছত নৰ্মাল স্কুল, বেঙ্গল একাডেমী আৰু ছেণ্ট জেভিয়াচ স্কুলত শিক্ষা লাভ কৰে। কিন্তু বিদ্যালয় জীৱনৰ সীমাবদ্ধতা আৰু নিৰ্দিষ্ট ধৰা বন্ধা পাঠ্যক্ৰমৰ ঠেক গণ্ডীৰ মাজত তেওঁৰ মুক্ত মন আৰু মুক্ত চিন্তাই স্বাধীনতা হেৰুওৱা পিঞ্জৰাবদ্ধ চৰাইৰ দৰে গভীৰ অসহায় বেদনা অনুভৱ কৰিব ধৰিলে। গতিকে দেউতাকে গৃহ শিক্ষকৰ যোগেদিয়েই তেওঁৰ নানা বিষয়ৰ শিক্ষা দিয়াৰ ব্যৱস্থা কৰি দিছিল।

**ৰবীন্দ্ৰনাথ ঠাকুৰৰ কাব্য চৰ্চা আৰু সাহিত্যিক অৱদান ঃ**

ৰবীন্দ্ৰনাথে ন বছৰ বয়সৰ পৰাই নিৰৱচিন্নভাৱে কাব্য চৰ্চা কৰিবলৈ ধৰে। তেৰ বছৰ বয়সতে তেওঁৰ প্ৰথম কবিতা 'তত্ব বোধিনী' কাকতত প্ৰকাশিত হয়। তাৰ পাছৰেপৰা 'ভাৰতী', 'সাধনা' আদি কাকতত তেওঁৰ নিত্য নতুন কবিতা প্ৰকাশিত হ'বলৈ ধৰে আৰু লগে লগে তেওঁৰ স্বতস্ফুত প্ৰতিভাই বিকাশৰ পথত দ্ৰুত গতিৰে আগবাঢ়ে। ৰবীন্দ্ৰনাথৰ অজস্ৰ কাব্যই সুন্দৰ মন্দাকিনী ধৰাৰ বুকুলৈ নমাই আনি অনিন্দ্য সুন্দৰ সুৰৰ বান্ধেনেৰে ভাৰতীয় কাব্য জগতত হেন্দোলনী তোলে, প্ৰাণৰ আকুল উচ্চাসেৰে মানুহৰ জীৱনৰ হাঁহি, আনন্দ, ব্যৰ্থ-বেদনাৰ গভীৰতম অনুভূতিক জীৱন্ত ৰূপত ৰূপায়িত কৰিছে। ভগ্নহৃদয়, সন্ধ্যা, সংগীত আদি কাব্যত বেদনা বিধুৰ জীৱনৰ ছন্দ মধুৰ গান পুষ্প হৈ তাৰ সৌৰভেৰে জগত বিভোহিত কৰি তুলিছে। ৰমক-জমক কাব্য ফুলনিত আকাশ প্ৰদীপ, বলাক (১৯১৬), পলাতক (১৯১৮) পূৰবী (১৯২৫), মহুয়া (১৯২৯), পৰিৱেশ, পুনশ্চ (১৯৩২) শেষ-সপ্তক (১৯৩৫) শ্যামলী (১৯৩৫) নৱজাতক, চানাই, জন্মদিনে, শেষ লেখা আদিৰ সৌৰভ মিশ্ৰিত হৈ সৌন্দৰ্য্য আৰু সৌৰভৰ জোৱাৰ সৃষ্টি কৰিলে।

**ৰবীন্দ্ৰনাথ ঠাকুৰৰ উপন্যাসৰাজি ঃ**

তেখেতৰ উপন্যাসৰাজিৰ ভিতৰত বৌ-ঠাকুৰাণীৰ হটে, গোৰা, যোগাযোগ, ঘৰে-বাহিৰে; চতুৰঙ্গ মালঞ্চ, নৌকা চুবি, চাৰ অধ্যায়, প্ৰজাপতি, চৌখেৰ আদি উল্লেখযোগ্য।

**ৰবীন্দ্ৰনাথৰ নাট সাহিত্য ঃ**

ৰক্তকৰবী বিসৰ্জন, ৰাজা, মালিনী চিত্ৰাংগদা, মায়াৰ খেলা, ডাকঘৰ আদি শ্ৰেষ্ঠ নাট্য সাহিত্য।

**ৰবীন্দ্ৰনাথে লাভ কৰা নবেল বঁটা ঃ**

ৰবীন্দ্ৰনাথৰ দাৰ্শনিক আৰু আধ্যাত্মিক প্ৰতিভাৰ শ্ৰেষ্ঠতম নিদৰ্শন গীতাঞ্জলি। গীতাঞ্জলিৰ ইংৰাজী সংস্কৰণে তেওঁক বিশ্বৰ শ্ৰেষ্ঠ কবি ৰূপে প্ৰতিষ্ঠিত কৰে আৰু তাৰ বাবেই তেওঁ ১৯১৩ চনত সাহিত্যৰ নোবেল বঁটা লাভ কৰে।

**ৰবীন্দ্ৰ সংগীত ঃ**

প্ৰাচ্য পাশচাত্যৰ সংগীতৰ সাধনাই ৰবীন্দ্ৰনাথক শ্ৰেষ্ঠ সংগীতজ্ঞ ৰূপেও প্ৰতিষ্ঠা কৰে। তেওঁৰ ৰচিত গীত সমূহত নিজেই সুৰ সংযোজন কৰিছিল। তেওঁৰ গীতৰ স্বকীয় শৈলীৰ বাবেই তেওঁৰ গীতসমূহক ৰবীন্দ্ৰ সংগীত হিচাপেও জনা যায়।

**অভিনেতা ৰবীন্দ্ৰনাথ ঃ**

ৰবীন্দ্ৰনাথৰ আবৃত্তি আৰু অভিনয় প্ৰতিভাও আছিল। 'বিসৰ্জন' স্ব-ৰচিত নাটকত তেওঁ চমকপ্ৰদ অভিনয়েৰে মঞ্চ জগতত নৱ আলোড়নৰ সৃষ্টি কৰিছিল। বিশেষকৈ বাল্মিকি নাটকত নামভূমিকত আৰু কাল মৃগয়া নাটকত অক্ষয়মুনিৰ ভাৰত অৱতীৰ্ণ হৈ ৰবীন্দ্ৰনাথে অভিনয় প্ৰতিভাৰ দক্ষতা প্ৰদৰ্শন কৰিছিল।

**স্বদেশপ্ৰেমিক হিচাপে ৰবীন্দ্ৰনাথ ঃ**

ৰবীন্দ্ৰনাথ কবি, নাট্যকাৰ, শিল্পী আদিৰ বাহিৰেও তেওঁ স্বদেশ প্ৰেমীও আছিল। তেওঁ হাড়ে-হিমজুৰে স্বদেশ প্ৰেমী আছিল। ১৯০৫ চনৰ বঙ্গভংগ আন্দেলনত সক্ৰিয় ভূমিকা গ্ৰহণ কৰা নাছিল যদিও কবিতা, প্ৰৱন্ধ আৰু সংগীতৰ যোগেদিয়ে স্বদেশ প্ৰেমৰ অনুপ্ৰেৰণাৰে দেশবাসীক উদ্বুদ্ধ কৰি তুলিছিল। অপূৰ্ব কাব্য সাধনাৰে দেশবাসীৰ স্বাধীনতাৰ আকাংক্ষাক তেওঁ জীৱন্ত ৰূপ প্ৰদান কৰিছিল। ১৯১৭ চনৰ জালিৱানাবাৰ্গত স্বাধীনতাকামী ভাৰতীয়ৰ বুকুত যি বৰ্বৰ দমন নীতি প্ৰদৰ্শন কৰিছিল তাৰ প্ৰতিবাদত ৰবীন্দ্ৰনাতে নাইট উপাধি পৰিত্যাগ কৰি দেশ প্ৰেমিকৰ নিদৰ্শন প্ৰদৰ্শন কৰিছিল। ভাৰতৰ ৰাষ্ট্ৰীয় সংগীত 'জনগণ মন অধিনায়ক' —ৰবীন্দ্ৰনাথৰ দেশ প্ৰেমৰ আন এক শ্ৰেষ্ঠ নিদৰ্শন।

এইখিনি আলোচনা কৰাৰ পিচত আমি জানিব পাৰিলো যে ৰবীন্দ্ৰৰনাথ ঠাকুৰ কবি হিচাপেই নহয় বৰঞ্চ সকলো ক্ষেত্ৰতে শ্ৰেষ্ঠ আছিল।

❖❖❖

বিশেষ ৰচনা

# ভাল ছাত্ৰ হ'ব নোৱাৰিলোঁ

ৰবিন কুলি

*"মানুহে মোৰ বিষয়ে কি কয় তালৈ মই ভ্ৰুক্ষেপ নকৰো; মই চিন্তা কৰো কেৱল মোৰ ভুলবোৰৰ বিষয়ে"*—**চক্ৰেটিছ।**

**অৱতৰণিকা ঃ** কুকুৰ হোৱা হ'লে ভাল আছিল; অতি বেছি ভাল আছিল। অন্ততঃ স্বজাতিৰ মান-মৰ্যদা অক্ষুণ্ণ ৰাখিব পাৰিলোহেঁতেন। চোৰ হোৱা হলে? নাই ইয়ো ভাল ব্যৱসায় নহয়। তাতো মুখা পিন্ধিব লগাত পৰিলোহেঁতেন।

**শিক্ষক আৰু মই ঃ** কৃষক আৰু শিক্ষক! শ্ৰেষ্ঠ কৃষক। অন্ততঃ তেওঁলোকৰ কোনোজনেই নিজৰ মাটি বা খেতিডৰাক লৈ হেতালি নেখেলে। কিন্তু বহু শিক্ষকে শিক্ষাৰ্থীক লৈ তাকেই কৰে। এতেকে মই বহু কৃষকক শিক্ষকতকৈ বেছি সন্মান কৰোঁ।

মোৰ সন্মানত কাৰ কি গৰজ পৰিছে? ঠিকেই কথাটো। আপুনি ভাবিছে মোক বহু ছাত্ৰই বাটে পথে দেখিলে সন্মান কৰে, মাত-বোল কৰে। ছৰি, তাক সন্মান বুলি নকয়। ই সামান্যতম শিষ্টাচাৰহে মাথোন।


ময়ো তেনে শিষ্টাচাৰী আছিলো। যেতিয়ালৈ ছাত্ৰ নাছিলোঁ। দহজনে শিক্ষা প্ৰতিষ্ঠানক বিদ্যাৰ মন্দিৰ বুলি জ্ঞান কৰাৰ দৰে ময়ো কিজানি কৰিছিলো। শিক্ষকক পূজাৰী, ভগৱান জ্ঞান কৰিছিলোঁ। বিদ্যালয়ত প্ৰৱেশ কৰোঁতে গুৰুৰ সৈতে কথা-বাৰ্তা হওঁতে ভগৱানক স্মৰণ কৰিছিলোঁ।

অ, বহু ভুল হৈ গ'ল। বহু শিক্ষক যেনেকৈ কৃষকো হ'ব নোৱাৰে, ময়ো বলধো হ'ব নোৱাৰিলো। বলধ হোৱা হ'লে খেতি হ'লহেঁতেন। নহ'ল। ৰ'ব এটা উদাহৰণ দিওঁ। Private Company।মোক প্ৰশিক্ষণ দিয়া হৈছে। মই প্ৰশিক্ষণ লবলৈ আৰম্ভ কৰিলোঁ কিন্তু দুৰ্ভাগ্যবশতঃ মোৰ প্ৰশিক্ষকজন এনেকুৱা যে তেওঁৰ সৈতে ল'ৱালিতে 'ক' বুলিলে 'ক' কোৱাৰ দৰেহে শিকিব লাগে। আজিৰ খাচ ভাষাত Parrot Learning। মই মানসিকভাৱে আঁতৰি আহিলো। মানে শাৰীৰিকভাৱেও খুব কম সময়তে আঁতৰি আহিবলৈ বাধ্যত পৰিলোঁ। মোৰ চাকৰি গ'ল।

এবাৰ বনাই অনা গাড়ীখন, চাইকেলখন পুনৰ বেয়া হ'লে আকৌ গেৰেজত দিয়ে। প্ৰমাদবশত বেয়া দ্ৰব্য ক্ৰয় কৰিলে উভতাই দিয়ে। ছাত্ৰ এজন বেয়া হ'লে?

মই ভাল ছাত্ৰ নাছিলোৰেই দেই; ভুল নুবুজিব। আমাৰ দৰে চালাকী বেয়া ছাত্ৰবোৰ কি কৰে জানে? অতীতলৈ নিৰ্ভয়ে ঘূৰি চায় আৰু এনে অতীত স্মৰণত বহু শিক্ষকৰ ৰূপ উজ্জলি আহে— মদপী, কানীয়া, ৰাক্ষক, সন্ত্ৰাসবাদ ইত্যাদি ইত্যাদি।

ভগৱান, দেৱতা, আল্লা আদিৰ ৰূপতো বহুতক দেখা পাওঁ। এওঁলোকক পূজা কৰোঁ আৰু তাকে ভুলতে প্ৰকৃত সন্মান বুলি আৰদাৰ কৰোঁ। বহু শিক্ষকে মোক ভুলতে বহুত দিলে। অন্ততঃ আন বহুততকৈ



বেছি। তাতে ডাঙৰ ভুলটো হ'ল।নহ'লেতো অভাজনে কেতিয়াবাই সিপুৰি হলোহেঁতেন। ঠিকেই আছিল। আজিৰ দৰে মোৰ গাৰ পৰা দুৰ্গন্ধ নোলালেহেঁতেন।আজিকালি মোৰ গাটো সন্ত্রাসবাদ, সন্ত্রাসবাদ গোন্ধায়। দেউতাৰ ভাল গুণখিনি লব লাগিছিল। মই আকৌ তেওঁক পৰীক্ষাহে কৰিলোঁ।

তেন্তে ছাত্র কাক বোলে? শিক্ষক? মই মুঠেই দাৰ্শনিক নহওঁ দেই। কুকুৰা আৰু কুকুৰা পোৱালীৰ দৰে বুলিলে আপুনি বহু প্ৰশ্নৰ অৱতাৰণা কৰিব। যেনে— অতীতৰ গুৰু শিষ্যৰ কথা। ঠিক আছে ই নৈ আৰু পানীৰ দৰে হ'ব লাগে।

আচৰিত! ছাত্র হোৱাৰ যোগ্যতা শিক্ষকে নিৰূপণ কৰাৰ ক্ষমতা থাকে। যেনে- প্ৰৱেশ পৰীক্ষা। কিন্তু ছাত্রই কিয় শিক্ষকক শিক্ষক হোৱাৰ যোগ্যতা আছেনে নাই পৰীক্ষা কৰিব নোৱাৰে? অৰ্থাৎ ছাত্ৰইহে শিক্ষকৰ যোগ্যতা পৰিমাপণ কৰা উচিত।

আপুনি হাঁহিছে। আপোনালৈ নহয়, বিষয়টো মানৱ অধিকাৰ আয়োগলৈ ৰাখিলোঁ। কিন্তু মই ছাত্র হৈ বৰ ভুল কৰিলোঁ। কুকুৰ হোৱা হ'লে ভাল আছিল। অন্ততঃ নিজৰ গৰাকীক সন্মান কৰিব পাৰিলোহেঁতেন নিঃচিন্তে।

**শ্ৰেণীকক্ষত মই ঃ** শ্ৰেণীকক্ষত আজিকোপতি এবাৰো মই থাকি নাপালোঁ। মিছা মতা নাই। কেতিয়াবা দৰিদ্ৰতা, কেতিয়াবা কবিতা, গল্প, উপন্যাস, প্ৰেম, সমাজ এইবোৰেই থাকে। তেন্তে শিক্ষকৰ প্ৰশ্নৰ উত্তৰ দিয়া কেনেকৈ? তাতেইটো ভুল হৈ গ'ল। আন দহ জনতকৈ বেছি উত্তৰ দিছিলোঁ। কিন্তু এইবোৰ আছিল মোৰ সাধাৰণ জ্ঞান। আচলতে মই কোনোদিন ক্লাছত থাকিবই নোৱাৰিলোঁ।

**মোৰ নৰক দৰ্শন ঃ** নৰকত মৰততকৈ বেছি বসন্ত হয়। সেই বাবেইতো সকলোৱেই নৰক বিচাৰি যায়।নৰকৰ ফুলনিত ৰস চুহিবলৈ। ময়ো গৈছিলোঁ। কিন্তু আবেগ, বিবেকত মই যোৱা নাচিলোঁ। যি কাৰণতেই নহওঁক কিয় ময়ো গৈছিলোঁ। কলেজীয়া জীৱনৰ বেছিভাগ সময় নৰকত পাৰ কৰিলোঁ। তাতেই পালোঁ বেশ্যাৰ প্ৰশিক্ষণ। আচলতে মোৰ নৰক আছিল মুখা পিন্ধা। ভাৱিছিলোঁ স্বৰ্গ। নৰক কিজানি তেনেকুৱাই! নৰকক মই স্বৰ্গলৈ আনিবলৈ বহু যত্ন কৰিছিলোঁ, অলপ সফলো হৈছিলোঁ, কিন্তু নৰকে নৰকৰপৰা নৰকলৈহে যাব বিচাৰে।

সঁচাকৈ নৰকতো বসন্ত হয়। যাৰ বাবে আমি মৰতৰ কথা পাহৰি থাকোঁ। আমি মৰি-মৰি জীয়াই থাকো। নৰকে মোক নিজেই মুক্তি দিলে মই কোনো দিনেই বিচৰা নাছিলোঁ। আজি উপলব্ধি কৰিব পাৰিছোঁ— হয় মই নৰকলৈ যাব লাগিছিল নহয় স্বৰ্গলৈ। একে সময়তে দুয়োটালৈ গৈছিলোঁ। যাৰ বাবে মই এজন সফল ছাত্র হ'ব নোৱাৰিলোঁ, সুখী জীৱনো পাব নোৱাৰিলোঁ। মই যেন উভয়ৰে ৰস বিচাৰিছিলো। কাকনো দোষ দিম? নিজেই গৈছিলো নৰক বিচাৰি।

**পৰীক্ষা আৰু মই ঃ** বহুতে ভাবে পৰীক্ষা আৰু মই। নহয়, পৰীক্ষা আৰু মোৰ বেমাৰটোহে সঙ্গী। তাৰমানে পৰীক্ষা আহিলে মইজনৰ মৃত্যু হয়। অৰ্থাৎ মই দুৰ্বল। অতি বেছি দুৰ্বল। সপোন দেখি ভাল পাওঁ। কিন্তু বাস্তৱৰ সৈতে সন্মুখীন হ'বলৈ ভয় কৰোঁ। ঠিকেই ধৰিছে, মই কোনো অসাধাৰণ ছাত্র নহওঁ। পৰীক্ষা অহাৰ লগে লগে আন বহু ছাত্ৰৰ গাত বহুতো সৰু-সুৰা বিষক্ৰিয়াই দেখা দিয়াৰ দৰে মোকো দেখা দিয়ে। মানে বহুতৰ সামান্য জ্বৰ, কাহ, মূৰ বিষ হয়। মোৰ বেমাৰটো কিজানি পৰীক্ষাত বাঢ়ি আহে। যেনে চতুৰ্থ ষাণ্মাষিকৰ মূল পৰীক্ষাত মই পাগল সদৃশ হৈ পৰিছিলোঁ। দৰিদ্ৰতা, বেমাৰ, ভৱিষ্যৎ আৰু পৰীক্ষাৰ সৈতে যুঁজ। যাৰ পৰিণতিত হেৰুৱাইছিলোঁ মোৰ স্মৃতি শক্তি।

কিন্তু মই পৰীক্ষাক লৈ মূৰ ঘমাব লগা অন্ততঃ আজিকোপতি হোৱা নাই। বৰং পৰীক্ষাৰ সময়তহে মই অফুৰন্ত সময় পাওঁ আৰু আজিলৈকে এটাও নজনা প্ৰশ্নৰো পৰীক্ষাত সন্মুখীন হ'ব লগা হোৱা নাই বুলিলেও হয়তো ভুল কৰা নহ'ব।

পৰীক্ষাৰ উৰুকা নিশা বহু কবিতা, গল্প লিখিছোঁ, উপন্যাস পঢ়িছোঁ। তাৰমানে মই সদায় বাস্তৱক ভয় কৰি আহিছোঁ। পৰীক্ষাক তুচ্ছ জ্ঞান কৰি আহিছোঁ। অৱশ্যে চতুৰ্থ ষাণ্মাসিকৰ পৰাহে মোৰ পৰীক্ষাৰ প্ৰতি অলপ দয়া উপজিছে। দহ জনে (ময়ো আগে) পৰীক্ষা গৃহলৈ যোৱাৰ আগে কিতাপখন বা প্ৰস্তুতিৰ টোকাবহী এবাৰ চকু ফুৰায়। মানসিকভাৱে সম্পূৰ্ণ প্ৰস্তুত হৈ পৰীক্ষা গৃহত প্ৰৱেশ কৰে। মনতে জুকিয়াই কোনবোৰ প্ৰশ্নৰ উত্তৰ কেনেকৈ কিমান সময়ত কৰিব। সঠিক ৰূপত, সঠিক সময়ত প্ৰশ্নোত্তৰ সামৰিব পাৰিব। কিন্তু মই এবাৰো প্ৰস্তুতি কৰিলোনে? কতা মই দেখোন পেট পেলায় শুই থাকিব লগাত পৰিল। কথাবোৰ ভাবি ভাবি মূৰ তুলি চাওঁ মানে গাৰুবোৰ সিক্ত হৈ থাকিছিল। পৰীক্ষাৰ শেষতহে মনত পৰে— মোৰ পৰীক্ষা বেয়া হ'লে কি হ'ব? মই পৰীক্ষাক লৈ চিন্তা কৰিব নাজানিলো, হয়তো আহৰিও নাপালোঁ। সঁচাকৈ জীৱনটো কেনে মহিমাময়।

অ! ভুল কৰিলোঁ। ভু ল হৈ গ'ল। এদিনো পৰীক্ষাৰ মূল্য বুজি নাপালোঁ।

**পাঠ্যপুথি পঢ়িব এৰিলোঁ ঃ** কাৰোৱেই মন নাই একে স্থানত থকাৰ। গছ-গছনি, প্ৰাণী, দৰিদ্ৰতা ইত্যাদি। মানে সকলোৰে লক্ষ্য ক্ৰমবৰ্দ্ধন।

সকলো বাঢ়ি আহিল— দৰিদ্ৰতা, নিসঙ্গতা, নিৰাশা ইত্যাদি। পাঠ্যপুথিবোৰ জ্বলাই দিলোঁ। অন্যান্য বাহিৰা পুথিহে পঢ়িব আৰম্ভ কৰিলোঁ। মাথো মানসিক তৃপ্তিৰ বাবেহে। কাৰণ অভ্যাসৰ বলতেই হওঁক বা আন কাৰণতেই হওঁক মোৰ বাবে এদিনো কিতাপ নপঢ়াকৈ থকা সম্ভৱ নহয়।

ছে! পাঠ্যপুথিবোৰ পঢ়িব লাগিছিল। ভুল হৈ গ'ল।

**পৰীক্ষা কোঠাত মই ঃ** আজিকালি পৰীক্ষা আৰু নকল এটা আনটোৰ পৰিপূৰক নাম। ছাত্র, শিক্ষক সকলোৱেই নকল কৰে। তাৰমানে পৰীক্ষা হ'লটোৱেই নকল কৰে। যেতিয়া বিদ্যাৰ্থী আছিলোঁ নকলৰ 'ন' নকৰা ল'ৰাজন ছাত্র হৈ পৰীক্ষা ঘৰত ছাত্র হৈ SMS ৰযোগেদি আনক সহায় কৰা হ'ল। তাৰ বাবে হয়তো কিছু নম্বৰো হেৰোৱালোঁ। হে, দুঃসময়! আনৰ বাবে সকলো বিসৰ্জন দিলেও; দিব নালাগে- সত্য আৰু পবিত্ৰতা। কিন্তু মই সকলো দিলো। সঁচাকৈ ভাল ছাত্র হ'ব নোৱাৰিলোঁ। হয়তো চেষ্টাও নকৰিলোঁ।

**ইচ্ছা বনাম আশা ঃ** মোৰ ইচ্ছা আছিল, আশা আছিল নামৰ আগে পিছে গাঁঠিম মালা। এইবোৰে মোক ঠিক নিঃশেষ নহয়; শেষ কৰিলে।

কিতাপ পঢ়ি সঁচাই/মিচাই খুব ভাল পাওঁ। আনকো পঢ়িবলৈ উদ্বুদ্ধ কৰি ভাল পাওঁ। ৰিডাৰ ক্লাব গঠন কৰিম। সাহিত্য চ'ৰা পাতিম। কিতাপ কেইখনমান প্ৰকাশ কৰিম। ৰাষ্ট্ৰীয় আলোচনা চক্ৰত যোগ দিম। কলেজীয়া জীৱনত অন্ততঃ ৩,০০০ কিতাপ পঢ়িম। প্ৰথম যাণ্মাসিকত গল্প, দ্বিতীয় যাণ্মাসিকত কবিতা, তৃতীয় যাণ্মাসিকত উপন্যাস, চতুৰ্থ যাণ্মাসিকত নাটক, পঞ্চম যাণ্মাসিকত জীৱনী, ষষ্ঠ যাণ্মাসিকত সাহিত্যৰ অন্যান্য শাখাৰ প্ৰাথমিক জ্ঞান আহৰণ কৰিম। এদিন আদৰ্শ মানুহ হ'ম। সঁচাকৈ ভুল কৰিলোঁ আদৰ্শ মানুহ হোৱাৰ সপোন দেখা পৰিৱৰ্তে আদৰ্শ ছাত্ৰ হোৱাৰ সপোন দেখিব লাগিছিল।

এইখিনিতে আৰু এটা কথা ক'ব লাগিব। মোৰ এটা ডাঙৰ ভুল হৈ গৈছিল। মই নিজৰ আৰ্থিক অৱস্থাৰ কথা মনত ৰাখিহে আগবাঢ়িব লাগিছিল। কিন্তু মই প্ৰায় নিজকে পাহৰি আগবাঢ়িলোঁ। কাৰণ কলেজীয়া জীৱনত এদিনো পেট নভৰাকৈ বা লঘোনে থকাৰ সৌভাগ্য নহ'ল। দুৰ্ৰিবনে নিজকে আঁহত গছ বুলি আগবাঢ়িলে নিজৰ ধ্বংসই স্বাভাৱিক।

**আচল নকল ঃ** এটা সময়ত মই নিজকে আচল আৰু নকল ৰূপত দেখিবলৈ আৰম্ভ কৰিলোঁ। তাৰমানে মই বৰ্ত্তমানটো উপভোগ নকৰি অতীত আৰু ভৱিষ্যতক লৈ খেলিব ধৰিলোঁ। তাৰমানে মই হৈ পৰিলো মানসিক ৰোগী। ল'ৰালি কালত মই বৰ ভাল আছিলোঁ। মোক সকলোৱে মৰম কৰিছিল। মই কেনেকৈ এম এ পঢ়িম? মোৰ সপোনবোৰ ক'লৈ যাব? আচলজন দূৰণীত বৈ থাকে। তাৰ্লৈ মোৰ ঈৰ্ষা হয়।

**নৰকলৈ দিয়া চিঠিবোৰ ঃ** নৰকলৈ দিয়া চিঠিবোৰতে মোৰ জীৱন যৌৱন জড়িত আছিল। সঁচা অৰ্থত ভৱিষ্যতে কিতাপৰ ৰূপ দিয়াৰ মানসেৰে লিখিছিলো চিঠিবোৰ। সঁচাকৈ মই আশবাদী আছিলোঁ। সপোন দেখিছিলোঁ। সহজ সৰল অমায়িক আছিলোঁ। কিন্তু মই বিচাৰিব ল'লো সুখ সফলতাৰ চমু বাট। পালো এখন নৰক। মৰিলে সকলো গোন্ধায়। এটা সময় আহিল মোৰ মাথো বৈ গৈছিল চকুলো। চকুলো মাথো চকুলো। চকুলো!

**আত্ম হত্যা আৰু মই ঃ** মই মৃত্যু নকৰোঁ ভয়। কিন্তু আত্ম হত্যা কৰিবলৈ ভয় কৰোঁ। শ বাৰ আত্মহত্যাৰ পৰিকল্পনা কৰিছোঁ। তাৰমানে বহু মূল্যবান সময় অপব্যয় কৰিছোঁ। কিন্তু এবাৰো সাহস কৰিব নোৱাৰিলো। বহু সময়ত এনে সিদ্ধান্ত লৈছিলোঁ যে মোৰ দৰে সকলো লোকেই আত্মহত্যা কৰা উচিত। তাৰ নিদৰ্শন হিচাপে এটা চুটি কবিতা আগবঢ়ালো—

"কাঁহি বাতিবোৰ মুখ মেলি চাই থাকে
চেইন বেয়া চাইকেলেৰে চলিবই নোৱাৰিছো
চকুৰ বেটাৰীবোৰ কামুৰি কামুৰি ভল্টেজ বঢ়াব নোৱাৰিলোঁ
ধুমুহাৰ পিছৰ পৃথিৱীখন দেখি
বাৰে বাৰে নিজকে অযোগ্য ঘোষণা কৰিছোঁ
কিন্তু চকুলোবোৰে বাগিছা পাতিবলৈ আৰম্ভ কৰাত
নিজকে ভাবি লৈছো— আত্মহত্যাৰ যোগ্যতা
আৰ্জিব পাৰিছোঁ।
ছে! আত্মহত্যাৰ কথা নাভাবি মাথো পঢ়িব লাগিছিল।
মই ছাত্ৰ আছিলোঁ।

**মই আৰু মানুহ ঃ** মানুহৰ অবিহনে মানুহ থাকিব নোৱাৰে। ময়ো বুজি পাওঁ। কিন্তু এটা সময়ত মোৰ মানুহৰ প্ৰতি একো দুৰ্বলতা নথকা হ'ল। সি লাগিলে পিতৃ-মাতৃ, শিক্ষক, গুৰু, বন্ধু-বান্ধৱ। আচলতে থাকিব লাগিছিল। আমাৰ দৰে লোকৰ বাবে হয়তো নীৰৱতাতকৈ মানৱতা শ্ৰেয়।

**মই কিয় কলেজ পঢ়িলোঁ ঃ** তিনি বছৰীয়া কলেজীয়া জীৱনটো শিক্ষাৰ্থী জীৱনৰ আটাইতকৈ সংঘাতময় অথচ গুৰুত্বপূৰ্ণ সময়। এইখিনি সময়ত আমি এখন খৰস্ৰোত নদীৰ ঘাট পাৰ হৈ থাকো। নদীখনৰ সিপাৰত থাকে মাথো হাঁহি আৰু হাঁহি। কিন্তু নদীখনৰ মাজত পৰি গ'লে চিৰকাল কক্‌বকাই থাকিব লাগিব মাথো।

আচলতে মই কলেজ পঢ়িবই নালাগিছিল। অন্ততঃ পৰিষ্কাৰ মানুহ হ'লোহেঁতেন। মানসিক ৰোগীয়া নহ'লোহেঁতেন হয়তো। জীৱনটো বৰ ভুল কৰিলো।

**এই টোকা কিয় লিখিলোঁ ঃ** বহুতে ভাৱিছে যিটো মই মোৰ দিব্য দৃষ্টিৰে দেখিছোঁ। মই আচলতে নিজকে ভাল ছাত্ৰ বুলি প্ৰতিপন্ন কৰিববৈলেহে এনে টোকা লিখিছোঁ। সত্যটো কিন্তু তাৰ বিপৰীত। কিবা এটা ৰচনা লিখা নিলিখাক লৈ যিমান মানসিক যুদ্ধ কৰিছোঁ এই টোকাটো লিখোতে দহ গুণ কৰিছো। চমু অৰ্থত এই লেখাতো মোৰ মানসিক শান্তিৰ বাবেহে লিখিছোঁ আৰু ইয়াৰ একো সু-উদ্দেশ্য নাই আৰু এই বাবেই বহু গুৰুত্বপূৰ্ণ কথাও লিখিবলৈ এৰিছোঁ। যেনে অলীক কল্পনা আৰু মই। অলীক কল্পনা কৰি কৰিয়েই মই বেছিভাগ সময় অপব্যয় কৰিলোঁ। উচ্চতম ন্যায়ালয়, প্ৰধানমন্ত্ৰী, অধ্যক্ষ আদিলৈ কিমান চিঠি লিখিলো তাৰ হিচাপ নাই।

**মোৰ ভৱিষ্যত ঃ** মই বিশ্বাস কৰোঁ সৎ পুত্ৰ হ'লেহে সৎ পিতৃ হ'ব পাৰি। সেইদৰে আদৰ্শ ছাত্ৰ হ'লেহে আদৰ্শ শিক্ষক হ'ব পাৰি। এতেকে বিফল ছাত্ৰ হৈ মই সফল মানুহ বা সফল শিক্ষক হোৱাটো অলীক স্বপ্নৰ বাহিৰে আন একো নহয় আৰু যাৰ বৰ্ত্তমান নাই, তেওঁৰ অতীত ভৱিষ্যৎ একোৱেই থাকিব নোৱাৰে।

শিক্ষক নে লেখক, ভিক্ষাৰী নে কৃষক! নাই নাই মই নিজে নিজৰ ঘাটক। সহিব লাগিব ছাত্ৰ সময়ত কৰা দোষৰ বিষ। তথাপি মোৰ একো আক্ষেপ নাই। লাহে লাহে সময়ক মই ভাল পোৱা হৈছো। হয়তো এদিন সিয়ো মোক ভাল পাব?

**সামৰণি ঃ** ছক্ৰেটিছে কৈছিল— "মানুহে যদি সততে নিজৰ জীৱনটো পৰীক্ষা কৰি নাথাকে; তেন্তে জীৱনটো যাপন কৰাৰ যোগ্য নহয়।"

ময়ো কলেজীয়া ছাত্ৰ জীৱনটো ভুমুকীয়াই চালো নিজে নিজক। আগ ফালৰপৰা, পিছ ফালৰপৰা, মাজৰপৰা, দূৰৰপৰা, ওচৰৰপৰা দ্বিধাহীনভাৱে পতিয়ন গৈছো— আচলতে মোৰ কলেজ পঢ়াৰ যোগ্যতাই নাছিল। কম্পিউটাৰত টাইপ কৰা নম্বৰৰ তালিকা থকা কাগজখনে যোগ্যতা আছে বুলিছিল। যিটো প্ৰকৃততে সত্য নাছিল।

পৰজনম বিশ্বাস কৰা হ'লে তাতেই ভাল হ'ম বুলি প্ৰবোধ লভিলোহেঁতেন। তাকো বিশ্বাস নকৰোঁ। এতিয়া কৰোঁ কি?।

সাক্ষাৎকাৰ

# জ্ঞানৰ সাধনা, মানুহ আৰু দেশৰ প্ৰতি নিৰ্মল প্ৰেমে ভৱিষ্যতৰ বাবে বাট দেখুৱাই গৈ থাকিব

—ড° নগেন শইকীয়া

*অসমীয়া ভাষা সাহিত্যৰ পথাৰখনক চিৰসেউজ কৰি তোলা মহীৰুহসকলৰ অন্যতম, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ ভূতপূৰ্ব লক্ষ্মীনাথ বেজবৰুৱা আসনৰ অধ্যাপক, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, প্ৰাক্তন সাংসদ, মিতভাষৰ স্ৰষ্টা, বিশিষ্ট কথাশিল্পী, পণ্ডিত, গৱেষক, প্ৰবন্ধকাৰ, মানৱতাবাদী লেখক, সু-সাহিত্যিক তথা সাহিত্য অঁকাডেমী বঁটাৰে সন্মানিত ড° নগেন শইকীয়া ছাৰৰ সাহিত্য কৃতীৰ বিষয়ে থোৰতে কৈ অন্ত পেলাব নোৱাৰি। তেখেত অসমীয়া ভাষা সাহিত্যৰ এজোপা বটবৃক্ষস্বৰূপ। তেখেতৰ সৈতে আলোচনী সম্পাদক শ্ৰী কৃষ্ণ বৰগোহাঁইৰ সাক্ষাৎকাৰ—*

প্ৰশ্ন ঃ১. **ছাৰ নমস্কাৰ। চিলাপথাৰ মহাবিদ্যালয়ৰ ফালৰপৰা প্ৰথমে আপোনাক বহাগ বিহুৰ ওলগ জনাইছো। ছাৰ আপোনাৰ সাহিত্যিক জীৱনৰ আৰম্ভণি কালছোৱাৰ বিষয়ে অকণমান ক'ব?**

উত্তৰ ঃ ময়ো চিলাপথাৰ মহাবিদ্যালয়ৰ সকলোলৈকে আন্তৰিক শুভ ইচ্ছা জ্ঞাপন কৰিলোঁ। সকলো মানুহেই অনুকৰণ প্ৰিয়। চকুৰে ভাল দেখা, কাণেৰে ভাল শুনা আৰু মনত ভাল লগা যিকোনো বিষয় মানুহে সৰুৰে পৰাই অনুকৰণ কৰিব খোজে। এইটো এটা স্বাভাৱিক ধৰ্ম। গাঁৱৰ প্ৰকৃতিৰ চৰাই-চিৰিকতি, জীৱ-জন্তুৰ মাত, বতাহৰ সোঁ-সোঁৱণি, বিয়ানাম, বিহুনাম, আইনাম, ধাইনাম আৰু প্ৰসংগীয়া নামৰ ধ্বনি সৰুৰে পৰা কাণত পৰি আহিছে। তাৰ মাজতেই ডাঙৰ-দীঘল হৈছোঁ। বুজিব পৰা হোৱাৰপৰা কিতাপত পোৱা পদ্যৰ কথা আৰু ছন্দই আকৰ্ষণ কৰি আহিছিল। তেনেদৰে সাধু কথা, আখ্যান-উপাখ্যানবোৰেও আকৰ্ষণ কৰিছিল। মোৰ মনত এইবিলাকেই তেনেধৰণৰ কাম কৰিবলৈ এটা উদগনি যোগাব পাৰে। প্ৰাথমিক স্কুলত পঢ়ি থাকোঁতেই *ৰামায়ণ-মহাভাৰতত* থকা ছবিবোৰ দেখি ছবি আঁকিবলৈ যত্ন কৰিছিলোঁ। মিত্ৰদেৱ মহন্তৰ *লনিপাঠৰ* আৰ্হিত অ, আ, ক, খৰ কিতাপ লিখিবলৈ তেনে অপৈণত চেষ্টা কৰিছিলোঁ। এম.ই.স্কুলত পঢ়ি থাকোঁতে মোৰ এজন বন্ধুৰ লগত লগ হৈ হাতে লিখা আলোচনী উলিয়াইছিলো। গল্প লিখিবলৈও যত্ন কৰিছিলোঁ। কবিতাও। মোৰ গল্প, কবিতা আৰু প্ৰবন্ধ মই সপ্তম শ্ৰেণীত থাকোঁতে আমাৰ স্কুলৰ আলোচনীত একেটা সংখ্যাতে ওলাইছিল। এনেকৈয়ে আৰম্ভণি হৈছিল।

প্ৰশ্ন ঃ২. **আপোনাৰ সাহিত্যিক জীৱনৰ কোনোবা প্ৰেৰণাদায়ক ব্যক্তি আছিল নেকি? যদি আছিল সেই বিষয়ে অলপ ক'লে সুখী হ'ম ছাৰ।**

উত্তৰ ঃ শৈশৱত মিত্ৰদেৱ মহন্ত, কৈশোৰত বেজবৰুৱা আৰু গোহাঞিবৰুৱা, মহম্মদ পীয়াৰৰ উপন্যাস, পাঠ্যপুথিৰ বিভিন্ন কবিৰ কবিতা, চন্দ্ৰধৰ বৰুৱা, আনন্দচন্দ্ৰ আগৰৱালা, চন্দ্ৰকুমাৰ আগৰৱলা আদি কবিৰ কবিতা, যৌৱনত গণেশ গগৈৰ, দেৱকান্ত বৰুৱা আদিৰ কবিতা, চৈয়দ আব্দুল মালিক, ৰমা দাস আদিৰ গল্প-উপন্যাস, বীণা বৰুৱাৰ উপন্যাস, লাহে লাহে বাংলা আৰু ইংৰাজী ভাষাৰ অনেক বিশিষ্ট লেখকৰ ৰচনাৰ লগত হোৱা পৰিচয়, মাধৱদেৱৰ নামঘোষা, জীৱনানন্দ দাশৰ কবিতা, খলিল জিব্ৰানৰ কবিতা, বুদ্ধদেৱ

বসুৰ গল্প আৰু কবিতা, ৰবীন্দ্ৰনাথ আছেই, এই আটাইবিলাকেই বিভিন্ন প্ৰকাৰে মনত স্পন্দন তুলিছিল। এতেকে কোনোবা এজন ব্যক্তি নহয়, বিভিন্ন লেখকৰ ৰচনা স্তৰে স্তৰে প্ৰেৰণাদায়ক হৈ আহিছিল।

**প্ৰশ্ন ঃ৩. সাহিত্যকৰ্ম ধ্ৰুপদী সাহিত্যৰ পৰ্যায়লৈ উন্নীত হোৱাৰ মূল উপাদানবোৰ আপুনি কি বুলি ভাবে?**

উত্তৰ ঃ ধ্ৰুপদী সাহিত্যৰ অৰ্থই হ'ল যি সাহিত্যই নিজেই এটা মান গঢ়ি তোলে। ইংৰাজী ক্লাছিকেল আৰু ক্লাছিক্স শব্দ দুটাৰ অৰ্থৰ ভিন্নতা আছে। প্ৰথমটো হ'ল শাস্ত্ৰীয় বা মাৰ্গীয় সাহিত্য। এনে সাহিত্যই নিশ্চয় দ্বিতীয়টো অৰ্থ অৰ্থাৎ মহৎ সাহিত্যকো সামৰি লয় বা ল'ব পাৰে। কিন্তু সকলো মহৎ সাহিত্যই শাস্ত্ৰীয় বা মাৰ্গীয় সাহিত্য নহয়। যি সাহিত্যই মানুহৰ জীৱনক বিশ্বাসযোগ্য, অৰ্থব্যঞ্জক আৰু নান্দনিক ৰূপেৰে মানুহৰ মনত সাৰ্বজনীন মানৱীয় ভাবৰ উচ্চস্তৰীয় ৰূপৰ প্ৰকাশ ঘটাব পাৰে তেনে সাহিত্যই স্থান, ভাষা, কাল নিৰ্বিশেষে ধ্ৰপদী পৰিচয় লাভ কৰিব পাৰে। অসমীয়া সাহিত্যৰ শংকৰদেৱ-মাধৱদেৱৰ ৰচনা, বেজবৰুৱাৰ আত্মজীৱনী, চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতা, বিৰিঞ্চিকুমাৰ বৰুৱাৰ উপন্যাস, জ্যোতিপ্ৰসাদৰ নাটক আৰু গীত, মহিম বৰা আৰু সৌৰভ চলিহাৰ গল্প, এনে লেখকৰ ৰচনাই ধ্ৰুপদী স্তৰ লাভ কৰিছে বুলি ভাবোঁ।

**প্ৰশ্ন ঃ৪. ছাৰ, আপোনাৰ এক অন্যতম সাহিত্যকৃতি 'মিতভাষ'। 'মিতভাষ' কেৱল অসমীয়া সাহিত্যলৈয়ে নহয়, সমগ্ৰ ভাৰতীয় সাহিত্যলৈয়ে আপোনাৰ উল্লেখনীয় অৱদান। 'মিতভাষ' (১৯৯৫) প্ৰকাশ হৈ ওলোৱাৰ পিছতে মিতভাষাৰ প্ৰকৃতি আৰু বৈশিষ্ট্য-সম্পৰ্কে যথেষ্ট চৰ্চা হোৱা দেখা গৈছে। তদুপৰি, ইংৰাজী আৰু অন্যান্য ভাৰতীয় ভাষালৈও 'মিতভাষ' অনুবাদ হৈছে। ছাৰ আপোনাৰ মতে 'মিতভাষ'ৰ সংজ্ঞা?**

উত্তৰ ঃ মিতভাষৰ দৰাচলতে কোনো সংজ্ঞা নাই। জীৱন আৰু জগতে সৃষ্টি কৰা কিছু মৌলিক প্ৰশ্নই হৃদয়ত তোলা আনুভূতিক আলোড়নৰ ই এক সংক্ষিপ্ত প্ৰকাশ ৰীতি। কোনো কোনোৱে ইয়াক কবিতা বুলি কৈছে। মই 'মিতভাষ' বুলিয়ে কৈ আহিছোঁ।

**প্ৰশ্ন ঃ৫. অসমত তুলনামূলক সাহিত্যৰ দুৱাৰ মুকলি কৰাত আপোনাৰ ভূমিকা অন্যতম। আপোনাৰ দৃষ্টিত তুলনামূলক সাহিত্যই আশানুৰূপ বিকাশ লাভ কৰিছেনে?**

উত্তৰ ঃ তুলনামূলক সাহিত্যৰ চৰ্চা আৰু অনুশীলন অসমত সম্প্ৰতি আৰম্ভ হৈছে যদিও ই এটা স্বতন্ত্ৰ সাহিত্য-বিচাৰ পদ্ধতিস্বৰূপে শক্তিশালী ৰূপ পাবলৈ নিশ্চয় আৰু কিছু সময় লাগিব। তদুপৰি তুলনামূলক সাহিত্য-বিচাৰ যে কোনো দুটা বিষয়ৰ উচ্চ আৰু নিম্নস্তৰ নিৰ্ণয়ৰ বাবে কৰা তুলনা নহয় নাইবা এটা সাহিত্যতত্ত্ব নহয় সেই কথাটো প্ৰথমেই হৃদয়ংগম কৰি



নল'লে বাট ভুল হোৱাৰ সম্ভাৱনা থাকে। তুলনামূলক সাহিত্যত সমান বিষয়ৰ লগতহে সমান বিষয়ৰ তুলনা হয়। এনে তুলনাৰ দ্বাৰা বিভিন্ন ভাষাত বিভিন্ন বিষয় লৈ ৰচনা কৰা সাহিত্যমূল্যৰ সমতা নিৰ্ধাৰণৰ যোগেদি দেশ-কাল-পাত্ৰভেদে সাহিত্যৰ ৰস তথা মূল্যৰ সমতা প্ৰতিষ্ঠাৰ যত্ন কৰা হয়। এই মূল দিশটো মনত ৰাখি আমাৰ আলোচক-সমালোচকসকলে কাম কৰিলে অসমীয়া ভাষাতো তুলনামূলক সাহিত্যৰ বিকাশ আৰু বিস্তাৰ বাঞ্ছা কৰা মতেই হ'ব বুলি আশা কৰোঁ। তুলনামূলক সাহিত্যৰ আমেৰিকান, কানাডিয়ান, ফৰাচী আদি বিভিন্ন ধাৰা গঢ় লৈ উঠিছে। মই ভাবোঁ আৰু কৈ আহিছোঁ যে এটা ভাৰতীয় ধাৰা হ'ব পৰা সকলো উপাদান ভাৰতীয় অলংকাৰ শাস্ত্ৰত আছে।

প্ৰশ্ন ঃ৬. **আপোনাৰদ্বাৰা ৰচিত 'অসমীয়া মানুহৰ ইতিহাস' গ্ৰন্থখন পাঠক সমাজৰ মাজত বহু সমাদৃত আৰু অসমবাসীৰ বাবে সম্পদস্বৰূপ। উক্ত মহৎ গ্ৰন্থখনৰ সৃষ্টিৰ আঁৰৰ কিছু কথা ক'বনেকি?**

উত্তৰ ঃ আমাৰ ৰাজনৈতিক বুৰঞ্জী আছে, সাংস্কৃতিক বুৰঞ্জীও আছে। কিন্তু এটা 'জাতি' হিচাপে অসমীয়া মানুহৰ সামগ্ৰিক পৰিচয় দান কৰিব পৰা এখন গ্ৰন্থৰ প্ৰয়োজন অনুভূত হৈ আহিছিল। প্ৰসিদ্ধ পণ্ডিত নীহাৰৰঞ্জন ৰায়ৰ 'বাঙালীৰ ইতিহাস' গ্ৰন্থখন পঢ়াৰ পিছত মোৰ সেই ভাব দ' হৈছিল আৰু এই বিষয়ে মই কাকতত লিখিছিলোও। কিন্তু মই নিজকে এনে এটা কামৰ বাবে যোগ্য বুলি কেতিয়াও জ্ঞান কৰি অহা নাই। এগৰাকী সন্মানীয় পণ্ডিত, এতিয়া স্বৰ্গীয়, ডঃ ভুবনমোহন দাসডাঙৰীয়াক মই অসম সাহিত্য সভাৰ সভাপতিৰ দায়িত্বত থকাৰ সময়ত অনুৰোধ কৰিছিলোঁ। তেখেতে অনুৰোধো ৰক্ষা কৰিব নোৱৰাত পিছৰ বছৰৰ অসম সাহিত্য সভাৰ সভাপতি শ্ৰীযুত (এতিয়া স্বৰ্গীয়) চন্দ্ৰপ্ৰসাদ শইকীয়াই জোৰ কৰি এই দায়িত্বটো মোৰ ওপৰতে জাপি দিলে। গ্ৰন্থখন মই সেইবাবে চন্দ্ৰপ্ৰসাদ শইকীয়াদেৱৰ নামতে উছৰ্গা কৰিছোঁ।

প্ৰশ্ন ঃ৭. **বৰ্তমান বিশ্বায়নৰ যুগত অসমত সুৰক্ষিত ভৱিষ্যতৰ বাবে উঠি অহা প্ৰজন্মৰ মাজত কি ভাষাৰ চাহিদা অধিক বুলি আপুনি ভাবে?**

উত্তৰ ঃ অসমীয়া ছাত্ৰ-ছাত্ৰীয়ে অসমীয়া, ইংৰাজী আৰু হিন্দী এই তিনিটা ভাষাত অধিকাৰ স্থাপন কৰি ল'ব পাৰিলেহে ভৱিষ্যৎ সুৰক্ষিত হ'ব বুলি ভাবোঁ। অসমীয়া মাতৃভাষীভিন্ন অসমৰ অন্যান্য ছাত্ৰ-ছাত্ৰীসকলৰ বাবে আৰু অসমীয়া ভাষীৰ বাবেও বড়ো সাহিত্য সভাই দাঙি ধৰা পৰামৰ্শ এই ক্ষেত্ৰত বিবেচ্য বুলি ভাবোঁ।

প্ৰশ্ন ঃ৮. **সাম্প্ৰতিক সময়ত ভাষাৰ প্ৰায়োগিক ক্ষেত্ৰখনৰ প্ৰতি লক্ষ্য ৰাখি মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় পৰ্যায়ত অসমীয়া মেজৰৰ পাঠ্যক্ৰমৰ অন্তৰ্গতভাৱে একোখনকৈ ইংৰাজী বিষয়ৰ পাঠ্যক্ৰম বাধ্যতামূলকভাৱে দিয়াৰ কথাটো ভাবিব পাৰিবনেকি?**

উত্তৰ ঃ দৰাচলতে ভাষা শিকাৰ সময় হ'ল শৈশৱৰে পৰা উচ্চতৰ মাধ্যমিক স্তৰলৈকে এই সময়ছোৱা। মই এটা কথাত গুৰুত্ব দি আহিছোঁ যে মাতৃভাষা মাধ্যমৰ বিদ্যালয়বিলাকত ইংৰাজী ভাষা বিংশ শতিকাৰ পঞ্চাছৰ দশকলৈকে শিকোৱাৰ দৰে গুৰুত্ব সহকাৰে শিকোৱা দৰকাৰ। এতিয়া মাতৃভাষা মাধ্যমৰ বিদ্যালয়ত যি পদ্ধতিৰে আৰু পাঠ্যক্ৰমেৰে ইংৰাজী শিকোৱা হৈছে তেনে পদ্ধতি আৰু পাঠ্যক্ৰমে ল'ৰা-ছোৱালীক ইংৰাজী ক'ব পৰা, বুজিব পৰা আৰু লিখিব পৰাকৈ গঢ়ি তুলিব নোৱাৰে। মহাবিদ্যালয় স্তৰত এখন ইংৰাজী প্ৰশ্ন কাকত থাকিলেই নহ'ব, ভেটিটো তলৰপৰাই গাঁথি আনিব লাগিব।

প্ৰশ্ন ঃ৯. **ছাৰ, অসমত ১৯৬০ চনত অসম চৰকাৰী আইন প্ৰণয়ন কৰা হৈছিল যদিও আইনখনৰ সম্পৰ্কে অসমৰ সৰহসংখ্যক মানুহেই অজ্ঞাত। গতিকে এই আইনখন অধিক শক্তিশালী আৰু কাৰ্যকৰী কৰাৰ প্ৰয়োজনীয়তা অনুভৱ কৰেনে?**

উত্তৰ ঃ অসম চৰকাৰী ভাষা আইন প্ৰয়োগ কৰাৰ বাবে অসম চৰকাৰৰ ইতিবাচক মানসিকতা ক'তো ফুটি উঠা নাই। তাৰ মূলতে হ'ল অসমৰ ভাষা, সাহিত্য আৰু জাতীয় স্বাৰ্থৰ প্ৰতি চৰকাৰৰ চৰম উদাসীনতা। প্ৰণয়ন কৰা আইন অন্য ৰাজ্যত যিদৰে প্ৰৱৰ্তিত হৈছে অসমত তেনেদৰে নোহোৱাৰ একমাত্ৰ এই কাৰণটো গুচাব নোৱাৰিলে ভাষা আইন সদায় বাকচৰ ভিতৰতে বন্ধ হৈ থাকিব।

প্ৰশ্ন ঃ১০. **ছাৰ আপুনি অসম সাহিত্য সভাৰ সভাপতিৰ পদ দুবাৰকৈ অলংকৃত কৰিছে। তদুপৰি সাহিত্য অকাডেমীকে আদি কৰি বহুতো বঁটা-বাহনো লাভ কৰিছে। এই সন্মানসমূহে আপোনাক কেনেধৰণৰ প্ৰেৰণা যোগায়?**

উত্তৰ ঃ এজন লেখকে বঁটাৰ যোগেদি স্বীকৃতি লাভ কৰিলে নিশ্চয় আনন্দ নোপোৱাকৈ নাথাকে। কিন্তু বঁটাই সকলো সময়তে যে ৰস আৰু জ্ঞানৰ সাহিত্যৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিব পাৰে বুলি মই নাভাবোঁ। অৱশ্যে বঁটা আৰু স্বীকৃতিয়ে নিশ্চয় কাম কৰিবলৈ প্ৰেৰণা নোযোগোৱাকৈ নাথাকে। অৱশ্যে, এনে স্বীকৃতিয়ে অধিক দায়িত্বশীলো কৰি তোলে।

প্ৰশ্ন ঃ ১১. **ছাৰ আপুনি সাংসদ হিচাপেও ইতিমধ্যে কাম কৰি গৈছে। গতিকে ৰাজনৈতিক ক্ষেত্ৰখনৰ সৈতে থকা পোনপটীয়া অভিজ্ঞতাৰ ভিত্তিত সাম্প্ৰতিক ভাৰতৰ ৰাজনৈতিক ঘটনা-প্ৰবাহ-সম্পৰ্কে আপুনি কি ক'ব?**

উত্তৰ ঃ বিশ্বৰ সামগ্ৰিক ৰাজনৈতিক প্ৰৱাহৰ পৰা আঁতৰাই কোনো দেশৰ ৰাজনীতিৰ সামগ্ৰিক ছবি এখন বিচাৰ কৰা টান। আমাৰ দেশ আৰু দেশৰ মানুহৰ বিকাশ আৰু মংগলৰ বাবে দায়বদ্ধ ৰাজনীতিকৰ সংখ্যা তুলনামূলকভাৱে কম, আনকি আমাৰ বিধানসভাসমূহত আৰু সংসদতো বিশ্বৰাজনীতিৰ পটভূমিত নিজৰ দেশখনক চাব পৰাৰ বাবে আগ্ৰহ আৰু যোগ্যতা থকা ৰাজনীতিকৰ সংখ্যা কম। বিশ্বৰ আটাইতকৈ

ডাঙৰ গণতান্ত্ৰিক দেশখনৰ তৃণমূল পৰ্য্যায়ৰ পৰা ৰাজনীতিৰ সক্ৰিয় কৰ্মীসকলৰ মনৰ ব্যক্তিগত স্বাৰ্থপূৰণৰ আকাংক্ষা দূৰ কৰি ল'ব নোৱাৰিলে আমি যি আন্ধাৰত আছোঁ সেই আন্ধাৰতে থাকিব লাগিব।

প্ৰশ্ন ঃ ১২. **সম্প্ৰতি অসমৰ শিক্ষা বিভাগটোতেই আটাইতকৈ বেছি অৰাজকতা বিৰাজ কৰা দেখা যায়। পৰীক্ষাৰ পূৰ্বেই প্ৰশ্ন কাকত বাহিৰ হোৱা, মেট্ৰিক পৰীক্ষাৰ প্ৰায় ৫০,০০০ হাজাৰ উত্তৰ বহী জুইত জাহ যোৱা ইত্যাদি দুৰ্ভাগ্যজনক ঘটনাসমূহে এই কথাৰ প্ৰমাণ দিয়ে। ছাৰ এই সন্দৰ্ভত আপোনাৰ মতামত?**

উত্তৰ ঃ অসমৰ মুখ্যমন্ত্ৰী শৰৎচন্দ্ৰ সিংহডাঙৰীয়াৰ পিছৰপৰা আমাৰ ৰাজ্যখনত শিক্ষকৰ চাকৰিও শিক্ষা বিভাগৰ ৰাজনৈতিক শক্তি, কৰ্মী, কৰ্মচাৰী বিষয়াই যেতিয়া বিক্ৰী কৰাৰ গোপন ব্যৱসায় আৰম্ভ হোৱাৰ কথা শুনা গ'ল তেতিয়াৰ পৰা এই বিভাগটো এটা কলংকিত বিভাগলৈ ৰূপান্তৰিত হ'ল। শিক্ষক ছাত্ৰ-সমন্বিতে শুভ বুদ্ধিসম্পন্ন জনসাধাৰণে এক মুঠ হৈ এই বিভাগটোক কলংকমুক্ত কৰিবলৈ চৰকাৰক বাধ্য কৰাব নোৱাৰিলে অসমৰ ভৱিষ্যৎ অন্ধকাৰ হৈ থাকিব।

প্ৰশ্ন ঃ ১৩. **যোৱা পাঁচ বছৰমানৰ সীমা নিৰ্ধাৰণ কৰি সেই সময়ছোৱাৰ পাঁচজন শ্ৰেষ্ঠ ভাৰতীয়ৰ নাম ল'বলগীয়া হ'লে কাৰ কাৰ কথা আপুনি ক'ব? আৰু যুৱ প্ৰজন্মই তেওঁলোকৰপৰা শিকিব লগা কি আছে বুলি আপুনি ভাবে?**

উত্তৰ ঃ মই প্ৰথমেই ডঃ এ.পি.জে.আব্দুল কালামৰ নাম ল'ম। ৰাজনৈতিক ক্ষেত্ৰৰ শ্ৰীঅটল বিহাৰী বাজপেয়ী, সাহিত্য ক্ষেত্ৰৰ ভালচন্দ্ৰ নেমাড়ে, শাস্ত্ৰীয় সংগীতৰ ক্ষেত্ৰত ওস্তাদ আমজাদ আলি খান, ইতিহাস অধ্যয়নৰ ক্ষেত্ৰত ডঃ ৰমিলা থাপাৰক মই তালিকাত অন্তৰ্ভুক্ত কৰিব খুজিম। দেশৰ যুৱ প্ৰজন্মই তেওঁলোকৰ জীৱনৰ পৰা জীৱন দৃষ্টিভংগী, বিষয়ৰ জ্ঞান, নিজস্ব ক্ষেত্ৰত প্ৰতিফলিত প্ৰতিভা আৰু সাধনাৰ আদৰ্শ লোৱা উচিত বুলি ভাবোঁ।

প্ৰশ্ন ঃ ১৪. **অসমত ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী (এন.আৰ.চি)ৰ উন্নীতকৰণৰ বিষয়টো সুদীৰ্ঘ সময় জুৰি চৰ্চাৰ বিষয় হৈ আহিছে। সদৌ অসম ছাত্ৰ সন্থাকে ধৰি অসমৰ সাধাৰণ মানুহৰ মনতো ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ উন্নীতকৰণ নোহোৱাটোৱেই অসমৰ মূল সমস্যা বুলি মত পোষণ কৰি আহিছে। তেওঁলোকৰ মতে নাগৰিকপঞ্জীৰ উন্নীতকৰণ হ'লে অসমত অবৈধভাৱে বসবাস কৰা বিদেশীসকলক চিনাক্ত কৰি বহিষ্কাৰ কৰিব পৰা হ'ব। এই ক্ষেত্ৰত আপুনি কি কয় ছাৰ?**

**উত্তৰ ঃ** নাগৰিকপঞ্জীৰ শুদ্ধভাৱে উন্নীতকৰণ কৰিব পাৰিলে অভাৰতীয় অনুপ্ৰৱেশকাৰী চিনাক্ত কৰাৰ আৰু ব্যৱস্থা লোৱাৰ নিশ্চয় সুবিধা হ'ব। কিন্তু সম্প্ৰতি প্ৰকাশ পোৱাৰ দৰেই ভূৱা নথি-পত্ৰৰ ভিত্তিত উন্নীতকৰণ কৰিলে বাঞ্ছিত ফল লাভ নহ'ব।

প্ৰশ্ন ঃ ১৫. **সম্প্ৰতি সমগ্ৰ ভাৰতত অসহিষ্ণুতা শব্দটোকলৈ বৰকৈ আলোচনা-পৰ্যালোচনা, তৰ্ক-বিতৰ্ক হোৱা দেখা গৈছে। উত্তৰ প্ৰদেশৰ দাদ্ৰিৰ কাণ্ডৰ প্ৰতিবাদত বহুসংখ্যক সাহিত্যিকে সাহিত্য অকাডেমী বঁটাও ঘূৰাই দিয়া দেখা গৈছিল। অসমতো ইয়াৰ প্ৰভাৱ পৰিছিল। ছাৰ, গোটেই বিষয়টো সন্দৰ্ভত আপোনাৰ মতামত কি?**

উত্তৰ ঃ দাদ্ৰি কাণ্ডই অসহিষ্ণুতাৰ একমাত্ৰ উদাহৰণ নহয়। স্বাধীনতাৰ পৰৱৰ্তী কালৰপৰা ভাষা, ধৰ্ম, সম্প্ৰদায়ৰ নামত অজস্ৰ এনে অক্ষমণীয় ঘটনা ঘটি আহিছে। সম্প্ৰতি দেশত চৰকাৰ সলনি হোৱাৰ পিছত বিৰোধীসকলে এনে কাণ্ডবোৰক বিচ্ছিন্নভাৱে চাই দেশবাসীৰ মনত এনে এটা ধাৰণা সুমাই দিবলৈ যত্ন কৰিছে যেন এনে ঘটনা, অসহিষ্ণুতা এই প্ৰথমবাৰৰ বাবে ঘটিছে। এনে ঘটনাৰ লগত জড়িতসকলৰ কঠোৰ শাস্তি হওক । কিন্তু এনে ঘটনাক বিচ্ছিন্নভাৱে চোৱাৰ যত্নও পৰিত্যাজ্য হওক। যিসকলে এনে ঘটনা বিচ্ছিন্নভাৱে চাই স্বীকৃতি, সন্মান আদি ঘূৰাই দি প্ৰতিবাদ সাব্যস্ত কৰিছে পূৰ্বৰ ঘটনাবোৰৰ ক্ষেত্ৰতো তেনেভাৱে প্ৰতিবাদ কৰা হ'লে সেই প্ৰতিবাদ যথাৰ্থতেই দলীয় ৰাজনীতিৰ ঊৰ্ধৰ সিদ্ধান্ত হ'লহেঁতেন বুলি ভাবোঁ।

প্ৰশ্ন ঃ ১৬. **অসমৰ প্ৰতিখন মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰত থাকিবলগা পাঁচখন বিশেষ গ্ৰন্থৰ নাম ল'বলৈ ক'লে আপুনি কোন কেইখন গ্ৰন্থৰ কথা উল্লেখ কৰিব?**

উত্তৰ ঃ কোটি কোটি গ্ৰন্থৰপৰা মাত্ৰ পাঁচখন গ্ৰন্থ নিৰ্বাচন কৰাটো সাগৰত বৰশী বাই মাছ ধৰিবলৈ যোৱাৰ নিচিনা কথা। মই সেইবাবে অসমীয়া ভাষাৰ পৰাই বাছি দিব খুজিছোঁ, শংকৰদেৱ-মাধৱদেৱৰ 'কীৰ্তন-ঘোষা', বেজবৰুৱাৰ 'মোৰ জীৱন সোঁৱৰণ', জ্যোতিপ্ৰসাদৰ শিল্পীৰ পৃথিৱী, ৰাধানাথ ফুকনৰ 'সাংখ্য দৰ্শন', বিৰিঞ্চিকুমাৰ বৰুৱাৰ 'জীৱনৰ বাটত'। কিন্তু এই তালিকা নিঃসন্দেহে অসমীয়া সাহিত্যৰ শ্ৰেষ্ঠ বিবেচিত গ্ৰন্থসমূহৰ এক শতাংশ মানহে হ'ব।

প্ৰশ্ন ঃ ১৭. **ছাৰ, ছাত্ৰ-ছাত্ৰীসকললৈ আপোনাৰ বাৰ্তা—**

উত্তৰ ঃ ছাত্ৰ-ছাত্ৰীসকলক মই এযাৰ কথাই ক'ব খোজোঁ—যি বিষয়কে অধ্যয়ন কৰা, বিষয়টো জানিবৰ বাবে খৰচি মাৰি জানিবলৈ যত্ন কৰাঁ আৰু নিজৰ জন্মভূমিক আৰু জাতি, বৰ্ণ, ভাষা, ধৰ্ম, সম্প্ৰদায় নিৰ্বিশেষে মানুহক মানুহ হিচাপে ভাল পাবলৈ যত্ন কৰাঁ। জ্ঞানৰ সাধনা আৰু মানুহ আৰু দেশৰ প্ৰতি নিৰ্মল প্ৰেমে ভৱিষ্যতৰ বাট দেখুৱাই লৈ গৈ থাকিব। মই সকলোৰে মংগল বাঞ্ছা কৰি ক'ব খোজোঁ----

সৰ্বে ভৱন্তু সুখিনঃ
সৰ্বে সন্তু নিৰাময়া
সৰ্বে ভদ্ৰাণি পশ্যন্তু
মা কশ্চিদ্ দুখভাগ ভৱেৎ।

০০০

ৰস ৰচনা

প্ৰাঞ্জল বুঢ়াগোহাঁই

# মিছ্ মনালিছা বিহুৱতী হ'ল

সৰু চহৰ। সৰু হলেও চহৰখনৰ প্ৰায় সংখ্যক মানুহ খোৱা পিন্ধা কলা-সংস্কৃতিত বৰ চ'খিন। পূজা, বিহু উৎসৱ-পাৰ্বন বুলিলে উনৈশত বা বলে। ৰামকৃষ্ণ হাটীবৰুৱা এই সৰু চহৰখনৰ নতুন বাসিন্দা। চৰকাৰী চাকৰিয়াল। ইয়ালৈ প্ৰথম আহোতে সৰু ট্ৰাক এখনত ঘৰুৱা বয়বস্তু লৈ আনিছিল। হাটীবৰুৱাৰ বাহন আছিল পুৰণা ৰেলি চাইকেল এখন। আল্লাউদ্দিনৰ চাকি। মাটি ল'লে। বাঁহৰ চচলা দিয়া ঘৰটো চাওঁতে চাওঁতে পকী দালান হ'ল। গাড়ী ললে। হাটীবৰুৱা চহৰখনৰ লেখত লবলগীয়া প্ৰথম শাৰীৰ নাগৰিক হ'ল। এজনী ছোৱালী নাম মনালিছা। মৰমতে মনা বুলি মাতে। ঘৈনীয়েক ৰস্মীৰেখা! ববকটা চুলিৰে মাৰোৱাৰী গাড়ীৰ লাৰ্ড গাৰুহেন। মনালিছাক ছোৱালী সাজ পোচাকতকৈ ল'ৰা পোচাকত মাক বাপেকে পচন্দ কৰে। গতিকে সেই সাজ পোচাকত মনালিছা সাজি কাচি থাকে। বকুলী গাঁৱৰ ছোৱালী। হাটীবৰুৱা ঘৰৰ লিগিৰি। ধুনীয়া ছোৱালী। মাহ বাগৰি বছৰৰ শেষ মাহ পালেহি, মানে চ'ত। চান্দা বিশাৰদ ৰমেন শৰ্মা হাটীবৰুৱা ঘৰত উপস্থিত হ'লহি। মানে কথাটো হ'ল ব'হাগী আদৰণি পাতিব লাগে। হাটীবৰুৱাই ভিতৰি প্ৰস্তাৱটো ভালেই পালে। গৰু বেপাৰী জয়ৰাম সিং চুবেদাৰৰ লগত ফোনেৰে আলোচনা কৰি সভা আহ্বান কৰাৰ দায়িত্ব চান্দা বিশাৰদ ৰমেন শৰ্মাক দিলে। চান্দা বিশাৰদ ৰমেন শৰ্মাই চকুৰ পলকতে সভালৈ কাক মাতিম কাক নেমাতো, সুন্দৰ বিহুৰ অভ্যৰ্থনা সমিতিৰ খচৰা তৈয়াৰ কৰিলে। যথা সময়ত সভা অনুষ্ঠিত হ'ল। ৰাম কৃষ্ণ হাটীবৰুৱা সভাপতি আৰু গৰু বেপাৰী জয়ৰাম সিং চুবেদাৰক উপস্থিত ৰাইজে সম্পাদক বৰণ কৰিলে। বাকী সকল খিচিৰিত আলু বিচৰা পদ অলংকৃত কৰিলে। দুই এজনে এফলীয়াকৈ কথা পাতিলে ভালেই হ'ল। ঘৰে ঘৰে গৈ চান্দা বৰঙণি বিচৰাৰ কোনো দৰকাৰ নাই।

ইচ্ছা কৰিলে অসমীয়াসকলে প্ৰতিযোগিতাৰ তৃতীয়, চতুৰ্থ স্থানৰ পুৰস্কাৰ দিব পাৰে। বিহুৰ সকলো প্ৰস্তুতি হ'ল যেতিয়া হাটীবৰুৱাৰ পৰিবাৰ ৰশ্মিৰ জীয়েক মনাক বিহুৱতী নচাবলৈ মন গল। ভবা মতেই কাম। বছৰৰ ৬ মাহ ঘৰ দুৱাৰ এৰি বিহু মাৰি ঘুৰি ফুৰা জয়ন্ত, নালিয়া, টপুগুটি, কলিয়া আহি হাটীবৰুৱা ঘৰত হাজিৰ। পদুলিলৈ আহিবলৈ ভয় কৰা বিহুৱা দল একেবাৰে লাখটকীয়া হাটীবৰুৱাৰ ড্ৰয়িং ৰুমত গা এৰি দিলে। সিহতৰো ভাগ্য। ওচৰৰ মানুহৰ পুৱা গধূলী দুপৰীয়া খাৱন শোৱন চৰিল। উচ্চ ৰক্তচাপ থকা সকলে পকাত পেট পেলাই শুবলৈ ললে। মনালিছাই হাফপেণ্ট জাতীয় পেণ্ট্ এটা পিন্ধি ঢোলৰ কোবত কলিয়াৰ কৰিঅ'গ্ৰাফত ভূত লম্ভিলে মানুহৰ যিটো ৰূপ লয় ঠিক তেনেকুৱা এটা প'জত জপিয়াবলৈ ধৰিলে। ঢুলীয়া পাৰ্টিও কম ভকত নহয়। এটুপি এটুপি ৰঙাপানী ধৰি গা-মুখ একেবাৰে লাউপাত কচুপাত। মনালিচাৰ এনাৰ্জী আহিবৰ কাৰণে বকুলীয়ে বটলে বটলে ফলৰ ৰস যোগান ধৰিছে। একেবাৰে কুৰুক্ষেত্ৰ যুদ্ধ। চুবেদাৰ, হাটীবৰুৱা, গগৈ, শইকীয়া, শৰ্মাৰ গাত বিজুলি সৰবৰাহ বৈছে। সকলো যোগাৰ হল। চালে চকু চাত মাৰি যোৱা। বিখ্যাত গায়ক-গায়িকা নিমন্ত্ৰণ হ'ল। প্ৰতিযোগিতাৰ বিচাৰকৰ কাৰণে চহৰখনৰ মহাবিদ্যালয়ৰ অধ্যাপক ৰহমান ছাৰ আৰু দলে ছাৰক আমন্ত্ৰণ জনালে। মুঠতে যুৱক-যুৱতী, বোৱাৰী সকলোৰে গা সাতখন-আঠখন। কোনে কিমান ধুনীয়া ফেচনৰ ড্ৰেচ পিন্ধিব পাৰে। প্ৰতিযোগিতাৰ প্ৰাক মুহূৰ্তত হাটীবৰুৱানীৰ পেন-পেননিত হাটীবৰুৱাই বিচাৰক মণ্ডলীক তেওঁৰ ঘৰতে চাহ একাপ খাবলৈ নিমন্ত্ৰণ জনালে।

চাহ-জলপান খোৱাৰ পাছত মাকে মনাক বিচাৰক মণ্ডলীৰ আশীৰ্বাদ লবলৈ ক'লে। মনালিছাই কথাষাৰ বুজিব নোৱাৰি মাকক সুধিলে— "আশীৰ্বাদ কেনেকৈ লয়?" মাকে বুজাই দিয়াত মনালিছাৰ ভীষণ অসুবিধা হ'ল। এক মিটাৰ কাপোৰৰ দুটা স্কাৰ্ট কৰা মনালিছা আশীৰ্বাদ লবলৈ বহে কেনেকৈ। থিয় হৈ হাতখন বিচাৰক মণ্ডলীৰ আঁঠুৰ পৰা আশীৰ্বাদ ললে। যথা সময়ত মাইক প্ৰেমী ৰমেন শৰ্মাই সকলো কাৰ্য্যসূচী শেষ কৰি বিহুৱতী প্ৰতিযোগিতা আৰম্ভ কৰিলে। আধা অসমীয়া আধা ইংৰাজী পোচাক পিন্ধি বিষয়-ববীয়া প্ৰতিযোগিতা চোৱাত লাগিল। কুৰিজনী বিহুৱতী প্ৰতিযোগীৰ পাছত মঞ্চত মনালিছাই প্ৰৱেশ কৰিলে। ডেকাচামে হুহুৰি মাৰিলে। জয়ন্তৰ ঢোলৰ গতি বাঢ়িল। বৰলে খোৱা গৰুৰ দৰে মনালিছা মঞ্চৰ ইফালে সিফালে দৌৰিবলৈ ধৰিলে। যেন ১০০ মিটাৰ দৌৰ। মূৰৰ খোপা সুলকি পৰিলে। গাম খাৰু কেনি গ'ল ধৰিব নোৱাৰিলে। চাদৰৰ খোচনি সুলকিল। মৰিবৰ সময়ত মানুহৰ যেনেকৈ মৰঘাম ওলাই ঠিক তেনেকুৱা অৱস্থা হ'ল। শেষত মঞ্চতে আঠু কাঢ়ি বহি যেনে তেনে চুচুৰি মঞ্চৰ পাছফাল পালেগৈ। ৰক্ষা!

অলপ পাছতে ঘোষকে ঘোষণা কৰিলে— "মিছ মনালিছা বিহুৱতী হ'ল।"

❖❖❖

# DURGA BORO : The Rising Sun

*Ashif Siddiqu*

Durga Boro is an Indian professional footballer who plays as a striker for Guwahati F.C. of the I-League $2^{nd}$ division.

He was born on 28 June, 1987. A great man has said that great things comes in small package. Same is with Durga Boro. He was born in the small village of Gendrabil, in the Kokrajhar district of Assam.

Boro started playing football for the Kokrajhar HNMP School, for which he played for the team in the Subroto Cup under 14 tournament. Then, after impressing during the Subroto Cup, Boro started to train with the Sports Authority of India in Guwahati. In 2004 Boro signed with Oil India and playedwith them in the Assam State Premier League and the 1-League $2^{nd}$ division while also working for the Company itself.



After an impressive performance during the Federation Cup in Kolkata in 2009 in which Boro and Oil India played against I-League sides such as Mohan Bagan, Vasco and Air India, he signed his first professional contract with fellow I-league side, Churchill Brothers. The more to a professional club was massive for Boro as that meant he would be granted one-year leave from his former day job with Oil India and he would move into a more professional foot balling environment which included free food and travel. Boro scored his first professional goal for Churchill brothers on 8 January 2011 against Salgoacar, however, his $34^{th}$ minutes strike could not prevent Churchill brothers from losing.

After spending two seasons with Churchill Brothers, Boro made a surprising move by signing for up star I-League $2^{nd}$ Division Club Mumbai Tigers, then known as Dodsal F.C. While with Mumbai Tigers, Boro played for the side during the I-League the I-League $2^{nd}$ division season.

After Mumbai Tigers disbanded, on 6 February 2014, Boro made his return to the I-league after he signed for Shillong Lajong. This was Lajong's third attempt by signing Boro after they attempted to sign him in both 2009 and 2012. He made his debut for Shillong Lajong on 23 February 2014 against United. Boro started the match and even scored a goal as Shillong Lajong drew the match 2-2.

In the Summer of 2014 it was announced that Boro and a bunch of other Shillong Lajong players would sign on loan for the Indian Super League side North East United. Boro made his debut for North East United during the teams first ever game on $13^{th}$ October 2014 against Kerela Blasters. He started the match and played 62 minutes as North East United Won 1-0. Boro enventually scored his first goal for the team on 27 November 2014 against Chennai. His $10^{th}$ minute strike contributed to a 3-0 victory for North East United.

------------

ক্ষেত্ৰভিত্তিক অধ্যয়ন



# অৰুণাচলৰ 'নাৰি'ত এদিন

বিনীতা দেৱী

যোৱা ইং ২/১২/২০১৫ তাৰিখটো আমাৰ বাবে এটা অতি স্মৰণীয় দিন। সেইদিনা পুৱা প্ৰায় ৮.৩০ বজাত 'চিলাপথাৰ মহাবিদ্যালয়'ৰ উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ লগতে আমাৰ মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ মহোদয় ড° লক্ষ্মীনাথ পেগুদেৱ, উপাধ্যক্ষ শ্ৰী ললিত চন্দ্ৰ দলেদেৱ, আমাৰ মহাবিদ্যালয়ৰ বিভিন্ন বিষয়ৰ সন্মানীয় প্ৰৱক্তাসকল, মহাবিদ্যালয়ৰ অন্যান্য কৰ্মচাৰীসকলৰ লগতে ছাত্ৰ একতা সভাৰ সমূহ বিষয়-ববীয়াৰ সকলৰ সৈতে আমি অতি আনন্দৰে মহাবিদ্যালয় প্ৰাঙ্গণৰপৰা ক্ষেত্ৰ অধ্যয়নৰ বাবে যাত্ৰা কৰিছিলো।

চিলাপথাৰ মহাবিদ্যালয়ৰপৰা আৰম্ভ কৰা এই যাত্ৰা 'ডিমৌ', চিমেন চাপৰি হৈ অৰুণাচল প্ৰদেশ ৱেষ্ট চিয়াঙৰ 'নাৰি'ত আমি প্ৰায় ১০.১৫ বজাত উপস্থিত হৈছিলো। এই যাত্ৰাত আমি সকলোৰে অতি মিলা-প্ৰীতিৰ মাজেৰে চিঞৰ বাখৰ হাই উৰুমি নকৰাকৈ শান্তি শৃংখলা বজাই ৰাখিবলৈ চেষ্টা কৰিছিলো। আমাৰ শিক্ষাগুৰুসকলেও ক্ষেত্ৰ অধ্যয়নৰ দায়িত্বক সুচাৰুৰূপে পালন কৰিছিল। সকলোৰে নতুন ঠাই এখন চোৱাৰ হেঁপাহত যেন সেইদিনা উৎফুল্লিত আৰু আপোন পাহৰা হৈ পৰিছিল। কাৰণ সেইদিনা মোৰ মৰমৰ বন্ধু-বান্ধৱী সকলৰ মুখৰ হাঁহি আৰু কথা বাৰ্তাৰ পৰা এই কথা অতি স্পষ্টকৈ পৰিস্ফুট হৈছিল।

সি যি কি নহওক ১০.১৫ বজাত ঠাইখনত উপস্থিত হোৱাৰ লগে লগে আমি সকলো নাৰিৰ সেই প্ৰাকৃতিক সৌন্দৰ্য্যত বাৰুকৈ আকৃষ্ট হৈ পৰিলো। সেই সময়তে আমাৰ বাবে লঘূ আহাৰৰ ব্যৱস্থা কৰা হৈছিল। ইয়াৰ পিছতে ক্ষেত্ৰ অধ্যয়ন স্থলীত উপস্থিত সকলো ছাত্ৰ-ছাত্ৰীকে তিনিটা গোটত ভাগ কৰি দিয়ে। গোটসমূহ আছিল ক্ৰমে- A Group, B Group আৰু C Group। লগতে তিনিওটা গোটৰ লগত প্ৰৱক্তাসকলক তত্বাৱধায়ক হিচাপে নিযুক্ত দিয়া হৈছিল। য'ত মই আছিলো Group A ৰ ক্ষেত্ৰ অধ্যয়নকাৰী দলটোত আছিলো আৰু আমাৰ তত্বাৱধায়ক আছিল সন্মানীয় প্ৰৱক্তা শ্ৰীযুত ৰাহুল পেগুদেৱ। ক্ষেত্ৰ অধ্যয়ন স্থলীত তিনিটা গোটক অধ্যয়নৰ বাবে বেলেগ বেলেগ বিষয়বস্তু দিয়া হৈছিল। বিষয়বস্তুসমূহ এনেধৰণৰ আছিল—

| গোট | অধ্যয়নৰ বিষয়বস্তু |
|---|---|
| (A) | ক্ষেত্ৰ অধ্যয়ন স্থলীত দেখা পোৱা পৰিৱেশ প্ৰদূষণ। |
| (B) | ক্ষেত্ৰ অধ্যয়ন স্থলীৰ জৈৱ-বৈচিত্ৰ্যতা। |
| (C) | চিলাপথাৰ মহাবিদ্যালয় পৰিৱেশ আৰু ক্ষেত্ৰ অধ্যয়ন স্থলীৰ পৰিৱেশৰ তুলনা। |

ইয়াৰ পিছতে আমি সকলোৰে তত্বাৱধায়ক সকলৰ তত্বাৱধানত 'নাৰি'ৰ নৈ এখনৰ কাষ চাপিলো। য'ত আমি কিছুমান

মাছমৰীয়াক মাছ ধৰি থকা দেখিবলৈ পাইছিলো। সেই মাছমৰীয়া সকলৰ পৰা আমি জানিব পাৰিলো যে নৈখনৰ নাম দিকাড়ী নৈ আৰু 'নাৰি' বুলি বিখ্যাত অঞ্চলত স্থিত সেই ঠাইখনৰ নাম ৰেষ্ট চিয়াং। সেই মাছমৰীয়া সকলক ধন্যবাদ জনাই আমি নাৰিৰ পাহাৰখনৰফালে আগুৱাই গৈ পাহাৰখন বগাবলৈ আৰম্ভ কৰিছিলো। পাহাৰ বগাই গৈ থাকোতে আমি দেখা পাইছিলো দিকাড়ী নৈৰ ওপৰত স্থিত এখন দীঘলীয়া দলং। দলংখনৰ কাষত এখন্তেক জিৰণি লৈ পুনৰ আমি সেই দলংখনৰ কাষতে থকা এখন হাবি জংঘলেৰে পৰিপূৰ্ণ হৈ থকা লুং-লুঙিয়া পথেদি 'নাৰি'ৰ পাহাৰখনৰ চাৰিওফালে বহু সময় অধ্যয়নৰ বাবে ঘূৰি পুনৰ সেই আগৰ স্থানলৈ আহি জিৰণি ল'লো। কাৰণ নাৰি ঠাইখন পাহাৰীয়া হোৱাৰ বাবে আৰু নদীকাষৰীয়া হোৱাৰ বাবে ঠাইখনত বালি মাটি, শিলগুটিৰে পৰিপূৰ্ণ। যাৰ বাবে বহু সময় ধৰি খোজ কঢ়াৰ ফলত আমি ভাগৰত ক্লান্ত হৈ পৰিছিলো। গতিকে জিৰণি আমাৰ বাবে প্ৰয়োজন হৈ পৰিছিল। এখন্তেক জিৰণিৰ পাছতে আমি সকলোৱে একেলগ হৈ মধ্যাহ্ন ভোজন কৰিছিলো।

'নাৰি' এখন অত্যন্ত প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰা পাহাৰীয়া ঠাই। য'ত এলানী সৌন্দৰ্যময় পাহাৰ আছিল, যি গোটেই পৰিৱেশটো চালে চকুৰোৱা মনোৰম কৰি তুলিছিল। সেই পাহাৰৰ পৰাই দিকাড়ী নদী কুলু কুলুকৈ বৈ গৈছে। লগতে পাহৰখনত বিভিন্ন প্ৰকাৰৰ অমূল্য গছ-গছনি, তৰু-তৃণ, লতিকা দেখা পাইছিলো। যি বোৰ সাধাৰণতে আমাৰ মহাবিদ্যালয়ৰ চৌপাশে দেখিবলৈ পোৱা নাযায়। পাহাৰৰ ডাঠ হাবিৰ মাজত বিভিন্ন প্ৰজাতিৰ চৰাই চিৰিকতিৰ শুৱলা মাত শুনিবলৈ পাইছিলো। যিটোৱে ঠাইখনত এক অনুকুল বাতাবৰণৰ সৃষ্টি কৰা দেখিবলৈ পাইছিলো আৰু এনে এক সুন্দৰ পৰিৱেশ দেখিবলৈ পায় আমাৰ মনত আনন্দৰ জোৱাৰ উঠিছিল। কাৰণ এনে আনন্দৰ পৰিৱেশ বা চৰাই চিৰিকতিৰ শুৱদি মাত আমাৰ চিলাপথাৰ মহাবিদ্যালয়ত উপলব্ধ নহয়। গতিকে বহুদিনৰ মূৰত তেনে বাতাবৰণ দেখা পোৱাত হিয়া আনন্দত নাচি উঠিছিল।

প্ৰকৃতি প্ৰদত্ত এই সৌন্দৰ্যক কিন্তু বৰ্ত্তমান মানুহে বিভিন্ন প্ৰকাৰে বিনষ্ট আৰু প্ৰদূষিত কৰা দেখা পোৱা গ'ল। যেনে— গছ কাটি আৰু পাহাৰত থকা প্ৰচণ্ড শিলবোৰ উলিওৱাৰ ফলত পাহাৰৰ মাটি খহি ভূমিস্খলন হোৱা দেখা গ'ল। সেই স্থানৰ প্ৰাকৃতিক সৌন্দৰ্য উপভোগ কৰিবলৈ গৈ বা নববৰ্ষৰ আগমনৰ লগে লগে সেই স্থানত বহুলোকে বনভোজৰ নামত পৰিৱেশ প্ৰদূষণ কৰি গুচি অহা দেখা গ'ল। যেনে— পেলনীয়া ডিছপ'জেল গ্লাছ, প্লেট, কণীৰ বাকলি, পাছলিৰ অৱশিষ্ট, তাৰ উপৰিও পেলনীয়া আহাৰ নদীৰ বুকুত পেলাই চৌপাশৰ পৰিৱেশৰ লগতে নদীৰ পানীও প্ৰদূষিত কৰি থৈ অহা পৰিলক্ষিত হ'ল। বনভোজৰ নামত বহুলোকে মদ্যপান কৰি মদৰ বটল ভাঙি য'তে ততে পেলাই দিয়াত প্ৰকৃতি প্ৰদত্ত সৌন্দৰ্য যেন ঠাইখনৰ পৰা নাইকিয়া হৈ যাব ধৰিছিল। ইয়াৰ উপৰিও মানুহে চলা-ফুৰা কৰাও যেন অসুবিধাৰ সৃষ্টি হৈছিল।

যিহেতু পলিথিন, বটল, ডিছপ'জেল ইত্যাদি সোনকালে পঁচি নোযোৱাৰ ফলত মাটিৰ উৰ্বৰা শক্তিও কমি যায়। যাৰ ফলত গছ-গছনিৰ দৰে প্ৰাকৃতিক সম্পদৰ মাত্ৰা কমি যোৱাৰ আশংকা অধিক থাকে। যিহেতুকে গছ-গছনি নাইকীয়া হ'লে জীৱ সমষ্টিৰ ওপৰত কু-প্ৰভাৱ পৰে। কাৰণ গছৰ সহায়তে সকলো ধৰণৰ জীৱই কাৰ্বন ডাইঅক্সাইড আৰু নাইট্ৰ'জেন গ্ৰহণ কৰে। গছৰ পৰা গছ পায়। গতিকে গছ-গছনি নাইকিয়া হ'লে জীৱৰ উশাহৰ দৈনিক প্ৰয়োজন অক্সিজেনৰ মাত্ৰা কমি আহে। এই কথাৰ আমি সকলোৱে জ্ঞাত।

কিন্তু আমি আমাৰ মধ্যাহ্ন ভোজন কৰাৰ পিছত এটা নিৰ্দিষ্ট স্থানত সকলো পেলনীয়া সমগ্ৰী গোটাই সেইবোৰ জ্বলাই থৈ আহিছিলো। গতিকে শেষত মোৰ সকলোলৈ বিনম্ৰ অনুৰোধ যে আমি বনভোজ বা ক্ষেত্ৰ অধ্যয়নৰ বাবে য'তেই নাযাও কিয় সেই ঠাইখনক পৰিষ্কাৰ কৰি থৈ অহাটো আমাৰ প্ৰকৃতিৰ প্ৰতি থকা গধূৰ দায়িত্ব আৰু কৰ্ত্তব্য। তেতিয়াহে ভৱিষ্যতে আমি প্ৰকৃতিৰ মনোৰম সৌন্দৰ্য্যৰ সানিধ্য লাভ কৰিব পাৰো।


সামৰণি ঃ ক্ষেত্ৰ অধ্যয়ন স্থলীত মধ্যাহ্ন ভোজন কৰাৰ পিছতেই আমি সকলোৱে বাছত উঠি প্ৰায় ৪.১৫ বজাত ঠাইখনৰ পৰা বিদায় লৈ পুনৰ ডিমৌ চিমেন চাপৰি হৈ চিলাপথাৰ মহাবিদ্যালয়ৰ ফালে অতি আনন্দৰে যাত্ৰা আৰম্ভ কৰি প্ৰায় ৬.৩০ বজাত চিলাপথাৰ মহাবিদ্যালয়ৰ প্ৰাঙ্গণত উপস্থিত হৈ সকলোৱে নিজ নিজ ঘৰলৈ অগ্ৰসৰ হওঁ।

❖❖❖



চুটিগল্প

# ইচ্ছা পত্ৰ




## — ৰবীন কুলি —

ঃ এই মুহূৰ্তত আপোনাৰ উপস্থিতি মই মুঠেই কামনা কৰা নাছিলোঁ।

ঃ মই জানো। কিন্তু ....

ঃ তেন্তে এক মুহূৰ্তও ইয়াত নাথাকিব। অনুগ্ৰহ কৰি আপুনি যাওঁক। কোনো কিন্তু থাকিব নোৱাৰে।

ঃ মই যাব নোৱাৰোঁ

ঃ কিন্তু কিয় ?

সি ওচৰৰ চকীখন টান মাৰি বহি ললে। আৰু মুখখন শেঁতা পেলাই আৰু অলপ বেছিকৈ নীৰৱ হ'ল।

ঃ আৰে আপোনাক যাবলৈ কৈছোঁ। নাই শুনা নেকি ?

ঃ এনে সন্ধিক্ষণত আপোনাৰ খঙে শোভা নাপায়।

ঃ পায়, নাপায় এইবোৰ শুনাবলৈ মোক আৰু যত্ন নকৰিব। মুঠতে আপুনি যাওঁক।

ঃ চাওঁক।

ঃ নাই, যাওঁক।

ঃ নিশ্চয় যাম। আপোনাৰ ঘৰৰ নাগৰিকত্ব কৰায়ত্ব কৰি স্থায়িত্ব দাবী কৰিব অহা নাই।

ঃ মই আপোনাৰ উদ্দেশ্যৰ কথা বাৰুকৈ জানো আৰু সেয়েহে আপোনাক যাবলৈ কৈছোঁ।

ঃ ভুল হৈছে, ভুল।

ঃ আকৌ !

ঃ আপুনি কৰ্ত্তব্য কি, ই কেনে হোৱাতো যুক্তিসংগত এনে সম্পৰ্কীয় বহু প্ৰবন্ধ, কবিতা, গল্প ৰচনা কৰিছে।

ঃ অনুগ্ৰহ কৰি মোক দুৰ্বল কৰিবলৈ যত্ন নকৰিব। আৰু নাভাবিব যে, মই আগৰ দৰে দুৰ্বল। যাওঁক বুলিছোঁ নহয়।

ঃ বুজিছোঁ আপুনি বহুত সৰল মানুহ। কিন্তু আপুনি এই মুহূৰ্তত আলহী-অতিথিক দেখুওৱা সামান্যতম শিষ্টাচাৰখিনি পালন কৰা উচিত। আপুনি আদৰ্শৱান মানুহ।

ঃ মই চাৰিওফালৰ দুৱাৰ বন্ধ কৰি লৈছিলোঁ। কিন্তু আপুনি ?

ঃ এখন দুৱাৰ খোলা আছিল।

ঃ ঠিক আছে। আহিলে আৰু ইতিমধ্যেই মোৰ বহু সময়ে আপোনাক দিয়া হ'ল। আপুনি বাৰুকৈয়ে জানে এনেবোৰ অভ্যৰ্থনা-চৈভৰ্থনা কৰি আদৰ্শ মানুহ হোৱাৰ মোৰ একো অভিলাষ থাকিব নোৱাৰে। অন্ততঃ এই মুহূৰ্তত।

ঃ কিন্তু, তথাপি অন্ততঃ আপুনি মোৰ আগমনৰ কথা সুধিব লাগিছিল।

ঃ ইতিমধ্যে মই বিষয়টো উলিয়াইছিলোঁ। আপুনি নীৰৱ হোৱাত মই জনা উদ্দেশ্যটোৱেই হ'ব বুলি প্ৰবোধ ল'লো। আৰু আপুনিতো মোৰ কোনো নতুন আলহী নোহোৱা।

ঃ চাওঁক, আপুনি ভালকৈ জানে যে মই ভিক্ষাৰী নহওঁ। কোনো দিন আপোনাৰ পৰা ভিক্ষা মাগিবলৈ নাই অহা। আজি কিন্তু .....

ঃ তাৰমানে মোৰপৰা ভিক্ষা মাগিব আহিছে। কিছুমান দুষ্ট চক্ৰৰ মানুহৰপৰা ভিক্ষাৰীয়ে নিৰ্বিচাৰে শাস্তি পায়। নিশ্চয় আপুনিও তাকেই অপেক্ষা কৰি আছে।

ঃ অ ! হয়, হয়, আপুনি তেনে মানুহ নোহোৱা। মোক ভিক্ষাটো দিয়ক আৰু যাওঁ। মোৰো পলম হ'ব। চকীদাৰ মানুহ। আন কেৰে মাতিলে আকৌ যাব লাগিব।

ঃ মইতো আপোনাক আমন্ত্ৰণ কৰা নাছিলোঁ। ঠিক আছে আপোনাৰ ভিক্ষাটো কওঁক।

ঃ ইচ্ছা পত্ৰ।

ঃ ইচ্ছা পত্ৰ !

ঃ অ; আপোনাৰ জীৱনৰ ইচ্ছা পত্ৰ।

ঃ নাই, নাই মোৰ একোৰেই ইচ্ছা নাই, নাছিলো। অনুগ্ৰহ কৰি আপুনি যাওঁক।

সি নীৰৱে ওচৰতে থকা কলম আৰু বহী এখন সভক্তিৰে আগুৱাই দিলে।

ঃ অনুগ্ৰহ কৰি লিখক।

ঃ মোৰ একোৰেই ইচ্ছা নাছিল বাবেই এনে সিদ্ধান্ত।

ঃ মিছা কথা। আপুনি এনে মুহূৰ্তত মিছা মাতিব নালাগে।

ঃ আপুনি মাৰিচৰূপী ভিক্ষাৰী নেকি যে, ভিক্ষাৰ লগতে সীতাকো লাগে।

ঃ মুঠেই নহওঁ।

ঃ তেন্তে মই যি দিছো ভিক্ষাৰী হিচাপে তাকে লৈ যাওঁক। আন ঘৰৰ পৰাও পাৰিলে অলপ মাগি ল'ব।

ঃ আনৰ পৰা এই ভিক্ষা পোৱা হ'লে মই ইমান সময় আপোনাৰ দৰে মানুহ এজনৰ পৰা যে মাগি নাথাকো এই কথা আপুনি মোতকৈ বেছি জানে। তৰ্ক কৰি বিলম্ব নকৰাকৈ লিখক।

সি দ্বিতীয়বাৰ মোৰফালে কলম বহী আগুৱাই দিলে আৰু আগতকৈ আৰু বেছি নীৰৱ হৈ ওচৰৰ চকীখত বহি পৰিল।

ময়ো মোৰ চকীখন টান মাৰি আৰু অলপ টেবুলৰ ওচৰলৈ আনিলোঁ। ভাবিলোঁ তেওঁৰ পৰা বাছি যোৱাৰ উপায় নাই। কিবা কিবি বেবেৰিবাং কথা লিখি বহীখন পূৰ কৰিব লাগিব। কিন্তু সম্পূৰ্ণ মিছা কথাৰেও তেওঁক পতিয়ন নিয়াব পাৰিম বুলি নাভাবোঁ।

<u>ইচ্ছাপত্ৰ</u>

ডাক্তৰ হোৱাৰ ইচ্ছা আছিল। বৰ্ডৰ পৰীক্ষাবোৰত আৰু অলপ ভাল ফলাফল আশা কৰিছিলোঁ। কলেজীয়া জীৱনত দুই তিনিখন কিতাপ ছপা কৰাৰ ইচ্ছা আছিল। সুস্থ-স্বাস্থ্য কামনা কৰিছিলোঁ। ঘৰৰ আৰ্থিক অৱস্থা টনকীয়াল কৰাৰ ইচ্ছা আছিল। কবি, লেখক হ'ম বুলি ভাবিছিলোঁ। ভাল প্ৰেয়সী সঙ্গী-সপোন দেখিছিলোঁ।

ঃ হ'ল।

ঃ হৈ গ'ল বুলিছো নহয়। উঠক তাতেই লেপেত খাই শুই থাকিব লাগিলে সকলো পণ্ড হৈ যাব।

সঁচাকৈ সি শুলে নেকি? ঠিকেই হ'ব দিয়া। শুৱক। হাতেৰে গাত দবৰিয়াম। ভাবিও হাতখন আকৌ টানি আনিলোঁ।

ঃ মই সহায় কৰিব লাগিব নেকি?

ঃ কিয়? হৈ গ'ল।

ঃ মই নাটক, ভাওনা চাবলৈ অহা নাই।

ঃ হয়। ভিক্ষা খুজিছে। দিছোঁ। লৈ যাওঁক।

ঃ আপুনি সত্যক খুব বিশ্বাস কৰিছিলে। আপোনাৰ অভিযোগ ইয়ে আপোনাক বহু বিশ্বাসঘাটক কৰিলে।

ঃ অনুগ্ৰহ কৰি কথাৰ ঘৰ নাসাজিব। যাওঁক।

ঃ আপুনি এনে গুৰুৰ সন্ধানত আছিল যিয়ে আপোনাৰ হাতত হাত ধৰি আগুৱাই লৈ যায়। ঠিক আছে আপুনি আৰ্থিক কায়িকভাৱে বহু গুৰুৰ পৰা অজস্ৰ সহায়ৰ হাত পাইছে। ততকৈ আপুনি মানসিক সহায়হে বিছাৰিছিল কিন্তু। আপোনাৰ আক্ষেপ থাকি গ'ল যে আজিকালিৰ শিক্ষকবোৰ দৰমহাটোৰ বাবেহে শিক্ষানুষ্ঠানলৈ আহে। কোনেও শিক্ষা দিবলৈ নাহে; সকলো ব্যস্ত নিজ নিজ সন্তানক লৈ। কিন্তু এই কথা নিশ্চয় ভুল নহয় যে আপোনাৰ সমান বহু শিক্ষাৰ্থীয়ে গুৰুৰপৰা সহায়ৰ হাত নাই পোৱা।

ঃ ইমান জনাৰ পিছত আপুনি মোৰ পৰা কিয় কৈফিয়ৎ বিছাৰি আহিছে।

ঃ চাওঁক আপুনি ইমান কথা জনাৰ পিছত নিজে আগুৱাই যাবলৈ যত্ন কৰিব লাগিছিল। দৈনিক বাৰ-তেৰ ঘণ্টাকৈ পঢ়িছিল। ডাঙৰ-ডাঙৰ গ্ৰন্থ পঢ়িছিল; যিবোৰ বহু জেষ্ঠ লোকেই পঢ়িব সাহস কৰিব পৰা নাছিল। আপুনি মানসিক শাৰীৰিক বৰকৈ নেওঁচি ইমান কেনেকৈ পঢ়িব পাৰিছিল মই আচৰিত পাইছিলোঁ। কিন্তু আপোনাৰ স্বাস্থ্যই আপোনাক ভীক্ষণ অসহায় কৰিলে।

ঃ ৰ'বা, সি মোক অসহায়েই কৰা নাছিল!

ঃ মই ঠিকেই বুজিছোঁ। মোৰো বৰ দুখ লাগিছিল। আপোনাৰ চকু আৰু ৰাজহাড়ৰ বৰ পুতৌজনক হৈছিল। যাক সকলোৱে কল্পনা কৰিব নোৱাৰিব। আনফালে পেটত খুঁদকনো দিবলৈ নাছিল। এফালে পৰীক্ষাৰ ঢৌ আনফালে আপোনাৰ সমাজত ভৰিষ্যত। তথাপি আপুনি ৰৈ থকা নাছিল। শ্ৰুতলিপি দি কবিতা লিখিছিল। উপন্যাস লিখিব যত্ন কৰিছিল। অ! ৰব! আপোনাৰ চিন্তাবোৰ দুৰ্ভগীয়া অৱস্থাটো ইমান নিখুঁট আছিল যে উন্নত দেশত হোৱা হ'লে সেইবোৰ অত্যাধুনিক কম্পিউটাৰৰ পৰশত কিতাপৰ ৰূপ ললেহেঁতেন। আপুনি জীৱনৰ মাদকতা আৰু পালেহেঁতেন।

ঃ এইবোৰ মিছা আছিল।

ঃ আপোনাক এটা সময়ত সকলোৱেই সহায় কৰিব এৰি দিছিল।

ঃ চাওঁক মানৱ জাতিটোৱেই এনেকুৱা। বহুতে মোক সহায় কৰিছিল আত্ম স্বাৰ্থৰ বাবে। যিসকল লোকে নিস্বাৰ্থভাৱে মোক সহায় কৰিছিল তেওঁলোক এতিয়াও মোক সহায় কৰে।

ঃ অ! আপুনি লাগতিয়াল কথা এটাই মনত পেলাই দিলে। বহুতে ভাৱিছিল আপুনি প্ৰশাসনিক বিষয়া হ'ব আৰু হকে বিহকে অন্যায়ভাৱে হ'লেও বহুতক চাকৰিত মকৰল কৰি দিব। কিন্তু আপোনাৰ স্বাস্থ্য বেয়া হোৱাৰ পিছত বহুতে হতাশ হ'ল।

ঃ সেয়া তুমিহে কৈছা।

ঃ আটাইতকৈ জটিল সন্ধিক্ষণতে আপোনাৰ আটাইতকৈ প্ৰিয় সঙ্গী মানে প্ৰেয়সীজনীয়ে বিচ্ছেদ পত্ৰ দিছিল। কিন্তু আচৰিত ধৰণে এটাও শব্দ ব্যয় নকৰাকৈ আপুনি তাক গ্ৰহণো কৰিছিল। অৱশ্যে আপোনাৰ সাধ্যনুসৰি তাইক কিছু কথা বুজোৱাৰ যত্ন কৰিছিল। আৰু সেইদিনা আপুনি ৰেষ্টুৰাত বহুত দামী এটা বস্তুও খাইছিল। যিটো আগেয়ে খাই পোৱা নাছিল। নুবুজিলোঁ।

ঃ বুজাৰো একো প্ৰয়োজনীয়তা নাই।

ঃ প্ৰেয়সীজনী এৰি যোৱাৰ পিছত আপুনি বলিয়াৰ দৰে হৈছিল।

ঃ মিছা মাতিছা। মোৰ প্ৰেয়সীজনী এতিয়াও জীয়াই আছে। তাই

অমৰ। মাথো মোক নোকোৱাকৈ অভিমানত তাই কেনিবা গ'ল। আকৌ আহিব। মোক বিছাৰি। যি জনীয়ে মোক বিচ্ছেদৰ পত্ৰ দিছিল তাই আচলতে মুখা পিন্ধা এজনী বেশ্যা। ঠিক ৰূপজীৱিনী নহয়। তাই ভাবিছিল মোৰ স্বাস্থ্য গ'ল বুলিলেই সকলো গ'ল। কথাটো মিছাও নহয়। তাই বেলেগ গ্ৰাহক বিছাৰিছে। পাইছেও। আজিকালি এনে পণ্যৰ গ্ৰাহকৰ কিহৰ অভাৱ।

ঃ তথাপি!

ঃ তথাপি মানে কি আৰু! মই সদায় সপোনে দিঠকে তাইৰ কথাকে ভাবি সময়বোৰ পাৰ কৰিছিলোঁ আৰু মোৰ স্বাস্থ্য বেছিকৈ অৱনতি ঘটিছিল। এইখিনি কৰিছিল মোৰ মানৱতাৰ শংখটোৱে আৰু মোৰ জিজ্ঞাসু মনে বিছাৰি ফুৰিছিল মোৰ ক'ত ভুল হ'ল। তাই কিয় ইমান অভিমানী হ'ল। মোক এৰি গ'ল। বিচ্ছেদ পত্ৰ দিয়াজনী নহয় কিন্তু। সেইজনীৰ পৰাতো মই মুক্তি বিছাৰিয়েই আছিলোঁ। আপুনি যে কৈছিল ৰেষ্টুৰাৰ কথা। আৰু মোৰ স্বাস্থ্য বেয়া হোৱাৰ এটা ডাঙৰ কাৰণ আছিল সেই ৰাক্ষসজনী।

ঃ তাৰ পিছত আপুনি হতাশত ভুগিবলৈ আৰম্ভ কৰিলে। সাংঘাটিক ধৰণে পাহৰিবলৈ ধৰিলে। আনকি ভাত খালেনে নাই তাকো।

ঃ তাই এৰি যোৱাৰ আগৰ পৰাই কিন্তু! নহ'লে কোনেও মোক স্মৃতি পৰীক্ষাত পৰাজয় কৰিব পৰা নাছিল। হঠাৎ ঘড়ীটোলৈ চকু পৰিল। নিশা এক বজাৰ সংকেত ঘড়ীটোৱে দিছে।

ঃ এতিয়া আপুনি যাওক। মই আপোনাক আলহীৰ প্ৰাপ্যখিনিতকৈয়ো বহু বেছি দিলোঁ।

ঃ কথা জমি উঠিছেহে।

ঃ জমি উঠিছেহে মানে?

ঃ আপোনাৰ M.A, PhD কৰাৰ ইচ্ছা আছিল। কিন্তু লাহে লাহে আপুনি আপোনাৰ কৰ্তব্য কৰিব এৰি পেলাইছিল। পাঠ্যপুথিবোৰ পঢ়িব এৰি কেৱল মানসিক তৃপ্তিৰ বাবে কবিতা, গল্প, উপন্যাস পঢ়িব ধৰিছিল।

ঃ মিছা বুলিছা।

ঃ মিছা নহয়। নহ'লেনো আপোনাৰ ডাঙৰ ডাঙৰ ফাইলবোৰত কি আছে। তাই আপোনাক দলনিত পোনা মেলাদি মেলি আঁতৰি গৈছিল। আনফালে আপোনাৰ স্বাস্থ্যৰ একো উন্নতি হোৱা নাছিল। কেৱল আপোনাৰেই নহয় আপোনাৰ দেউতাৰ স্বাস্থ্যও হৈছিল পুতৌজনক অৱস্থা। আকৌ আইতাৰো মৃত্যু হৈছিল। যাক আপুনি নিজ পিতৃতকৈয়ো ভৰসা কৰিছিল। কেৱল শৰীৰৰ ৰাজহাড়েই নহয় আৰ্থিক ৰাজহাড়ো আপোনাৰ ভাগি পৰিছিল। যি হ'লেও তাই প্ৰথম তথা সবাতোকৈ প্ৰিয় প্ৰেয়সী আছিল।

ঃ ৰাক্ষসৰ দয়া-মমতা একো নাথাকে। ধ্বংস একমাত্ৰ লক্ষ্য। যদি ইমানবোৰ কথা জানাই মোৰ প্ৰয়োজন কিহৰ।

ঃ প্ৰয়োজন আছে আপোনাৰ।

ঃ কিয়?

ঃ এতিয়া আপুনি হতাশাৰ অন্তিম প্ৰান্তত।

ঃ নহয়। মুক্তিৰ পথত।

ঃ মোৰ হাততো সময় বৰকৈ টুটি আহিছে। কিন্তু শেহত যিবোৰ কথা পাতিম তাত এটা শব্দও মিছা মাতিব নোৱাৰিব। সঁচা মিছা সহজতে অনুধাৱন কৰাৰ ক্ষমতা মোৰ আছে। মিছা মাতি থাকিলে মই কিন্তু যাবগৈ নোৱাৰিম। ঠিক আছে?

ঃ হ'ব।

ঃ কাইলৈ আপোনাৰ কথা কাকতে পত্ৰই ওলাব।

ঃ ওলাব পাৰে, মোৰ মানা নাই।

ঃ ওলাব। নবীন কবি, গল্পকাৰ, প্ৰবন্ধকাৰ আৰু যে কত কি?

ঃ তাক লৈ মোৰ মুৰ গৰম কৰাৰ প্ৰয়োজনীয়তা একো নাই।

ঃ বুজিছোঁ। কাইলৈ ওচৰ চুবুৰীৰ কলেজ বিদ্যালয়বোৰ বন্ধ থাকিব। শিক্ষক, ছাত্ৰ আপোনাৰ ঘৰলৈ যাব। বহুত চিঠি পত্ৰও আহিব। বহু দল-সংগঠন, গাঁও, শিক্ষক, ছাত্ৰই আপোনাৰ নামত টকা পইচা দান দিব। হয়তো স্মৰণিকাও উলিয়াব। আৰু বহু কিবা-কিবি। কওঁকচোন এই মুহূৰ্তত আপুনি কি ভাবি আছে।

ঃ মানে?

ঃ কওক। কি ভাবি আছে কওক। আপুনি কথা দি থৈছে। নহলে মই যাব নোৱাৰিম।

ঃ সভ্য মানুহৰ এইখিনিতে ই এক দুৰ্বলতা। বৰযুণ গ'লেহে ছাতি। সেইখিনি মোক আগেয়ে প্ৰয়োজন আছিল। তেতিয়ালৈ সেই সকলোবোৰৰ এটাৰো প্ৰকৃত মূল্য নাথাকিব।

ঃ ধন্যবাদ। মই এতিয়া যাওঁ। আপোনাৰ বহু মূল্যবান সময় ললো। কিন্তু কাম এটা দি যাওঁ। আপুনিতো অলপ লেখা-পঢ়া মানুহ। কাইলৈ আপোনাৰ ঘৰখনৰ ছবিটো আপোনাৰ শেষ শিল্প কৰ্ম হিচাপে আঁকি থৈ যাওঁক। মানে কবিতা, গল্প, উপন্যাস যি পাৰে লিখক। মোৰ শেষ অনুৰোধটো পালন কৰক কিন্তু। এইযে আপোনাৰ বেমাৰী দেউতা-মাৰ ছবি, খাবলৈ নাপালেও পেটত গামোছা বান্ধি হ'লেও পঢ়িবলৈ প্ৰবল ইচ্ছা থকা ভণ্টি-ভাইটিৰ ছবি।

ঃ নাই, নাই। এই কাম মই কৰিব নোৱাৰোঁ। সি দেখোন হঠাৎ অন্তৰ্ধান হল।

ঃ কলৈ গলি? নোৱাৰোঁ। নোৱাৰোঁ।

ঃ ৰ...বি অ ৰ...বি। দুৱাৰ খোল। শুনিছনে নাই। শুনকালে কৰ।

ঃ মানে! কোনে মাতিছ?

ঃ ঐ মুৰ্খ। শুনা নাই ক'ত কি ঘটিছে। খোলা। এইবোৰ, ইমান সোপা চিলিপিং টেবলেট। কি কৰা যায়! তাৰ মানে ৰাতি পুৱাল নেকি?

ঃ খোলা। দুৱাৰ খোলা। প্ৰশান্তৰ মৃত্যু হ'ল। সি আত্মহত্যা কৰিলে। প্ৰশান্তৰ মৃত্যু হ'ল। সি আত্ম হত্যা। প্ৰশান্তৰ মৃত্যু! আত্মহত্যা! হৰি হৰি এইবোৰ কি শুনিছোঁ। সেই দুৰ্ভগীয়া ল'ৰাজনে শেষত মৃত্যুক আকোৱালি ললে। সি কি কৰিব নোৱাৰিলেহেঁতেন। পৃথিৱীখনে তাৰ দৰে ল'ৰা এজনো ঠাই অলপ নিদিলেনে। ইমান বিশাল পৃথিৱীখনে!!!

ঃ ঐ মুৰ্খ। তই গোটেই ৰাতি মোৰ লগত থাকি যাব লাগিছিল কিয়? তেওঁ দুৱাৰ মেলিব যত্ন কৰিলে।

❖❖❖

চুটি গল্প

# জীৱন নামৰ সাগৰ

সংগীতা বড়া

জীৱন। এয়াই নেকি জীৱন? যি জীৱনক প্ৰেৰণাই ভাবিছিল এক সুমধুৰ আৰু উৎকৃষ্ট সময়। তাই নিজৰ মনৰ মাজত ৰচা সপোনবোৰ বাস্তৱত পৰিণত কৰাৰ মানসেৰে আত্মবিশ্বাসেৰে নিজকে অধ্যয়নত ব্ৰতী হয়।

তাই বৰ্তমান একাদশ শ্ৰেণীৰ ছাত্ৰী। তাই সুখ্যাতিৰে হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈছিল। বৰ্তমান তাইৰ পৰিয়ালৰ মুঠ সদস্য তিনিজন। মৰমৰ ভায়েক পাপু তাই আৰু দেউতাক ভায়েকৰ সৰু অৱস্থাতেই মাকে সিহঁতক এৰি স্বৰ্গগামী হয়। মাক জীয়াই থকা অৱস্থাত জীৱন শব্দৰ অৰ্থ তাই বুজি পোৱা নাছিল। মাক নোহোৱাৰ পৰা দেউতাকেও সিহঁতক প্ৰতিপাল কৰিবলৈ আগ্ৰহী নহয়।

এনেকৈয়ে তাই ঘৰুৱা কাম-কাজ কৰিও লৰা-লৰিকৈ কলেজলৈ যাবলগীয়া হয়। আৰ্থিকভাৱে সিহঁতৰ ঘৰখন দুৰ্বল আছিল। মাক ঢুকোৱাৰ পিছত দেউতাকে দ্বিতীয় বিবাহ কৰায়। প্ৰেৰণা আৰু পাপুৱে মাহী মাকৰ কিছুমান সহ্য কৰিব নোৱাৰা কথা শুনিবলগীয়া হয়। তেতিয়াই তাই অনুভৱ কৰে জন্মদাত্ৰী মাতৃৰ প্ৰয়োজন কিমান। দেউতাকেও সিহঁতক গুৰুত্ব নিদিয়াত সিহঁতে অকলশৰীয়া অনুভৱ কৰে। এতিয়া সিহঁত দুয়োৰ বাবে আছে মাথো মোমায়েকৰ ঘৰখন। মোমায়েকৰ ঘৰলৈ যাবলৈও সিহঁতক কিছু টকাৰ প্ৰয়োজন হয়। কি কৰিব উপায় নাই। টকা-পইচাৰো অভাৱ। বহু অভাৱ-অনাতনত পৰিও কৰ্ম আৰু সাধনাৰে হায়াৰ ছেকেণ্ডাৰী পাছ কৰিলে।

তাৰ পিছত স্নাতক মহলাৰ শিক্ষা গ্ৰহণৰ বাবে তাইক মোমায়েকৰ ঘৰলৈ লৈ যায়। তাতে থাকি তাই পঢ়িবলৈ লয়। কলেজীয়া জীৱনত এগৰাকী ছাত্ৰ বা ছাত্ৰীৰ চলন-ফুৰণ যেনে ধৰণৰ হয় প্ৰেৰণাৰ তেনে কোনো গুণ নাছিল। তাই এগৰাকী দৰিদ্ৰ পৰিয়ালৰ ছোৱালী বুলি অলপ সংকোচ কৰিহে যিকোনো কথা কয়। তাই সাহিত্য চৰ্চাত খুবেই মগ্ন আছিল। কলেজীয়া জীৱন আৰম্ভ হওঁতেই তাই একেবাৰে নিজা যেন লগা বন্ধু প্ৰণৱহঁতক লগ পায়। দুয়োৰে অলপ গাঁৱলীয়া পৰিৱেশৰ ছাত্ৰ। ইজনে সিজনৰ মনৰ ভাৱবোৰ বুজা-বুজি হয়। দুয়োৰে দুয়োৰে আগত সুখ-দুখৰ কথা পাতে। এনেকৈয়ে প্ৰেৰণা আৰু প্ৰণৱৰ মাজত প্ৰেম নামৰ এক সম্বন্ধ গঢ়ি উঠে। প্ৰেৰণাৰ দৰে প্ৰণৱৰো সাহিত্য চৰ্চাত আগ্ৰহ আছিল। সিহঁত দুয়ো প্ৰেমৰ সম্পৰ্ক বজাই ৰখাৰ উপৰিও মহাবিদ্যালয়খনৰ হকে এখন হাতে লিখা আলোচনী প্ৰকাশ কৰে। আলোচনাখনৰ নাম আছিল প্ৰতিজ্ঞা।

সিহঁতে যিকোনো কাম হাতত লওঁতেই প্ৰতিজ্ঞাবদ্ধ হৈছিল যে যিয়ে কাম কৰা নহওঁক কিয় সেই কামত সফলতা লাভ কৰিবই লাগিব। সিহঁতৰ লক্ষ্য আছিল কেৱল জীৱনত সফল হোৱা।

তাৰ পিছত প্ৰেৰণা আৰু প্ৰণৱ সুপ্ৰচেষ্টাৰে সফল হোৱাৰ অন্তত মহাবিদ্যালয়ৰ কতৃপক্ষই দুয়োকে কৃতী ছাত্ৰ হিচাপে মান পত্ৰৰে দুয়োকে সন্মান জনায়। এনেকৈয়ে এটি দুটিকৈ তিনিটা বছৰ পাৰ হৈ গ'ল। দুয়োৰে কলেজীয়া শিক্ষাৰ অন্ত পৰিল। প্ৰেৰণা আৰু প্ৰণৱ দুয়ো সুফল লাভ কৰি উত্তীৰ্ণ হয়।

দুয়ো দেখা সপোনবোৰ বাস্তৱত পৰিণত কৰাৰ মানসেৰে যথেষ্ট অধ্যয়ন আৰু কষ্টৰ মাজেৰে কলেজীয়া শিক্ষাৰ অন্ত পেলায়। কিন্তু কি কৰিব দুয়ো দৰিদ্ৰ পৰিয়ালৰ ছাত্ৰ। সিহঁতে শৈক্ষিক দিশত আৰু আগবাঢ়ি যাব নোৱাৰিলে। অৱশেষত প্ৰেমৰ সম্বন্ধ জীয়াই ৰাখিবলৈ দুয়ো বিৱাহ পাশত আৱদ্ধ হয়। এনেদৰে দুয়ো এখন সুখৰ সংসাৰ পাতে। প্ৰণৱে শিক্ষিত নিৱনুৱা হৈ কঠোৰ পৰিশ্ৰমেৰে দিন হাজিৰা কৰি জীৱন নিৰ্বাহ কৰিবলগীয়া হ'ল।

জীৱনত কঠোৰ পৰিশ্ৰম আৰু অধ্যয়নৰ মাজেৰেও সফল হ'ব নোৱাৰিলে। শেষত দুয়ো এটি প্ৰশ্নৰ সন্মুখীন হয়। এয়াই নেকি জীৱন?



চুটি গল্প

# এক মধুৰতম ক্ষণ



কৃষ্ণ বৰগোহাঁই

অতীতৰ এটি সামান্য ঘটনাক লৈ তুমি কিয় ইমান চিন্তিত হৈ পৰিছা ? তোমাৰ এই কথাবোৰ আৰু মোৰ শুনি থকাৰ ইচ্ছা নাই। এনেবোৰ কথাই আমাৰ পুৰুষ সমাজত শোভা নাপাই অভিলাস। চোৱা অভিলাস সুখ-দুখৰেই সমাহাৰ নহয়জানো ! মানুহৰ জীৱনলৈ সুখ অহাৰ দৰে দুখ অহাটো স্বাভাৱিক। কিন্তু কি জানা অভিলাস, সেই দুখত ভাগি পৰাৰ কোনো কাৰণ নাই। কিয়নো সেই দুখ স্থায়ী হৈ নৰয়। পৰাপক্ষত আমি সেই দুখত সমানে যুঁজ দিবহে লাগে। এনেদৰে আৰু তোমাৰ জীৱনটোক অৱহেলা নকৰিবা। তোমাৰ মা দেউতাৰ ৰঙীণ সপোনবোৰক তুমি নুই নকৰিবা।

সন্ধিয়াৰ আকাশৰ তলত বহি দুয়ো বন্ধুৱে হৃদয়ৰ ভাৱবিলাক আদান-প্ৰদান কৰিছে। সিহঁত বহি থকা ঠাইৰ ওচৰতেই এটা পুখুৰী, তাৰ পাৰে পাৰে চাৰিওফালে জোনাকী পৰুৱাৰ জিলমিল পোহৰ। কি যে এক মধুৰতম সময়। তাৰ মাজে মাজে জিলিৰ জি জি শব্দ। অভিলাসৰ কথাবোৰ শুনি পলাশৰ হৃদয়ত এটা গভীৰ বিষে খুন্দা মাৰি ধৰিছিল। কিন্তু সেইবোৰ কথাত পলাশে অভিলাসক বাধা দিব চেষ্টা কৰিলেও অভিলাসে তাক কোনো কথা ক'বলৈ সুবিধা নিদিয়ে। কেৱল একাদিক্ৰমে তাৰ জীৱনৰ স্মৃতিৰ ঘটনাসমূহ তাৰ আগত প্ৰকাশ কৰি যায়। যৌৱনৰ আৰম্ভণিতেই মোৰ হৃদয়ত প্ৰেম শব্দই ঠাই লৈছিল। নাজানো নুবুজো প্ৰেম শব্দৰ অৰ্থ। একো নজনাকৈ প্ৰেমত পৰিছিলো। পাহৰি গৈছিলো জীৱনৰ সমস্ত দায়িত্বৰ কথা। ব্যস্ত হৈ পৰিছিলো মাথো প্ৰেমৰ লগত। লগৰসকলৰ মুখৰ পৰা শুনিছিলো প্ৰেমে নামানে বয়সৰ সীমা, প্ৰেমে বিচাৰে মাথো মৰমৰ ঠিকনা। মোৰ প্ৰেমৰ নাম আছিল 'প্ৰিয়া'। পাহাৰৰপৰা জুৰিবোৰ বৈ আহি কুলু কুলুকৈ সাগৰত পৰাৰ দৰেই তাই বৈ আহিছিল মোৰ হৃদয়লৈ। মাথো তাই এটি কবিতাৰে ক'ব বিচাৰিছিল—

মই এটি অঘৰী
তোমাৰ বুকুত বাঁহ সাঁজিব খোজা
মই এটি অঘৰী চৰাই
তোমাৰ বুকুৰ মাজত বাঁহ সাঁজি
এপলক টোপনি যাব মন যায়।
তোমাৰ হৃদয়ত মোৰ হৃদয় থৈ
তোমাক এপলক পাবৰ মন যায়।
তোমাক ভাল পোৱাৰ অপৰাধত
তুমি যদি বন্দী কৰি থলাহেঁতেন
তোমাৰ মৰমৰ কাৰাগাৰত
পাহৰি গলোহেঁতেন জীৱনৰ
সমস্ত দুখ যান্ত্ৰণা।

তাইৰ দুচকুত দেখা ৰঙীণ সপোনবোৰক লৈ অভিলাসে বহুত গভীৰ অনুভৱ কৰিছিল। কিন্তু অভিলাসে কোনোদিনেই তাইৰ মনটোক অধ্যয়ন কৰিবলৈ চেষ্টা কৰা নাছিল আৰু তাইক ভাল পোৱা হিচাপে পাত পাতকৈ অধ্যয়ন কৰাৰ কোনো প্ৰয়োজনবোধো কৰা নাছিল। কেৱল নিজৰ হৃদয়ত অনুভৱ কৰিয়েই সি তাইক ভাল পাই আহিছিল। কোনোদিন কোনোপলেই সি অনুভৱ কৰা নাছিল তাইৰ গাত যে এদিন ধনী ঘৰৰ অহংকাৰ ভাৱ ফুটি উঠিব।

এদিন হৃদয়ৰ সমস্ত আৱেগ ঢালি অভিলাসে তাইক ভাল পোৱাৰ প্ৰস্তাৱ দিলে আৰু সেই প্ৰস্তাৱক প্ৰত্যাখ্যান কৰাৰ কোনো প্ৰশ্নই নুঠে, সেই কথা তাইৰ নীলা চকুযুৰি আৰু তাইৰ মিঠা হাঁহিটিতেই ধৰা পৰিছিল। মাথো তাই মূৰটো তললৈ কৰি কৈছিল মইও তোমাক ভাল পাওঁ। এনেকৈ আমাৰ মাজত প্ৰেম ভাৱ গঢ়ি উঠিছিল। সঁচাকৈ প্ৰিয়া এজনী খুউব সহজ সৰল ছোৱালী আছিল।

হঠাৎ এদিন অভিলাসে তাইক ভাল পোৱা হিচাপে তাৰ বুকুলৈ আমন্ত্ৰণ জনাইছিল। তাতেই যেন তাৰ ভুল হ'ল। সি যেন গোটেই জীৱনৰ বাবে বহুত ডাঙৰ ভুল কৰিলে। প্ৰিয়া এজনী দেখাতহে সহজ সৰল ছোৱালী। কিন্তু তাই সচাঁকৈ আনতকৈ পৃথক। যেতিয়া তাইৰ মুখ খোল খাই তেতিয়া তাইক কোনেও বাধা দি ৰাখিব নোৱাৰে। তাই উশাহ নহলোৱাকৈ তাক বহুত কিবা কিবি ক'লে— তুমি মোক কি ভাবা অভিলাস? কি মই তোমাক ভাল পাওঁ। তুমি কেনেকৈ ভাবিব পাৰিলা মই তোমাক ভাল পাওঁ বুলি? তুমি এবাৰ ভাবি চাইছানে আমাৰ পৰিয়ালৰ তুলনাত তোমালোকৰ পৰিয়ালৰ কথা। এটা সামান্য পুৰুষৰ লগত মই মোৰ যৌৱন সপি মোৰ জীৱন ধ্বংস কৰিব নোৱাৰো। সি দুবেলা দুসাঁজ খাবলৈ কাবৌ কৰি ফুৰে তেনে এটা পৰিয়ালত মই....!

ঃ কিন্তু... প্ৰিয়া.....।

ঃ কোনো কিন্তু নাই। তোমাৰ দৰে ছাল ছিগা ভিকহু এটাই মোৰ লগত কথা পতাৰো অধিকাৰ নাই। এই বুলি কৈ তাই উচাৎমাৰি তাৰপৰা আঁতৰি গৈছিল

কথাবোৰ কৈ অভিলাসে অলপ থমকি ৰৈছিল। তেতিয়াই



পলাশে এটা হুঁমুনিয়াহ পেলাই ক'লে, চোৱা বন্ধু মই তোমাৰ অতীতৰ কথাবোৰ জানিব বিচৰা নাই। মাথো ক'ব বিচাৰিছো তুমি সেই অতীতক পাহৰা বৰ্তমান কিবা এটা নতুনকৈ চিন্তা কৰা। এজনী সাধাৰণ নাৰীৰ বাবে তুমি তোমাৰ জীৱনটোক এনেকৈ পঠিয়াবানে? নিজকে কিয় বগা চাদৰেৰে মেৰিয়াই ৰাখিব খুজিছা। তাই গলেও পৃথিৱীত কি নাৰীৰ অভাৱ হৈছেনো।

ঃ নাই নাই পলাশ, মই আৰু তেনেকুৱা কাম কৰিব নোৱাৰো। নাৰীৰ প্ৰতি মোৰ কোনো আসক্তি ভাৱ নাই। মোৰ জীৱনত এনে এটি ঘটনা ঘটি যোৱাৰ পিছত মই দৃঢ় সংকল্প ললো যে মই আৰু কেতিয়াও কোনো নাৰী ওচৰত ধৰা নিদিও।

ঃ নহয় অভিলাস, তুমি ভুল বুজিছা। তুমি আৰু মই ভবাৰ দৰেই সকলো সম্ভৱ নহয়। ইয়াত ভগৱানৰো হাত আছে। আজি তুমি এবাৰ অনুভৱ কৰা। আমি দুয়ো সৰুৰেপৰাই একেলগে পঢ়ি আহিছিলো। আজি মই দুটি সন্তানৰ পিতৃ। আজি মা-দেউতাই সেই সন্তান দুটিৰ লগতে আনন্দ কৰি থাকে। তোমাৰ মা-দেউতাই জানো সেইখিনিৰপৰা বঞ্চিত হোৱা নাই। তাৰ বাবে জানো তুমিয়ে দায়ী নহয়। তোমাৰ মা-দেউতাৰ জানো হেঁপাহ নাই। যিজনী নাৰীয়ে তোমাক অপমান কৰি, তোমাৰ জীৱনৰপৰা উচাৎ মাৰি আঁতৰি গৈছিল, সেইজনী নাৰীৰ বিষয়ে অনুভৱ কৰি কিয় আজি দিনবোৰ পাৰ কৰিছা? তোমাৰ এই কাৰ্যই তোমাৰ মা-দেউতাৰ মনত কিমান কষ্ট দিছে এবাৰ ভাবি চোৱা। ঘাত-প্ৰতিঘাতৰ মাজেৰেই জীৱনটো পাৰ হব। সেই অতীতক পাহৰা। বৰ্তমানক চিন্তা কৰা। ব'লা অভিলাস ভিতৰলৈ যাওঁ। তোমাৰ সেই কাহিনী শুনি থাকিলে আজি ৰাতি পুৱাব। এতিয়া নিশা গভীৰ হব ধৰিছে। সকলো প্ৰাণী এতিয়া নিমাত হৈছে। আমিও নিদ্ৰাদেৱীৰ কোলাত আশ্ৰয় লওঁগৈ ব'লা।

❖❖❖

চুটিগল্প

# সাফল্যৰ হাঁহি

## সোন্‌তি বৰগোহাঁই




বাৰিষা অহাৰ লগে লগেই প্ৰদীপৰ পৰিয়ালটোৰে নানা ধৰণৰ চিন্তাত ভুগিব লগা হয়। ওচৰতে ব্ৰহ্মপুত্ৰ নদীখন থকাৰ কাৰণে চিন্তা। সেই চিন্তাৰ মাজতে তেওঁলোকে জীৱন অতিবাহিত কৰি আহিছে। প্ৰদীপৰ ঘৈণীয়েকৰ নাম মণি আৰু তাৰ দুটা সন্তান। ল'ৰাটোৰ নাম প্ৰণৱ আৰু ছোৱালীজনী নাম নিজৰা। তেওঁলোক দুজন পঢ়া শুনাত যথেষ্ট ভাল। তেওঁলোকৰ মনত এটাই চিন্তা কাৰণ নদীখন ওচৰত থকাৰ বাবে। সিপাৰত তেওঁলোকৰ স্কুলখন। বাৰিষা অহা লগে লগেই নদীখনত যথেষ্ট পানী বাঢ়ে তাৰ ফলত স্কুল যাব নোৱাৰে। স্কুল যাব নোৱাৰা কেইদিন ঘৰতে পঢ়া শুনা কৰে। তেওঁলোকৰ মাক দেউতাকে পঢ়া-শুনাত যথেষ্ট শিকায় বুজায় দিয়ে। নদীখনত পানী কমিলেহে আগৰ দৰে যাব পাৰে। সিহঁত দুটাক স্কুলত শিক্ষক শিক্ষয়িত্ৰীসকলে বহুত ভাল পায়। দুখৰ বিষয় যে প্ৰতিবছৰে তেওঁলোকৰ গাঁওখনলৈ বানপানী অহা বাবে প্ৰদীপে দিনৰ দিনটো হাজিৰা কৰি পোৱা টকাৰে পৰিয়ালটোক খোৱায় বোৱাই যদিও তাৰ পৰাই পঢ়া খৰচ দিব লগা হয় ল'ৰা ছোৱালী দুটাক। খেতিবাতি কৰা নকৰা একেটাই কথা কিয়নো খেতি কৰে যদিও বছৰেকৰ ভাত মুঠি খাবলৈ নোযোৰে। যোৱাবছৰ বলিয়া বানে তেওঁলোকৰ ঘৰখনৰ সকলো ধ্বংস কৰিলো। বানে সকলো বস্তু উটুৱাই নিলে গৰু, ছাগলী, হাঁহ, কুকুৰা, গাহৰি আদি সকলো বয়বস্তু বানে উটুৱাই নিলে। বানে উটুৱাই নিয়াৰ ফলত প্ৰদীপৰ ভৱিষ্যতৰ সপোন নোহোৱা হৈ গৈছিল। তাৰ বাবে মাজতো প্ৰদীপৰ এটাই চিন্তা ল'ৰা ছোৱালী দুটাক লৈ। কেনেকৈ পঢ়াই শুনাই ল'ৰা ছোৱালী দুটাক ভাল মানুহ কৰি তুলিব। ভাবিলে মনৰ আশাৰ পূৰণ নহয়।

আকৌ এইবাৰ পুনৰ বাৰিষা আহিছে। প্ৰদীপে খেতিত নামিব পৰা নাই। কিয়নো যোৱাবাৰ তেওঁলোকৰ গৰুহালৰ চিন্তাত ভাগৰি পৰিছে। আকৌ নতুন গৰু এহাল লবলৈ তেওঁ হাতত পইচা একেবাৰেই নাই। কিয়নো সি সদায় দিন হাজিৰা কৰা পইচা কেইটাৰে আকৌ এহাল গৰু কিনিব নোৱাৰে। কিন্তু আনৰ ঘৰৰপৰা গৰু আনি খেতি কৰিবলৈ অসমৰ্থ। তাতে আকৌ বানপানীৰ ভয়। সেই অসংখ্য ভাৱনাত ভাগৰি পৰিছে প্ৰদীপ। এনেদৰে দুখ আৰু বেদনাৰ মাজেৰে যেনে তেনে জীৱনটো অতিবাহিত কৰি আছিল যদিও ভাগ্য লিখনত প্ৰদীপৰ এদিন মৃত্যু হ'ল। তাৰ মৃত্যুৰ পাছত শ্ৰাদ্ধ আৰম্ভ হ'ল। গাঁৱৰ সকলো ৰাইজে সহায় সহযোগ কৰি শ্ৰাদ্ধ পাতিলে। প্ৰদীপৰ মৃত্যুৰ পাছত ল'ৰা ছোৱালী দুটা আৰু ঘৈণীয়েক মণিৰ থান বান হব ধৰিছিল। কিন্তু মণিয়ে মনত সাহস লৈ ল'ৰা ছোৱালী দুটাক ডাঙৰ দীঘল কৰিবৰ কাৰণে কাম এটা কৰিলে। তাই চুলাই মদ আনি বিক্ৰী কৰি যেনে তেনে দুই এপইচাকৈ পোৱা টকাৰে খাই বৈ চলি আছে যদিও ল'ৰা ছোৱালী দুটাক পিন্ধাৰ লগতে পঢ়াৰ খৰচ তাৰ পৰাই দিব লগা হয়। সেই দৰেই এদিন দুদিনকৈ বছৰ বাগৰি যাব ধৰিলে। ল'ৰাটোৰে লাহে লাহে ডাঙৰ হৈ সি নিজে কাম কৰি টকা ঘটিব পৰা হ'ল। প্ৰণৱে কাম কৰি পোৱা টকাৰে নিজৰ পঢ়া খৰচ বহন কৰা লগতে ভনিয়েকৰ পঢ়াৰ খৰচো বহন কৰি দিয়ে। মাকৰ চোলাই টনা পইচা কেইটাৰে খাবলৈ যেনে তেনে জোৰে, সেইবাবে প্ৰণৱে নিজৰ খৰচ নিজে বহন কৰি লব লগা হ'ল। এনেদৰেই দিন বাগৰি যাব ধৰিলে। লাহে লাহে মেট্ৰিক পৰীক্ষাও আৰম্ভ হ'ল। ভালদৰে পৰীক্ষা দিলে সিহঁত দুটাই। পৰীক্ষাৰ ফলাফলৰ ঘোষণাৰ তাৰিখ ওচৰ চপাত প্ৰণৱৰ এটাই চিন্তা সি নিজৰ গাঁওখনৰ নাম উজলাই অনা। সেই দৰেই পৰীক্ষাৰ ৰিজাল্ট ঘোষণা কৰাত অসমৰ ভিতৰত প্ৰথম হোৱাত আৰু ভনীয়েক দ্বিতীয় হোৱাত যথেষ্ট মনৰ কামনা পূৰণ হ'ল। চৰকাৰে সিহঁত দুটাক পঢ়া শুনা কৰিবলৈ লৈ গ'ল। সেইদৰেই সিহঁত দুয়োটাই ভাল দৰে পঢ়া শুনাত বেছি মনোযোগ দি এদিন দুয়োটাই ভাল পথত আগবাঢ়ি গ'ল। প্ৰণৱে ইঞ্জিনিয়াৰ আৰু নিজৰা ডাক্তৰণী হোৱাৰ সপোন দেখিলে। গাঁওখনলৈ দুখৰ মাজতো ঘুৰি আহিল সাফল্যৰ হাঁহি।

চুটিগল্প

# শান্তৰ সপোন

নিউটন পেগু

এদিন দেউতাই মোক এটা গুৰুত্বপূৰ্ণ উপদেশ দিছিল—"পুত্ৰ, যেতিয়া মাৰাই তোমাক জনম দিছিল; তেতিয়া তুমি কান্দিছিলা আৰু তোমালৈ চাই সকলোৱে হাঁহিছিল। কিন্তু জীৱনত জীয়াই থাকোতে এনে এটা কাম কৰা যাৰদ্বাৰা তুমি মৃত্যু হওঁতে পৃথিৱীৰ সকলো মানুহে যেন তোমালৈ অশ্ৰুঅঞ্জলী আগবঢ়ায়। জগতে তোমাৰ নাম স্মৰণ কৰিব তুমি অমৰ হ'বা।"

দেউতা, মানুহ অমৰ হ'ব পাৰে জানো? — মই আচৰিত হৈ সুধিলো।

ঃ মানুহে পৃথিৱীত জন্ম লৈছে, এদিন মৃত্যু হ'বই। সেয়াই জগতৰ নিয়ম। কিন্তু এই জগতত মৰিও অমৰ হ'ব পাৰে নিজৰ সৎ গুণ আৰু কৰ্মৰ জৰিয়তে। তুমি মহাত্মা গান্ধীৰ বিষয়ে নিশ্চয় জানা। তেওঁ কোন আছিল বাৰু?

—দেউতাই মোক সুধিলে।

ঃ জানো দেউতা, তেওঁ স্বাধীনতা আন্দোলনৰ মূল নেতা আছিল। —মই উত্তৰ দিলো।



ঃ হয়, কিন্তু তেওঁ স্বাধীনতা আন্দোলনৰ মূল নেতা নাছিল। মহাত্মা গান্ধীয়ে জগতক দিয়া মহান দানটো হ'ল— সত্য, প্ৰেম, অহিংসা আৰু শান্তি। যাৰ সহায়ত তেওঁ সমগ্ৰ বিশ্বৰ মন জয় কৰিবলৈ সক্ষম হৈছিল। গান্ধীৰ আদৰ্শ আৰু দৰ্শনক সমগ্ৰ বিশ্বই আজি সমৰ্থন জনাই শ্ৰদ্ধা জ্ঞাপন কৰিছে। সেয়ে মহাত্মা গান্ধীৰ জন্ম দিনটোক 'আন্তৰাষ্ট্ৰীয় শান্তি আৰু অহিংসা দিবস' হিচাপে পালন কৰি আহিছে। আজি তেওঁৰ নাম আমি কিয় স্মৰণ কৰিব লগা হৈছো তুমি নিশ্চয় উপলব্ধি কৰিব পাৰিছা।

ঃ পাৰিছো দেউতা, ময়ো মহাত্মা গান্ধীৰ দৰে সৎকৰ্ম কৰি সমাজত শান্তি প্ৰতিষ্ঠা কৰি মোৰ নাম চিৰযুগমীয়া কৰি ৰাখিবলৈ যত্ন কৰিম। সেয়া মোৰ দৃঢ় সংকল্প।— মই ক'লো।

ঃ কিন্তু জানা, শীতকাল যেতিয়া আহিব তেতিয়া বৰফবোৰ পৰ্বতত গোটা অৱস্থাত থাকে কিন্তু যেতিয়া গ্ৰীষ্মকাল আহিব তেতিয়া বৰফবোৰ গলি পানীলৈ ৰূপান্তৰিত হয়। ঠিক তেনেকৈ সৰুকালৰ পাতল মনে সময়ৰ গতিত লাহে লাহে গধুৰ হ'বলৈ ধৰিব। লগে লগে এটা ধুমুহাৰ নিচিনা যৌৱনকাল আহিব। এই সময়ত মানুহৰ জীৱনলৈ এটা ডাঙৰ বাধা আহি পৰে। এই বাধা কি জানা, সেই বাধাই হ'ল যৌৱনকালৰ প্ৰেম। এই প্ৰেমৰ নিচাই মানুহৰ জীৱনক অন্ধকাৰ কৰি দিয়ে। সেয়ে সেই প্ৰেমক ত্যাগ কৰিবলৈ শিকিবা।

তুমি নদীখন ঠাণ্ডা বুলি শুনিহে ঘৰৰপৰা চোলা খুলি নদীলৈ যাত্ৰা কৰিলে নহ'ব। প্ৰথমে নদীখন পৰিষ্কাৰ হয় নে নহয় তাক লক্ষ্য কৰিব লাগিব। ইয়াৰ অৰ্থ হ'ল তোমালৈ চাই বহুতো ছোৱালীয়ে মিছিকিয়াই হাঁহি দিব। এই বুলিয়ে তুমি তাইৰ প্ৰেমত পৰিবানে? নপৰিবা। প্ৰেমৰ নিচাত ডুবিলে ভৱিষ্যত কি হ'ব তালৈ প্ৰথমে লক্ষ্য কৰিব লাগিব।

যৌৱনকাল ইমান ভয়ানক যে ই মানুহৰ জীৱনৰ গতি সলনি কৰি দিব পাৰে। সেয়ে এই যৌৱনকালৰ মৌছুমী বতাহ, ডাঙৰ চুনামীক ত্যাগ কৰিব পৰাকৈ সদায় ঈশ্বৰক প্ৰাৰ্থনা কৰিবা। মোৰ সকলো কথা বুজিছানে?

ঃ বুজিছো দেউতা, মই আপোনাৰ পৰামৰ্শ সদায় মনত ৰাখিম আৰু আখৰে আখৰে পালন কৰি যাম। মই ভগৱানক এই বুলি প্ৰাৰ্থনা কৰিম— হে ভগৱান মোক এনে শিক্ষা দিয়া যাৰদ্বাৰা মই মোৰ জীৱনৰ বাটত দেখা দিয়া বাধাসমূহক পাৰ কৰিব পাৰিম, যাৰ দ্বাৰা মই মানুহ হ'ব পাৰিম, মা-দেউতাৰ আশা পূৰণ কৰিব পাৰিম, সমাজত শান্তি প্ৰতিষ্ঠা কৰিব পাৰিম।

ঃ এতিয়া আচল কাহিনীটো কওঁ শুনা। এখন গাঁৱত শান্ত নামৰ এজন ল'ৰা আছিল। নামৰ দৰে তেওঁৰ অন্তৰখনো আছিল বৰ শান্ত। বন্ধু-বান্ধৱীয়ে খেলিবলৈ, ফুৰিবলৈ মাতিলেও কাম আছে বুলি কৈ নাযায়। তেওঁ কেৱল ঘৰৰ ওচৰতে থকা গছৰ তলত বহি কিতাপ পঢ়িবলৈ মন যায়। তেওঁ সদায় ৰাতি সপোন দেখে। কিন্তু তেওঁৰ সপোন সাধাৰণ সপোন নহয়। প্ৰতিটো সপোনতে আৱশ্যকীয় অৰ্থ নিহিত হৈ থাকে।

এদিন শান্তই এনে এটা সপোন দেখিলে শুৱাৰপৰা উঠালৈকে শেষ নহ'ল। সপোনটো এনে আছিল— সপোনটো দেখিছে যে সি স্কুললৈ গৈছে। তেওঁ সপোনতো সদায় স্কুললৈ যায়। স্কুলৰ ৰুমত দিপলীপ ছোৱালী এজনীয়ে সদায় শান্তলৈ চাই মিছিকিয়াই হাঁহি দিয়ে। শান্তই নাচাওঁ বুলি ভাবিলেও তাইৰ সোণবৰণীয়া উজ্জ্বল দুচকুৱে তেওঁৰ প্ৰতি আকৰ্ষণ কৰে, যেন মধ্যাকৰ্ষণ শক্তিৰ দৰে। সদায় স্কুলৰ ৰুমৰ ভিতৰত এনে পৰিস্থিতিৰ সৃষ্টি হৈয়ে থাকে। লগে লগে সময়ৰ গতিত দুয়োয়ে দুয়োজনৰ প্ৰেমত পৰিল। শান্তই জানিব পাৰিলে যে ছোৱালীজনীৰ নাম মহাৰাণী। শান্তই স্কুলৰপৰা ঘূৰি আহি ভাত খাই অলপ জিৰণি লৈ পঢ়িবলৈ কিতাপ মেলে কিন্তু কিতাপলৈ মনোযোগ দিব পৰা নাই। কেৱল মনত পৰি থাকে দিপলীপ ছোৱালীজনীলৈ। তাইৰ সোণবৰণীয়া, মুকুতা-মণিৰ দৰে উজ্জ্বল দুচকুৱে শান্তৰ চকুত আকৰ্ষণ কৰি থাকে, যেন মহাৰাণী তেওঁৰ ওচৰতে বহি আছে। শান্তই যেতিয়াৰপৰা তাইৰ প্ৰেমত পৰিল তেতিয়াৰপৰা তেওঁ চুলি দীঘলকৈ ৰাখিলে, চকুত চশমা পিন্ধিলে, মুখমণ্ডলত ফেয়াৰ লাভ্‌লি ঘঁহিলে, বাওঁহাতত ঘড়ী পিন্ধিলে, কাপোৰ-কানি পিন্ধাৰ ষ্টাইল বেলেগ হৈ গ'ল আৰু ভাল গোন্ধ পাবলৈ চোলাত পাৰফিউম মাৰিলে, ৰাস্তাই-ৰাস্তাই ঘূৰি ফুৰিবলৈ ধৰিলে আদি নানা ধৰণৰ পৰিৱৰ্ত্তন দেখি সকলোৱে চমক খালে। শান্তৰ পৰিৱৰ্ত্তন কি যে আশ্চৰ্য্যজনক।

কিন্তু সময় ৰৈ নাথাকে। সময়ৰ টিকনীডাল হেনো আগফালে। সময়ৰ গতিত শান্তৰ পৰীক্ষা ওচৰ চাপি পৰিল। কিন্তু শান্তই মনোযোগ দি পঢ়িব নোৱাৰি পৰীক্ষাত অনুত্তীৰ্ণ হ'ল। তেওঁৰ অনুত্তীৰ্ণ দেখি সকলোৱে আঁচৰিত হ'ল। কাৰণ শান্তই আছিল শ্ৰেণীৰ ভিতৰৰ আটাইতকৈ চোকা ছাত্ৰ। শিক্ষক-শিক্ষয়িত্ৰী, মা-দেউতা সকলোৱে শান্তক গালি পাৰিব ধৰিলে। গালি পাৰি থাকোতে শান্তই সপোনৰপৰা সাৰ পালে।

সাৰ পাই দেখে যে বেলি উঠিবৰ সময় হ'ল। তেওঁ শুৱাৰ পৰা উঠি হাত-মুখ ধুই ৰাতিপুৱাৰ আহাৰ খাই অলপ জিৰণি লৈ চকীত বহি ভাবিবলৈ ধৰিলে— মই কি সপোন দেখিলো? ভৱিষ্যতে এই সপোনৰ নিচিনাই মোৰ দশা হ'ব নেকি? আদি নানা প্ৰশ্নই শান্তৰ মনক অশান্তি দিয়ে। সূৰ্যাস্ত হ'ল দিন গুচি ৰাতি হ'ল, শুৱাৰ সময় হ'ল। শুৱাৰ আগতে শান্তই সদায় ঈশ্বৰক প্ৰাৰ্থনা কৰে। ৰাতি সপোনতে ঈশ্বৰে তেওঁক ক'লে— শান্ত তুমি কিয় ইমান চিন্তা কৰি মনক আঘাত দিছা, পবিত্ৰ মনক কিয় অপবিত্ৰ কৰিছা? মনক আঘাত নিদিবা। মনক আঘাত দিলে মানুহৰ স্মৃতি শক্তি হ্ৰাস পায় আৰু মন পবিত্ৰ নহ'লে, ইন্দ্ৰিয় সংযমী নহ'লে শিক্ষিত বিদ্বান হ'ব নোৱাৰে। সেয়ে মন অপবিত্ৰ নকৰিবা। এই সপোন আছিল কেৱল তোমাক শিক্ষা দিয়াৰ বাবেহে। ইয়াকে কৈ অদৃশ্য হ'ল। সাৰ পাই শান্তই উপলব্ধি কৰিলে যে সচাঁকৈ এই সপোনৰ কাৰণে ভাবি থাকিলে নহ'ব। তেতিয়াৰপৰাই আকৌ শান্তই আৰম্ভ কৰিলে জীৱনৰ নতুন সাধনা।

❖❖❖

**Folk Story**

# ABU-TUNTURUNG

## (Mising True Folk Story)

**Collected by : Bina Kardong**

Long time ago in a village, lived two boys with their father and stepmother. The stepmother though not very fond of them did not actually ill-treat them out of fear of the father.

One day, the four of them went out into the forest to collect falling leaves. (a kind of wild leaves used for various purposes) The two boys went together in one direction and the parents in another. After a long time, as the Sun was about to set, the two boys called to their parents aloud.

"OUÉí (meaning mother)" Someone answered "Anegangree". (unknown sound)

"BA:BO (Father)" Answer came back "ABU-Toon-Toorung (Mother/Rakshasa) His ears were so big that it used one as his pillow and the other as a blanket. He now came out and asked the boys not to be frightened but came and spend the night with him in his house. So the boys followed him and were given to sleep in one room.

In the middle of the night one of them happened to wake up and heard the ABU-TOON-TOORUNG and his wife planning to roast and eat them. They were heating up iron sticks in the fire. Quickly, he awake up his brother and they put the two bundles of leaves they had collected, in their place on the bed and escaped. ABU-TOON-TOORUNG put the red hot iron over the covered bodies thinking them to be the two boys. The leaves being burnt made a hissinay noise and smell. The monster was very happy. His mouth watered. He thought that the two boys would be very tasty and had a lot of fat in their bodies.

The boys were well ahead on their way the next day dawned. By this time ABU TOON-TOORUNG learnt of their escape and started chasing them. The two boys saw him from far and they climbed a tall toll tree. When the monster saw them, he asked how they managed to climb up. They answered that they climbed up after propping up the sharp edge of their duo against the trunk of the tree. The former Monster did as he was told. As a result his feet were all out up and started bleeding. But he licked up his own blood.

The boys then prayed to the God of wind and rain. Hearing their prayer, the God started to create a fierce storm. The trees were shapen from side and seeing their chance the two boys jumped from one tree top to another and reached the edge of forest. There they met a wild fowl. They asked it to cover up their footprints by scrathing the ground. When ABU-TOON-TOORUNG asked it whether it has seen the boys, the wild fowl answered that it hadn't and instead covered up their tracks.

The two boys then reached a wooden bridge. They met a woodpecker and requested it to peck the bridge to make it weak. The woodpecker did as told and showed ABU-TOON-TOORUNG that the two boys had gone that way. The monster ran across the bridge. On reaching the center, the bridge gave away and he creaked out to his death.

The two boys reached home safely. Meanwhile their father had grieved for his sons and coming to know that his wife was behind the plan, chased her away. They lived happily ever after.

On the other hand ABU-TOON-TOORUNG'S wife in her sorrow collected the few remaining bones of her husband, powered them and scattered them in the river after turning some into leeches, mosquitoes and scorpions in order to suck human blood. In this way, mosquitoes etc came into existence.

---------------

কবিতা

# কেঁচা মাটিৰ মানুহ

## সোনমনি নাওহলীয়া

কান্ধত নাঙল, কোৰ, যুৱলি
হাতত কঠিয়া, তামোল পাণ
ভৰিত আলতিয়া বোকা
বালি চহীয়া মাটি
মূৰত পানী দৈয়া জাপি
ডিঙিত পানী গামোচা
কঁকালত টঙালি
কপাহী চুৰিয়া
আমি কেঁচা মাটিৰ মানুহ
আঘোণত কান্ধত বিৰিয়া
হাতত কাচি লৈ

লখিমী আদৰো
হাঁহি তামাচা কৰি
লগৰীয়াৰ সৈতে
মেজিৰ ভেলাঘৰ সাঁজো।
বহাগত ঢোলৰ চেৱে চেৱে নাচো
ঘৰে ঘৰে হুচঁৰি গাওঁ।
আমিয়েটো কেঁচা মাটিৰ মানুহ
যাৰ কোনো কৃত্ৰিমতা নাই
যাক কোনেও কোঙা কৰিব পৰা নাই
আমিয়ে সেই বৃহৎ অসমীয়া জাতিৰ
কেঁচা মাটিৰ মানুহ।

# শেৱালি

## কমল মৰাং

জোনাক নিশাৰ আমোলমোল গোন্ধ
চোতাল ভৰি সৰি পৰে শেৱালি
আহিনৰ নিয়ৰসিক্ত দুবৰি দলিচাত
তোমাৰ শেষ শয়ন
মাটিত পৰিলে তুমি হোৱা বাহি 'শৰ'
গুৰুকো নালাগে ভকতকো নালাগে
নাই কাৰো আদৰ
আলাই আথানি তোমাৰ নাম শেৱালি
এপাহি দুপাহিকৈ ফুলি জনোৱা গ্ৰীষ্মক বিদায়
কোন ঋষিৰ শাপগ্ৰস্তা তুমি
মৰিলেই মৰহি যোৱা
কাৰ বাৰু এই অন্যায় অভিশাপ
শৰতৰ আগমণৰ বাৰ্তাবাহক
দেৱী মাতৃক আদৰি অনাৰ
প্ৰস্তুতি তোমাৰ......



# সপোন

**মৰমী দিহিঙীয়া**

দুচকু মেলি চাবলৈ শিকাৰ পিছত
ভাবিছিলো নানা সপোন ৰচিম জীৱন চানেকিত
ক'তা সপোনবোৰ দখোন
মৰুভূমিত সঁজা, সৰুতে খেলা
বালিৰ ঘৰৰ দৰে ভাঙি যায়
কেৱল ভাঙি যায়
    বালি ঘৰ সাজোতে হয়তো যি কল্পনা আছিল
    তাক লৈ আজি আৰু নহ'ব
    তেন্তে কি কৰো এতিয়া মই ?
সময় বাগৰি যায় ঘুৰি নাহে
জন্ম লৈয়ে মৃত্যুৰ ফালে আগুৱাই আহিছো,
কিন্তু এতিয়াও সপোনবোৰ দেখোন
বাস্তৱত ৰূপায়ন হবলৈ বহু বাকী।
    ৰহস্যময়ী জগতত মোৰ কল্পনাক হেৰুৱাব লাগিব বুলি
    মই দেখোন হতাশ হওঁ
    চাৰিওফালে দেখো হিংসা, হত্যা
    আপোনজনক দুখত পেলাই
    শান্তিৰ প্ৰাৰ্থনা কৰা
    এইটোৱেই হয়তো আজি মানৱতা।

---------

# জীৱন পথৰ যাত্ৰী মই

**বীণা ছেত্ৰী**

জীৱন পথৰ যাত্ৰী হৈ
আগুৱাই যাব বিচাৰো মই
হেজাৰ হেজাৰ সপোনেৰে ভৰা
উজ্জ্বল ভৱিষ্যৎ ......
    জীৱন পথেৰে এখোজ-দুখোজকৈ
    যাত্ৰা কৰোতে
    ক'ত যে বাধায় আগভেটি ধৰে
    সকলো বাধাক পৰাজয় কৰি
    এই পথেৰে যাত্ৰা কৰিছো মই
    সফল যাত্ৰী হবলৈ।
জীৱন পথৰ যাত্ৰা
সফল হয় নে নহয়
এয়া ভাগ্যৰ পৰীক্ষা
নাইবা কৰ্মৰ ফল
যেনে কৰ্ম তেনেই ফল
এয়াই নিয়তিৰ মূল নীতি
    জীৱন পথৰ সফল যাত্ৰী হবলৈ
    চেষ্টা কৰি আছো
    আৰু মৃত্যুৰ আগমুহূৰ্তলৈ
    বাই যাম বঠা......



# সুখ

প্ৰাঞ্জল বুঢ়াগোহাঁই

পুৰাই নাওঁখন মেলি দিলো।
গৈ আছো নদীৰ বুকুৰে-বুকুৰে বেলিমুখে
কিহবাৰ সন্ধানত,
যাৰ পৰশে মোক সঙ্গ দিব পাৰে
বেলিৰ হেঙুলীয়া চাদৰখন নদীৰ বুকুত
দীঘলকৈ পাৰি দি
তাইৰপৰা কুঁৱলীৰ চেঁচা সংস্পৰ্শক বাধা দিছে।
তাই টোপনিত বিভোৰ।
কাষে কাষে অনেক চৰাইয়ে নিচুকনি গীত জুৰিছে।
মই সপোনে সপোনে আহিছো তাইৰ কোমল বুকুৰ গভীৰে
গভীৰে।
তাইৰ বুকুৰ কল্‌কল্ স্পন্দনত
মোৰ নাওঁ তল্‌বল্-তল্‌বল্ কৰিছে।
মোৰ ব'ঠাৰ গতি বাঢ়িছে। গৈ আছোঁ .......
কিহবাৰ সন্ধানত,
যাৰ পৰশে মোক সঙ্গ দিব পাৰে।
কুঁৱলীৰ ফাঁকে ফাঁকে অলপ দূৰৈত
এটি ঘাটে ক্ষীণকৈ দেখা দিছে।
ঘাটটোৰ নাম জীৱন।
নাৱৰ গতি ধীৰ কৰিলো।

দেখিলো পাৰে পাৰে জীৱনে
হাঁহাঁকাৰ কৰি ফুৰিছে কিবা বিচাৰি!
তাৰ নাই অন্ন, নাই বস্ত্ৰ, আছে মাথো হেঁপাহ
আৰু আছে দুখ নামৰ এটি কংকাল।
যিয়ে তাক অৱশ কৰি পেলাইছে
জীয়াই থকাৰ হেঁপাহকনো ম্লান কৰিছে
তাৰ স্মৃতিত জীৱনে চকুলো টুকিছে।
অথচ তাৰ হৃদয়ে এতিয়াও অপেক্ষা কৰি আছে
কিহবাৰ, হয়তো সুন্দৰতাৰ!
জীৱনৰ বুকুৰ মাজেদি দুখে
মোক হাতবাউল দি মাতিছে,
আৰু আহ্বান জনাইছে,
আহা সঙ্গী আমি দুয়ো মিলি জীৱনক
সুন্দৰ কৰি তোলো।
যিয়ে জীৱনক কঙাল কৰি তুলিছে
তাৰেই আকৌ জীৱন সুন্দৰতাৰ কামনা!
নিশ্চয় ইয়াৰ গভীৰতাত কিছু ৰহস্য আছে!
মই ঘাটত নাওঁ চপালো,
সেই গভীৰতালৈ সোমাই গ'লো।
মোৰ অনুভৱ; জীৱনে মোৰেই অপেক্ষাত আছিল।
মোৰ উপস্থিতিত জীৱনে
আনন্দক উপলব্ধি কৰিবলৈ শিকিলে,
দুখেও অলপ জীৱনৰ ওজনৰ পৰা সকাহ পালে।
দুখৰ বাবেই মই জীয়াই আছো
জীৱনৰ গভীৰতাত
আৰু মোৰ বাবেই জীৱন সুন্দৰ
দুখ মোৰেই এক প্ৰতিবিম্ব।

# I REMEMBER YOU GUEVARA

## Gitima Deka

A brotherhood
Across the border
Questions my culture
I remember you Guevara
Fraternity is
Your culture
Fraternity is
Your wings
People see actions
Not Ideology
And what a magnet
of ideology
Is in the way
You were
Millions of people
Rushed towards
The way you were
Your hands were
Taken away
For burial
But your heart
Was spreaded
Across the line
Line of traditions
Line of Cultures
Line of boundaries
You said
You were the citizen
Of Cuba, Argentina, Peru, Bolivia……
Born in Argentina
Became world citizen


* * *

Your culture is
Fraternity
Millions of people
Admire you
You have crossed
The barriers of time
And place
Oh my eternal hero
Man of real blood
In tattered cloth
So mythical
In spirit
In blood
In outfit
Hunger of thousand beauties
Aroused……

* * *

Millions
Below the line
Line of poverty
Line of injustice
Line of Humiliation
Need you
Millions of people
Sing, Guevara, Guevara:
Millions sing
The song of your heart
"A piece of bread
Makes heaven
In hell………"

* * *



# CORRUPTION


**Kiran Upadhyaya**

Right now the tide of corruption is law,
Right now the progress of country is law
But one thing I know
That happens one day
All present the country is duel and hazy
It's goals and visions or hazy
It's view's are far away
The political leader made it Betray
Something left in astray
But the rest assured
That happens oneday
The day free from corruption.

# মোৰ মন আকাশৰ সখা

দুলুমনি পেগু

নীলিম আকাশৰ বুকুতে আছে
মোৰ হৃদয়ৰ বহু অনাখৰী কথা
মোৰ জীৱনৰ, মোৰ যৌৱনৰ
কত স্বপ্ন শ্যামল শিলনিৰে গঁথা।
মোৰ জীৱনৰ কোঁহে কোঁহে বিৰাজিত
অলেখ লেখহীন অবুজ বেদনা
যি বেদনাৰ নাই সমাপ্তি
কৰিও নিয়তিৰ কাতৰ বেদনা।
হে নীলাভ, নামি আহা তুমি
শান্তিৰ সংবাদ আনি
বিলোৱাহি সুৱাস
বিনন্দীয়া বসুন্ধৰাৰ হৃদয় দুৰ্গত।
আকাংক্ষাহীন জীৱনত মৰিচিকা বিচাৰি
যেতিয়া মন হয় মৰুভূমি
সেই মৰুভূমিত তুমি জল বৰষি
কৰিলা মন মোৰ কাব্যভূমি।
ৰহস্যময়ী ধৰাৰ কত যুগৰ কত স্মৃতিৰ
তুমি মাথো নীৰৱ দৰ্শক
তুমিতো বুজিছা আমাৰ এই গ্লানি
তুমিতো দেখিছা মৰণৰ ছাঁ সৰ্বব্যাপী জুৰি।
দেখিছো সপোন, কৰিছো আশা
তেজাল বুকুত ইন্দ্ৰধনু গঢ়িম
কলাঘুমটীয়া টোপনিটি ভাঙি
মলয়াজাকে কাণে কাণে ক'লে
তোমাৰ ধন-সোণ, তোমাৰ মাটি-বাৰী
সকলো জাঁহ যাব কালৰ বুকুত
জ্ঞানৰ বন্তি জ্বলাবা নিৰন্তৰে
গঢ়িবা ইন্দ্ৰধনু অতি সুন্দৰে।



# সন্ধানকাৰী

কৃষ্ণ বৰগোহাঁই

মই এক সন্ধানকাৰী
পোহৰৰ সন্ধানকাৰী
মায়াৰে আবৰা এই
পৃথিৱীত পোহৰ বিছাৰি
মই খাইছো হাবাথুৰি
খলা-বমা এই পৃথিৱীত
মোৰ অস্তিত্ব হেৰাইছে
পোহৰৰ ঠাইত আন্ধাৰেই
মোৰ সংগী হৈছে।
মায়া এই পৃথিৱীৰ মানুহ
সকলো, এপাহ কদম
ফুলৰ দৰে মায়া
কিন্তু নিৰাশ হ'লেও
হতাশ হোৱা নাই আমি।
বুকুৰ মাজত বান্ধি লৈছো
এলানি ধৈৰ্য্য আৰু সাহস
মাথো আগবাঢ়িম
জীৱনৰ বাটত
মায়াৰে আবৰা এই পৃথিৱীক
এদিন পোহৰাই তুলিম আমি।

# জাগ্ৰত মানৱ

নিকিতা ছেত্ৰী

হিংসাই হব পাৰে জানো
শক্তি বা শান্তি?
হিংসাই হ'ব পাৰে জানো
উন্নতিৰ বস্তি?
তেনেহ'লে কিয়
মিছা মিছা কথাৰে
দিয়া প্ৰতিশ্ৰুতি?
ন্যায় অন্যায়ৰ বিচাৰ নাই
চাৰিওফালে মাথো
ঠগ প্ৰৱঞ্চনাৰ চকৰি।
সেয়েহে এতিয়াৰ পৰাই
জাগ্ৰত হোৱা মানৱ
জাগ্ৰত হোৱা
অন্যায়ৰ হকে
প্ৰতিবাদৰ জোৱাৰ গঢ়ি তোলা।



# সমাজ আৰু জীৱন

বিজয়া দেৱী

আজি জীৱনৰ অৰ্থ বিচাৰিছোঁ
লাহে লাহে বুজিছো
সংযোগ বিয়োগৰ সমাহাৰ
পাৰ হ'ল জীৱনৰ বিশেষ বিচক্ষণ
য'ত এটি দুটিকৈ শব্দ বুটলি
জীৱনৰ মালা গাঁথিছিলো
কিন্তু মাজত সমাজ......
সমাজৰ কঠিন পিঞ্জৰাত বন্দী
আমাৰ প্ৰাণ
সেই পিঞ্জৰা
যি পূৰ্ব-পূৰুষৰ অৱদান।
আমাৰ মাজত যথেষ্ট ব্যৱধান
হয়তো কালিলৈ অস্তিত্ব নাথাকিব
পুৰণি কেলেণ্ডাৰৰ ছবিৰ দৰে
অদৃশ্য হব সকলোবোৰ...
মৰম অভিমান
কিন্তু...... ?
জীৱনৰ অন্তিম ক্ষণলৈ
স্মৃতিৰ পৃষ্ঠাত
লিপিবদ্ধ হব কিছু ক্ষণ
যি ক্ষণৰ মাদকতাত
কাৰাৰুদ্ধ আছিল জীৱন
তুমি কোৱাৰ দৰে
পাহৰিব লাগিব সকলোবোৰ
কিন্তু তুমি...... ?
তুমিও নিজক ভুল নুবুজিবা
ভুল তোমাৰ নহয়, ভুল সমাজৰ
ময়েইতো তুমি
আৰু তোমাতেই মই।
শেষত....
অতীত, বৰ্তমান, ভৱিষ্যতক
বিশ্লেষণ কৰাত
জীৱনৰ অৰ্থ
সমাজৰ অবাঞ্চিত সত্য।

# আমাৰ মহাবিদ্যালয়

জোৎস্না কুলি

এইখন আমাৰ চিলাপথাৰ মহাবিদ্যালয়
ইয়াৰ প্ৰতিজন শিক্ষাগুৰুৱে আমাক দি যায়
শিক্ষা আৰু জ্ঞান
প্ৰতিটো দিনে কঢ়িয়াই আনে
সেউজভৰা এটি নতুন দিশ আৰু দি যায়
মিলাপ্ৰীতি আৰু চেনেহৰ বান্ধোন
মহাবিদ্যালয়ৰ প্ৰতিটো অলিয়ে-গলিয়ে
প্ৰতিডাল দুৰৰিবনেই গাই যায়
সেউজীয়া গান
প্ৰতিজন মানুহৰ চিন্তা ধাৰণাই
চিলাপথাৰ মহাবিদ্যালয়লৈ কঢ়িয়াই আনে
এটি মিঠা সপোন
আৰু সোনোৱালী ভৱিষ্যত।

# ছাঁ-পোহৰৰ

ইন্দ্ৰজীত কোঁৱৰ

পোহৰে কি জানে
ৰাতিৰ বেদনা
তুমি জানো জানা
মোৰ বেদনাৰ পৰিধি
স্মৃতি চাকি জ্বলাই
পাৰ কৰো মোৰ
উজাগৰি নিশা।
নিশা যিমান গভীৰ হয়
নিদ্ৰাহীন দুচকুৱে শেতেলিত
পৰি ৰোৱা নিঠৰ গাৰুৰ আশ্ৰয় লয়
প্ৰতি পলে পলে এৰি অহা স্মৃতিবোৰে
মন বিচলিত কৰে অজানিতে।
সময় গতিশীল—
হেৰুৱা সপোন নহয় আপোন
তথাপিও উজাগৰি নিশাত
আঁকো সপোনৰ ৰেখা
কিজানিবা স্মৃতিয়ে দিঠকত দিয়ে দেখা।

দৃষ্টিকোণ

# ম'বাইল ফোন আৰু মহাবিদ্যালয়ত ইয়াৰ ব্যৱহাৰ

মইনা চুতীয়া

এটা ম'বাইল ফোনৰ প্ৰয়োজনীয়তা কিমান? বৰ্তমান এই প্ৰশ্নৰ উত্তৰ বুজাই নকলেও সমাজৰ সকলো লোকে উপলব্ধি কৰিছে। যোগাযোগৰ এটা বৈদ্যুতিন মাধ্যম হৈছে ম'বাইল ফোন। সময়ৰ পৰিৱৰ্তনৰ লগে লগে মানৰ সমাজত সকলো বস্তুৰে কম বেছি পৰিমাণে তাৰ পৰিবৰ্তন দেখিবলৈ পোৱা গৈছে। ঠিক তাৰে পৰশ পৰিছে ম'বাইল ফোন নাম দূৰসংযোগী যন্ত্ৰটোত। মাৰ্টিন কোপাৰ (Martin Cooper) নামৰ এজন আমেৰিকাৰ উদ্ভাৱকে আৱিস্কাৰ কৰি ওলোৱা হাতত লৈ যাব পৰা যন্ত্ৰটোৱে হৈছে মোবাইল ফোন। এই ম'বাইল ফোনটো প্ৰযুক্তি বিদ্যাৰ কোবাল সোঁতত পৰি বৰ্তমান যি স্থানত উপস্থিত হ'ল ইয়াক ভাবিলে আচৰিত অবিশ্বাস্য যেন লাগে। যি নহওক বৰ্তমান ম'বাইল ফোনত সংযোগ হোৱা নানান নতুন নতুন প্ৰযুক্তি বিদ্যাই বৰ্তমান সময়ত ম'বাইল ফোন যে অকল যোগাযোগৰ আহিলা তাক ক'লে ভুল কোৱা হ'ব। বৰ্তমান ম'বাইল ফোনত সংযোগ হোৱা কাৰ্য্যসূচীৰ কথা সম্পূৰ্ণকৈ ক'বলৈ এই অভাজনৰো সাহস নাই। ক'ব লাগিব যে বৰ্তমান এটা ম'বাইল ফোনৰ পৰা এজন মানুহে মনোৰঞ্জন, শিক্ষা, যোগাযোগ, প্ৰত্যেক মুহূৰ্তৰ খবৰ, বিশৃংখলতা সেৱা ইত্যাদি ইত্যাদি বহুতেই পাব পাৰে। গতিকে আজিকালি ম'বাইল ফোনৰ ব্যৱহাৰ কিশোৰৰ পৰা প্ৰাপ্তবয়স্ক সকলোলৈকে বৃদ্ধি হৈছে।

আমি ম'বাইল ফোনৰ ব্যৱহাৰৰ ফালৰ পৰা চাব গ'লে বিশেষকৈ প্ৰায় ১৪ বছৰৰ পৰা প্ৰায় ২৫-২৭ বছৰ বয়সৰ লোকসকলৰ হাতত বেছি ব্যৱহাৰ হোৱা দেখিবলৈ পোৱা যায়। এই সময়ৰ ল'ৰা-ছোৱালীবোৰ কলেজীয়া শিক্ষা গ্ৰহণৰ সময়ত থাকে। উল্লিখিত বয়সৰ যুৱচামে ম'বাইল ফোন কিয় বেছি ব্যৱহাৰ কৰে তাক বৰ্তমান বিশ্লেষণ কৰাৰ প্ৰয়োজন অনুভৱ হয়। বিশেষকৈ ম'বাইল ফোন আৰু মহাবিদ্যালয়ৰ চৌহদত ইয়াৰ সম্পৰ্কে আলোচনা কৰাৰ বৰ্তমান প্ৰয়োজন আছে। যিহেতু ম'বাইল ফোনৰ দ্বাৰা বৰ্তমান সমাজত বহুতো অপৰাধ সংঘটিত কৰা হৈছে আৰু বহুতো ইতিবাচক কাম-কাজো হৈছে। গতিকে ম'বাইল ফোন ব্যৱহাৰৰ ওপৰত আমি ভালদৰে বিবেচনা কৰাৰ প্ৰয়োজন।

বৰ্তমান সময়ত সমাজত যুৱ উশৃংখলতা দিনক দিনে বৃদ্ধি পাইছে। আমি ইয়াক নিৰীক্ষণ কৰিলে ম'বাইল ফোনো ইয়াত জড়িত যেন লাগে। বৰ্তমানৰ যুৱক-যুৱতী বা প্ৰায় কলেজীয়া ছাত্ৰ-ছাত্ৰীৰ মাজত ম'বাইল ফোনৰ ব্যৱহাৰ অতি বেছিকৈ দেখিবলৈ পোৱা গৈছে। বৰ্তমান এই দিশটো অৰ্থাৎ কলেজীয়া ল'ৰা-ছোৱালীৰ মে'বাইল ব্যৱহাৰ কৰা যুক্তি-যুক্ততাৰ বিষয়ে চালি-জাৰি চাবৰ প্ৰয়োজন হৈছে। আমি এতিয়া প্ৰায়েই দেখিবলৈ পাওঁ মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীয়ে মহাবিদ্যালয় চৌহদত বহুলভাৱে ম'বাইল ফোন ব্যৱহাৰ কৰে। ই দেশৰ বাবে কিমান ভাল দিশ? কিমান বেয়া দিশ তাক আলোচনা কৰা বৰ্তমান প্ৰয়োজন।

**ম'বাইল ফোন আৰু মহাবিদ্যালয়ৰ চৌহদত ইয়াৰ ব্যৱহাৰ** ঃ বৰ্তমান মহাবিদ্যালয়ৰ চৌহদত ছাত্ৰ সমাজে হওক বা শিক্ষক সমাজেই হওক ম'বাইল ফোন বিস্তৃত ৰূপত ব্যৱহাৰ কৰা দেখিবলৈ পোৱা গৈছে। ইয়াৰ ব্যতিক্ৰম সম্ভৱতঃ দেখিবলৈ পোৱা নাযায়। ইয়াৰ ফলত শিক্ষা ব্যৱস্থাত ম'বাইল ফোনৰ সু-প্ৰভাৱ আৰু কু-প্ৰভাৱ তলত চমুকৈ আলোচনা আগবঢ়োৱা হ'ল।

**ম'বাইল ফোন ব্যৱহাৰৰ কু-প্ৰভাৱ** ঃ বৰ্তমান ম'বাইল ফোন বাৰ্তালাপৰ যন্ত্ৰয়ে হৈ থকা নাই। ম'বাইলত সংযোগ হোৱা বিভিন্ন কাৰ্য্যসূচীয়ে ইয়াৰ গুৰুত্ব বৃদ্ধি কৰিছে। আমি উল্লেখ কৰিব লাগিব যে বিভিন্ন প্ৰকাৰৰ ছ'চিয়েল মিডিয়া সংযোগে মহবিদ্যালয়ৰ চৌহদত ম'বাইল ফোনৰ নেতিবাচক দিশটোহে আগবঢ়ায় নিছে। ছাত্ৰ সমাজে হওক বা শিক্ষক সমাজে হওক সকলোৱে ম'বাইলৰ যোগেদি বিভিন্ন ছ'চিয়েল মিডিয়া যেনে— হোৱাইট্ছ আপ, ফেচবুক, টুইটাৰ, হাইক ইত্যাদিত প্ৰায় আড্ডা মাৰি থকা প্ৰৱণতা বৃদ্ধি পাইছে। ফলত উচিত সময়ত উচিত শিক্ষা গ্ৰহণ নকৰি সমাজক এটা ইতিবাচক দিশত প্ৰতিনিধিত্ব নকৰি উশৃংখলতা সৃষ্টি কৰিছে। ইয়াৰ উপৰিও মহাবিদ্যালয়ৰ শ্ৰেণী চলি থাকোতেও কিছুমান ছাত্ৰ-ছাত্ৰীয়ে লুকাই-চুৰকৈ ম'বাইল ফোনৰ ব্যৱহাৰে শিক্ষা ব্যৱস্থাত বিৰূপ প্ৰভাৱ পেলায়। মহাবিদ্যালয়ৰ চৌহদত ফোনত কথা পাতি থকা ছ'চিয়েল মিডিয়াত ব্যস্ত থকা আৰু লগতে মনোৰঞ্জনৰ বাবে চিনেমা চাই থকা গান শুনি থকাই মহাবিদ্যালয়ৰ পৰিৱেশ বিনষ্ট কৰে। গতিকে আমি এই দিশৰ

পৰা চাবলৈ গ'লে ইয়াৰ ব্যৱহাৰ মহাবিদ্যালয়ৰ বাবে লগতে শিক্ষা ব্যৱস্থাৰ বাবেও সু-প্ৰভাৱ হব নোৱাৰে।

**মহাবিদ্যালয়ৰ চৌহদত ম'বাইল ফোনৰ ব্যৱহাৰৰ সু-প্ৰভাৱ** ঃ এটা ম'বাইল ফোনত বৰ্তমান এনে কিছুমান সুবিধা আছে যাক আমি সঠিকভাৱে ব্যৱহাৰ কৰি মানৱ সম্পদ গঢ়াৰ লগতে নিজকে প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত একেবাৰে সহজ কৰি তোলে। ম'বাইল ফোনত সংযোজিত কিছুমান কাৰ্য্যসূচী যেনে— গুগোল, ৱিকিপেডিয়া এনে কিছুমান কাৰ্য্যসূচীয়ে বহুতো নজনা কথা শিকায়। ম'বাইল ফোনত সংযোজিত ইন্টাৰনেট ব্যৱস্থাই ভাৰতীয় শিক্ষা ব্যৱস্থাৰ লগত বিশ্বৰ অন্য দেশৰ শিক্ষা ব্যৱস্থাৰ সংগতি ৰাখি সকলো দিশত প্ৰস্তুত হ'বলৈ শিকায়। যাক নেকি আমি সঠিক সময়ত সঠিক শিক্ষাৰ বাবে ব্যৱহাৰ কৰিব পাৰো। গতিকে মহাবিদ্যালয়ৰ চৌহদত ইয়াৰ ব্যৱহাৰৰ প্ৰাসংগিকতা আছে।

আমি ওপৰৰ আলোচনাৰ পৰা বুজিব পাৰিলো যে, ম'বাইল ফোনৰ বহুতো ইতিবাচক দিশৰ লগতে নেতিবাচক দিশো আছে। বিশ্বত মানৱ সমাজে সৃষ্টি কৰা প্ৰায় বিলাক সৃষ্টিৰে কম বেছি পৰিমাণে ইতিবাচক আৰু নেতিবাচক দুয়োটা দিশ থাকে। মানৱ সমাজে ইয়াক কেনেদৰে ব্যৱহাৰ কৰে সেয়া নিজৰ মানসিকতাৰ ওপৰত নিৰ্ভৰ কৰে। উদাহৰণ স্বৰূপে আমি বোমাৰ কথাই উল্লেখ কৰিব পাৰো। বোমাৰ সৃষ্টি মানৱ সমাজৰ উন্নতিৰ বাবেহে আছিল। কিছুমান পাহাৰীয়া দুৰ্গম অঞ্চলত পাহাৰ কাটি ৰাস্তা ঘাট নিৰ্মাণ কৰিবলৈহে ইয়াক ব্যৱহাৰ কৰিছিল। কিন্তু সম্প্ৰতি ইয়াক মানুহে মানৱ সমাজক ধ্বংস কৰিবলৈহে ব্যৱহাৰ কৰে।এয়া বৰ্তমান সময়ৰ প্ৰগতিশীল মানৱৰ মানসিকতা। গতিকে আমি সৃষ্টিৰ ইতিবাচক দিশ লক্ষণ কৰিব লাগে। নহ'লে আমি মানৱ সমাজে জীৱ শ্ৰেষ্ঠ বুলি কোৱাৰ কোনো অধিকাৰেই নাথাকিব। মানৱ সমাজৰ উন্নতিৰ দিশত আগুৱাবলৈ হ'লে সৃষ্টিৰ ইতিবাচক দিশটোক গ্ৰহণ কৰিবই লাগিব। ঠিক তেনেদৰে মহাবিদ্যালয়ৰ চৌহদত ম'বাইল ফোনটো আমি যদি ভাল দিশত ব্যৱহাৰ কৰো, তেন্তে ই সমাজৰ উন্নতি দিশতহে আগবঢ়াই নিব। উদাহৰণ স্বৰূপে যদি আমি ছ'চিয়েল মিডিয়াত এনেয়ে আড্ডা মাৰি নাথাকি সেই চ'ছিয়েল মিডিয়াৰ জৰিয়তে অন্য মহাবিদ্যালয়ৰ বন্ধু-বৰ্গৰ সৈতে তাৰ শিক্ষা আৰু নিজৰ মহাবিদ্যায়ৰ শিক্ষাক সংযোগ ঘটাবলৈ যত্ন কৰো তেন্তে ই সঠিকভাৱে ফলপ্ৰসু হব। আৰু এটা কথা আমি এই দিশবোৰ যদিও কম্পিউটাৰদ্বাৰা কৰিব পাৰো কিন্তু এইক্ষেত্ৰত ম'বাইল ফোনহে বেছি সহজলভ্য হয়। কাৰণ ইয়াক লগত লৈ ফুৰিবলৈ সহজ আৰু ইয়াৰ দামো এটা কম্পিউটাৰ তুলনাত তেনেই কম।

❖❖❖



**দৃষ্টিকোণ**

# অসম বন্ধ
## সংস্কৃতি, অপসংস্কৃতি নে ব্যাধি ?

বেবী বৰুৱা

ভাৰত ৰাষ্ট্ৰৰ অন্তৰ্গত অসম এখন কৃষিভিত্তিক ৰাজ্য। অসমৰ সৰহ সংখ্যক লোকেই কৃষিৰ ওপৰত নিৰ্ভৰ কৰি জীৱন নিৰ্বাহ কৰে। অৱশ্যে কৃষিকৰ্মৰ লগতে দৈনিক হাজিৰা কৰি পেট প্ৰৱৰ্তোৱা লোকৰ সংখ্যাও অসমত কম নহয়। গতিকে এনে এখন ৰাজ্যত আকস্মিকভাৱে হোৱা বন্ধবোৰে সাধাৰণ জনসাধাৰণক বাৰুকৈয়ে প্ৰভাৱিত কৰে। কিন্তু সম্প্ৰতি অসমৰ আৰ্থ-সামাজিক জীৱনত বন্ধ সংস্কৃতিয়ে বিশেষ গুৰুত্ব পোৱা দেখা গৈছে। আমাৰ এই প্ৰৱন্ধত বন্ধৰ ভয়াবহতাৰ বিষয়ে কিছু কথা আলোকপাত কৰিবলৈ যত্ন কৰা হৈছে।

বৰ্তমান ৰাজনৈতিক, আৰ্থসামাজিক, সাংস্কৃতিক ইত্যাদি বিভিন্ন কাৰণত অসমৰ লগতে ভাৰতবৰ্ষৰ বহুতো ৰাজ্যত 'বন্ধ' এক সংস্কৃতিলৈ ৰূপান্তৰিত হৈছে। কাৰোবাৰ বাবে ই ছুটী উদ্‌যাপনৰ সংস্কৃতি, কাৰোবাৰ বাবে আকৌ শক্তি প্ৰদৰ্শনৰ সংস্কৃতি। অৱশ্যে সম্প্ৰতি 'বন্ধ' সমৰ্থন নকৰা লোকৰ সংখ্যাও বৃদ্ধি পাইছে। ই আমাৰ সমাজ জীৱনৰ বাবে শুভ লক্ষণ। কিন্তু সেয়া যথেষ্ট বুলি ক'ব নোৱাৰি। ভাৰতৰ অন্যান্য ৰাজ্যৰ তুলনাত অসমত হোৱা সঘন বন্ধবোৰৰ ওপৰত ভিত্তি কৰি অসমতে বন্ধ অধিক হয় যেন অনুমান হয়। বন্ধ সংস্কৃতিয়ে অসমীয়া জাতি তথা অসমৰ অৰ্থনীতিক কোঙা কৰাৰ লগতে অসমীয়া জাতি তথা সমগ্ৰ প্ৰজন্মৰ ওপৰতে এক বিৰূপ প্ৰভাৱ পেলাবলৈ সক্ষম হৈছে। বন্ধ দি প্ৰতিবাদ কৰাটো নিশ্চয় এক গণতান্ত্ৰিক অধিকাৰ। কিন্তু বাৰে বাৰে যেতিয়াই তেতিয়াই অধিকাৰৰ নামত সমগ্ৰ জাতিটোক/জনতাক নগুৰ-নাকতি কৰাটো নিশ্চয় সমৰ্থন কৰিব নোৱাৰি।

বহুসংখ্যক সংগঠনে সস্তীয়া জনপ্ৰিয়তাৰ খাতিৰত দিয়া সঘন বন্ধবোৰৰ প্ৰচাৰ আৰু প্ৰসাৰত Social Media যেনে— বাতৰি-কাকত,. দূৰদৰ্শন, ফেচবুক, হোৱাটছ্‌আপ, টুইটাৰ আদিবোৰেও সহায়ক ভূমিকা পালন কৰা দেখা গৈছে। এনে নেটৱৰ্কিং ক্ষেত্ৰসমূহে কোনো ধৰণৰ চিন্তা নকৰাকৈ পোনচাটেই এনে ধৰণৰ বাতৰিসমূহ প্ৰচাৰ কৰে। অন্যহাতে জনসাধাৰণেও অসম বন্ধৰ 'ব' আখৰটো শুনিলেই তাক উদ্‌যাপন কৰাত ব্যস্ত হৈ পৰে। ইয়াৰ বিপৰীতে এনে 'বন্ধ'ক প্ৰতিহত কৰিবলৈ পদক্ষেপ গ্ৰহণ কৰি তাক কাৰ্যকৰী কৰাৰ চেষ্টা আজিলৈকে দেখা পোৱা মনত নপৰে।

আকস্মিকভাৱে দিয়া এনে বন্ধবোৰত ক্ষতি হয় কাৰ? কাৰ চৰুৰ তলত জুই নজ্বলে? দেউতা আহিলে খাবলৈ পাম বুলি অধীৰ আগ্ৰহেৰে বাট চাই থাকিও কাৰ সন্তানে খালী পেটেৰে শুব লগা হয়? এনেধৰণৰ প্ৰশ্নবোৰ আমি সকলোৱে গভীৰভাৱে ভাৱিবৰ হ'ল। হঠাৎ ঘোষিত বন্ধবোৰে দিন হাজিৰা কৰা লোকলৈয়ে কঢ়িয়াই আনে বিপদ। সৰু-সুৰা ব্যৱসায় কৰি পৰিয়াল পোহপাল দিয়া লোকসকল আকস্মিক বন্ধত দিশহাৰা হৈ পৰে।

'বন্ধ'ৰ ফলত বহুতো ৰোগী মৃত্যুৰ মুখত পৰাৰ অনেক উদাহৰণ চাগে অসমৰ চোকে কোণে ওলাব। বন্ধৰো অনেক শ্ৰেণীবিভাজন আছে। কেতিয়াবা যদি জিলা বন্ধ, কেতিয়াবা আকৌ চকা বন্ধ, কেতিয়াবা যদি অসম বন্ধ, কেতিয়াবা আকৌ ভাৰত বন্ধ। কিন্তু যিকোনো বন্ধই সাধাৰণ মানুহৰ জীৱন যাত্ৰা অচল কৰি তোলে। যাৰ ফলশ্ৰুতিত অনেক ৰোগী বিনা চিকিৎসাৰে মৃত্যুবৰণ কৰিবলগা হয়।

এটা দিনৰ বন্ধই মানুহৰ সমগ্ৰ জীৱনৰ কাৰ্যপ্ৰণালী সলনি কৰাৰো অৱকাশ থাকে। যাতায়ত আৰু যোগাযোগ ব্যৱস্থা অচল হৈ পৰাৰ বাবে মানুহ সাংঘাটিক সুবিধাৰপৰা বঞ্চিত হোৱাৰো উদাহৰণ নিশ্চয়কৈ আমাৰ গাঁৱে-ভূঞে অনেক ওলাব।

গতিকে স্বাভাৱিকতে মনত প্ৰশ্ন হয়- বন্ধ সংস্কৃতি, অপসংস্কৃতি নে ব্যাধি? সাম্প্ৰতিক সমাজত বন্ধৰ যি নেতিবাচক প্ৰভাৱ তাৰ ওপৰত ভিত্তি কৰি বন্ধক ব্যাধি বুলিহে ক'ব লাগিব। আৰু এনেদৰে যদি 'বন্ধ' ক্ৰমশঃ বাঢ়ি থাকে, তেন্তে এদিন এই ব্যাধিয়ে আমাৰ সমাজখনক কোঙা কৰি পেলাব। সি ধুৰূপ।

অসমত যোৱা কিছুবছৰৰপৰা বছৰি গড়ে কমেও ২০ টাৰপৰা ২৫ টা মান বন্ধ হয়গৈ চাগে। এই পৰিমাণ অধিক হোৱাৰহে সম্ভাৱনা আছে। এনে বন্ধবোৰে চৰকাৰৰ কোষৰপৰা কোটি কোটি টকা লোকচান কৰাইছে। আটাইতকৈ ডাঙৰ প্ৰশ্নটো হ'ল এই বন্ধবোৰে অসমৰ খাটিখোৱা জনসাধাৰণৰ কি উন্নতি সাধন কৰিছে? এনে দল সংগঠনবোৰে গণতান্ত্ৰিক অধিকাৰৰ নামত প্ৰতিবাদ কৰাৰ সৰ্বোৎকৃষ্ট আহিলা হিচাপে কিয় বাৰে বাৰে 'বন্ধ'কে লয়? বন্ধই যদি সমস্যাৰ সমাধান কৰিলেহেঁতেন তেন্তে যোৱা অতবোৰ বন্ধৰ ভেঁটিত অসম জাকত জিলিকা ৰাজ্য হৈ জিলিকি থাকিলহেঁতেন। কিন্তু বাস্তৱিকতে তেনে হৈছেনে? নে হোৱাৰ সম্ভাৱনা আছে?

গতিকে এই সামান্য লেখনিৰ যোগেদি আমাৰ সমাজৰ ব্যাধিস্বৰূপ 'বন্ধ'ক উৎখাত কৰিবলৈ, 'বন্ধ'ক উদগনি নিদিবলৈ জাতীয় সংগঠনসমূহক বিনম্ৰ অনুৰোধ জনাইছোঁ। লগতে চৰকাৰকো আহ্বান জনাইছো যাতে তেওঁলোকেও জাতীয় সংগঠনসমূহক বন্ধ দিব লগা পৰিস্থিতিৰ সৃষ্টি নকৰাকৈ সমস্যাসমূহ সমাধান কৰাত আগভাগ লয়। প্ৰয়োজন হ'লে সকলো পক্ষৰ আলোচনা মৰ্মে বন্ধ নিষেধাজ্ঞা হওক। তেতিয়াহে আমি এনে ব্যাধিৰপৰা আৰোগ্য হম। উপকৃত হ'ব অসমৰ ৰাইজ। বিশেষকৈ খাটিখোৱা জনসাধাৰণ।

❖❖❖

দৃষ্টিকোণ

# ব্ৰিকছৰ 'নিউ ডেভলপ্‌মেণ্ট বেংক'

দিপাংকৰ ভূএঁগ্ৰা

যোৱা ১৫ জুলাই ২০১৪ তাৰিখে ব্ৰাজিলৰ ফৰ্টালিজাত অনুষ্ঠিত হৈ যায় ষষ্ঠ ব্ৰিকছ সন্মিলন। সমগ্ৰ বিশ্বৰে দৃষ্টি নিৱদ্ধ থকা উক্ত সন্মিলনখনত লোৱা দ্বিতীয় এক ঐতিহাসিক সিদ্ধান্ত। সন্মিলনখনৰ প্ৰথম দিনাই ব্ৰিকছৰ সদস্যসমূহে অৰ্থনীতিৰ বিশ্বত এক নতুন অধ্যায়ৰ সূচনা কৰি 'নিউ ডেভলপমেণ্ট বেংক' নামৰ এটি নতুন বেংক গঠনৰ সন্মিলত চুক্তিত স্বাক্ষৰ কৰে। দৰাচলতে ২০১৩ চনৰ ২৭ মাৰ্চত দক্ষিণ আফ্ৰিকাৰ ভাৰবানত অনুষ্ঠিত ব্ৰাজিল, ৰাছিয়া, ভাৰত, চীন আৰু দক্ষিণ আফ্ৰিকা চমুকৈ ব্ৰিকছৰ পঞ্চমখন সন্মিলনত এটি নতুন বেংক গঠনৰ প্ৰস্তাৱ দাঙি ধৰা হৈছিল আৰু দীৰ্ঘদিন ধৰি বিবেচিত এই প্ৰস্তাৱটোক চূড়ান্ত ৰূপ দিয়া হয় গত সন্মিলনখনত। উল্লেখযোগ্য যে ভাৰতৰ নৱ-নিৰ্বাচিত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰস্তাৱমৰ্মে বেংকটোৰ নামাকৰণ কৰা হয় 'নিউ ডেভেলপমেণ্ট বেংক' নামেৰে।

ব্ৰিকছৰ 'নিউ ডেভেলপমেণ্ট বেংক' বিশ্ববেংক আৰু আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধিৰ বিকল্প হিচাপে গঢ় দিয়া হৈছে বুলি প্ৰতিনিধিসকলে মন্তব্য কৰিছে। ব্ৰিকছ বেংক গঠনৰ মূল উদ্দেশ্য হৈছে ইয়াৰ সদস্য ৰাষ্ট্ৰসমূহৰ সামগ্ৰিক অৰ্থনৈতিক উন্নয়নত সহযোগিতা।

পঞ্চাশ বিলিয়ন ডলাৰ মূলধনেৰে গঢ় লৈ উঠিবলগীয়া নিউ ডেভেলপমেণ্ট বেংকৰ পুঁজি ১০০ বিলিয়ন ডলাৰলৈ বৃদ্ধি কৰা হ'ব বুলি ঘোষণা কৰা হৈছে। প্ৰত্যেকখন সদস্য ৰাষ্ট্ৰই ১০ বিলিয়নকৈ মূলধনৰ বৰঙণি যোগাব। কোনো এখন সদস্য ৰাষ্ট্ৰই অন্য চাৰিখন দেশৰ অনুমতি অবিহনে তাৰ মূলধনৰ অংশ বৃদ্ধি কৰিব নোৱাৰিব। নিউ ডেভেলপমেণ্ট বেংকে অন্য ৰাষ্ট্ৰৰ যোগদানৰ বাবে দুৱাৰ খোলা ৰাখিছে। কিন্তু ব্ৰিকছ দেশৰ মূলধনৰ অংশ ৫৫ শতাংশতকৈ কম হ'ব নোৱাৰে বুলি নীতি নিৰ্দ্ধাৰণ কৰা হৈছে। তাৰোপৰি অত্যাৱশ্যকীয় সময়ত সহায় হোৱাকৈ ১০০ বিলিয়নৰ আন এক পুঁজি সংৰক্ষণৰ ব্যৱস্থা কৰিছে নিউ ডেভেলপমেণ্ট বেংকে।

এই সংৰক্ষিত পুঁজিৰ উদ্দেশ্য হৈছে দেশসমূহক অৰ্থনীতিৰ গোলকীয় তৰলতাৰ চাপৰ পৰা ৰক্ষা কৰা আৰু সদস্য ৰাষ্ট্ৰসমূহৰ ৰাষ্ট্ৰীয় মুদ্ৰাৰ মানক গোলকীয় অৰ্থনৈতিক চাপৰ পৰা মুক্ত কৰা। নিউ ডেভেলপমেণ্ট বেংকৰ মূখ্য কাৰ্য্যালয়ৰ বাবে নতুন দিল্লী, জোহান্সবাৰ্গ আৰু ছাংহাইৰ নাম মনোনীত কৰা হৈছিল যদিও অৱশেষত চীনৰ ছাংহাইক ইয়াৰ মূখ্য কাৰ্য্যালয়ৰ বাবে নিৰ্বাচন কৰা হয়। ইয়াৰ এটা আফ্ৰিকান আঞ্চলিক কাৰ্য্যালয় দক্ষিণ আফ্ৰিকাৰ জোহান্সবাৰ্গত স্থাপন কৰা হ'ব। উল্লেখযোগ্য যে, ব্ৰিকছ বেংকৰ প্ৰথম সভাপতি নিৰ্বাচন কৰা হ'ব ভাৰতৰ পৰা। প্ৰত্যেক পাঁচ বছৰৰ মূৰে মূৰে অন্য দেশৰপৰা সভাপতি নিৰ্বাচন কৰা হ'ব। ২০১৬ চনৰ পৰা কাৰ্য্যক্ষম হোৱাকৈ এই বেংকৰ স্থাপনৰ যো -জা চলোৱা হৈছে।

আন্তঃৰাষ্ট্ৰীয় অৰ্থনীতিত পাশ্চাত্য দেশসমূহৰ যি দমনীয় নীতি, তাৰ বিৰুদ্ধে গঢ় লৈ উঠা এই ব্ৰিকছ বেংকে উন্নয়নশীল অৰ্থনীতিৰ দেশ সমূহলৈ আশাৰ সঞ্চাৰ কঢ়িয়াই আনিছে। বহু চৰ্চিত ব্ৰিকছৰ এই নিউ ডেভেলপমেণ্ট বেংকে নিশ্চিতভাৱে আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধি আৰু বিশ্ব বেংকৰ প্ৰতি প্ৰত্যাহ্বানৰ সৃষ্টি কৰিব। ব্ৰিকছ ৰাষ্ট্ৰসমূহে বিশ্ববেংক আৰু আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধিক উন্নয়নশীল দেশসমূহলৈ যথেষ্ট ভোটৰ অধিকাৰ নিদিয়াৰ বাবে সমালোচনা কৰিছে। উন্নয়নশীল দেশসমূহে এতিয়া ব্ৰিকছ্ বেংকৰ সহায়ত আন্তঃগাঠনিমূলক প্ৰকল্পসমূহ ৰূপায়ন কৰি অৰ্থনৈতিক উননয়ন দ্ৰুততৰ কৰি তুলিব পাৰিব।


গতিকে আশা কৰিব পাৰি যে, অনাগত দিনবোৰত ভাৰতৰ লগতে আন ৰাষ্ট্ৰবোৰেও ব্ৰিকছ বেংকৰ জৰিয়তে বিশ্ব অৰ্থনীতিত এক সবল ৰাষ্ট্ৰ ৰূপে থিয় দিব পাৰিব।

❖❖❖



শ্ৰদ্ধাৰ্ঘ

# এজন নবীন পাঠকৰ দৃষ্টিত হীৰেন্দ্ৰনাথ দত্তৰ এটা কবিতা



শোভামনি দত্ত

*তালৈ গৈ কিবা লাভ আছে জানো!*
*তাহানিৰ লগ বন্ধুবোৰ দিহিঙে-দিপাঙে ছিটিকি পৰিল।*
*এতিয়া তালৈ গ'লে মোক কেইজনে চিনিব?*(ওভতনি)

সঁচাকৈ তেওঁ ওভতনি খোজ নিদিলে। ১৯৩৭ চনৰ পহিলা মাৰ্চত অবিভক্ত শিৱসাগৰ (বৰ্ত্তমান যোৰহাট) জিলাত পিতৃ যজ্ঞেশ্বৰ দত্ত আৰু মাতৃ হেমপ্ৰভা দত্তৰ ঔৰসত জন্ম গ্ৰহণ কৰা 'মানুহ অনুকুলে'ৰ কবি হীৰেন্দ্ৰ নাথ দত্ত যোৱা ২০ ফেব্ৰুৱাৰী (২০১৬)ত হাজাৰ গুণমুগ্ধক অশ্ৰুসিক্ত কৰি চিৰশ্বাস্বত হ'ল।

*প্ৰত্যুষত কাৰ এই হিয়া ভগা কান্দোন*
*বৰ্ণৰ*
*অ !*
*মানুহ অনুকূলে, সোমধিৰিৰ সোৱৰণি আৰু*
*অন্যান্য কবিতা, কিতাপৰ ভৱিষ্যৎ আৰু*
*পল অনুপলৰ কান্দোন*
*ধৰিত্ৰীৰ সকলো বৰ্ণৰ কান্দোন*
*নাকান্দিবা*
*আমি আছো নহয়*
*কিন্তু এই বৰফী লোতকৰ কৰস্ৰোনদী কাৰ*
*মোৰ আমাৰ*
*তোমালোক নাকান্দিবা*
*সিঁহতৰ মুখলৈ চোৱা*
*শেতা পৰা দেহা দেখিলে*
*মোৰ*
*চকুলো সৰে*
*আমাৰ চকুলোৰ মূল্য বুজা নহয়*
*বুজিলো*
*নাতিবোৰৰ বাবে চকুলো শুকুৱাব লাগিব।*( লেখিকা)

অসমীয়া সাহিত্য ক্ষেত্ৰত কবি সমালোচক হীৰেন্দ্ৰনাথ দত্তৰ যে এটা নিজস্ব আসন আছে সেই কথা আজিৰ তাৰিখত ন দি ক'ব পাৰি। কবি সমালোচক হৰেকৃষ্ণ ডেকাই তেওঁৰ বিষয়ে কৈছে— "অসমীয়া সাহিত্যৰ ক্ষেত্ৰত হীৰেন্দ্ৰনাথ দত্তৰ বৰ বৰঙণিয়ে অধিক দৃঢ় কৰি তুলিছে। আধুনিক ধাৰাত নিজস্ব শৈলীৰে কবিতা ৰচনা কৰা এক অন্যতম বৈশিষ্ট্য হ'ল বুদ্ধিপ্ত হাস্যৰস। নিজস্ব চিত্ৰকল্পৰে কবিতা ৰচনাত মনোনিবেশ কৰি অসমীয়া সাহিত্যৰ প্ৰধান বিশজন কবিৰ অন্যতম হিচাপে নিজকে চিনাকি দিব পাৰিছিল। (অসমীয়া প্ৰতিদিন, ২১ ফেব্ৰুৱাৰী ২০১৬) অন্যহাতে বিশিষ্ট সমালোচক হীৰেণ গোহাঁইয়ে মন্তব্য কৰিছিল যে— অধ্যাপক দত্তৰ মৃত্যু অসমীয়া সাহিত্যৰ এক অপূৰণীয় ক্ষতি এই বাবেই যে তেনে অন্যান্য মানসিক গঠন আৰু সাহিত্য প্ৰতিভাৰ অধিকাৰী আমাৰ সাহিত্যত অদূৰ ভৱিষ্যতে আমাৰ সমাজত পুনৰ আৱিৰ্ভাৱ হ'ব বুলি ক'ব নোৱাৰি।

কাব্য সাহিত্যত অলপ পলমকৈ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য সম্পাদিত নৱযুগত প্ৰকাশিত 'ৰজা মাটিৰ সমাচাৰে' কবিতাৰে প্ৰৱেশ কৰা কবিজনাৰ প্ৰস্তুতিকাল কিন্তু দীঘলীয়া আছিল। "মোৰ কবিতা লিখাৰ আৰম্ভ দেৰিকৈ হৈছিল যদিও প্ৰস্তুতিকাল কিন্তু দীঘলীয়া আছিল বুলি ভাবো। সৰুৰেপৰা মই কবিতাৰ প্ৰতি একান্ত অনুৰাগী আছিলো।" (অসম উপত্যকা সাহিত্য বঁটা গ্ৰহণ কৰি দিয়া ভাষণ)


কাব্য জীৱনৰ প্ৰাৰম্ভণিৰ পৰাই একান্ত নিজস্ব শৈলীৰে কবিতা লিখা দত্তৰ কবিতাৰ বিষয়ে বিশিষ্ট সমালোচক হৰেকৃষ্ণ ডেকাই লিখিছে—

আৰম্ভণীৰপৰাই কেৱল চিত্ৰকল্প প্ৰয়াসী বা প্ৰতীক সন্ধানী নহৈ হীৰেন্দ্ৰনাথ দত্তই ৰূপক (মেটাফৰ) সমাজত সচৰাচৰ নভবা সাদৃশ্যৰ অভিনৱ সংযোজনৰ মাজেদি চিত্ৰকল্প বা আয়তন বঢ়াবলৈ প্ৰয়াস কৰিছিল। তেতিয়াৰ আলোচনী সম্পাদকসকলে এনে আচহুৱা সংলগ্নত বিমূঢ় হৈয়ে তেওঁৰ কবিতা গ্ৰহণযোগ্য বুলি ভবা নাছিল। তেতিয়াৰ ডেকা সমালোচক হীৰেণ গোহাঁইৰ দৃষ্টিগোচৰ নোহোৱা হ'লে হয়তো আমি কবি হীৰেন্দ্ৰনাথ দত্তক আজি আমি এনেকৈ নাপালোহেঁতেন। (প্ৰকাশ ঃ মাৰ্চ, ২০১৬) ডেকাই দত্তৰ কবিতাৰ বিষয়ে আৰু লিখিছে— ....প্ৰথমফালৰ কেইটামান কবিতাৰ দৃষ্টিভংগী সৰলতাৰ সলনি পাছলৈ অনুভূতি আৰু চিন্তাৰ সংলাপ ধৰ্মীতাই বৌদ্ধিক দৃষ্টিভংগীক কবিতাৰ উপৰি পৃষ্ঠলৈ লৈ আহিছে। .... তেওঁৰ কবিতাৰ ঠাঁচ অনুসৰণীয় নহয়, নতুন কবিয়ে অনুসৰণ কৰিবলৈ গ'লেই উজুটি খাব, কাৰণ চিত্ৰকল্পৰ সমাহাৰৰ মাজেদি আবেগিক পটভূমি এটাহে নাথাকে। বৌদ্ধিক অভিজ্ঞতাৰ মাজত অসৰহ বিচাৰে আৰু বৌদ্ধিক আৰু অনুভূতিৰ সংলাপৰ মাজেদি অৰ্ন্তবস্তু যি উপলব্ধিত পৰিণত হয় তাত চিন্তাৰ উপাদান থাকে। .... চুটিগল্পৰ প্ৰতি তেওঁৰ কোনো দিন ধাউতি হোৱা নাছিল। কিন্তু শেষৰ ফালৰ কবিতাবোৰত এনে ধৰণৰ চুটি গল্পধৰ্মী প্ৰকৰণ এভাগ প্ৰচ্ছন্ন হৈ থকা যেন অনুভৱ কৰো।... (উপৰোক্ত আলোচনী) তেওঁ নিজে নিজৰ কবিতাৰ বিষয়ে কৈছে— "মই জানো যে ফৰ্মৰ আধুনিক কবিতাত বিশেষ গুৰুত্ব দিয়া হয়। মই কিন্তু বিষয়বস্তুৰ ওপৰতহে বেছি গুৰুত্ব দিওঁ। মোৰ মতে বিষয়বস্তুৱেহে ফৰ্মক গঢ় দিয়ে। (উপৰোক্ত ভাষণ)

কবিজনাৰ কবিতাৰ বিষয়ে দুআষাৰ লিখিবলৈ লওঁতে মনত পৰিছে, কবি, সমালোচকজনে এঠাইত লিখিছিল— "তৰুণসকলৰ সমালোচনা নিলিখো এই কাৰণেই যে, তেওঁলোক বেয়া বুলি ক'লে ভয়লেণ্টালি বেয়া পায়, খুব বেছি বেয়া পায় আৰু এটা প্ৰব্লেম কি, ইমানবোৰ কবি আছে। ভাল এজনক যদি ভাল লিখা যায়, আন এজনৰ বিষয়ে যদি লিখা নাযায় তেওঁলোকে সেইটো বেয়া পায়।" অৱশ্যে প্ৰকাৰন্তেৰে এটা কথা উল্লেখ কৰাৰ লোভ সম্বৰণ কৰিব পৰা নাই। কিন্তু হীৰেন্দ্ৰনাথ দত্তক প্ৰত্যাহ্বান জনাবলৈ নহয়। কোনোবা পক্ষপাতিত্বমূলকভাৱে যদি সন্দেহ কৰিছে। তেন্তে ইয়াৰ নএগ্ৰাৰ্থতা তেওঁৰ মন্তব্যই প্ৰতিফলিত কৰে। (.... জীৱনৰ বিষয়ে মই যি বুজি পাইছো সেয়া হয়তো তেনেই নগন্য; কিন্তু মানৱতা সন্ধানৰ মগ্নতাই মোৰ বাবে পৰম তৃপ্তি। (উপৰোক্ত ভাষণ) সাহিত্যৰ পূৰ্ণাঙ্গ সংজ্ঞা দিয়াটো কঠিনসাধ্য। তথাপি দুটামান কথা আটাইৰে বাবে গ্ৰহণযোগ্য হ'ব বুলি অনুমান কৰিব পাৰি। তাৰ প্ৰথমটো হ'ল যে সাহিত্য এবিধ ক'লা কৃষ্টি হোৱা হেতুকে কল্পনা আৱেগ আৰু বোধ অনুভূতি ইয়াৰ উপাদান। এই উপাদানসমূহ কিন্তু সাহিত্যিকজনৰ অন্তৰত উদয় হোৱা কিছুমান প্ৰত্যয়ৰ অৱলম্বনত গঢ় লৈ উঠে।[১১] (সাতসৰী আগষ্ট ১-১৫, ২০০৫) আৰু আমিয়ো সমসাময়িক বহু কবিৰ কবিতাৰ বিষয়ে দুআষাৰ লিখিবলৈ গৈ থমকি ৰওঁ। সিহঁতক প্ৰশংসা লাগে। জনপ্ৰিয়তা লাগে। আকাশৰ সমান গৰ্ব কৰাৰ থল বিচাৰে। কিন্তু তাৰ মাজতো নগণ্য সংখ্যকে হ'লেও (যি সকলে প্ৰকৃততে কবিত্ব বজাই ৰাখে) সমালোচনা বিচাৰে। সাহিত্য থাকিবলৈ সমালোচনা থাকিবই লাগিব। ইংৰাজ সমালোচক ডাইড্ৰেন (Daydren) এ Essay of Dramatic poosy, 1668 ত লিখিছে— We are more inclined to prise what we have heard than what we have Seen. We look upon the present with cury, the past with admiration and belive ourselves eclipsed by the one while we learn from the other.

'অসমীয়া কবি আৰু কবিতা' গ্ৰন্থত কবি তথা কাব্য সমালোচক কৰবী ডেকা হাজৰিকাই কৈছে- "হীৰেন্দ্ৰনাথ দত্তৰ কবিতাৰ প্ৰৱাহ শান্ত আৰু ধীৰ। সংযত প্ৰকাশভঙ্গীৰে গভীৰ অনুভূতিৰ নিবৰ্হন তেওঁৰ কবিতাৰ বৈশিষ্ট্য। ....... জীৱনৰ কিছুমান স্বপ্নীল মুহূৰ্তৰ স্মৃতি আৰু তাৰ লগে লগে পৃথিৱীৰ অসুন্দৰ দিশটোৰ প্ৰতি সজাগতা, এই দুই বিন্দুত কবি দত্তৰ অনুভৱ বিয়পি আছে। কিছুমান কবিতাত তেওঁৰ চেতনা বৌদ্ধিকভাৱে অত্যন্ত সপ্ৰতিভ। ..... কবি দত্তৰ কবিতাসমূহৰ মাজত তেওঁৰ কবি প্ৰাণৰ অনুভূতি প্ৰকাশ পাইছে।" এতেকে সংখ্যাত কম হ'লেও তেওঁৰ কবিতাৰ সজীৱতা চিৰন্তন আৰু তেওঁৰ কবিতাৰ এখন নিজা আসন অসমীয়া সাহিত্যত যে থাকিবই তাত কোনো সন্দেহ থাকিব নোৱাৰে।

**হীৰেন্দ্ৰনাথ দত্তৰ এটা কবিতা ঃ** হীৰেন্দ্ৰনাথ দত্তৰ যি দুই এক কবিতা পঢ়িছো তাত আমি পাওঁ বৌদ্ধিক তথা চুটিগল্পধৰ্মী চমৎকাৰ আৰম্ভণি আৰু একে পথেৰে সামৰণি। কবিৰ আবেগ সংযত



তথা কবি কল্পৰ মনত বাস্তৱিক চিত্ৰ সুশ্ৰী শব্দ বান্ধোনৰ এক চিৰন্তন কবিৰ জটিল মনস্তাত্বিক অথচ সৰল চিত্ৰৰ বহিঃ প্ৰকাশ। সাধাৰণ পাঠকক কান্ধত ৰাখিও যেন সকলো পাঠকৰ বাবে ৰৈ থাকে। বহুল বৰ্জিত সংযত অথচ পাঠকে যেন নিজে আৰু বিচাৰি পায় বহু কিবা কিবি। দৃষ্টান্তমূলকভাৱে কবিজনাৰ এটা শেহতীয়া কবিতা 'প্ৰজন্ম প্ৰভেদ লোৱা হ'ল' কবিতাটি কবিয়ে প্ৰকৃতাৰ্থত কি পটভূমিত ৰচনা কৰিছে সেয়া আমি নাজানো। কিন্তু পাঠক হিচাপে কবিতাৰ আলম লৈ আমি পাঠকৰ স্বাধীনতাৰ দৃষ্টিভংগীৰে কবিতাটো চাবলৈ যত্ন কৰিছোঁ।

কবিতাটো প্ৰথম পঠনত এনে লাগে যেন ই এটা অতি সংযত চুটি গল্প। পিছ মুহূৰ্তত আকৌ এনে বোধ হয় নহয় ই এটা অতি সংযত কবিতাহে। প্ৰকাৰন্তৰে এটা কথা কৈ থওঁ তেওঁৰ কবিতাৰ নামবোৰ যেন একো কবিতাৰ অৰ্থ কঢ়িয়াই নুফুৰে। কিন্তু পিছ মুহূৰ্তত অৰ্থাৎ কবিতা পঠনৰ শেষত পাঠকে নামতো যে এটা কবিতা তাক নিজে আৱিস্কাৰ কৰে। অৰ্থাৎ তেওঁৰ উক্ত কবিতাটো পাঠ কৰি নবীন সমালোচক এম কামালুদ্দিন আহমেদে লিখা এটা কথা উল্লেখ কৰাৰ লোভ সম্বৰণ কৰিব পৰা নাই। তেওঁ কবিতাটোৰ সন্দৰ্ভত কৈছে- "ভাষাৰ ক্ষেত্ৰত বিৰল সিদ্ধি লাভ কৰিবলৈ সক্ষম হৈছে দত্তই। দৈনন্দিন জীৱনত ব্যৱহৃত কেতবোৰ শব্দ আৰু বচন ভংগীৰ জৰিয়তে কালাতীত, স্থানাতীত কেতবোৰ সত্য যেতিয়াই কবিয়ে মূৰ্ত্ত কৰিবলৈ বিচাৰিছে, তেতিয়াই তেওঁৰ অসামান্য দখলৰ কথা প্ৰতীয়মান হয়। কেৱল সেই প্ৰসঙ্গতে নহয়, প্ৰাত্যহিক বাস্তৱত ব্যৱহৃত শব্দৰ ওপৰতো নতুন নতুন ব্যঞ্জনা আৰোপিত হৈ পটুৱৈৰ মনত বিস্ময়কৰ অভিব্যঞ্জনা প্ৰদান কৰে। নিশ্চয়কৈ 'প্ৰজন্ম প্ৰভেদ' কবিতাটো তাৰ ব্যতিক্ৰম নহয়। কবিতাটোত যেন এটা জীৱন্ত সমাজৰ দলিলস্বৰূপ কাহিনী আছে আৰু ইয়ে বহু জীৱন্ত চিত্ৰ আঁকে। মন কৰিবলগীয়া কথাটো হ'ল কবিয়ে পাঠকক এই স্বাধীনতা দিছে যে পাঠকে চুটি গল্পৰ দিশেৰেও যাব পাৰে আৰু কবিতাৰ পঠনৰ দিশেৰেও যাব পাৰে। কিন্তু কবিয়ে এই কথাও মনত পেলাবলৈ বাধ্য কৰাইছে যে পাঠকে শেষ মুহূৰ্তত অনুভৱ কৰিব যে তেওঁ ভাল কবিতা এটা পঢ়িলে। কবিতাটিৰ আৰম্ভণি স্তৱকটো চোৱা যাওক—

সেইটো এটা জোৰদাৰ অসম বন্ধৰ দিন
আছিল
চহৰখনৰ এটা ব্যস্ত চাৰিআলিত বেলি
লহিওৱাৰ পৰত
হাতত লাঠি লৈ খোজ কঢ়া এজন
অশীতিকৰ সুশ্ৰী বৃদ্ধই
বন্ধ বলবৎকাৰী জুমটোৰ ওচৰ চাপি
আহিল,

কবিতাটো সম্ভৱতঃ আমি এনেকৈ ল'ব পাৰো যে দীন-দৰিদ্ৰ লোকসকলে প্ৰজন্মৰ পিছত প্ৰজন্ম দৰিদ্ৰতাৰ চক্ৰবেহুৰ পৰা মুক্তি লাভ কৰিব পৰা নাই। তেওঁলোকৰ হাজাৰবাৰ সংগ্ৰাম অথলে যাবলৈ বাধ্য।

আমাৰ দীৰ্ঘম্যাদী সংগ্ৰামৰ ফল
যেতিয়া ফলিয়াব তেতিয়ালৈকে
তেওঁ বাচি নাথাকিব বুলি ভাৱিহে
স্থান কাল পাহৰি শেষত আতুৰ হৈছে।

'প্ৰজন্ম প্ৰভেদ' শীৰ্ষক কবিতাটিত কবিয়ে প্ৰতীক হিচাপে লোৱা বুঢ়া মানুহজনে জীৱন্ত অথচ নীৰৱে সকলো চাই থাকিবলৈ বাধ্য। অথচ নতুন প্ৰজন্মই আশা কৰিছে তেওঁ যেন নিৰাশ হ'ব নোখোজে।

এই বান্ধোন আশাৰো আৰু বেজাৰৰো...
.... কোনো টটাটিজা এজনৰ কণ্ঠস্বৰ ....
সোঁ চকুৰে এলোৱা হৰিষৰ আৰু
বাঁও চকুৰে ওলোৱা বেজাৰৰ চকু পানী
নেদেখা সূতাৰে গঁথা।

মুঠতে কবিতাটিত বিশাল নিৰাশাবাদৰ মাজতো সৰল আশাবাদৰ অনুৰণন দেখিবলৈ পোৱা যায়। প্ৰকৃতিও মানুহৰ ধ্যান ধাৰণা সময় পৰিৱৰ্ত্তনৰ লগে লগে হোৱা পৰিৱৰ্ত্তনৰ চাপো কবিতাটিৰ আন এক মন কৰিবলগীয়া দিশ। আন এক মন কৰিবলগীয়া দিশ হ'ল বহু কথা ক'ব খুজিও কবিয়ে প্ৰত্যক্ষভাৱে নকয় অথচ পাঠকে কথাবোৰ নিজে নিজে ক'বলে বা ভাবিবলৈ বাধ্য হয়।

আমি বহু দেৰিকৈ সাৰ পালো .....
... মোৰ মতে এনে হ'ব পাৰে যে ডেকাকালত ......

চমু অৰ্থত আলোচ্য কবিতাটি সংযত তথা বৌদ্ধিক ও দ্বৰ্থকহীন এক ব্যঞ্জনাত্মক সহজ সৰল অথচ জটিল মনস্তত্বৰ সমসাময়িক এটা অসমীয়া কবিতা।

❖❖❖

**ৰোমন্থন**

# হোষ্টেলত বিশ্বজয়ৰ আনন্দ

**প্ৰাঞ্জল দাস**

দীঘলীয়া পাতনি নেমেলোঁ। জেলেপীৰ পাকৰ দৰে পাক দি লেখাৰ সৌন্দৰ্য বৃদ্ধি কৰাৰ হাবিয়াসো নাই। মোৰ খুব স্মৰণীয় এটা বিশেষ দিনৰ বিৱৰণেৰে ৰোমন্থনৰ পৃষ্ঠা পূৰ কৰিব বিছাৰিছোঁ।

সেইদিনা আছিল ২০১১ চনৰ ২ এপ্ৰিল। শনিবাৰ। সমগ্ৰ ভাৰতবৰ্ষৰ বাবে এক গৌৰৱময় দিন। মিছা নকওঁ, সেইদিনা অলপ দেৰিকৈয়ে মই বিচনাৰপৰা উঠিছিলোঁ। দেখিছিলো আমাৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পদ্মনাথ গোহাঞিবৰুৱা ছাত্ৰ নিৱাসত এক উৎসৱমুখৰ পৰিৱেশ। মই প্ৰথমে ধৰিবই পৰা নাছিলো সেইদিনা আচলতে কি হৈছিল? ১৫ আগষ্ট নতুবা সৰস্বতী পূজাতহে আমাৰ হোষ্টেলত এনে ব্যস্ততা দেখা যায়। অৱশ্যে, তাৰ মাজে মাজেও চাফাই অভিযান, ব্লাড ডনেশ্বন, ভলীবল প্ৰতিযোগিতা আদিত ব্যস্ততা দেখা যায়। কিন্তু আজিৰ ব্যস্ততাটো বেলেগ ধৰণৰ। আমাৰ মজিয়াৰ ল'ৰাবোৰে মজিয়া চাফা কৰি আছিল।

আমাৰ মজিয়ালৈ সাংবাদিক আহিছিল সেইদিনা। এজনৰ হাতত বাঁহৰ মাৰি এডালত কাপোৰেৰে মেৰিয়াই বনোৱা নকল মাইক্ৰফোন, কাণত আকৌ হেড ফোন। আনজনে আকৌ ডিজিটেল কেমেৰা এটা লৈ আমাৰ ফালে ভিডিঅ' কৰি আছিল। নকল মাইক্ৰফোন লৈ থকাজন মোক উদ্দেশ্যি প্ৰশ্ন কৰিছিল- "১৯৮৩ চনৰ আজিৰ এই শুভ দিনটোতে ভাৰতে বিশ্বজয় কৰিবলৈ সক্ষম হৈছিল। ১৯৮৩ চনৰ সেইদিনাও ২ এপ্ৰিল শনিবাৰেই আছিল। গতিকে আপুনি ভাবে নেকি ১৯৮৩ চনৰ সেই শুভ দিনটোৰ পুনৰাবৃত্তি আজি আকৌ হ'ব বুলি।" অলপ সময় ৰৈ মই উত্তৰ দিছিলো- "নিশ্চয়কৈ পাৰিব।" আকৌ প্ৰশ্ন কৰিছিল- "আজি কোনে আটাইতকৈ বেছি ৰাণ কৰিব বুলি আপুনি ভাবে? শচীন মোৰ প্ৰিয় ক্ৰিকেটাৰ যদিও উত্তৰত মই গম্ভীৰৰ কথাহে কৈছিলো। তৃতীয়টো প্ৰশ্ন কৰিছিল- "শচীনক ভাৰতীয় খেলুৱৈসকলে বিশ্বকাপ ট্ৰফীটো উপহাৰ দিম বুলি প্ৰতিশ্ৰুতিবদ্ধ। সেয়া সম্ভৱ হ'বনে?" এনেদৰেই আমাৰ মজিয়াত মোৰ লগতে আন কেইবাজনো সতীৰ্থক প্ৰশ্ন সুধি সাংবাদিক বন্ধু দুজন আন মজিয়ালৈ গুচি গ'ল। ময়ো গা-পা ধুই দহমান বজাত হোষ্টেলৰ ভিতৰত থকা 'ৰংঘৰ' অৰ্থাৎ টি.ভি. থকা কোঠাটোলৈ গ'লো। দেখিলো তাত এক বিশাল আয়োজন। টি.ভি. থকা কোঠাটোৰ মজিয়াখন মোচি চকচকীয়া কৰি থৈছে। কেইজনমানে গোটেই কোঠাটো ভালকৈ সজোৱাত ব্যস্ত। কোনোবাই বেলুন লগাইছে, কোনোবাই ফুল কাগজ লগাইছে, কোনোবাই বেঞ্চ-ডেস্ক ঠিক কৰিছে, কোনোবাই আকৌ টি.ভি. থকা টেবুলখন ঠিক কৰিছে। কেইজনমানে আগফালে বহিব পৰাকৈ কঠ পাৰিছে। কোনোবাই আকৌ পইচা তুলিছিল বজাৰৰপৰা ভাৰতৰ জাতীয় পতাকা আনিবলৈ। বি ব্লকৰ দ্বিতীয় মজিয়াত হাত, মুখ, গাল, পেট, পিঠিত টাটু অঁকাত এদল ছাত্ৰ ব্যস্ত আছিল। কাৰোবাৰ গালত পতাকা, কাৰোবাৰ পিঠিত পতাকা, কাৰোবাৰ পেটত পতাকা, কোনোবাই আকৌ নিজৰ স্পৰ্টিঙত 'INDIA' বুলি লিখি লৈছে। মুঠৰ ওপৰত এক সাংঘাটিক ব্যস্ততা, এক উৎসৱমুখৰ পৰিৱেশ।

অৱশেষত সেই বহু অপেক্ষিত সময় আহি পালেহি। ৰংঘৰত হোষ্টেলৰ আৱাসীয়ে ভৰি পৰিল। খেল আৰম্ভ হৈছে। সকলোৰে মনত উৎসুকতা। ভাৰতে প্ৰথম ফিল্ডিং কৰিছিল। খুব সাৱধানেৰে জাহিৰ খানে প্ৰথম অভাৰটো কৰিছিল। বিশেষ ৰাণ হোৱা নাছিল।



এটা ভাল অভাৰ বুলি ক'ব পাৰি। তেনেতে লাগিল অথন্তৰ। ৰংঘৰটোত যেন কিবা বোমা বিস্ফোৰণহে হ'ল। ঠিক তেনেকৈয়ে চিঞৰিছিল ল'ৰাবোৰে— "কাৰেণ্ট লাগে, কাৰেণ্ট।"

সকলোৰে ফোনবোৰ ব্যস্ত হৈ পৰিছিল— "কিমান ৰাণ হৈছে, কোনে বল কৰিছে, কোনে মাৰিছে, কাৰেণ্ট কিয় গ'ল, কিমান সময়ত আহিব ইত্যাদি ইত্যাদি কথাৰে। গম পোৱা গ'ল যে গাড়ী এখনে খুন্দা মাৰি কাৰেণ্টৰ খুটা এটা মহতিয়ালে। যাৰ বাবে কাৰেণ্ট গ'ল। এদল ল'ৰাই কাৰেণ্টৰ খুটা ভাল কৰিবলৈ ইলেক্টিচিটি মানুহৰ লগত কথা পাতিলে। কেইজনমান গ'ল বেলেগত খেল চাবলৈ। ৰক্ষা কম সময়ৰ ভিতৰতে কাৰেণ্টটো আহিল।

আকৌ সকলো খেল চোৱাত মগ্ন। উইকেট পৰাৰ লগে লগে চিঞৰ, উকি, ঢোল, তাল, ড্ৰাম, কাঁহী বাজি থাকিল। টি.ভি.ৰ একেবাৰে সন্মুখত এজন পূজাৰীও বহিল। ভাৰতক জিকাবলৈ। উইকেত পৰাৰ লগে লগে তেখেতৰ মুখত এনে অভিব্যক্তি ফুটি উঠে যেন উইকেতটো তেওঁহে লৈছে। কেইজনমানে আকৌ শ্ৰীলংকাৰ বেটছমেনে চাৰি, ছয় মাৰিলেই নিজৰ তাবিছটো নতুবা চেইনডাল খুলি টি.ভি.টোত লগাই দিয়ে আৰু কয়—"চুঃ ভগৱান, উইকেট পৰিলেই হ'ল।" কেইজনমানে আকৌ চিঞৰি উঠে— "ঐ গাধ, আঁতৰ হ, আমি দেখা নাই।"

মুঠৰ ওপৰত হাঁহি, ফুৰ্তি, ভয়, বিস্ময়, আশ্চৰ্যৰপৰা আৰম্ভ কৰি পূজা পাতললৈকে এক সাংঘাটিক ব্যস্ততা। শ্ৰীলংকাই ২৮৩ ৰাণৰ বৃহৎ লক্ষ্য ভাৰতক জয়ৰ বাবে বান্ধি দিলে। মাহেলা জয়াবৰ্ধনে চেঞ্চুৰী কোবালে। লক্ষ্য বৰ বেছি কঠিন নহ'লেও সহজো নাছিল।

ভাৰতৰ ইনিংছ আৰম্ভ হ'ল। অলেখ জল্পনা-কল্পনা। কিন্তু, ভাৰতৰ আৰম্ভণি মুঠেই সুখকৰ নাছিল। খুব কম সময়ৰ ভিতৰতে ভাৰতৰ দুই মহাৰথী সেহবাগ আৰু শচীন পিভিলিয়নলৈ উভতিছিল। ক্ৰিকেটৰ ঈশ্বৰ বুলি খ্যাত শচীনে তেখেতৰ বেটিং কৌশল দেখুৱাইছিল যদিও বেছি সময় নিটিকিল। সকলোৰে বিশ্বজয়ৰ আশাত চেচাঁপানী পৰিল। পূজা-পাতল, চিঞৰ-বাখৰবোৰ কমি মাজে মাজে গোটেই পৰিৱেশটো নিস্তব্ধ হৈ পৰিছিল। সেই সময়তে ভাৰতৰ ত্ৰাণকৰ্তাৰূপে থিয় দিছিল গৌতম গম্ভীৰ। সহযোগ কৰিছিল বিৰাট কোহলিয়ে। দুয়ো প্ৰাৰম্ভিক বিপৰ্যয় কিছু পৰিমাণে ৰোধ কৰিছিলহে, তেনেতে ধীৰ স্থিৰেৰে খেলি নিজৰ দক্ষতাৰ প্ৰমাণ দিয়া বিৰাট কোহলিও আউট হয়। বিৰাটে ব্যক্তিগত ৩১ ৰাণৰ ইনিংছ খেলে। ইয়াৰ পাছতে সকলো বিপদ মূৰ পাতি ভাৰতক বিজয়ৰ সোৱাদ দিবলৈ বীৰদৰ্পে আগবাঢ়ি আহিল অধিনায়ক মহেন্দ্ৰ সিং ধোনী। চকুত অলেখ সপোন। বিশ্বজয়ৰ চিকমিকনি। মহেন্দ্ৰ সিং ধোনী আৰু গৌতম গম্ভীৰ কোনোজনেই শ্ৰীলংকান বলাৰক সহজে এৰি দিয়া নাছিল। সুযোগ পালেই প্ৰহাৰ কৰিছিল। বিজয়ৰ দুৱাৰ দলিত দলক উপস্থিত কৰাই ব্যক্তিগত ৯৭ ৰাণত গৌতম গম্ভীৰ আউট হয়।

ইয়াৰ পাছতে বিশ্বকাপৰ প্ৰতিখন খেলতে নিজৰ ধাৰাবাহিকতা বজাই ৰখা যুৱৰাজ সিং আহে ক্ৰিজলৈ আহিয়েই তেখেতৰ বেটিং বিক্ৰম দেখুৱাবলৈ আৰম্ভ কৰিছিল। ২০১১ চনৰ বিশ্বকাপৰ মেন অৱদা ছিৰিজ পাবলৈ সক্ষম হোৱা যুৱৰাজ সিং সেই সময়ছোৱাত মহাব্যাধী কৰ্কট ৰোগত আক্ৰান্ত আছিল বুলি পিছত ধৰা পৰিছিল। তথাপি, লক্ষ্য যদি বজ্ৰ কঠোৰ হয়, বাধা যিমানেই পৰ্বতসম নহওঁক তাক হেলাৰঙে পাৰ কৰিব পাৰি। এই কথা যুৱৰাজ সিঙে দেখুৱাই দিলে।

অৱশেষত ধোনীৰ এটা বিশাল ছয়েৰ ভাৰতে বিশ্বজয় কৰিবলৈ সক্ষম হ'ল। আমাৰ হোষ্টেলৰ ৰংঘৰত স্ফুৰ্তিৰ দাৱানল। ঢোল, তাল, দবা, কাঁহী, বেঞ্চ-ডেক্স আদি শব্দৰ ঝনঝননি। কি বিহুগান! এজনে লগাই দিলে—

"বিশ্বকাপৰ ফাইনেলত আজি অকলেই যুঁজিলে,  
অকলেই যুঁজিলে  
নিজৰ প্ৰতিভা ফুটাই তুলিলে,  
গম্ভীৰে ফুটাই তুলি  
গম্ভীৰৰ লগে লগে ধোনীয়েও মাৰিলে  
ধোনীয়েও মাৰিলে  
এনেকৈয়ে দুয়োয়ে ভাৰতক জিকালে।"

আঃ কি বিশ্বজয়ৰ আনন্দ! শচীনৰ বহুদিনৰ সপোন পূৰ হ'ল। এটি সৰু কণমাণি ল'ৰাৰ দৰেই শচীনে আঙুলি কামুৰি কামুৰি খেল পথাৰলৈ সোমাই গৈছিল। খেলুৱৈ কেইজনমানে শচীনক কান্ধত তুলি গোটেই খেলপথাৰ ঘূৰালে। শচীনক বিশ্বকাপ জয়ৰ সোৱাদ দিলে। আনফালে আমাৰ ৰংঘৰত বিহু, ঝুমুৰ, চিঞৰ-বাখৰ, নাচ-গান, হাঁহি তামাচা। এম্বুলেঞ্চো আহিল আমাৰ পদ্মনাথ গোহাঞিবৰুৱা ছাত্ৰ নিবাসৰ চৌহদলৈ। কোনোবাই দুখ পালে বোলে। এটা সময়ত গোটেই ল'ৰাবোৰ নাচি-নাচি গান গাই গাই হোষ্টেল চৌহদৰ বাহিৰলৈ ওলাই গৈছিল। তিনিআলিত মফিজুদ্দিন আহমদ হাজৰিকা ল'ৰা হোষ্টেল, মণিৰাম দেৱান ল'ৰা হোষ্টেল, প্ৰফেচনেল হোষ্টেলৰ ল'ৰাবোৰো লগ লাগিলহি। সকলো চিঞৰ-বাখৰ, গান-নাচত মাতাল আহি আহি ল'ৰাৰ দলটো ছোৱালী হোষ্টেলৰ গেটৰ সন্মুখ পালেহি। হাতত বিশ্বজয়ৰ জাতীয় পাতাকা। নলিনীবালা, জয়মতী, আইদেউ সন্দিকৈৰ ছোৱালীবোৰো গেটৰ সন্মুখলৈ আহি চৌহদৰ ভিতৰৰপৰাই নাচি স্ফুৰ্টি কৰিলে। তাৰ পাছত দলটো জ্যোতি বাটচ'ৰা পাইছিলহি। অৱশ্যে, নৈশ চকীদাৰে গেট খুলি নিদিয়াৰ বাবে বিশ্ববিদ্যালয় চৌহদৰ বাহিৰ ওলাব নোৱাৰিলে। যাৰ বাবে নৱ-ছাত্ৰী নিবাসৰ ফালেদি এপাক হৈ ল'ৰাবোৰ নিশা প্ৰায় ২.০০ মান বজাত নিজৰ নিজৰ আৱাসত সোমালেগৈ। এনেদৰেই উদ্‌যাপিত কৰিছিল হোষ্টেলত বিশ্বজয়ৰ আনন্দ।

শেষত, ব্যস্ততাৰ ফাঁকে ফাঁকে আমি হেৰাই গৈছো। 'আমি'ৰপৰা হৈ পৰিছো 'মই'। কিন্তু এনেধৰণৰ বিশেষ দিনবোৰৰ স্মৃতিয়ে আমাক কেতিয়াবা কিছু সময়ৰ বাবে হ'লেও 'মই'ৰপৰা 'আমি' কৰি তোলে। সেয়ে আমি সুযোগ পালেই এনেধৰণৰ বিশেষ দিনবোৰ পূৰামাত্ৰাই উপভোগ কৰিব লাগে। আন্তৰিকতাৰে, সততাৰে। জানোচা 'মই'ৰপৰা 'আমি' হৈ থাকো!

❖❖❖

পৰ্যালোচনা

## পকেটত আছেনে ?

# ছাত্ৰ শক্তি ব্যৱহাৰ আৰু অপব্যৱহাৰ




### শোভামণি দত্ত

"এবাৰ কাৰখানাৰ কৰ্মচাৰী এগৰাকী সচৰাচৰ ঘৰলৈ অহা সময়তকৈ আগত আহি এটি নৰ শিশুক নিজৰে ল'ৰা -ছোৱালীৰ লগতে খেলি থকা দেখা পালে। তেওঁ শিশুটোৰ কথা পৰিবাৰৰপৰা জানিব বিচাৰিলে। পৰিবাৰে উত্তৰ দিলে— 'তোমাৰ কনিষ্ঠ পুত্ৰ'— এই অজ্ঞতাৰ কাৰণ আছিল শিশুটো শুই উঠাৰ পূৰ্বে ঘৰ এৰা আৰু শিশুটো টোপনি যোৱাৰ পাছত নিশা ঘৰত সোমোৱা। তেনেকৈয়ে তেওঁ শিশুটোক ডাঙৰ হোৱা দেখিবলৈ পোৱা নাছিল। (২৯ পৃষ্ঠা)"

গল্পটো অতিৰঞ্জিত যেন লাগিছে নেকি ? ৰ'ব নিজৰ গাত এবাৰ চিকুত মাৰি চাওঁকচোন ! যি পৰ্বতসম কাৰকেই নহওঁক কিয় আজিৰ তাৰিখত আমি উপৰোক্ত গল্পৰে বাস্তৱিক ৰূপ নহওঁনে ? বাৰু গল্পটো মই কোনখন Great Book ৰ পৰা তুলি আনিলো ? নাই, নাই মই Great Book বুলি আৱদাৰ নকৰো বাৰু। কিন্তু Important book। অ ! অ ! Very important book। কিন্তু book বুলি কওঁ জানো ? ৰচনা ? অ ! এখন নীতিদীৰ্ঘ ৰচনা। অ' পাহৰিছোৱেই ছ..ৰি আপোনাক সুধা নাই নেকি— পকেটত আছেনে ? এতেকে life long important pocket book বোলো। হেৰা ঠিকেই; আজিকালি সময়েই বা ক'ত ডাঙৰ ডাঙৰ Volume ৰ কিতাপ পঢ়াৰ। লাগিলে ই যিমানেই important নহওঁক। ঠিক তেনেহ'লে আপোনাৰ নিৰ্বাচন সঠিক। আছে নহয় কিতাপখন— 'ছাত্ৰশক্তি ব্যৱহাৰ আৰু অপব্যৱহাৰ।' মনত ৰাখিব এটা বাক্যও আপোনাৰ জীৱনৰ, আপোনাৰ সন্তানৰ Turning Point হ'ব পাৰে।

ছাত্ৰ শক্তি ! ছাত্ৰ শক্তি কিমান বাৰু ? ইয়াক আমি সঠিক ৰূপত ব্যৱহাৰ কৰিব পাৰিছোনে ? ইয়াৰ অন্তৰালত কেনেবোৰ উপাদান নিহিত হৈ থাকে বাৰু ? এইবোৰ প্ৰশ্নৰ উত্তৰ আমি নাজানোনে ? জানো জানো; সেইকাৰণেইটো আজিৰ এই সামাজিক দশা। তাৰমানে আমি সঠিক ৰূপত অনুধাৱন নকৰিও পাৰোঁ। অ' আমাৰ understanding নিখুঁট নহ'বও পাৰে। বাৰু এনেকুৱাও হ'ব পাৰে নেকি যে আমাৰ ওচৰত চিকিৎসক এজনৰ বাবে প্ৰয়োজনীয় আটাইবোৰ আহিলা আছে অথচ আমাৰ চিকিৎসা সম্পৰ্কীয় জ্ঞান ৰিক্ত এতেকে ৰোগীজন আমাৰ ওচৰতে থাকিও মৰিবলৈ বাধ্য।

'আজিৰ ছাত্ৰ শক্তিয়ে কাম্যৰূপত প্ৰকাশ নাপায় যদিও নিজকে এই ৰূপত প্ৰকট কৰে। সম্পূৰ্ণ এই দোষটো ছাত্ৰক দিব নোৱাৰি। আপোনাৰ আঙুলিটো জুইত ৰাখি নজ্বলাকৈ থাকিব বুলি আশা কৰিব নোৱাৰি।' (৬ পৃষ্ঠা)

নিঃসন্দেহে 'ছাত্ৰ শক্তি' বুলিলে পোনতে আমাৰ মনলৈ আহে শিক্ষাৰ কথা। আমি নকওঁ জানো— Plants are developed by cultivation and men are by education কিন্তু এই শিক্ষা কেনে হোৱা উচিত ? এই সম্পৰ্কে পুথিখনে সদোত্তৰ দিছে— শিক্ষা বুলিলে জ্ঞান আহৰণক বুজাব। কৃতকাৰ্য্যতাৰ ক্ষেত্ৰত, সম্পদ আহৰণৰ ক্ষেত্ৰত, ক্ষমতাৰ ক্ষেত্ৰত অথবা আনকি এখন বিশ্ববিদ্যালয়ৰ উপাধি লাভৰ ক্ষেত্ৰত হ্ৰস্বপথ থাকিব পাৰে কিন্তু জ্ঞানৰ ক্ষেত্ৰত নহয়। (পৃষ্ঠা ১৩) জ্ঞান অনুধাৱন কৰাৰ ক্ষেত্ৰত অধ্যৱসায় আৰু সৎ প্ৰচেষ্টাই হৈছে জীৱনৰ বিবিধ সমস্যাৰ সন্মুখীন হোৱা সময়ত প্ৰয়োজন হোৱা শ্ৰেষ্ঠতম সুৰক্ষা। (পৃষ্ঠা- ১৪)

আজিৰ তাৰিখত ছাত্ৰ শক্তিয়ে কি নকৰে বাৰু ?ছাত্ৰই নিজৰ শক্তিক কিমান অপব্যৱহাৰ কৰে তাৰ জানো দৃষ্টান্ত দিয়াৰ প্ৰয়োজনীয়তা আছে। ইয়াৰ কাৰণ কি বাৰু ? ঠিকেই জাতীয় চেতনাৰ অভাৱ ! বৰ্তমান অৱস্থাতো আমি যদি চালি জাৰি চাওঁ তেন্তে আমি দেখিম যে আমাৰ জাতীয় চেতনাই ইয়াৰ মূল কাৰণ। (পাতনি)। শিক্ষা ব্যৱস্থাৰ প্ৰতি থকা আক্ৰোশ মনোভাৱৰ বাবে আমি বহু সময়ত আমাৰ শক্তিৰ অপসাৰণ কৰো নেকি বাৰু ? কিন্তু কোৱা হয়— The student is a dicsple; that is, he accepts and follows the decspline pescribed by teacher for the development of his mind.। পুথিখনত দ্ৰষ্টব্য আছে— ছাত্ৰ এগৰাকীৰ প্ৰথম অৰ্হতা হৈছে জ্ঞানৰ প্ৰতি তৃষ্ণাতুৰ হোৱা। (২৪ পৃষ্ঠা)

ছাত্ৰ আৰু পিতৃ-মাতৃৰ সম্পৰ্ক কেনে হোৱা উচিত বাৰু ? ছাত্ৰ অৱস্থাত প্ৰদান কৰা প্ৰশিক্ষণ আৰু শিশু মনৰ চাপবোৰ ওৰেতো জীৱনলৈ সঞ্চিত হৈ থাকে। (পৃষ্ঠা- ২৬) তেওঁলোকক সিদ্ধান্তবোৰ জাপি দিব নালাগিব আৰু বিজ্ঞতাৰে কাৰ্য সমাপন কৰিব লাগিব। (পৃষ্ঠা- ৩১) ল'ৰা-ছোৱালীয়ে বুজি পাব লাগিব যে তেওঁলোক নিজেও এদিন পিতৃ-মাতৃ হ'ব। (৩২ পৃষ্ঠা) আমি নকওঁ জানো— Home is the best school and mother is the best teacher.

ছাত্র শক্তি বোলোতে শিক্ষকৰ কথা জানো নকলেই হ'ব? Teacher is the friend, philosopher and guide নকয় জানো? পুথিখনত এই সম্পৰ্কে আছে— ছাত্ৰ-ছাত্ৰীৰ লগত তেওঁৰ সম্পৰ্ক শ্ৰেণীকোঠাৰ পাঠদানৰ সৈতে শেষ হৈ যাব নালাগিব। এই সম্পৰ্ক আনুষ্ঠানিক অথবা কৃত্ৰিম নহৈ মানবীয় হ'ব লাগিব। (পৃষ্ঠা- ২১) শিক্ষকসকলৰ বিষয়ে আৰু লিখিছে— শিক্ষকসকলে সঘনাই আপত্তি কৰা দেখা যায় যে ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকক সন্মান নকৰে। তেওঁলোকে বোধহয় পাহৰি গৈছে সন্মান দাবী কৰা নহয় বৰঞ্চ ইয়াক আদায়হে কৰা হয়। (পৃষ্ঠা- ২১)

ছাত্ৰই ৰাজনীতি কৰা উচিতনে? ছাত্ৰ-শিক্ষক দুয়োৰে সংকল্প গ্ৰহণ কৰিব লাগিব যে তেওঁলোক সক্ৰিয় ৰাজনীতি বৰ্জন কৰিব যেতিয়ালৈকে তেওঁলোকে তেওঁলোকক শৈক্ষিক জীৱনৰ প্ৰতি সমৰ্পিত থাকিব। (পৃষ্ঠা-২৫)

ছাত্ৰ আৰু সমাজৰ সম্পৰ্ক কেনে হ'ব লাগে? যদি যুৱ চামৰ বৰ্তমান পুৰুষে দায়িত্বহীন আচৰণ কৰে তেওঁলোকে সমাজক নাশ কৰাৰ লগতে অৱশেষত নিজকে ধ্বংস কৰিব। (পৃষ্ঠা-৩৩)

ঠিক একেদৰে ছাত্ৰ আৰু অনুসৰণ প্ৰৱণতা (অন্যক অনুসৰণ কৰাটো মানৰ প্ৰকৃতি। .... নিজৰ ব্যক্তিত্বক বজাই ৰখাটো জীৱনৰ এটা উত্তম নীতিবাক্য (পৃষ্ঠা-৩৬), ছাত্ৰ আৰু ধৰ্ম, (ধৰ্ম ভুলৰ বাবে এনে ঘটনা ঘটা নাই, ঘটিছে কিন্তু ধৰ্মৰ পবিত্ৰতাৰ ভুল বুজাবুজিৰ বাবেহে। (পৃষ্ঠা-১৪) শিক্ষাৰ আদৰ্শ (শিক্ষাই সুসংহত ব্যক্তিত্ব আৰু সৎ চৰিত্ৰ নিৰ্মাণ কৰাত সহায়ক হোৱা উচিত। (পৃষ্ঠা-৪৯) ছাত্ৰ আৰু ভাৰতীয় আদৰ্শ, ছাত্ৰ আৰু ভাষা সমস্যা. (সৰ্বশেষত নক'লৈও হয় যে অন্ততঃ নিম্ন স্তৰৰ শিক্ষা ব্যৱস্থাত আঞ্চলিক ভাষাই শিক্ষাৰ মাধ্যম হোৱা উচিত। (পৃষ্ঠা-১৭) আদিৰ বিষয়ে বিস্তৃত ৰূপত ক্ষুদ্ৰ কলেৱৰৰ গ্ৰন্থখনত যথোচিত সুদোত্তৰ দিবলৈ প্ৰয়াস কৰা হৈছে।

চমু অৰ্থত এনেকৈ ক'ব পাৰি ছাত্ৰ শক্তিৰ অপব্যৱহাৰ নকৰাকৈ কেনেকৈ সৎ ব্যৱহাৰ কৰিব পাৰি তাৰ আটাইবোৰ মন্ত্ৰ হাতীক মাৰি ভুৰুকাত ভৰুৱাৰ দৰে অতি ক্ষুদ্ৰ কলেবৰৰ গ্ৰন্থখনত বিৱৰণ দিবলৈ প্ৰয়াস কৰা হৈছে। ছাত্ৰ শক্তিত নিহিত হৈ থকা ছাত্ৰ, শিক্ষক, অভিভাৱক সকলোৰে বাবে পুথিখন অৱশ্যে পঠনীয়।

পুথিখন ইংৰাজী ভাষাত স্বামী হৰ্ষানন্দই লিখা STUDENT POWER (In use and Abuse) ৰ অসমীয়া অনুবাদ কৰি আদৰ্শ শিক্ষক, ৰাজ্যিক শিক্ষক সন্মান বঁটা প্ৰাপক লেখক ঢুণ্ডিৰাজ উপাধ্যায়েই সোনত সুৱগা চৰাইছে। কিতাপখনৰ অনুবাদ সম্পৰ্কে ক'বলৈ গৈ বেজবৰুৱাৰ কথাকে সোঁৱৰিব লাগিব। তেওঁ কৈছিল— "যিহকে আমাৰ ভাষালৈ আনা তাক যেন অসমীয়া সাজ পাৰ পিন্ধাই আনা।" উপাধ্যায় এই ক্ষেত্ৰত অৱশ্যেই সফল হৈছে।

অৱশ্যে ব্যক্তিগতভাৱে কিতাপখনৰ বিষয়ে যে কিবা ক'বলৈ নাই ঠিক তেনে নহয়। ধৰ্ম বা ভগৱানৰ প্ৰসঙ্গ ছাত্ৰ শক্তিৰ ক্ষেত্ৰত প্ৰাসঙ্গিকতা থাকিব নে নাথাকে ই এক ডাঙৰ প্ৰশ্নবোধক। (মানুহ ভগৱানৰ আকাৰত এই জগতত নিষ্পেষিত, গতিকে সহজেই তেৱাক অমান্য কৰিব নোৱাৰি। আনকি নিউটন আইনষ্টাইনৰ দৰে মহৎ বিজ্ঞানীয়ে, বিজ্ঞ শক্তিয়ে নিয়মিত ৰূপত মাৰ্গ দৰ্শন কৰি জগতৰ ভাগ্য নিয়ন্ত্ৰণ কৰা ভগৱানৰ অস্তিত্বক বিশ্বাস কৰিছিল। (পৃষ্ঠা-৪৩) এতেকে ছাত্ৰ শক্তিৰ প্ৰসংগত ভগৱান বা ধৰ্মৰ দৰে বিষয়ৰ অৱতাৰণাই কোনো কোনো পাঠকক নিৰাশ কৰাটোৱেই স্বাভাৱিক।

এইখিনিতে আন এটা প্ৰাসঙ্গিক কথা উল্লেখ কৰা যাওঁক। বহু বুদ্ধিজীৱিয়ে উদ্দেশ্য প্ৰণোদিতভাৱে বহু মহান লোকক ধৰ্মৰ দৰে ক্ষুদ্ৰ গণ্ডীলৈ টানি আনি আলোচনা কৰে। কিন্তু প্ৰকৃততে সিহঁত যি ধৰ্মৰে নহওঁক কিন্তু তেওঁলোকৰ শ্ৰেষ্ঠ ধৰ্ম মানৱতাহে। তেওঁলোকক মানৱতাৰ দিশেৰেহে মূল্যাংকন কৰা যুক্তিসংগত।

সি যি নহওঁক ক্ষুদ্ৰ আকৃতিৰ গ্ৰন্থখনে ছাত্ৰ-শিক্ষকক মানৱ শক্তিলৈ ৰূপান্তৰ কৰাৰ হাজাৰটা প্ৰণালী তথা সুদোত্তৰে ভৰপূৰ এখন সৰ্বজন পঠনীয় Very important book । ক্ষুদ্ৰ কলেবৰৰ বাবে বহু কিছু থাকি যোৱা যেন লাগিলেও সেয়া যেন নহয়! পুথিখন সংগ্ৰহ কৰকচোন।

❖❖❖



# REPORT FROM VICE-PRESIDENT



At the very outset of presenting the Annual Report of the accomplishment and the achivements as vice-president of Silapathar College, I pay due respect to our honourable Principal sir, heartfelt thanks to all the members of teaching staff, non-teaching staff, union Body members and my friends for selecting me as a vice-president of Students' Union of the college in the session of 2015-16.

I must not forget to thank the college authorities and my dear loving friends of Silapathar College for their valuable help, guidance and supported me in every steps towards success.

No single human-being can single handedly bring any of sucess to a community. That is why I urge my fellow students to stretch forward their helping hands and help the college authorities in inculcating quality education.

During my tenure as Vice-President I participated in many competitions and took many programms in our college and out door college. I am regret to express my feeling that during my tenure I enjoyed entertainment moments which will never come back into my life.

Following the College week Programme :

I also would like to thank Raju Pegu sir, Pranjal sir, and other teaching staff, all union body members and my loving friends-Navajit, Hema, Shivamoni, Debojit for their helping and guidance during my working period.

At last with my heart, I wish a bright, successful and happy future of Silapathar College in year to come.

Thank you.
Long live Silapathar College, Silapathar
Long live Silapathar College Students' Union

Biju Kr. Pegu
Vice-President
Silapathar College Students' Union

# REPORT FROM GENERAL SECRETARY



At the very begining of my report writing, I would like to convey my profound sense of gratefulness to the principal, vice-principal, the members of the teaching staff and non-teaching staff and all the students of Silapathar College. Along with this, I would like to convey my thanks and sincere gratitude to those great persons who had established Silapathar College with their hard labour and sacrifice.

Secondly, I would like to give my heartiest thanks to the all who elected me as a General Secretary in the session 2015-16. In my session I have successfully completed the terms with flying colours. During my term NAAC visited our college and all students gave support to us. And I am very thankful to those students and teacher who gave their support.

At last not the least, I cannot say how much successful I have been as General Secretary, but I made efforts to serue my fellow members and general students. I wish best of luck to the new Union who will get the apportunity to serve this college and I strongly hope that they will complete those which left incomplete. I offer my congratulation and gratitude to my advisors sir who helped in every step and every work.

Hoping bright future of our Silapathar College and Silapathar College Students' Union. I conclude.

Sri Brajen Taye
General Secretary
2015 - 2016



# REPORT FROM GENERAL SPORT SECRETARY

At the very begining of my report writing I would like to convey my profound sense of gratefulness to the principal, vice-principal, the members of the teaching staff and the student at Silapathar College. Along with this, I would like to convey my thanks and sincere gratitude to those great persons who had established Silapathar College with their hard labour and sacrifies.

Secondary, I would like to give my heartiest thanks to all who had elected me as a General Sports Secretary, in the session 2015-16. In my session I have successfully completed the terms with flying colours.

During my tenure, I organised competition in the Annual College Week 2015-16. Many of the students were Participated in the college week. And I would like to thanks the professor incharge Sri Nabin Chandra Kardong for his active support and also all the members of the student union of the college for their co-operation in very field.

Hoping bright future of our Silapathar College and Silapathar College Students' Union. I conclude

Rahul Kr. Shah
General Sports Secretary
2015-16

# সাহিত্য বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

জয়জয়তে যিসকল চিৰনমস্য ব্যক্তিৰ একান্ত প্ৰচেষ্টাতে চিলাপথাৰ মহাবিদ্যালয়খনি প্ৰতিষ্ঠা লাভ কৰিলে সেইসকলক মই এই বিশেষ ক্ষণত সোঁৱৰিছো।

অধ্যক্ষ মহোদয় তথা সন্মানীয় শিক্ষাগুৰুসকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ। ২০১৫-১৬ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাহিত্য শাখাৰ সম্পাদিকা পদটিত মই বিনা প্ৰতিদ্বন্দ্বিতাৰে হওঁ। মই এই দায়িত্বভাৰ গ্ৰহণ কৰাৰ পাছত তত্বাৱধায়ক হিচাপে মহাবিদ্যালয়ৰ অধ্যাপক প্ৰাঞ্জল ছাৰক বাছি লওঁ। তেখেতে মোক বিভিন্ন সময়ত বিভিন্ন ধৰণে সহায় কৰিলে। লগতে মোক সকলো সময়তে সহায় সহযোগ কৰা মোৰ বান্ধৱী কৃষ্ণা আৰু সংগীতাৰ লগতে বন্ধু ডেনীশ আৰু দ্বিপেন দালৈ মোৰ অশেষ ধন্যবাদ থাকিল।

মোৰ কাৰ্যকালত অনুষ্ঠিত হোৱা ২০১৫-২০১৬ বৰ্ষৰ মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহৰ সাহিত্য শাখাৰ প্ৰতিযোগিতাৰ ফলাফল সমূহ তলত উল্লেখ কৰা হ'ল—



**অসমীয়া কবিতা আবৃত্তি প্ৰতিযোগিতা ঃ**

প্ৰথম— সুপ্ৰিয়া বুঢ়াগোহাঁই। দ্বিতীয়— ৰবীন কুলি। তৃতীয় — মৌচুমী দেৱনাথ।

**ইংৰাজী কবিতা আবৃত্তি প্ৰতিযোগিতা ঃ**

প্ৰথম— ৰবীন কুলি। দ্বিতীয়— সুপ্ৰিয়া সেন। তৃতীয়— পূজা দাস।

**বাতৰি পঢ়া প্ৰতিযোগিতা ঃ**

প্ৰথম— সাগৰিকা কোঁৱৰ। দ্বিতীয়— জোনালী টায়ে। আচিফ ছিদ্দিক। তৃতীয়— ডেনিচ পেগু। সুপ্ৰিয়া বুঢ়াগোহাঁই। কৃষ্ণ বৰগোহাঁই।

**স্মৃতি পৰীক্ষা প্ৰতিযোগিতা ঃ**

প্ৰথম— মৰমী দিহিঙীয়া। দ্বিতীয়— ৰবীন কুলি। কৃষ্ণ বৰগোহাঁই। তৃতীয়— সন্তুষ গুপ্তা। সুভম পাল।

**স্ব-ৰচিত কবিতা প্ৰতিযোগিতা ঃ**

প্ৰথম— প্ৰাঞ্জল বুঢ়াগোহাঁই (শিৰোনাম-সুখ) দ্বিতীয়—ৰবীন কুলি (শিৰোনাম আলোক পথৰ অভিযাত্ৰী আমি)। তৃতীয়—পূজা দাস।

**প্ৰবন্ধ প্ৰতিযোগিতা ঃ** (বিষয় ঃ সাম্প্ৰতিক শিক্ষা ব্যৱস্থা আৰু প্ৰাসংগিক চিন্তা)

প্ৰথম— ৰবীন কুলি দ্বিতীয়—বীণা কাৰ্দং তৃতীয়—প্ৰাঞ্জল বুঢ়াগোহাঁই।

**স্ব-ৰচিত গল্প প্ৰতিযোগিতা ঃ** (প্ৰতিযোগী মাত্ৰ দুজন) উদগনিমূলক পুৰস্কাৰ ঃ ৰবীন কুলি।

**চিত্ৰাংকন প্ৰতিযোগিতা ঃ** (প্ৰতিযোগী মাত্ৰ তিনিজন) উদগনিমূলক পুৰস্কাৰ ঃ দ্বীপেন দলে।

**২০১৫-২০১৬ বৰ্ষৰ শ্ৰেষ্ঠ সাহিত্যিক ঃ** ৰবীন কুলি।

মোৰ কাৰ্যকালত যদি অজানিতে কিবা ভুল-ত্ৰুটি কৰিলোঁ তাৰ বাবে মই মহাবিদ্যালয়ৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰী, বন্ধু-বান্ধৱীৰ ওচৰত ক্ষমা প্ৰাৰ্থনা মাগিছোঁ। শেষত মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সৰ্ব্বাঙ্গীন উন্নতি কামনা কৰি মোৰ চমু প্ৰতিবেদন সামৰণি মাৰিলোঁ।

"জয়তু চিলাপথাৰ মহাবিদ্যালয় ছাত্ৰ একতা সভা"

ধন্যবাদেৰে—

শ্ৰী জোনালী টায়ে
সম্পাদিকা, সাহিত্য বিভাগ
২০১৫-১৬ বৰ্ষ।

# সমাজ সেৱা বিভাগৰ সম্পাদিকাৰ প্ৰতিৱেদন



প্ৰতিৱেদনৰ পাতনিতে চিলাপথাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ, উপাধ্যক্ষ মহোদয়কে প্ৰমূখ্য কৰি মোৰ শিক্ষাগুৰু সকললৈ বিনম্ৰ শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। লগতে মোৰ যি সকল ভাইটি-ভণ্টী, দাদা-বাইদেউ, বন্ধু-বান্ধৱীয়ে ২০১৫-১৬ বৰ্ষৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সমাজ সেৱাৰ পদবীত সম্পাদিকা হিচাপে মোক বিনা প্ৰতিদ্বন্দ্বিতাৰে মনোনীত কৰিলে তেওঁলোকলৈ ধন্যবাদ জ্ঞাপন কৰিছোঁ।

মহাবিদ্যালয়ৰ সমাজ সেৱাৰ দৰে এনে মহৎ পদবীৰ দায়িত্বভাৰ লবলৈ পাই মই নিজকে ধন্য মানিছোঁ। এই বিভাগৰ কৰণীয় কাম বহুতেই থাকে; সকলোখিনি সম্পূৰ্ণৰূপে কৰিব নোৱাৰিলেও যিমানখিনি পাৰো সেইখিনি সুচাৰুৰূপে পালন কৰিবলৈ চেষ্টা কৰিছিলো। ইয়াত মই কিমান সফল সেয়া আপোনালোকৰ বিচাৰ্য বিষয়। মোৰ কাৰ্যকালত বিভাগীয় তত্ত্বাৱধায়ক শ্ৰীযুক্তা মিনুলতা নেৱাৰ বাইদেৱে সু-দিহা পৰামৰ্শ দি মোক যথেষ্টখিনি উপকৃত কৰাৰ উপৰিও ভৱিষ্যতলৈ অনুপ্ৰেৰণা যোগোৱাৰ বাবে তেওঁলৈ মোৰফালৰ পৰা আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

শেষত মোৰ সকলো কামতে সহায় সহযোগিতা আগবঢ়োৱা মোৰ বন্ধু-বান্ধৱী, দাদা-বাইদেউ আৰু মহাবিদ্যালয়ৰ ছাত্ৰ- একতা সভাৰ সকলো সদস্যলৈ ধন্যবাদ জ্ঞাপন কৰি ৰৈ যোৱা ভুল-ত্ৰুটিৰ বাবে ক্ষমা প্ৰাৰ্থনা বিচাৰি প্ৰতিৱেদন সামৰিছোঁ।

শ্ৰীমতী কল্পনা দেৱী
সম্পাদিকা, সমাজ সেৱা বিভাগ
চিলাপথাৰ মহাবিদ্যালয় ছাত্ৰ একতা সভা।

# ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন



জয়জয়তে যিসকল চিৰনমস্য ব্যক্তিৰ একান্ত প্ৰচেষ্টাতে চিলাপথাৰ মহাবিদ্যালয়খনি প্ৰতিষ্ঠা লাভ কৰিলে সেইসকলক মই এই বিশেষ ক্ষণত সোঁৱৰিছো।

মাননীয় অধ্যক্ষ মহোদয় তথা সন্মানীয় শিক্ষাগুৰুসকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ। ২০১৫-১৬ বৰ্ষৰ ছাত্ৰ একতা সভাৰ ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ পদটিত মই বিনা প্ৰতিদ্বন্দ্বিতাৰে আৰু শিক্ষাগুৰুসকলৰ কৃপাত মনোনীত হওঁ। মোক এই পদটিত মনোনীত কৰি মহাবিদ্যালয়খনিক সেৱা আগবঢ়াবলৈ যি সুযোগ দিলে তাৰ বাবে সকলোলৈ ধন্যবাদ থাকিল।

২০১৫-১৬ বৰ্ষৰ ছাত্ৰ জিৰণি কোঠাৰ দায়িত্বভাৰ গ্ৰহণ কৰাৰ পাছত তত্বাৱধায়ক হিচাপে মহাবিদ্যালয়ৰ অধ্যাপক শ্ৰীযুত নৰকুমাৰ পেগু ছাৰক বাছি লওঁ। তেখেতে বিভিন্ন সময়ত মোক বিভিন্ন ধৰণে সহায় কৰিলে। বিশেষকৈ মহাবিদ্যালয়ৰ ক্ৰীড়া সপ্তাহত তেখেতে দেহে-কেহে খাটিলে। তেখেতৰ ওচৰত চিৰ ঋণী হৈ ৰম। ছাত্ৰ জিৰণী কোঠাৰ সম্পাদক হিচাপে শপত গ্ৰহণ কৰি কাৰ্যভাৰ লোৱাৰ পিছৰেপৰা মোৰ বছৰজোৰা কৰ্মৰ শুভ আৰম্ভণি ঘটে। মহাবিদ্যালয়ৰ ছাত্ৰসকলে যাতে জিৰণিৰ সময় সৎ ব্যৱহাৰ কৰিব পাৰে তাৰ্তলৈ লক্ষ্য ৰাখি মই কেৰম, ডবা আদি খেলৰ ব্যৱস্থা কৰিছিলো। পৰাপক্ষত ছাত্ৰ জিৰণি কোঠাৰ শৃংখলাবদ্ধতা আৰু পৰিষ্কাৰ পৰিচ্ছন্নতা বজাই ৰাখিবলৈ চেষ্টা কৰিছিলো। কিমান দূৰ সফল হলো সেয়া ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীসকলে নিৰ্ধাৰণ কৰিব।

বিগত বছৰৰ দৰে এই বছৰো আমাৰ মহাবিদ্যালয়ত ক্ৰীড়া সপ্তাহ আৰম্ভ হয়। মোৰ বিভাগৰ প্ৰতিযোগিতাসমূহ আছিল— কেৰম, ডবা। এই প্ৰতিযোগিতাত যোগদান কৰা সমূহ ছাত্ৰলৈ মোৰ ধন্যবাদ থাকিল। আনহাতে যি সকল প্ৰতিযোগীয়ে মোৰ বিভাগৰ খেলসমূহত অংশগ্ৰহণ কৰি পাৰদৰ্শিতা দেখুৱালে তেওঁলোক সকলোলৈ মোৰ আন্তৰিক শুভেচ্ছা থাকিল। মহাবিদ্যালয় বাৰ্ষিক ক্ৰীড়া সপ্তাহ (২০১৫-২০১৬)ৰ ফলাফলসমূহ তলত উল্লেখ কৰা হ'ল—

**BOYS COMMON ROOM**

**Winner Name :**

| | | | |
|---|---|---|---|
| **Chess** | : | 1st | Krishna Borgohain, 4th Semester |
| | | 2nd | Danish Pegu, 6th semester |
| **Carrom Single** | : | 1st | Ahendra Sarker, 6th Semester |
| | | 2nd | Vivek Gurung, 6th semester |
| **Carrom Doubles** | : | Best Party, | Ahendra Sarker, 6th Semester |
| | | | Dipen Doley, 6th semester |
| | | 2nd Party | Sujit Das, 4th. Semester |
| | | | Subham Paul, 4th. semester |

মই যি উদ্দেশ্য আগত ৰাখি ২০১৫-১৬ বৰ্ষৰ ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ দায়িত্ব পালনৰ প্ৰতিশ্ৰুতি দিছিলো, সেই প্ৰতিশ্ৰুতিমতে হয়তো কাৰ্য সম্পাদন কৰিব নোৱাৰিলোঁ তাৰ বাবে মই দুখিত।

শেষত অজানিতে হৈ যোৱা ভুল ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ লগতে চিলাপথাৰ মহাবিদ্যালয় তথা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো। ধন্যবাদ।

জয়তু চিলাপথাৰ মহাবিদ্যালয়

জয়তু চিলাপথাৰ মহাবিদ্যালয় ছাত্ৰ একতা সভা

শ্ৰী সুজিত দাস

সম্পাদক, ছাত্ৰ জিৰণি কোঠা।

# গুৰু ক্ৰীড়া বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে মই সশ্ৰদ্ধ প্ৰণাম যাচিছোঁ সেইসকল ব্যক্তিক যিসকলৰ অক্লান্ত প্ৰচেষ্টা আৰু ত্যাগৰ বিনিময়ত আমাৰ মহাবিদ্যলয়খনৰ জন্ম হ'ল। দ্বিতীয়ত এই মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় আৰু চিৰপূজ্য শিক্ষাগুৰু তথা কৰ্মচাৰীবৃন্দৰ লগতে এই দাদা বাইদেউ, বন্ধু-বান্ধৱী আৰু মৰমৰ ভাটি-ভণ্টি সকলোলৈকে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। ২০১৫-১৬ শিক্ষাবৰ্ষৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ গুৰু ক্ৰীড়া বিভাগৰ সম্পাদক হিচাপে বিনা প্ৰতিদ্বন্দিতাৰে নিৰ্বাচিত হৈছিলো।

২০১৫-১৬ বৰ্ষ ছাত্ৰ একতা সভাৰ গুৰু ক্ৰীড়া বিভাগৰ সম্পাদক হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰাৰ পাছত তত্বাৱধায়ক হিচাপে 'ৰাজনীতি বিজ্ঞান' বিভাগৰ অধ্যাপক শ্ৰীযুত দীনেশ চন্দ্ৰ পেগু ছাৰে দায়িত্ব গ্ৰহণ কৰে। তেখেতৰ বহু ব্যস্ততাৰ মাজতো মোৰ বিভাগৰ কাৰ্যসমূহ সূচাৰুৰূপে চলাই নিয়াত যিদৰে সহায় কৰিলে তাৰ বাবে তেখেতলৈ মোৰ আন্তৰিক শুভেচ্ছা যাচিলোঁ। লগতে বিশেষভাৱে দিহা-পৰামৰ্শ আগবঢ়োৱা মাননীয় শিক্ষাগুৰু নবীন চন্দ্ৰ কাৰ্দং ছাৰ, প্ৰাঞ্জল ছাৰ, মোকেশ ছাৰ সকলোলৈকে মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো। বিভিন্ন দিশত সহায় কৰা মোৰ বন্ধুবৰ্গ (বিশেষভাৱে) কিৰণ, পবিত্ৰ, জইন, পাৰ্থ, কৃষ্ণ, সুৰম আদি সকলোলৈকে মোৰ কৃতজ্ঞতা যাচিলোঁ।

মহাবিদ্যালয় ৩৬ তম বাৰ্ষিক ক্ৰীড়া সপ্তাহত শিক্ষাগুৰুসকল আৰু বন্ধুবৰ্গৰ সহায়ত গুৰু ক্ৰীড়া বিভাগৰ খেলসমূহ শান্তিপূৰ্ণভাৱে অনুষ্ঠিত কৰা হ'ল। খেলসমূহৰ ফলাফল তলত দিয়া ধৰণৰ—

**গুৰু ক্ৰীড়া প্ৰতিযোগিতাৰ ফলাফল**

| | | |
|---|---|---|
| ক্ৰিকেট প্ৰতিযোগিতা ঃ | প্ৰথম স্থান— | দ্বিতীয় ষাণ্মাসিকৰ দল। অধিনায়ক—আছিফ ছিদ্দিকী |
| | দ্বিতীয় স্থান— | চতুৰ্থ ষাণ্মাসিকৰ দল। অধিনায়ক—সুভম পাল |
| ফুটবল প্ৰতিযোগিতা ঃ | প্ৰথম স্থান— | দ্বিতীয় ষাণ্মাসিকৰ দল। অধিনায়ক—ঘন বড়ি |
| | দ্বিতীয় স্থান— | চতুৰ্থ ষাণ্মাসিকৰ দল। অধিনায়ক—কিৰণ বৰগোহাঁই |

ক্ৰিকেটৰ মেন অৱ দি চিৰিজ ঃ আছিফ ছিদ্দিকী

ফুটবলৰ মেন অৱ দি চিৰিজ ঃ ৰাজা বড়ি

সৰ্বশেষত জ্ঞাতে-অজ্ঞাতে হোৱা ভুল-ক্ৰটিৰ বাবে মই সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিছো আৰু চিলাপথাৰ মহাবিদ্যালয়ৰ সৰ্ব্বাঙ্গীন উন্নতিৰ কামনাৰে মোৰ প্ৰতিবেদন সামৰিলোঁ।

পুনৰ ধন্যবাদেৰে—

শ্ৰী দিজিত ফুকন
গুৰু ক্ৰীড়া বিভাগৰ সম্পাদক

পৰিশিষ্ট

# ২০১৫-২০১৬ বৰ্ষত চিলাপথাৰ মহাবিদ্যালয়ৰ স্নাতক শ্ৰেণীত প্ৰথম স্থান প্ৰাপ্তসকলৰ নাম আৰু শতকৰা হাৰ

| নাম | বিভাগ | শতকাৰ হাৰ |
|---|---|---|
| অৰবিন্দ চুতীয়া | অসমীয়া বিভাগ | ৬০.৭১ |
| প্ৰাঞ্জল বুঢ়াগোহাঁই | অসমীয়া বিভাগ | ৬২.৫৭ |
| মিতালী বৰুৱা | অসমীয়া বিভাগ | ৭২.৯৩ |
| ৰিয়াঙ্কী পাল | অসমীয়া বিভাগ | ৬০.৭১ |
| ৰবিন কুলি | অৰ্থনীতি বিজ্ঞান বিভাগ | ৭১.৯৩ |
| গিৰীণ দলে | শিক্ষাতত্ব বিভাগ | ৬২.৪৩ |
| বিবেক গুৰুং | শিক্ষাতত্ব বিভাগ | ৭৩.৫৭ |
| সুমিলা মৰাং | শিক্ষাতত্ব বিভাগ | ৬১.৬৪ |
| ৰিভাৰাণী দলে | শিক্ষাতত্ব বিভাগ | ৬১.০০ |
| সুনিতা দেৱী | শিক্ষাতত্ব বিভাগ | ৭২.৫৭ |
| পৱন উপাধ্যায় | শিক্ষাতত্ব বিভাগ | ৬৮.৭১ |
| বিকী দে | ইংৰাজী বিভাগ | ৬৬.৫০ |
| ডেনীচ পেগু | ইংৰাজী বিভাগ | ৬৩.৯৩ |
| অনিতা বাৰ্মা | ইংৰাজী বিভাগ | ৬৬.২৯ |
| জুতিকা কুলি | ইংৰাজী বিভাগ | ৬৮.৬৪ |
| প্ৰিয়ংকা অঞ্চলিয়া | ইংৰাজী বিভাগ | ৬০.৩৬ |
| প্ৰিয়ংকা তোষনিয়াল | ইংৰাজী বিভাগ | ৬৩.৫৭ |
| সবানা খাতুন | ইংৰাজী বিভাগ | ৬২.৪৩ |
| সুপ্ৰিয়া সেন | ইংৰাজী বিভাগ | ৬১.২৯ |
| ৰাহুল টায়ে | বুৰঞ্জী বিভাগ | ৬০.২৯ |
| সাগৰিকা কোঁৱৰ | বুৰঞ্জী বিভাগ | ৬৬.২১ |
| বেনু থাপা | দৰ্শন বিভাগ | ৬৩.৫৭ |
| ধন বাহাদুৰ টামাং | দৰ্শন বিভাগ | ৬৫.৫০ |
| ঘন টায়ে | দৰ্শন বিভাগ | ৬১.২৯ |
| মৌচুমী দেৱনাথ | দৰ্শন বিভাগ | ৬৭.০৭ |
| সুপ্ৰিয়া বৰগোহাঁই | দৰ্শন বিভাগ | ৭০.৫৭ |
| জীৱন উপাধ্যায় | ৰাজনীতি বিজ্ঞান বিভাগ | ৭৩.২১ |
| নেহেৰু চেত্ৰী | ৰাজনীতি বিজ্ঞান বিভাগ | ৬৩.৭৯ |
| ৰেৱতী মল্লহ | ৰাজনীতি বিজ্ঞান বিভাগ | ৬৩.০৭ |

# ২০১৫-২০১৬ বৰ্ষত চিলাপথাৰ মহাবিদ্যালয়ৰ উচ্চতৰ মাধ্যমিকত প্ৰথম স্থান প্ৰাপ্তসকলৰ নাম আৰু শতকৰা হাৰ

| নাম | শতকাৰ হাৰ | নাম | শতকাৰ হাৰ |
|---|---|---|---|
| জন পেগু | ৬৫.৮০ | প্ৰিয়া দাস | ৬১.২০ |
| নিউটন পেগু | ৭৬.৬০ | মৌচুমী সাহা | ৬২.৮০ |
| চুমকি দাস | ৬৪ | ৰীতামণি বসুমতাৰী | ৬০.৬০ |
| পাদ্যা দাস | ৬১.৪০ | মিনতী দাস | ৬৫.২০ |
| ৰীণা সিং | ৬৫.৬০ | | |

# লেখক / লেখিকাৰ পৰিচয়

**ড° বুলজিৎ বুঢ়াগোহাঁই**
সহকাৰী অধ্যাপক, গি.চৌ.ই. অৱ মেনেজমেণ্ট এণ্ড টেকন'লজী

**প্ৰাঞ্জল বুঢ়াগোহাঁই** *
সহযোগী অধ্যাপক, শিক্ষাতত্ত্ব বিভাগ, ডিব্ৰুগড় বিশ্ববিদ্যালয়

**দুলুমণি পেগু**
দ্বিতীয় ষান্মাসিক, অসমীয়া বিভাগ

**Dr. Jai Ram Jha**
Associate Prof., Dept. of English, Silapathar College,

**ৰবিন কুলি**
ষষ্ঠ ষান্মাসিক, অৰ্থনীতি বিজ্ঞান বিভাগ

**দিজিত ফুকন**
চতুৰ্থ ষান্মাষিক, অৰ্থনীতি বিজ্ঞান বিভাগ

**পল্লৱী কোঁৱৰ**
ষষ্ঠ ষান্মাসিক,  অসমীয়া বিভাগ

**Bina Kardong**
2nd Semester, Dept. of English

**তুলতুল ফুকন**
মুৰব্বী অধ্যাপিকা, অসমীয়া বিভাগ

**সুনীল টাইদ**
গ্ৰন্থাগাৰিক, চিলাপথাৰ মহাবিদ্যালয়

**Kamal Morang**
5th Semester, Dept. of English

**কৃষ্ণ ছেত্ৰী**
দ্বিতীয় ষান্মাসিক, শিক্ষাতত্ত্ব বিভাগ

**Rumpa Debnath**
HS 1st Year

**Priyanka Prasad**
2nd Semester, Dept. of English

**মিতালী বৰুৱা**
ষষ্ঠ ষান্মাসিক, অসমীয়া বিভাগ

**সাগৰিকা কোঁৱৰ**
ষষ্ঠ ষান্মাসিক, বুৰঞ্জী বিভাগ

**বিনীতা দেৱী**
প্ৰথম বৰ্ষ, উচ্চতৰ মাধ্যমিক

**মৰমী দিহিঙীয়া**
দ্বিতীয় ষান্মাসিক, অসমীয়া বিভাগ

**জ্যোৎস্না কুলি**
চতুৰ্থ ষান্মাসিক, চিলাপথাৰ মহাবিদ্যালয়

**সোণমণি নাওহলীয়া**
দ্বিতীয় ষান্মাসিক, অসমীয়া বিভাগ

**নিজৰা গগৈ**
চতুৰ্থ ষান্মাসিক, অসমীয়া বিভাগ

**মহেন্দ্ৰ পাচোৱান**
ষষ্ঠ ষান্মাসিক, অৰ্থনীতি বিজ্ঞান বিভাগ

**নিউটন পেগু**
দ্বিতীয় বৰ্ষ, উচ্চতৰ মাধ্যমিক

**কিৰণ বৰগোহাঁই**
চতুৰ্থ ষান্মাসিক, অৰ্থনীতি বিজ্ঞান বিভাগ

**পবিত্ৰ গগৈ**
চতুৰ্থ ষান্মাসিক, চিলাপথাৰ মহাবিদ্যালয়

**সেউলী দাস**
ষষ্ঠ ষান্মাসিক, অসমীয়া বিভাগ

**প্ৰাঞ্জল বুঢ়াগোহাঁই**
ষষ্ঠ ষান্মাসিক, অসমীয়া বিভাগ

**Ashif Siddiqu**
2nd Semester, Dept. of English

**সংগীতা বড়া**
চতুৰ্থ ষান্মাসিক, অসমীয়া বিভাগ

**কৃষ্ণ বৰগোহাঁই**
চতুৰ্থ ষান্মাসিক, অৰ্থনীতি বিজ্ঞান বিভাগ

**সোন্তি বৰগোহাঁই**
চতুৰ্থ ষান্মাসিক, অসমীয়া বিভাগ

**সোনমনি নাওহলীয়া**
দ্বিতীয় ষান্মাসিক, অসমীয়া বিভাগ

**বীণা ছেত্ৰী**
চতুৰ্থ ষান্মাসিক, চিলাপথাৰ মহাবিদ্যালয়

**মৰমী দিহিঙীয়া**
দ্বিতীয় ষান্মাসিক, অসমীয়া বিভাগ

**Gitima Deka**
Assistant Professor, Dept. of English

**Kiran Upadhyaya**
5th Semester, Silapather College

**নিকিতা ছেত্ৰী**
ষষ্ঠ ষান্মাসিক, চিলাপথাৰ মহাবিদ্যালয়

**বিজয়া দেৱী**
দ্বিতীয় ষান্মাসিক, চিলাপথাৰ মহাবিদ্যালয়

**ইন্দ্ৰজীত কোঁৱৰ**
ডিব্ৰুগড়

**মইনা চুতীয়া**
চতুৰ্থ, ষান্মাসিক, অৰ্থনীতি বিজ্ঞান বিভাগ

**বেবী বৰুৱা**
দ্বিতীয় ষান্মাসিক, সমাজতত্ব বিভাগ
**দিপাংকৰ ভূঞা**
প্ৰাক্তন ছাত্ৰ, অৰ্থনীতি বিজ্ঞান বিভাগ

**শোভামনি দত্ত**
ষষ্ঠ ষান্মাসিক, চিলাপথাৰ মহাবিদ্যালয়

**প্ৰাঞ্জল দাস**
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ

# পূৰ্বে প্ৰকাশিত চিলাপথাৰ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীসমূহ

| **বৰ্ষ** | **সম্পাদক** | **তত্ত্বাৱধায়ক** |
|---|---|---|
| ১৯৮৪-৮৫ | ৰিংকু দাস | ডিম্বেশ্বৰ গগৈ |
| ১৯৮৮-৮৯ | ৰিণু দাস | বসন্ত কুমাৰ দলে |
| ১৯৯১-৯২ | দেৱকান্ত দেউৰী | বিষ্ণুৰাম কোঁৱৰ |
| ২০০০-০১ | ইন্দ্ৰকান্ত ভৰালী | নন্দেশ্বৰ কছাৰী |
| ২০০১-০২ | ৰত্না সৰকাৰ | বিষ্ণুৰাম কোঁৱৰ |
| ২০০৪-০৫ | ভৱানী পেগু | ড°বসন্ত কুমাৰ দলে |
| ২০০৮-০৯ | চন্দ্ৰপ্ৰভা পেগু | বীণা দেৱী |
| ২০১০-১১ | ঝাণ্ডীৰাণী দলে | ড° বেবী মৰাং দলে |
| ২০১১-১২ | জেমছ্ দলে | ড° বসন্ত কুমাৰ দলে |
| ২০১৩-১৪ | দিব্য কুলি | ড°বেবী মৰাং দলে |
| ২০১৪-১৫ | প্ৰাঞ্জল বুঢ়াগোহাঁই | ড°বেবী মৰাং দলে |
| ২০১৫-১৬ | কৃষ্ণ বৰগোহাঁই | প্ৰাঞ্জল দাস |

**বিঃদ্ৰঃ** কিছু বছৰৰ আলোচনী প্ৰকাশ কৰিব পৰা নগৈছিল আৰু প্ৰকাশিত কিছু সংখ্যক আলোচনীও সংগ্ৰহ কৰিব পৰা নগ'ল। তাৰ বাবে আমি দুখিত।